# সূত্ৰধাৰ

'১৬-৩১ জুন, ১৯৯১ □ ছয় টকা




# সূত্ৰধাৰ

তৃতীয় বছৰ একাদশ সংখ্যা
১৬-৩০ জুন, ১৯৯১
Vol-3 No 11
16-30 June 1991

## বিষয়-সূচী

প্ৰচ্ছদ নিবন্ধ

### 'ড্ৰাগ্ছ ইণ্ডিয়া'ই দিয়া জীৱন আৰু 'ড্ৰাগ্ছ ইণ্ডিয়া'ৰ জীৱন ২০

অসমৰ দৰে এখন ঔদ্যোগিক ক্ষেত্ৰত অনুন্নত ৰাজ্যত অসংখ্য প্ৰতিকূল অৱস্থাৰ মাজত ব্যক্তিগত খণ্ডত আশাশুধীয়া প্ৰচেষ্টাৰে পৰিচালিত ড্ৰাগ্ছ ইণ্ডিয়াৰ সফলতা কাৰো অবিদিত নহয়। ১৯৮২ চনৰ পৰা ১৯৯০ চনলৈ ছবাৰকৈ ৰাষ্ট্ৰীয় উৎপাদিকা পৰিষদৰ পুৰস্কাৰ বিজয়ী এই প্ৰতিষ্ঠানৰ প্ৰধান পৰিচালন অংশীদাৰ দ্বিজেন ফুকনৰ সৈতে অন্তৰংগ কথোপকথনৰ লগতে ড্ৰাগ্ছ ইণ্ডিয়াৰ ব্যৱস্থাপক আৰু কৰ্মচাৰীৰ সৈতে দুআষাৰ কথা পাতিছে পাৰ্থপ্ৰতিম দাস আৰু ভাস্কৰজ্যোতি বৰাই।

আন্তৰ্জাতিক

### চৌপাশে চক্ৰবেহুঃ হুঁচিয়াৰ ১৬

ইৰাকৰ যুদ্ধৰ পিছত আমেৰিকাই সমগ্ৰ বিশ্বতে আধিপত্য স্থাপনৰ বাবে যো-জা চলাইছে। আন কথা বাদেই বাংলাদেশলৈকো সাহায্যৰ নামত সৈন্য বাহিনী পঠালে। ইয়াৰ ফলত ভাৰত তথা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতি সৃষ্টি হোৱা ভাবুকি সম্পৰ্কে আলচ কৰিছে দুলাল বৰাই।

**সাময়িক প্ৰসংগ**
চাবুৱাৰ আই, অসমৰ আই □ দুলাল বৰা ৬
ৰাজীৱ হত্যাৰ আঁৰত চি আই এ? □ দুলাল বৰা ৮

**ৰাজনীতি**
ৰাজীৱ গান্ধীৰ হত্যা আৰু ভাৰতৰ ভৱিষ্যত ৰাজনীতি □ হিতেন মহন্ত ৯
নিৰ্বাচনোত্তৰ মৌলিক চিন্তা □ গিৰীশ চন্দ্ৰ শৰ্মা ১১

**ৰাজধানী সংবাদ**
অসম চৰকাৰ আৰু চাহ বাগিচাৰ মালিকৰ যুঁজ □ হৰেন বুঢ়াগোহাঞি ১৪

**সংবাদ প্ৰবাহ**
টকাৰ খেলাৰে অগপ-ই এইবাৰ নিৰ্বাচনী প্ৰচাৰ চলাইছিলঃ জাল চিঠিৰ আঁৰত কোন? □ ত্ৰিনয়ন ১৮

**ধাৰাবাহিক স্মৃতি কথা**
অতীত ঐকতান বিষাদ □ মুশ্ৰী শোভা ব্ৰহ্ম ২৬

**সাহিত্য**
লক্ষ্মীনাথ বেজবৰুৱাৰ অমৰ সৃষ্টি কৃপাবৰ বৰুৱা □ যতীন্দ্ৰ নাথ গোস্বামী ৩২

**দৃষ্টিকোণ**
ৰাজীৱক মাৰিলে কিন্তু কিয়?
□ ঘনকান্ত লস্কৰ ৩৫

**মনোবিজ্ঞান**
কোকেইন এক আত্মক্ষয়ী আসক্তি
□ ডাঃ ৰণেন পাঠক ৩৮

**শব্দ, চিত্ৰ, ক্ৰমশঃ**
মৃত্যুহীন প্ৰাণ ভেনগখ □ হেমন্ত

**বিতৰ্ক**
ওৰণি তলৰ সাম্প্ৰদায়িকতা অতি বিপদজনক □ যতীন্দ্ৰ কুমাৰ বৰগোহাঞি ৪২

**একান্ত ব্যক্তিগত**
মোৰ নামটো □ নাজমা মুখাৰ্জী
অগল্প □ পদ্মপাণি ৪৭

**গ্ৰন্থজগত**
ডঃ প্ৰফুল্লদত্ত গোস্বামীৰ জীৱনী
□ গোবিন্দ প্ৰসাদ শৰ্মা ৪৮

**ৰোগ আৰু চিকিৎসা**
পাথৰজনিত ৰোগ আৰু প্ৰতিকাৰ
□ ডাঃ ভূপেন্দ্ৰ প্ৰসাদ শৰ্মা ৫৫

চিঠি ৪
কবিতা ৩১
উপন্যাস ৫০
প্ৰাত্যহিক ৬১

সম্পাদক (অবৈতনিক)।
হোমেন বৰগোহাঞি

সম্পাদনা সহকাৰী
মালবিকা পাঠক

মুখ্য প্ৰতিবেদক
হৰেন বুঢ়াগোহাঞি

কলা নিৰ্দেশক
চম্পক বৰবৰা

কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ

পূৰ্বী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী- ১-ৰ পৰা প্ৰকাশিত। □ ফোন ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

Business Manager (New Delhi) **P.K. Narain**/121 Ashok Vihar, New Delhi-110052. Ph. 7231350(R) □

## সংগীত ঋত্বিক বীৰেন্দ্ৰ কুমাৰ ফুকন

জনপ্ৰিয় "সূত্ৰধাৰ"ৰ সাক্ষাৎ নিবন্ধত (১৬-৩১ জানুৱাৰী '৯১) ংখ্যাত মালবিকা পাঠকৰ অসমৰ সংগীত গতৰ প্ৰতিভূ, শাস্ত্ৰীয় সংগীতৰ চৰ্চাৰ ধান ঋত্বিক বীৰেন্দ্ৰ কুমাৰ ফুকনৰ থাখিনি পঢ়ি স্বনামধন্য সংগীত সাধক নাৰ বহু নজনা কথা জানিব পাৰি অতিশয় ন্তোষ পালো।

পাঠকৰ সাক্ষাৎ নিবন্ধত উল্লেখ াহোৱা এটি কথা এইখিনিতে উনুকিয়াব াচাৰো; ফুকন ডাঙৰীয়াই আকাশবাণীৰ ব্ৰুগড় কেন্দ্ৰৰ সঞ্চালক হৈ থাকোতে উজনি সমৰ লোকগীত সমূহ উদ্ধাৰ কৰি ংৰক্ষণ কৰাত অধিক তৎপৰ হৈছিল। খেতে ডিব্ৰুগড়ৰ পৰা যোৱাৰ পৰত ৯৭৭ চনৰ ১৩ ফেব্ৰুৱাৰীৰ দিনা ৰসাগৰৰ বকতা মৌজাৰ ভিতৰুৱা নিবিল গোহাঁই গাঁৱলৈ আহি বহু পূৰুগীয়া গীত বাণীবদ্ধ কৰি সেই ৰতে ২৯ জুন '৭৭ তাৰিখে নিশা ৯-৩০ াৰ পৰা দেৰ ঘন্টা সময় আকাশবাণীৰ গেদি প্ৰচাৰ কৰিছিল। উজনি অসমৰ পূৰুগীয়া গীত উদ্ধাৰত ফুকনক সহায় ৰিছিল লোক সংস্কৃতিৰ গৱেষক হেম গোহাঞিয়ে বুঢ়াগোহাঞিৰ আমন্ত্ৰণ ক্ৰমে তৰুৱা গাঁওখনলৈ ফুকনদেৱ আহিছিল। ৰ "সোণামতী সাংস্কৃতিক সংঘ" নামৰ ষ্ঠানটিৰ পৰা বহু ৰাইজৰ উপস্থিতিত গীত সুধাকৰ" উপাধি তেখেতলৈ প্ৰদান ছিল। সংস্কৃতি প্ৰেমী ঘন বৰগোহাঞি ভৰত কোঁৱৰে এই অনুষ্ঠানত আগ লৈছিল। আকাশবাণীৰ তেতিয়াৰ ঠান কাৰ্যবাহীক মাখন ৰাজখোৱাৰ এই শাত পূৰ্ণ সহযোগ আছিল। ফুকনে হুৱা সম্বৰ্ধনা গ্ৰহণ কৰি ৰাইজক গীত আৰু লোক সংস্কৃতিৰ বিষয়ে এটি ান ভাষণ আগবঢ়ায়।

ই দিনাই ফুকনে উজনিৰ আপুৰুগীয়া াৰী গীত, দেহ বিচাৰৰ গীত, মতীৰ গীত, জয়মতীৰ গীত, চিকন হৰ গীত, ঢেঁকীৰ গীত, ধনপচতুলা লাইখাওমীৰ গীত, সৃষ্টি তত্বৰ গীত, াত্ৰাৰ নাম, আইনাম, ধাই নাম, পূৰণি নাম ইত্যাদি আপুৰুগীয়া গীত উদ্ধাৰ হল। গায়ক-গায়িকা সকলৰ ভিতৰত ও ডম্বৰুধৰ দেওধাই ফুকন, স্বৰ্গীয়া ফুকন, ফুলেশ্বৰী চেতিয়া, নাংতিলো ৰুৱা, বিহুৰাম তামুলী, হৰেশ হাঞি আদিৰ নাম উল্লেখযোগ্য। লা ফুকনে বুঢ়াগোহাঞিৰ সহযোগত গজপুৰীয়া গাঁৱৰ স্বৰ্গীয় খৰ্গেশ্বৰ পৰা শৰযাত্ৰা অসমত লুপ্তপ্ৰায় এটি গীত উদ্ধাৰ কৰে। বিহুৰাম তামুলীৰ টোকাৰী গীতত সন্তুষ্টি লভি ফুকনদেৱে ৰাইজৰ মাজতে তেওঁক আকাশবাণীৰ টোকাৰী গীতৰ শিল্পী হিচাপে স্বীকৃতি প্ৰদান কৰে। তদুপৰি স্বৰ্গীয়া ৰেখা ফুকন আৰু লগৰীয়াক জয়মতী গীতৰ আকাশবাণীৰ শিল্পী হিচাপে স্বীকৃতি দিয়াত অনুষ্ঠান কাৰ্যবাহী ৰাজখোৱা দেৱক দায়িত্ব দিয়ে।

উষা বুঢ়াগোহাঞি
জাছিংফা প্ৰিন্টাৰ্চ
চেপন, চৰাইদেউ

## জাতীয় সাহিত্য সংস্কৃতিৰ স্বৰূপ

সূত্ৰধাৰৰ তৃতীয় বছৰ ২য় সংখ্যাত প্ৰকাশিত শ্ৰীযুত তুলসী চাংমাইদেৱৰ উক্ত শিৰোনামাৰ নিবন্ধ আলোচনাটি পঢ়িলো। সাম্প্ৰতিক অসমৰ অসমীয়া জাতীয় অস্তিত্বৰ চূড়ান্তভাবে বিপন্ন বিশৃংখল হ'ব ধৰা অৱস্থাত শ্ৰীচাংমাইদেৱে চমু লেখাৰে অসমীয়া জাতীয় সাহিত্য সংস্কৃতিৰ এটি দুৰ্বল দিশলৈ আঙুলিয়াই দেখুৱাইছে। সঁচাকৈয়ে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত ব্যাঘাট জন্মাৰ ইও এক অন্যতম কাৰণ।

কিন্তু যোৱা তৃতীয় বছৰ ৮ম সংখ্যা সূত্ৰধাৰৰ চিঠিপত্ৰ শিতানত এজন সচেতন (?) পাঠক শ্ৰীযুত জ্যোতি প্ৰকাশ বৰুৱাদেৱে নিবন্ধটিৰ কেন্দ্ৰীয় উদ্দেশ্য নুবুজাকৈয়ে চাংমাইদেৱৰ দুটি মাত্ৰ উদাহৰণৰ ক্ষেত্ৰত কিছু আপত্তি দৰ্শাইছে। চাংমাইদেৱে তেখেতৰ নিবন্ধটিত লিখিছে–"মহৎ শিল্পী সাহিত্যিক বুদ্ধিজীৱী সকলৰ কৰ্মৰাজিত বাস্তৱ মানৱ সমাজৰ কালজয়ী আৰু সাৰ্বজনীন মানৱতাবোধৰ আদৰ্শ আৰু মানৱ প্ৰমূল্য সমূহে যে কেৱল বৰ্তমানকে প্ৰভাৱিত কৰে তেনে নহয়, ভৱিষ্যত সমাজ সভ্যতাৰ গতি প্ৰকৃতিৰ সম্পৰ্কেও ইংগিত দিবলৈ সক্ষম হয়"। এনে মন্তব্যৰ বিপৰীতে পাঠক বৰুৱাদেৱে শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্য সংস্কৃতি আৰু ধৰ্মীয় আদৰ্শক অসম মুলুকৰ যোৱা পাঁচশ বছৰৰো আগৰ বন্ধ জলাশয়ৰ পানী বুলি কিয় ভাবে আমি সাধাৰণ পাঠকে বুজি নেপালো। "শ্ৰীমন্ত শংকৰে পাৰ ভাঙি দিলা বহে ব্ৰহ্মান্ডক ভেদি" বুলিহে আমি জানো। তথাপিও শ্ৰীমন্ত শংকৰদেৱৰ কাষতে নত শিৰে থিয় হৈয়ো আমি চাংমাইদেৱৰ দৰে তেৰাৰ লেখাত দেখো কিছু বিসংগতি আৰু স্ববিৰোধ, যেনে-"কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম"ৰ বিপৰীতে "স্ত্ৰী শূদ্ৰগণ অধম যবন" আৰু "প্ৰকৃতি পুৰুষ দুয়ো হৈবা এক মতি"ৰ বিপৰীতে "ঘোৰ নাৰীমায়া সৰ্ব মায়াত কুৎসিত"-ইত্যাদি। পাঁচশ বছৰৰ আগৰ কি সামাজিক ব্যৱস্থাই শংকৰদেৱৰ মনত এনে স্ব-বিৰোধৰ সৃষ্টি কৰিছিল বৰুৱাদেৱেহে আমাক বুজাব পাৰিব যেন লাগিছে। কেনে আৰ্থ-সামাজিক ব্যৱস্থাই বেদ-পন্থ ছন্ন কৰা নাস্তিক বুদ্ধদেৱক আৰ্য হিন্দু ধৰ্মৰ মতানুসৰি ভগৱানৰ অৱতাৰ স্বৰূপে স্বীকৃতি দিবলৈ শ্ৰীমন্ত শংকৰদেৱকো বাধ্য কৰাইছিল আমি মূঢ়মতিয়ে নুবুজো। আমি নুবুজো য'ত বৌদ্ধগণকো বধি কল্কী অৱতাৰে কলিৰ শেষত কি সত্য প্ৰৱৰ্তাৱ বুলি ভৱিষ্যত বাণী কৰিছিল। মন কৰিব লগা কথা হৈছে-গাঁঠি বান্ধৰ কিটিপ জনা কিছুলোকে আজি কালি 'বুদ্ধ অৱতাৰ' বুলি নকৈ 'বোধ অৱতাৰ'বুলিহে কবলৈ লৈছে। অৱশ্যে বৰুৱাদেৱে "আৰ্য হিন্দু ধৰ্মৰ প্ৰতিষ্ঠাপক মূলতঃ ধৰ্মগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাত যদি এনে বিসংগতিপূৰ্ণ মন্তব্য নাথাকে"–(অন্য সংগতিপূৰ্ণ কথা থাকে)–"তেন্তে জাতিবৰ্ণ নিৰ্বিশেষে সকলো মানুহক তেওঁ প্ৰচাৰ কৰা ধৰ্ম (আৰ্য হিন্দু ধৰ্ম) গ্ৰহণ কৰিবলৈ কেনেকৈ আহ্বান জনালেহেঁতেন" বুলি নিজেই স্বীকাৰ কৰিছে। পাঠক বৰুৱাদেৱে মনত ৰখা ভাল শ্ৰীমন্ত শংকৰদেৱ মূলতঃ ধৰ্মগুৰু আছিল যদিও গৌণতঃ হলেও সামন্ত জমিদাৰ শিৰোমণি ভূঞাও আছিল। তদুপৰি শংকৰদেৱ সমাজ সংস্কাৰকহে আছিল পৰিবৰ্তক নাছিল। শ্ৰীমন্ত শংকৰদেৱক বৰুৱাদেৱে ভগৱানৰ অৱতাৰ, অতিমানৱ মহাপুৰুষ নে প্ৰতিভাকৰ যুগ মানৱ বুলি ভাবে সেইটো তেখেতৰ নিজা কথা। সাহিত্যৰ বিভিন্ন বিভাগ থাকিলেও সামগ্ৰিকভাবে সাহিত্য হ'ল মানৱ জাতিৰ কল্যাণ কামী মূল্যবোধ সমূহৰ নিৰৱচ্ছিন্ন সোঁত-প্ৰবাহ। ধৰ্মী সাহিত্যৰ লগতে ড০ শিৱনাথ বৰ্মনদেৱৰ "শ্ৰীমন্ত শংকৰদেৱ কৃতি আৰু কৃতিত্ব" গ্ৰন্থখন বৰুৱাদেৱে আকৌ এবাৰ মনোযোগেৰে পঢ়া ভাল হ'ব। পৃথিৱীৰ বৃহত্তম নদী দ্বীপ মাজুলীৰ চৌপাশে নিজ নিজ মহিমাৰে বহু নদ নদী বৈ আছে বিশাল ব্ৰহ্মপুত্ৰৰ বুকুৱেদি মহাসাগৰত মিলিবলৈ–ই কিন্তু নিশ্চিত।

পাঠক শ্ৰীবৰুৱাদেৱে 'মৃত্যুঞ্জয়' উপন্যাসখনৰ ১০০ আৰু ১০৪ পৃষ্ঠাৰ পৰা এক ডজন বাক্যৰ উদ্ধৃতি দিছে। তাৰ মাজতে থকা এটি বিসংগতিপূৰ্ণ বাক্য আকৌ আমালৈ উপহাৰ দিয়াৰ বাবে তেখেতলৈ আমি সাধাৰণ পাঠক হিচাপে অভিনন্দন জনাইছো। বাক্যটি হৈছে এই–"ক'তা আমি দেখোন অসমীয়াকে হ'ব পৰা নাই মানুহ হ'ম কেতিয়া?" ধনপুৰ নামৰ কছাৰী ডেকাৰ মুখেদি ঔপন্যাসিক শ্ৰদ্ধেয় শ্ৰীযুত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱে কোৱাইছে। প্ৰশ্ন হ'ল মিকিৰ, কছাৰী, কৈৱৰ্ত আদি অনুসূচিত জাতি জনজাতিসকল অসমীয়া নহলে (নহয় নেকি?) মানুহ হ'ব নোৱাৰে নেকি বাৰু? বাকী অনা অসমীয়াসকল একা–মানুহ নহয় নেকি? তেওঁলোকে কি কৰিলে কেনেকৈনো অসমীয়া হ'ব পাৰিব, মানুহ হ'ব পাৰিব? এনেকুৱা কিটিপ থকা গাঁথিৰ বান্ধবোৰ খুলি কোনে কেতিয়াকৈ গোটেইখন উলট পালট কৰিব পৰা বিধান তেওঁলোকক দিব বাৰু? আপোনাকে সুধিছো–কওকচোন বৰুৱাদেৱ। অৱশ্যে পৃষ্ঠাৰ সংখ্যাৰে এখন উপন্যাসৰ মূল্যায়ন কৰা নাযায় বুলি আমিও নজনা নহয়। কিমাধিকম্ ইতি।

শ্ৰীপূৰ্ণসিংহ গোহাঞি
শ্ৰীক্ষেত্ৰ গগৈ
বৰহাট, চৰাইদেউ

## গুৱাহাটী বিশ্ববিদ্যালয়

আপোনাৰ আলোচনীত প্ৰকাশ হোৱা স্বপ্না বেজবৰুৱাৰ "গুৱাহাটী বিশ্ববিদ্যালয় আশা আকাঙ্ক্ষা আৰু বৰ্তমান" এই শিৰোনামাৰ লেখাখিনি অতি সময়োপযোগী হৈছে। এখন বিশ্ববিদ্যালয় সমগ্ৰ দেশৰ আশা, আকাঙ্ক্ষাৰ প্ৰতীক। বিশ্ববিদ্যালয়ৰ শিক্ষাৰে শিক্ষিত লোকক দেশৰ প্ৰথম শ্ৰেণীৰ নাগৰিক বুলি স্বীকাৰ কৰা হয়। সমগ্ৰ অসমতৰ ৰাইজৰ চকু গুৱাহাটী বিশ্ববিদ্যালয়ত আৰু ই তিনিওখন বিশ্ববিদ্যালয়ৰ ভিতৰতে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। এই বিশ্ববিদ্যালয়ে বহুতো মনীষীৰ জন্ম দিছে আৰু চিন্তাবিদ, ভাষাবিদ, বিজ্ঞানীৰ ই মিলন ভূমি।

ৰাষ্ট্ৰপতিৰ শাসনৰ পাছৰে পৰা সমগ্ৰ অসম উত্তাল। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদ ইয়াৰ পৰা যেন বহু নিলগত। বিশ্ববিদ্যালয়ৰ চৌহদত থাকি অপাৰেচন বজৰঙৰ নামত কিমান যুৱক ঘৃণীয়া হ'ল, কিমান গৰাকী যুৱতী ধৰ্ষিতা হ'ল তাক অনুভৱ কৰিব নোৱাৰি। অথচ বেছ আড়ম্বৰেৰে বিশ্ববিদ্যালয় সপ্তাহ, বিভিন্ন ছাত্ৰাবাস ছাত্ৰীনিবাসত জাক-জমকতাৰে ন-পুৰণিৰ মিলন উৎসৱ আৰু বৰ্তমান যুৱ মহোৎসৱ উদ্‌যাপিত হৈছে। বৰ্তমানৰ পৰিস্থিতিত যুৱ মহোৎসৱৰ প্ৰয়োজনীয়তা কিমান সেয়া বিচাৰ্য বিষয়।

অধঃপতিত যুৱমানসিকতাই আমাৰ সমাজখনৰ ৰাজহাড় বেঁকা কৰি পেলাইছে। বিশেষকৈ উচ্চ শিক্ষাৰ থলীত যদি ইয়াক প্ৰত্যক্ষ কৰা হয় সেয়া সমগ্ৰ জাতিটোৰ বাবে অভিশাপ স্বৰূপ। আমাক এতিয়া গঠনমূলক মুকলি সমালোচনাৰ প্ৰয়োজন। কিন্তু বৰ্তমান কোনো সংগঠন আদিৰ বিষয়ে সমালোচনা কৰিলেই সেই সমালোচকক ভীতি প্ৰদৰ্শন কৰি মুখ বন্ধ কৰা হয়। কিন্তু সেই সকলে জনা উচিত যে কোনো এটা সংগঠন সঠিক পথত আগবাঢ়িবলৈ গঠনমূলক সমালোচনাৰ অতি প্ৰয়োজন। ই সংগঠনটোৰ বিৰোধিতা কৰা নুবুজায়। কিন্তু দুখৰ বিষয় বৰ্তমান অসমত সেয়াই হৈ আছে। কাৰোবাৰ ভুল ত্ৰুটিবোৰ আঙুলিয়াই দিলে সেইজনৰ প্ৰাণলৈকে বিপদ।

ছাত্ৰাবাস-ছাত্ৰীনিবাসৰ সুব্যৱস্থাইহে বিশ্ববিদ্যালয়ৰ পৰীক্ষা সমূহ সময় মতে অনুষ্ঠিত কৰাত সহায় কৰিব। তদুপৰি আবাস সমূহত চলি থকা পৰম্পৰাগত বেদখল কাৰ্য কৰ্তৃপক্ষৰ কঠোৰ প্ৰচেষ্টাৰেহে উঠাব পৰা যাব। ভুকুতে কলটো পকাবৰ চেষ্টা নকৰি সুপ্ৰচেষ্টাৰে পৰীক্ষাবোৰ একাদিক্ৰমে আগুৱাই আনিলেহে এটা শিক্ষা বছৰ হেৰুওৱাৰ পৰা হাত সাৰিব পাৰি। নতুন উপাচাৰ্য গৰাকীৰ পৰা আমি সেইখিনি আশা কৰিব পাৰো।

কঠিন বিত্তীয় সংকটত ভুগি থকা এখন বিশ্ববিদ্যালয়ৰ পৰা বিশ হাজাৰ টকা খৰচ কৰি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ যোৱাটো সহজে মানি লব নোৱৰা বিষয়। সমগ্ৰ অসমৰ আশা স্বৰূপ এই বিশ্ববিদ্যালয়খনৰ যদি অলপ মানো অৱনতি হয় তেতিয়া উত্তৰ পুৰুষৰ আগত প্ৰতিজন অসমীয়াই জবাবদিহি হব লাগিব। প্ৰতিজন যুৱক-যুৱতী সচেতন হওক। ভুল ত্ৰুটিবোৰ আঙুলিয়াই দিবলৈ মুকলি মনেৰে আগবাঢ়ি আহক। তেতিয়াহে উচ্চ শিক্ষাৰ প্ৰকৃত মূল্য দিয়া হব।

ৰীতা কাকতী
গুৱাহাটী বিশ্ববিদ্যালয়

## সংখ্যালঘু হোৱাৰ আশংকা

১-১৫ মাৰ্চ '৯১ সংখ্যাৰ 'সংখ্যালঘু হোৱাৰ আশংকা আৰু মধ্যবিত্তৰ ৰাজনীতি" শীৰ্ষক মাননীয় সচ্ছিদানন্দ ভৰালীদেৱৰ নিবন্ধটি পঢ়ি বেছ ভাল লাগিল আৰু ময়ো লগতে দুষাৰ মান যোগ দিবলৈ প্ৰয়াস কৰিছো।

যিহেতু উচ্চ বৰ্ণ মানুহখিনি অসমত বহু পিছত আহিছিল আৰু যিহেতু ই কায়িক শ্ৰম বিমুখী গতিকেই অসমত ইংৰাজৰ প্ৰভুত্বক স্বীকাৰ কৰি ইংৰাজৰ বহতীয়া হৈ, ইংৰাজৰ শিক্ষা গ্ৰহণ কৰি ক্ৰমে বৰ্ণবাদী মধ্যশ্ৰেণীত পৰিণত হৈছিল; আনহাতে আগতেই অহা জনগোষ্ঠী সমূহে স্বাধীনতাৰ প্ৰত্যাশালৈ ইংৰাজৰ পৰা সদায় দূৰত আছিল আৰু উচ্চ বৰ্ণ মধ্যবিত্ত শ্ৰেণীটোৱে ইংৰাজৰ কাষ চাপিবলৈ সুযোগ দিয়া নাছিল; আৰু তেতিয়াৰে পৰা আজিলৈ অসমত বৰ্ণবাদৰ প্ৰভুত্বক টিকাই ৰখা হৈছে আৰু ইয়াৰ বিৰুদ্ধে জনগোষ্ঠী সমূহ যেন একগোট হব নোৱাৰে তাৰ বাবে বিভিন্ন কৌশল অবলম্বন কৰি, ঠিক লোক পিয়লৰ আগে আগে বিভিন্ন ইছু সৃষ্টি কৰি ভাতৃঘাতী সংঘৰ্ষৰ জৰিয়তে সংখ্যালঘু জনগোষ্ঠী সকলক ভাবুকিৰ জৰিয়তে 'বৃহৎ অসমীয়া', 'অসমীয়া জাতিৰ মূল সুঁতি' আদি শ্ল'গান ব্যৱহাৰ কৰি আহি আজি ভুৱা বাওঁপন্থী শেষ কৌশলত অবতীৰ্ণ হৈছে আৰু আগৰ দৰেই কেন্দ্ৰীয় চৰকাৰে এইবাৰো সহায় কৰিছে আৰু বৰ্ণবাদী প্ৰচাৰ মাধ্যমৰ জৰিয়তে জনগণক অন্ধ কৰি নিপীড়িত জনগোষ্ঠী সমূহৰ সংগ্ৰামত আঘাত হানিব বিচৰা হৈছে। যদিও এই বৰ্ণবাদী গোষ্ঠীটো বিভিন্ন ৰাজনৈতক দলত সিঁচৰতি হৈ আছে তথাপি প্ৰয়োজনত একগোট হৈ বৰ্ণবাদক টিকাই ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে। সেয়েহে যেতিয়া বড়ো সকলৰ ওপৰত আজি অসমত জাপি দিয়া ক'লা আইন সমূহ জাপি দিছিল, বড়ো জীয়াৰী-বোৱাৰীক অসম পুলিচে ধৰ্ষণ কৰিছিল, শই শই বড়ো মানুহ মৰিছিল তেতিয়া কোনো প্ৰয়োজনীয় প্ৰতিবাদ কৰা নাছিল; আনকি এইবোৰক মিছা বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা নকৰাকৈ থাকিবলৈ ইহঁতৰ লাজ লগা নাছিল। আজি অসমীয়া মা-ভনীৰ নিৰ্যাতনত হায়ে-বিয়ে কৰা সকলে কিয় সেই সময়ত এই ক'লা আইন সমূহ মানৱতা বিৰোধী বুলি আদালতত গোচৰ নতৰিলে?

এখন মাহেকীয়া আলোচনীৰ কোনোবা এটা সংখ্যাত ভাৰতৰ কথাছবি প্ৰতিযোগিতাৰ বাবে "এইবাৰ প্ৰতি-যোগিতাৰ বাবে অসমীয়া ছবি নিৰ্বাচিত নহ'ল কাৰ্বি ছবিহে নিৰ্বাচিত হ'ল" বুলি এটা বাক্য লিখিছিল। তাৰ অৰ্থ হ'ল কাৰ্বি ছবিখন অসমীয়া ছবি নহয়, একেটা কাৰণতে কাৰ্বি ভাষা কোৱা মানুহখিনি কেনেকৈ অসমীয়া হব?

জোনালী শইকীয়া

## বকুল বনলৈ গৈছিলো

যোৱা ১৬-২৮ ফেব্ৰুৱাৰী সংখ্যাত 'সূত্ৰধাৰ'ৰ ওপৰোক্ত শিৰোনামাৰে অনুৰাধা দাসৰ লেখা পঢ়ি আত্মতৃপ্তি লভিলো। লেখিকাৰ সুন্দৰ বৰ্ণনাৰে মধুৰ প্ৰকাশ পাইছে ইয়াৰ সৌৰভ। প্ৰকৃতিৰ অনুপম সৃষ্টি এই বকুল বনতেই একালৰ বকুল বনৰ কবিয়ে পৰম আত্মীয়তাৰে প্ৰকৃতিৰ শান্তিময় বুকুত জিৰণি লৈ সুন্দৰৰ উপাসনা কৰিছিল আৰু কবিতাৰ মালা গাঁথি প্ৰেম আৰু অহিংসাৰ বাণী বিলাইছিল। সেই বকুল বনৰ পৱিত্ৰতাৰ বিষয়ে নক'লেও হব। লেখিকাই ইয়াৰ পৱিত্ৰতা উপলব্ধি কৰি সুন্দৰভাবে বৰ্ণনা দিবলৈ সক্ষম হৈছে। দুলীয়াজান নগৰৰ যান্ত্ৰিকতাৰ বিপৰীতে বকুল বনক 'প্ৰকৃতিৰ কোলাত এক পৰম শান্তিৰ আশ্ৰম' বুলি লেখিকাই যি উপলব্ধি কৰিছে সি সঁচাকৈ গুৰুত্বপূৰ্ণ। ইয়াৰ মাজেৰে প্ৰকৃতিৰ ধৈৰ্য, সাহস, ঐকান্তিকতা আৰু শান্তি প্ৰকাশ পাইছে।

বকুল বনৰ কবিৰ গাঁৱৰ হুবহু প্ৰতিচ্ছবি পঢ়িবলৈ পাই সুখী হ'লো। বকুল বনৰ সেই ঢেকীয়াখোৱা গাঁও, ডিহা নৈৰ ওপৰৰ কাঠৰ সাঁকো, বৰ নামঘৰ, কবিৰ পদূলিৰ মুৰৰ ডাঙৰ বকুল গছ দুজোপা আৰু কবিৰ সমাধিস্থল চোৱাৰ সৌভাগ্য ঘটা নাই যদিও ভৱিষ্যতে চোৱাৰ লোভ সামৰিব পৰা নাই। এগৰাকী মাতৃয়ে এবুকু মৰম যাচি নিজ সন্তানক আঁচলেৰে আবৰি ৰখাৰ দৰে ডিহা নৈয়েও কাৰোবাৰ ঘৰৰ পদূলিয়েদি, কাৰোবাৰ বাৰীৰ চুকেদি, কাৰোবাৰ ঘৰৰ কাষেদি বৈ গৈ গোটেই গাঁওখনকে বুকুত সাবটি ধৰি ৰখাৰ সেই অপৰূপ দৃশ্য চাবলৈ মনত হাবিয়াস উপজিছে। লগতে মন গৈছে বৰ নামঘৰৰ ভিতৰত বহি হৰি নাম লৈ নিজকে কিছু সময়ৰ বাবে আধ্যাত্মিক ভাবেৰে ধুৱাই পেলাবলৈ। পৱিত্ৰ আধ্যাত্মিক ভাবৰ হৃদয়ত মৃদু শিহৰণ জগা কি যে মধুৰ হব সেই ক্ষণ!

'সূত্ৰধাৰ'ৰ যোগেদি এনে ধৰণৰ সুন্দৰ লেখা ভৱিষ্যতে আৰু পঢ়িবলৈ পাম বুলি আশা কৰিলো। লেখিকালৈ ধন্যবাদ জনালো। শেষত বকুল বনৰ কবিক শ্ৰদ্ধাৰে সুঁৱৰিছো। লগতে আশা কৰিছো চৰকাৰে উক্ত অঞ্চলটো সংৰক্ষণৰ ব্যৱস্থা কৰিব(?)।

জ্যোতিৰ্ময় গগৈ
গেলেকী মৰাণ গাঁও

## প্ৰিয়ম্বদাৰ বিষয়ে একাষাৰ

সিদিনা 'সূত্ৰধাৰত' শ্ৰীযুত জ্ঞানেন শৰ্মা পাঠকৰ 'প্ৰিয়ম্বদা'ৰ বিষয়ে আপোনাৰ সমালোচনাটো পিঢ় অতি উপকৃত আৰু আনন্দিত হ'লো। মোৰো মন গ'ল দুআষাৰ ক'বলৈ। সেয়ে এই প্ৰয়াস। প্ৰিয়ম্বদাখন হাতে লিখা অৱস্থাতে পঢ়ি চোৱাৰ সৌভাগ্য মোৰ হৈছিল। শ্ৰীযুত পাঠক অৰ্থাৎ আমাৰ সকলোৰে ৰাজহুৱা ফুল দাদাই কবিতা লেখা দেখি উচপ খাই উঠিছিলো। আমাৰ স্কুলীয়া দিনৰ কালান্তক অংক মাষ্টৰে কবি 'কালিদাস'ৰ 'মেঘদূত' পঢ়ি ভাবত অভিভূত হোৱাটো যেনেকৈ অকল্পনীয় আছিল, সেইদৰে সমালোচনাৰ গদা ঘূৰোৱা ফুল দাদাই কবিতা লিখিব বুলি ভবাটোও সমানেই কষ্ট কল্পনা। কিতাপখন পঢ়িহে ভুলটো ভাগিল। প্ৰথমেই কৈ থওঁ যে সৰুতে লগ লগা অংক ভীতিৰ দৰে কবিতা ভীতিও মোৰ সদাজাগ্ৰত কাৰণ কবিতাৰ সৰহ ভাগেই মই একো বুজি নাপাওঁ। বিশেষকৈ আধুনিক কবিতা। তাতে বৰ্তমানৰ কবিৰ হাতত ডাৰি কল্পচিন, উপমা, প্ৰতীক সমূহে এনে দুৰূহ ৰূপ লৈছে যে তাৰ মাজৰ পৰা কবিতাৰ মৰ্ম উদ্ধাৰ কৰি ৰস উপভোগ কৰাটো অমুকাৰ সাধ্যাতীত। এতেকে কবিতা পৰিত্যাজ্য। প্ৰিয়ম্বদাৰ কবিতাবোৰ পঢ়ি কিন্তু অন্য ধাৰণা হ'ল। কবিতাৰ মৰ্ম কথা যেন কিছু বুজিব পৰা হ'লো। প্ৰত্যেকটো কবিতাৰ প্ৰত্যেকটো মানস চিত্ৰ অদ্ভুত, অভাৱনীয় আৰু অনন্য। আজিলৈকে কোনো কবিয়ে মোনা লৈ আকাশৰ তৰা বুটলি আলপনা সজাৰ কথা বোধহয় ভবা নাই। সেইদৰে মহাসাগৰৰ পানী অকলে সিঁচি পানীৰ তলৰ ঠাইবোৰ চাবলৈও কোনো কবি যোৱা নাই। কবিতাবোৰত বিশেষ্য-বিশেষণৰ, নতুন ধৰণৰ প্ৰয়োগ ঘটিছে। 'ৰাৱণ-দম্ভ', 'যমদগ্নি জোৱাৰ', 'অভিমন্যু জিভা', 'বুদ্ধদেৱ ব্যৰ্থতা' আদি। সাংগীতিক লয়, তালৰ ওপৰত জোৰ দি তেখেতে পাঠকক গনেশ গগৈ, দেৱকান্ত, নৱকান্তৰ কবিতাৰ দেশ খনলৈ লৈ যাব খুজিছে, যি কবিতাৰ ধাৰাটো এৰা সুঁতি হ'ল বুলি আপুনি যথাৰ্থত অনুভৱ কৰিছে। তেখেতৰ কবিতাবোৰত জীৱন যন্ত্ৰণাত জৰ্জৰিত হৃদয়ৰ, শৈশৱৰ সোণালী দিনবোৰলৈ প্ৰত্যাবৰ্তনৰ আকুলতা, অপূৰ্ণ বাসনাৰ পৰিতৃপ্তিৰ আকাংখা আৰু সমাজৰ নৈতিক অধঃপতনত বিক্ষুব্ধ কবি প্ৰাণৰ আৰ্তনাদ মিহলি হৈ আছে।

কবিতাৰ পৰা অৰ্থহীন শব্দাৱলীৰে ভৰা জটিলতা আঁতৰাই, কবিতাক আকৌ জন সমাজৰ হৃদয়লৈ ঘূৰাই অনাৰ প্ৰথম প্ৰতিশ্ৰুতিৰে ভৰা প্ৰিয়ম্বদাৰ দৰে কবিতা সংকলন আমাক আৰু লাগে। কবিয়ে আমাৰ প্ৰত্যাশা নিশ্চয় পূৰণ কৰিব। তেখেতৰ সহযাত্ৰী দুই এজনক লগ নাপামনে?

বিজয় শংকৰ শৰ্মা

## নিৰ্ভীকতাৰ পৰিচায়ক

'সূত্ৰধাৰ'ৰ ১-১৫ জুন সংখ্যাত প্ৰকা হোৱা আপোনাৰ নিৰ্ভী সম্পাদকীয় টোকা পঢ়ি অতিশ আনন্দ পাইছো। মই আপোনাৰ সৈ সম্পূৰ্ণ সহমত পোষণ কৰো। যদি এইবাৰে ভোটাৰে ভুল কৰে তাৰ ফল দহ বছৰ নহয় পঞ্চাছ বছৰলৈ ভোগ কৰিব লাগিব।

'নকলে নহয়' শিতানৰ অনিল বৰুৱা নিৰ্ভীক সাংবাদিকতাৰ প্ৰতি মোৰ সশ্ৰ নমস্কাৰ। বৰুৱাই উল্লেখ কৰা হিতেশ্ব শইকীয়াৰ প্ৰতি থকা বিদ্বেষ আৰু হিংস কিছুমান মানসিক ৰোগীৰ বিকাৰৰ বাহি আন একো নহয়। এখন অসমী সাপ্তাহিকৰ ৭জুন সংখ্যাত শইকী 'খলনায়ক' বুলি যি বাতৰি পৰিবে কৰিছে–সেই বাতৰিৰ দুৰ্ঘোৰ প্ৰতিবাদ ক মই সম্পাদকলৈ বেলেগে লিখিছো। কি মই জানো মোৰ সেই প্ৰতিবাদ অ প্ৰত্যাহ্বান তেওঁলোকে গ্ৰহণ নকৰে। সাহস অভাৱ।

জ্ঞানানন্দ শৰ্মা পা
আমগাওঁ গুৱাহ

সাময়িক প্ৰসংগ

# চাবুৱাৰ আই, অসমৰ আই

চাবুৱাৰ গাতে লাগি থকা জেৰাই গাঁৱৰ তিনিকুৰি বছৰীয়া আই মিলিকি বৰুৱাই ভোট দিলে। সম্ভৱতঃ আগতেও আইয়ে ভোট দিছিল। কিন্তু সেইটো তেতিয়া একো খবৰেই নাছিল। এইবাৰহে আইৰ ভোটটো প্ৰথম পৃষ্ঠাৰ বাতৰি হ'ল।

হোৱাৰ কথাই। কাৰণ সেই গৰাকী আইৰ আপোন সন্তানেই হৈছে পৰেশ বৰুৱা, আল্‌ফাৰ কমাণ্ডাৰ-ইন-চিফ্। ভাৰতৰ ভোটৰ কাৰবাৰ অৰ্থাৎ গণতান্ত্ৰিক ৰীতি-পদ্ধতিৰ ওপৰত আল্‌ফাই বিশ্বাস নকৰে। অসমৰ "মুক্তি"ৰ বাবে তেওঁলোকে বন্দুকতহে বিশ্বাস কৰে। সেয়ে বিগত নিৰ্বাচনটোত, ঘোষণা কৰা মতেই আল্‌ফা আছিল সম্পূৰ্ণ নিষ্ক্ৰিয় আৰু নিৰ্লিপ্ত। কিন্তু আপোন সন্তানৰ বিশ্বাস আৰু অংগীকাৰেও আইক টলাব নোৱাৰিলে। কষ্টোপাৰ্জিত গণতান্ত্ৰিক অধিকাৰটো এৰি দিবলৈ আই মান্তি নহ'ল।

অনেক উৎকণ্ঠা আৰু আশংকাৰ মাজেদি নিৰ্বাচন পাৰ হৈ গ'ল। আশংকা আছিল যে হিংসাৰ তেজেৰে নিৰ্বাচন ৰাঙলী হব, কিন্তু নহ'ল। আশংকা আছিল যে সন্ত্ৰাস আৰু গাৰ জোৰৰহে প্ৰাধান্য ঘটিব, বিবেকৰ নহয়। কিন্তু সেয়াও নহ'ল। তুলনামূলক ভাবে বহু বেছি শান্তিপূৰ্ণ অৱস্থাৰ মাজেদি আৰু আনকি ১৯৮৫-ৰ নিৰ্বাচনতকৈ বহু বেছি নিয়ম শৃংখলাৰ মাজেদিয়েই নিৰ্বাচনৰ সমাপ্তি ঘটিল।

অৱশ্যে স্বীকাৰ্য যে চৰকাৰৰ প্ৰশাসনিক ব্যৱস্থা আৰু আবেদন-নিবেদনবোৰৰ কিছু অৱদান যিদৰে শান্তিপূৰ্ণ ভাবে নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত আছিল, সেইদৰে আল্‌ফাৰ সম্পূৰ্ণ নিৰ্লিপ্ততাৰো অৱদান কোনো গুণে কম নাছিল। পানী নোখোৱা পুখুৰীটোৰ পাৰতো ভৰি নিদিয়াৰ দৰে নিৰ্বাচনৰ পৰা আল্‌ফা এইবাৰ বহু নিলগতেই ৰ'ল। নিজকে সম্পূৰ্ণ অৰাজনৈতিক বুলি টেঁটু ফালি থকা সদৌ অসম ছাত্ৰ সন্থাই নিৰ্বাচনৰ ঠিক আগে আগে এক পৰিপূৰ্ণ ৰাজনৈতিক অৱস্থান আৰু পক্ষ গ্ৰহণ কৰি যিদৰে নিজকে নিৰাভৰণ কৰিলে, তাৰ তুলনাত আল্‌ফা বহু ওপৰত বৈ গ'ল। নিজৰ ঘোষণাৰ প্ৰতি সত্যনিষ্ঠতা প্ৰদৰ্শন কৰি দেখুৱালে। গণতান্ত্ৰিকতাৰ গোমেচোঙ চোলা পিন্ধি থকা এচাম বুদ্ধিজীৱীয়ে গণতান্ত্ৰিক ব্যৱস্থাটোৰেই টেঁটু চেপি ধৰিবৰ বাবে প্ৰকাৰান্তৰে উচটোৱা সত্বেও আল্‌ফা নিজৰ সিদ্ধান্তত অটল হৈ থাকি গ'ল।

কিন্তু নিৰ্বাচনটোৰ মাজেদি এই কথা প্ৰমাণ হৈ গ'ল যে বাহিৰৰ পৰা কোনোবাই জাপি নিদিলে অসমৰ ভোটাৰ ৰাইজে নিজে কেতিয়াও কোনো ধৰণেৰে হিংসাক প্ৰশ্ৰয় নিদিয়ে। লগে লগে এই কথাও প্ৰমাণ হ'ল যে অসমৰ গৰিষ্ঠসংখ্যক জনসাধাৰণৰ আস্থা বন্দুকৰ ওপৰত নাই, গণতান্ত্ৰিক বিধি ব্যৱস্থাবোৰৰ ওপৰতহে আছে। সেয়ে নোহোৱা হ'লে, কোনো ধৰণৰ নিৰ্বাচনী ঢৌ নথকা সত্বেও গড় হিচাপত শতকৰা প্ৰায় ৬৭ ভাগ ভোটদাতা ৰাইজে নিজৰ নিজৰ ভোট নিদিলেহেঁতেন। আনকি ৰাজ্যখনৰ যিবোৰ অঞ্চল তথা গাঁও-ভূঁইত আল্‌ফাৰ ঘাটি আছিল, য'ত বিগত বছৰবোৰত মুক্ত মনে তেওঁলোকে কাম-কাজ কৰি আছিল, সেইবোৰ ঠাইতেই এইবাৰ শতকৰা ৬০ ভাগৰ পৰা ৭২ ভাগলৈ ভোটদান সম্ভৱপৰ নহ'লহেঁতেন।

সঁচা কথা যে আমাৰ দেশৰ প্ৰচলিত গণতান্ত্ৰিক বিধি ব্যৱস্থাটোৰ অনেক সীমাবদ্ধতা আৰু ত্ৰুটি আছে। সেইবোৰৰ বিষয়ে ভোটাৰ ৰাইজো সচেতন। তথাপিও তেওঁলোক আটায়ে এই ব্যৱস্থাটোৰ ওপৰতেই আস্থা ৰাখিছে আৰু হয়তো ইয়াতোকৈ উন্নত অৱস্থালৈ উত্তৰণ ঘটোৱাৰ আশাও পুহি আছে। কিন্তু মূৰটো বিষাইছে বুলিয়েই যিদৰে কোনোৱে নিজৰ মূৰটো কাটি নেপেলায়, ঠিক সেইদৰে সীমাবদ্ধতা আছে বুলিয়েই গণতান্ত্ৰিক ৰীতি আৰু পৰম্পৰাক তেওঁলোকে গৰকি ভাঙিবও নোখোজে। সেয়ে সংসদীয় গণতান্ত্ৰিক পদ্ধতিটোৰ ওপৰত অধিকতৰ আস্থা প্ৰদৰ্শন কৰি, শান্তি আৰু শৃংখলাৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰি আৰু নিজৰ চিত্তক আন সকলো ইন্দ্ৰিয়তকৈ ওপৰত স্থান দিয়াৰ মাজেদি অসমৰ ৰাইজে সঁচাকৈয়ে বিগত নিৰ্বাচনত এক ঐতিহাসিক সিদ্ধান্তৰেই পাঞ্চজন্য বজালে। বন্দুকৰ বিপৰীতে বিবেকৰ জয়ধ্বনি নিনাদিত হ'ল।

বয়সৰ আঁচোৰে অনা অপাৰ অভিজ্ঞতাৰ বৰপীৰাত বহি চাবুৱাৰ আইয়ে যিদৰে নিজৰ পবিত্ৰতম অধিকাৰক নেওচা নিদিলে, সেইদৰে অসমী আয়েও নিদিলে। আওবাট এৰি সুবাট লবলৈহে পুত্ৰহঁতৰ প্ৰতি এক অস্ফুট আহ্বান জনালে।

থাকিব পাৰেনে কোনোবা পুত্ৰ যাৰ কাণত আইৰ আকুল মাত নেবাজে? আইৰ মাত শুনি উভতি নোচোৱাকৈ জানো ক'ৰবাত কোনোবা পুত্ৰ থাকে!

**দুলাল বৰা**




আকৌ ঘূৰি আহিছে!

সেই জনপ্ৰিয় মাহেকিয়া যোজনা

7-বছৰীয়া মাহিলী আয় ইউনিট স্কীমত বনাছ তথা বাঢ়ন '91

অতিৰিক্ত সুবিধাৰ সৈতে।

দুটা সমানে আকৰ্ষণীয় বিকল্পঃ

নিয়মিত মাহিলী আয়

13% ডিভিডেন্ড মাহিলী দিয়া হয়

+ 2টা বনাছ ডিভিডেন্ড 3য় আৰু 5ম বছৰত

+পূৰ্ণতা প্ৰাপ্তিৰ সময়ত কেপিটেল এপ্ৰিশ্বিয়েশ্যন

*আপুনি বাট চাই থকা স্কীমখন এতিয়া আপোনাৰ হাতত!*

**বিনিয়োগ কৰক** নিম্নতম 1000/- টকা বা অধিক, চক্ৰবৃদ্ধি বাঢনৰ বাবে; নাইবা 5000/- টকা বা অধিক, নিয়মিত মাহিলী আয়ৰ বাবে। সৰ্বোচ্চ সীমা নাই। চাওক আপোনাৰ পইচাৰ বাঢ়ন।

**চলিত হাৰত ভঙাৰ পৰাৰ সুবিধা** 3 বছৰৰ পাছত যদিহে প্ৰয়োজন হয়।

**কৰৰ ৰেহাইঃ** (1) 13,000/- টকাৰ আয়লৈকে 80L বিধিৰ অধীনত (2) সম্পত্তি কৰৰ ৰেহাই 5নং ধাৰা মতে। ব্যক্তিৰ ক্ষেত্ৰত উৎসত কৰৰ কৰ্তন নাই।

**বন্ধকীৰ সুবিধাঃ** চেণ্ট্ৰেল বেংকৰ পৰা অনুদানো দিয়া হয় আপোনাৰ ইউনিটৰ বিপৰীতে।

**ডিভিডেন্ডঃ**মাহৰ 15 তাৰিখৰ আগতে যোগদান কৰাসকলক পূৰা মাহৰ ডিভিডেন্ড দিয়া হব আৰু 15 তাৰিখৰ পাছৰ সকলক আধা মাহৰ।

UNIT TRUST OF INDIA

ইউনিট ট্ৰাষ্ট অৱ ইণ্ডিয়া

৯৫ লাখ ইউনিট অধিকাৰীৰ বিশ্বাস

চক্ৰবৃদ্ধি হাৰত বাঢ়

1000/-টকা হয়গৈ 2500/- টক

+ 2টা বনাছ ডিভিডে 3য় আৰু 5ম বছৰত

+পূৰ্ণতা প্ৰাপ্তিৰ সময় কেপিটেল এপ্ৰিশ্বিয়েশ্যন

*আবেদন পত্ৰ গ্ৰহণ কৰা হয়ঃ*

ভাৰতীয় ষ্টেট বেঙ্কৰ আটাইবোৰ শাখাত আৰু ইয়াৰ সহযোগী বেঙ্কবোৰত, এ এন জেড গ্ৰিনলেজ বেঙ্ক, কলিকাতাৰ শাখাসমূহত লগতে ইউ টি আইৰ আটাইবোৰ অফিছত।

*ইউ টি আই এজেন্ট সকলৰ/চিফ ৰিপ্ৰেজেণ্টেটিভ নাইবা ইউ টি আইৰ যিকোনো অফিছত যোগাযোগ কৰক :*

**মুখ্য কাৰ্যালয় :** ১৩, চাৰ ভিথালদাস থেকাৰচে মাৰ্গ, (নিউ মেৰিন লাইনচ), বম্বে ৪০০ ০২০ টেলি : ২৮৬৩৭৬৭ **আঞ্চলিক কাৰ্যালয় :** ২ আৰু ৪ ফেয়াৰলি প্লেছ, কলিকাতা ৭০০ ০০১, টেলি : ২০৯৩৯১, ২০৫৩২২। **শাখা কাৰ্যালয় :** আশা নিৱাস, ২৪৬ লিবিৰ'ড, ভুবনেশ্বৰ ৭৫১০১৪; টেলি : ৫৬১৪১। ● ৩য় প্ৰশাসনীয় কাৰ্যালয় ২ মহলা, চিটি সেণ্টাৰ, দুৰ্গাপুৰ-৭১৩২১৬ ● জীৱনদীপ, এম∙এল∙ নেহৰু ৰ'ড পানবজাৰ, গুৱাহাটী ৭৮১০০১; টেলি : ২৩১৩১, ● জীৱন দীপ, একজিবিচন ৰ'ড, পাটনা ৮০০ ০০১; টেলি : ২২২৪৭০

অনুগ্ৰহ কৰি মোলৈ এখন বিনামূলীয়া MISG'91 পুস্তিকা পঠায় যেন।

নাম ..........

ঠিকনা ..........

..........

..........পিন ..........

স্কীমখন মুকলি থাকিব 3 মাহৰ বাবেঃ 1 এপ্ৰিল-30 জুন; 1991

# ৰাজীৱ হত্যাৰ আঁৰত চি আই এ?

ৰাজীৱ গান্ধীৰ হত্যাৰ লগত জড়িত বুলি সন্দেহ কৰি, ভাৰত আৰু শ্ৰীলংকাৰ কৰ্তৃপক্ষই যি গৰাকী মহিলা আৰু যিজন পায়জামা-কুৰ্তা পৰিহিত ব্যক্তিৰ ছবি ব্যাপক হাৰত প্ৰচাৰ কৰিছে, আনকি বিমান যোগে উক্ত ছবিসমূহ শ্ৰীলংকাৰ তামিল অঞ্চলত চিনাক্তকৰণৰ উদ্দেশ্যে সিঁচি দিয়া হৈছে, তেওঁলোকৰ চিনাক্তকৰণ এই লেখাৰ সময়লৈকে সম্ভৱপৰ হোৱা নাই।

মোটামোটি ভাবে শ্ৰীলংকাৰ অধিবাসীয়েই হত্যা কৰিছে বুলি ভাৰতৰ অনুসন্ধানকাৰী দলটোৱে ঠাৱৰ কৰিছে যদিও, হত্যাকাণ্ডটোৰ আঁৰত ভয়ানক বৈদেশিক চক্ৰান্ত আছে বুলি সন্দেহ প্ৰকাশ কৰিছে। তেনে সন্দেহৰ ভিত্তিতেই ভাৰত চৰকাৰে ৰাজীৱ হত্যাৰ অনুসন্ধানৰ বাবে গঠন কৰি দিয়া তদন্ত আয়োগৰ ক্ষমতা আৰু পৰিসীমা বঢ়াই দিবলৈ বাধ্য হৈছে যাতে সমগ্ৰ চক্ৰান্তটোৰ কথা পোহৰলৈ আহে।

হত্যাকাণ্ডটোত বিদেশী হাত থকাৰ উমান পোনপ্ৰথম পোৱা যায় পেলেষ্টাইন মুক্তি যুঁজৰ নেতা য়াছেৰ আৰাফতৰ পৰা। বাতৰি মতেওআৰাফতে ৰাজীৱ গান্ধীক এমাহমানৰ আগতেই সতৰ্ক কৰি দিছিল এই বুলি যে তেওঁক হত্যা কৰিব পাৰে। আৰাফতৰ এই বিশেষ সংকেত বাতৰিটো কঢ়িয়াই আনি এজন বিশেষ দূতে ৰাজীৱ গান্ধীৰ হাতত যোৱা জানুৱাৰী মাহত দিছিলহি। আমেৰিকাৰ সমৰ্থক দেশ ইজৰাইলৰ কুখ্যাত চোৰাংচোৱা বাহিনী "মোছাদ"ৰ গতিবিধিৰ ওপৰত নজৰ দি থাকোতেই হেনো আৰাফতৰ সমৰ্থকে ৰাজীৱ হত্যাৰ বাবে চলা চক্ৰান্তৰ সম্ভেদ পাইছিল।

ৰাজীৱ গান্ধীক শ্ৰীলংকাৰ 'লিবাৰেচন টাইগাৰ' বাহিনী (LTTE) লোকেই হত্যা কৰিছে বুলি ভাৰতীয় চোৰাংচোৱা বাহিনীয়ে সন্দেহ কৰাৰ কথা সঁচা। কিন্তু লিবাৰেচন টাইগাৰ বাহিনীৰ পক্ষৰ পৰা বাৰম্বাৰ সেই কথা অস্বীকাৰ কৰাটো পৰিলক্ষিত হৈছে। তদুপৰি, হত্যাকাৰীক ধৰা পেলোৱাৰ ক্ষেত্ৰত সহায় কৰিবলৈহে ইচ্ছুক বুলি সংগঠনটোৰ তৰফৰ পৰা কৰা ঘোষণাই যথেষ্ট বিভ্ৰান্তিৰ সৃষ্টি কৰিছে।

হত্যাকাৰীৰ সম্ভেদ বিচাৰি, ভাৰতীয় চোৰাংচোৱাৰ যিটো দল কলম্বোলৈ গৈছিল, জনামতে তেওঁলোকে এতিয়াও 'লিবাৰেচন টাইগাৰ' জড়িত থকাৰ একো প্ৰমাণ এতিয়ালৈকে উদ্ধাৰ কৰিব পৰা নাই। কিন্তু, বাতৰি মতে, দলটোৰ সন্দেহ হৈছে যে শ্ৰীলংকাৰ পিপল্‌চ লিবাৰেচন অৰ্গেনাইজেশ্যন অব তামিল ঈলম্ (PLOTE) নামৰ সংগঠনটোৰো হাত থাকিব পাৰে।

উল্লেখযোগ্য যে 'প্লট' নামৰ এই সংগঠনটো লিবাৰেচন টাইগাৰ বাহিনীৰ পৰাই ফাটি ওলাই অহা এটা গোট। মুখেৰে এই গোটটোৱে প্ৰথমতে মাৰ্ক্সবাদ-লেনিনবাদৰ কথাকে আওৰাইছিল যদিও, জৰ্জ হাব্বাছ নামৰ এগৰাকী ব্যক্তিৰ নেতৃত্বাধীন পেলেষ্টাইনী গেৰিলা গোট এটাৰ লগত সম্পৰ্ক স্থাপন কৰে। হাব্বাছৰ যোগেদিয়েই "মোছাদ" বাহিনীৰ লগতো 'প্লট'ৰ সংযোগ স্থাপিত হয় আৰু দস্যু বাহিনীৰ ৰূপলৈ অধঃপতিত হয়। মনত পেলোৱা দৰকাৰ যে এই বাহিনীটোৱেই 'মালদ্বীপ'ৰ চৰকাৰটো ওফৰাবৰ বাবে উদ্যত হওঁতে নিশাৰ ভিতৰতে ৰাজীৱ গান্ধীয়ে ভাৰতীয় সেনা বাহিনী পঠাই দস্যু দলটোক কৰায়ত্ত কৰি, উক্ত দেশৰ আব্দুল গায়ুমৰ চৰকাৰক ৰক্ষা কৰি দিছিল। 'প্লট' বাহিনীৰ লোকৰ দ্বাৰা যদি ৰাজীৱ হত্যা সংঘটিত হৈছে, তেন্তে সেই হত্যাৰ পূৰ্ণ আঁচনি দেশৰ বাহিৰত প্ৰস্তুত হৈছিল বুলিও ভাৰতীয় চোৰাংচোৱা মহল নিশ্চিত।

সঁচা নে মিছা, প্ৰমাণ হবলৈ বাকী থাকিলেও কিন্তু এটা ঘটনা ইতিমধ্যে ঘটিছে। ৰাজীৱ হত্যাৰ তদন্ত আয়োগৰ ওচৰত, কংগ্ৰেছ(ই) দলৰ ৰাজ্যসভাৰ সদস্য অজিত যোগীয়ে অভিযোগ দাখিল কৰিছে যে হত্যাৰ ষড়যন্ত্ৰটোত মধ্য প্ৰদেশৰ বিজেপি দলৰ এগৰাকী মন্ত্ৰীৰ হাত আছে। উক্ত মন্ত্ৰী গৰাকীয়ে কমনৱেলথ সংসদীয় গোটৰ সভাত যোগদানৰ বাবে শ্ৰীলংকালৈ যোৱা জানুৱাৰী মাহত গৈছিল আৰু তাৰ পিছত কেইবাবাৰো চিকিৎসাৰ নামত তামিলনাডুলৈ গৈছিল।

সম্প্ৰতি বাতৰিত এই কথা প্ৰকাশিত হৈছে যে আমেৰিকাৰ কুখ্যাত চি আই এ বাহিনীৰ অধিকৰ্তা ৰবাৰ্ট গেটছ্-এ, ভাৰতৰ ৰাজনীতি অস্থিৰ কৰি তোলাৰ বাবে প্ৰয়োজনীয় অপকৰ্মখিনিৰ দায়িত্ব 'মোছাদ' বাহিনীক দিছিল।

বিভিন্ন দেশৰ ৰাষ্ট্ৰ প্ৰধানক হত্যা কৰাৰ আঁৰত চি আই এ-ৰ হাত থকাৰ কথা ইতিমধ্যে বহুবাৰ অকাট্য ভাবে প্ৰমাণিত হৈছে। কিউবাৰ ৰাষ্ট্ৰনায়ক ফিডেল কাষ্টোক হত্যা কৰিবৰ বাবে যে বহুবাৰ চি আই এ চেষ্টা কৰিছিল, সেই কথা অলপতে আমেৰিকাৰ ৰাজনীতিবিদ সকলেই মুকলি ভাবে স্বীকাৰ কৰিছে।

ভাৰতৰ সদ্য সমাপ্ত নিৰ্বাচনটোত "আমেৰিকাৰ শীতল হাত?" শীৰ্ষক প্ৰতিবেদন সূত্ৰধাৰৰ যোৱা ১৬ মে' সংখ্যাতেই, অৰ্থাৎ ৰাজীৱ হত্যাৰ আগতেই প্ৰকাশ পাইছিল। মন কৰা দৰকাৰ যে নিৰ্বাচনী প্ৰক্ৰিয়াটো শেষ নৌহওঁতেই ৰাজীৱক হত্যাও কৰা হৈছিল।

ৰাজীৱ হত্যাৰ আঁৰত চি আই এ-ৰ হাত আছে বুলি বিভিন্ন মহলত উদ্ৰেক হোৱা সন্দেহৰ প্ৰমাণ হবলৈ বাকী। তদন্ত আয়োগ আৰু চোৰাংচোৱা বাহিনীয়ে প্ৰমাণ কৰিবগৈ পাৰেনে নোৱাৰে তাৰ বাবে সমগ্ৰ ভাৰতবাসীয়েও অধীৰ ভাবে অপেক্ষা কৰিছে।

কিন্তু এটা কথা ঠিক যে চি আই এ বাহিনীৰ অধিকৰ্তা ৰবাৰ্ট গেটছ নামৰ ব্যক্তি গৰাকী দক্ষিণ এছিয়াৰ ওপৰত বিশেষ ভাবে অধ্যয়ন কৰা বিশেষজ্ঞ বুলি জনাজাত। দক্ষিণ এছিয়াৰ ভিতৰতে ভাৰতো অন্তৰ্ভুক্ত হৈ আছে। জনামতে ৰবাৰ্ট গেটছ এ, ১৯৮৫ চনত চি আই এ বাহিনীত যোগ দিয়ে আৰু তাৰ ভিতৰত কাম কৰি থকা অৱস্থাতে দক্ষিণ এছিয়াৰ বিশেষজ্ঞ হিচাপে পৰিগণিত হৈ উঠে।

**দুলাল বৰা**





# ৰাজীৱ গান্ধীৰ হত্যা আৰু ভাৰতৰ ভৱিষ্যত ৰাজনীতি

হিতেন মহন্ত

মাদ্ৰাজৰ শ্ৰীপিৰামবুদুৰ নামে ঠাইৰ নিৰ্বাচনী সভাত ভাষণ দিয়াৰ ঠিক আগ মুহূৰ্তত ভূতপূৰ্ব প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীক নৃশংস ভাবে হত্যা কৰা হ'ল। এই হত্যা কেৱল মাত্ৰ এটা দুৰ্ঘটনা বা ঘটনা নহয়। সেইদৰে এই ঘটনাক কোনো এটা ৰাজনৈতিক দলৰ নেতা এজনৰ মৃত্যু বুলিও ক'ব নোৱাৰি। ৰাজীৱ গান্ধীৰ হত্যাৰ আঁৰত এক গভীৰ ৰাজনৈতিক ষড়যন্ত্ৰ জড়িত হৈ আছে। সেয়ে আমি ইয়াক ৰাজনৈতিক দৃষ্টি ভংগীৰে চাব লাগিব। হত্যাৰ আঁৰৰ ৰাজনৈতিক ষড়যন্ত্ৰৰ মূল উদ্দেশ্য হ'ল ভাৰতৰ গণতান্ত্ৰিক ব্যৱস্থাক ছিন্ন ভিন্ন কৰি দিয়া। সেয়ে গান্ধীৰ হত্যা প্ৰকৃততে ভাৰতৰ গণতন্ত্ৰৰ প্ৰতিয়েই এক প্ৰত্যাহ্বান।

ৰাজীৱ গান্ধীৰ হত্যাৰ সৈতে যে শ্ৰীলংকাৰ তামিল বিদ্ৰোহী সংগঠন এল টি টি ই জড়িত সেইটো এতিয়া একপ্ৰকাৰ নিশ্চিত হৈছে। শ্ৰীলংকাত শান্তি স্থাপন কৰাৰ উদ্দেশ্যে ৰাজীৱ গান্ধীয়ে প্ৰধান মন্ত্ৰী হৈ থকা কালত অৰ্থাৎ ১৯৮৭ চনত ভাৰতীয় সেনা বাহিনীৰে গঠিত শান্তি ৰক্ষা বাহিনী এটা প্ৰেৰণ কৰিছিল। এই শান্তিৰক্ষা বাহিনীয়ে এল টি টি ই-ৰ সৈতে ভয়াবহ যুদ্ধত অৱতীৰ্ণ হ'বলগীয়া হয়। ফলস্বৰূপে এল টি টি ই সংগঠনটোৰ বিস্তৰ ক্ষতি সাধন হয়। সেয়ে ৰাজনৈতিক উদ্দেশ্যতে গান্ধীক হত্যা কৰাৰ বাবে তামিল বিদ্ৰোহী সংগঠনটোৱে সদায়ে চেগ চাই আছিল। ভাৰতত মধ্যকালীন নিৰ্বাচন ঘোষণা কৰাৰ লগে লগে তামিল বিদ্ৰোহী সংগঠনটোৰ বাবে গান্ধীক হত্যা কৰাটো অতি জৰুৰী হৈ পৰে। কিয়নো শ্ৰীলংকাত সাংগঠনিক স্থিতি দুৰ্বল হৈ পৰাৰ পিছত এল টি টি ই বিদ্ৰোহী সকলে যে তামিলনাডুত ডি এম কে চৰকাৰৰ দুৰ্বলতাৰ সুযোগ লৈ শক্তিশালী ঘাটি স্থাপন কৰিছিল সেই বিষয়টো এতিয়া কাৰো অবিদিত নহয়। ৰাজীৱ গান্ধীয়ে বিৰোধী দলৰ নেতা হিচাপে এই বিষয়টোক লৈ সদায়ে চৰকাৰক সতৰ্ক কৰি আছিল। তামিলনাডুত যাতে এই সন্ত্ৰাসবাদী সংগঠনটোৱে গা কৰি উঠিব নোৱাৰে তাৰ বাবে গান্ধীয়ে ব্যৱস্থা গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক জোৰদি আহিছিল। ডি এম কে চৰকাৰৰ ৰাজনৈতিক দুৰ্বলতাৰ সুযোগ লৈ এল টি টি ই যাতে তামিল নাডুত গা কৰি উঠিব নোৱাৰে সেই উদ্দেশ্যে অৱশেষত চন্দ্ৰশেখৰৰ চৰকাৰে ডি এম কে চৰকাৰক বৰ্খাস্ত কৰি ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন জাৰি কৰে। এল টি টি ই



*ৰাজীৱ গান্ধীৰ শেষ ভোট দান*



OKDISCD

সংগঠনটোৱে ধৰি ললে যে গান্ধীয়ে হেঁচা প্ৰয়োগ কৰাৰ বাবেই চন্দ্ৰশেখৰৰ চৰকাৰে ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন জাৰি কৰে। ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন জাৰি কৰা মূল উদ্দেশ্য হ'ল এল টি টি ই সংগঠনটোৱে স্থাপন কৰা ঘাটিবোৰ নষ্ট কৰি দিয়া।

ইয়াৰ পিছতেই দিশত মধ্যকালীন নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ল। এল টি টি ই সংগঠনটো এই বিষয়ত নিশ্চিত হ'ল যে যদিহে মধ্যকালীন নিৰ্বাচনৰ অন্তত ৰাজীৱ গান্ধী পুনৰ শাসন ক্ষমতালৈ আহে তেনেহলে তামিলনাডুৰ পৰা তেওঁলোকে অভিযান চলাই থকাটো সম্ভৱপৰ নহ'ব। এনে এটা পৰিস্থিতিতেই ৰাজীৱ গান্ধীৰ হত্যা সংগঠনটোৰ বাবে অতি জৰুৰী হৈ পৰিল আৰু অৱশেষত সংগঠনটোৱে নৃশংস হত্যাকান্ডটো সংঘটিত কৰাত কৃতকাৰ্য হ'ল। সেয়ে গান্ধীৰ হত্যাৰ আঁৰত এটা সু-পৰিকল্পিত ৰাজনৈতিক ষড়যন্ত্ৰ নিহিত হৈ আছে। ই কেৱল প্ৰতিশোধ লোৱাৰ বাবে সংঘটিত কৰা এটা হত্যাকান্ড নহয়।

এনে এটা পৰিস্থিতিতেই গান্ধীৰ হত্যাই ভাৰতৰ ৰাজনীতিত এক গভীৰ প্ৰভাৱ পেলাব আৰু ইতিমধ্যে ইয়াৰ লক্ষণ দেখিবলৈ পোৱা গৈছে। আচলতে ভাৰতীয় ৰাজনীতিৰ ধাৰাটোৱেই এতিয়া সলনি হোৱাৰ পথত। কিয়নো গান্ধীৰ হত্যাৰ পিছত পৰিস্থিতিৰ ভয়াবহতাৰ সম্পৰ্কে দেশৰ প্ৰায় আটাই কেইটা গুৰুত্বপূৰ্ণ ৰাজনৈতিক দল আৰু ইয়াৰ জ্যেষ্ঠ নেতাসকলে উপলব্ধি কৰিছে। আনকি ৰাষ্ট্ৰপতি আৰ ভেংকটৰমনে কেন্দ্ৰত এখন জাতীয় চৰকাৰ গঠনৰ সম্ভাৱনা সম্পৰ্কে দেশৰ গুৰুত্বপূৰ্ণ ৰাজনৈতিক দলৰ নেতা সকলৰ সৈতে আলোচনা চলোৱাটো এই ক্ষেত্ৰত প্ৰণিধান যোগ্য।

গান্ধীৰ হত্যাই দেশৰ অখন্ডতা আৰু ঐক্যৰ প্ৰতি যি ভাবুকি কঢ়িয়াই আনিছে তালৈ লক্ষ্য ৰাখি আনকি কংগ্ৰেছ দলৰ নীতি আৰু আদৰ্শৰ ঘোৰ বিৰোধী চি পি আই (এম) দলেও কংগ্ৰেছৰ প্ৰতি থকা পূৰ্বৰ স্থিতি সলনি কৰাৰ ইংগিত দিছে। গান্ধীৰ হত্যাৰ পিছতেই দলৰ সাধাৰণ সম্পাদক ই এম এছ নাম্বুদিৰিপদে ৰাজহুৱা ভাবে ঘোষণা কৰিলে যে কংগ্ৰেছ দল তেওঁলোকৰ মূল শত্ৰু নহয়। আনকি কিছু বিষয়ত কংগ্ৰেছৰ সৈতে একেলগে কাম কৰাৰ বাবেও ইচ্ছা প্ৰকাশ কৰিছে। দেশৰ প্ৰবীণ কমিউনিষ্ট নেতা আৰু মাৰ্ক্সীয় তাত্বিকজনৰ এই ঘোষণাই ইতিমধ্যে ৰাজনৈতিক মহলত তোলপাৰ লগোৱা এক নতুন চিন্তাৰ খোৰাক যোগাইছে। অৱশ্যে চি পি আই (এম) দলে আনুষ্ঠানিক ভাবে এই সম্পৰ্কত এতিয়াও মতামত ব্যক্ত কৰা নাই। সেয়ে গান্ধীৰ হত্যাৰ পিছত ভাৰতৰ অখন্ডতা আৰু একতাৰ প্ৰতি অহা ভাবুকিৰ বাবেই যে প্ৰবীণ কমিউনিষ্ট নেতাজনে এনে মন্তব্য কৰিছে সেই বিষয়ে কোনো সন্দেহ নাই। আনহাতে নতুনকৈ নিৰ্বাচিত কংগ্ৰেছ দলৰ সভাপতি নৰসিংহ ৰাওৱেও তৎক্ষণাত প্ৰবীণ নেতাজনৰ মন্তব্যৰ সম্পৰ্কত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছে যে কংগ্ৰেছ আৰু কমিউনিষ্ট পাৰ্টিয়ে পূৰ্বেও বন্ধু হিচাপে কাম কৰিছে আৰু সেয়ে এতিয়াও বন্ধু হিচাপে কাম কৰাত আপত্তি নাই।

সেইদৰে গান্ধীৰ হত্যাৰ পিছত বি জে পি দলেও সুৰ সলালে। ৰাম মন্দিৰ-বাব্‌ৰি মছজিদৰ শ্লোগানেৰে ভোট খুজি সমগ্ৰ দেশত তোলপাৰ লগোৱা বিজেপি দলে হঠাতে সেই শ্লোগান ত্যাগ কৰি সুস্থিৰতাৰ শ্লোগান লোৱা দেখা গ'ল। যিটো কংগ্ৰেছ দলেহে মাত্ৰ মূল নিৰ্বাচনী শ্লোগান হিচাপে ব্যৱহাৰ কৰি আছিল। বিজেপি দলে ৰাম মন্দিৰৰ শ্লোগান পৰিত্যাগ কৰি হঠাতে সুস্থিৰতাৰ শ্লোগান আওৱাবলৈ লোৱাটো তাৎপৰ্য পূৰ্ণ। ৰাম মন্দিৰৰ শ্লোগানেৰে উত্তৰ ভাৰতত খোপনি পোতা বিজেপি দলে হঠাতে গ্ৰহণ কৰা এই স্থিতিয়ে ভাৰতীয় ৰাজনীতিৰ ধাৰাটো সলনি কৰাৰ ইংগিত দিছে। গান্ধীৰ হত্যাই বিজেপি দলক যে শ'লথেকত পেলাইছে, সেইটো দলৰ নতুন স্থিতিয়ে আওপকীয়াকৈ প্ৰমাণ কৰে।

ৰাজীৱ গান্ধীৰ নৃশংস হত্যাকান্ডৰ পিছত অন্যান্য সোঁপন্থী দল বিশেষকৈ সমাজবাদী জনতা দলতো প্ৰভাৱ পেলাইছে। কোৱা বাহুল্য মাথোন যে মূলতঃ কংগ্ৰেছ দলৰ পৰা ফাটি গৈ এই সোঁ পন্থী দল বিলাকৰ জন্ম হৈছে। সেয়ে এই সোঁ পন্থী দল বিলাকৰ বেছিভাগ নেতা পুনৰ কংগ্ৰেছ দললৈ ঘূৰি যোৱাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। এটা কথা ঠিক যে কংগ্ৰেছ দলৰ ভিতৰ চ'ৰাত গণতান্ত্ৰিক ব্যৱস্থা বা ৰীতি- নীতি ক্ৰমে বিসৰ্জিত হোৱাৰ বাবেই কিছুসংখ্যক নেতাই তাৰ বিৰুদ্ধাচৰণ কৰি কংগ্ৰেছ দল ত্যাগ কৰিছিল। বৰ্তমানৰ প্ৰধান মন্ত্ৰী চন্দ্ৰশেখৰ আৰু পৰিকল্পনা আয়োগৰ উপাধ্যক্ষ মোহন ধাৰিয়াৰ নাম এই ক্ষেত্ৰত উল্লেখ যোগ্য। এই মোহন ধাৰিয়াই এতিয়া কংগ্ৰেছৰ ভিতৰ আৰু বাহিৰত থকা সকলো কংগ্ৰেছী লোকক একত্ৰিত হ'বলৈ আহ্বান জনাইছে। ইতিমধ্যে দেবীলাল, ডঃ সুব্ৰমনিয়াম স্বামীৰ দৰে নেতা সকলেও কংগ্ৰেছ দলত যোগদান কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। ভাৰতৰ ৰাজনীতিত দপদপাই থকা নেতা সকলৰ পৰিবৰ্তিত দৃষ্টি ভংগীয়ে আগন্তুক দিনবোৰত ৰাজনৈতিক ধাৰাটোৰ ওপৰত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলোৱাটো নিশ্চিত।

এই পৰিবৰ্তিত ৰাজনৈতিক পৰিস্থিতিৰ পটভূমিতেই আমি পাঞ্জাব, কাশ্মীৰ আৰু অসম সমস্যাৰ সমাধান বিচাৰিব লাগিব। কিয়নো বিগত দিনবোৰৰ অভিজ্ঞতাৰ পৰাই এইটো প্ৰমাণিত হৈছে চৰকাৰ গঠন কৰিব পাৰিলেও কোনো এটা ৰাজনৈতিক দলেই অকলশৰীয়াকৈ পাঞ্জাব, অসম আৰু কাশ্মীৰৰ দৰে জ্বলন্ত সমস্যাৰ সমাধান কৰিব নোৱাৰে। এইবোৰ সমস্যা সমাধানৰ বাবে সকলো ৰাজনৈতিক দলৰ সক্ৰিয় সহযোগিতা লাগিব। সেইদৰে ৰাজনৈতিক দলবোৰে দলীয় স্বাৰ্থ ত্যাগ কৰিহে এনেবোৰ সমস্যা সমাধানত গুৰুত্ব আৰোপ কৰিব লাগিব। দলীয় দৃষ্টিকোণৰ পৰা এনে গুৰুতৰ সমস্যা সমাধান কৰিব নোৱাৰি। কিয়নো দলীয় ক্ষুদ্ৰ স্বাৰ্থ পূৰণ কৰিবলৈ যোৱাৰ বাবেই মূলতঃ আজি এনে ভয়ংকৰ সমস্যাবোৰৰ উদ্ভৱ হৈছে। এই সমস্যাবোৰৰ সমাধান নোহোৱাকৈ ভাৰতত সন্ত্ৰাসবাদ আৰু হত্যাৰ ৰাজনীতি ৰোধ কৰিব পৰা নাযাব।

এই মুহূৰ্তত ভাৰতবৰ্ষত গা কৰি উঠা সন্ত্ৰাসবাদ আৰু হত্যাৰ ৰাজনীতি ৰোধ কৰাটো অতীৱ প্ৰয়োজনীয় হৈ পৰিছে। আমি আগতে কৈ অহাৰ দৰে কোনো এটা ৰাজনৈতিক দলে চৰকাৰ গঠন কৰি পুলিচ, মিলিটেৰীৰে এইবোৰ সমস্যাৰ স্থায়ী সমাধান কৰিব নোৱাৰে। ইয়াৰ বাবে লাগিব ৰাজনৈতিক সদিচ্ছা।

গান্ধীৰ হত্যাৰ পিছত ৰাজনৈতিক দলবোৰৰ পৰিবৰ্তিত দৃষ্টিভংগীয়ে এনে সদিচ্ছাৰ বাট মুকলি কৰিছে। সেয়ে ৰাজীৱ গান্ধীৰ হত্যাক কেৱল এজন বিশেষ ব্যক্তি বা ৰাজনৈতিক দলৰ নেতাৰ হত্যা হিচাপে নধৰি হত্যাৰ আগৰ আৰু পিছৰ পৰিস্থিতি এক নতুন ৰাজনৈতিক দৃষ্টি ভংগীৰে পৰ্যালোচনা কৰাটো অতীৱ প্ৰয়োজন।





# নিৰ্বাচনোত্তৰ মৌলিক চিন্তা

## গিৰীশ চন্দ্ৰ শৰ্মা

১৯৯১ চনত হোৱা ভাৰতৰ এই দশম নিৰ্বাচন ভাৰত তথা অসমৰ জনসাধাৰণৰ বাবে সৰ্বকালৰ বাবে এক অভিলেখ হৈ ৰ'ব দুটা কাৰণত। এটা মনস্তাত্বিক আৰু আনটো গণতান্ত্ৰিক। এশ দহ বছৰীয়া ৰাজনৈতিক দল এটা ক্ষমতাৰ পৰা আঁতৰি আহি পুনৰ বাৰ মঞ্চত অৱতীৰ্ণ হোৱাৰ প্ৰয়াস কৰাৰ প্ৰচেষ্টাৰ মাজতে সেই দলৰ নেতাজনক কূটাঘাতী চক্ৰই ষড়যন্ত্ৰ কৰি বোমাৰে উৰাই দিলে। এটা অতি মূল্যবান জীৱনৰ চিৰ সমাপ্তি ঘটিল। ৰাষ্ট্ৰযন্ত্ৰৰ নিৰাপত্তা ব্যৱস্থাই সেই অমূল্য জীৱন ৰক্ষা কৰিব নোৱাৰিলে। নিৰাপত্তা ব্যৱস্থা মজবুত ৰখাৰ নামতেই চৰকাৰে প্ৰতিবছৰে বৃহৎ পৰিমাণৰ ৰাজহ ব্যয় কৰে। ভাৰতীয় নিৰাপত্তা ব্যৱস্থাৰ কলংকৰো অন্ত নাই। এই নিৰাপত্তা ৰক্ষীৰ হাততে দেশৰ এগৰাকী মহিলা প্ৰধান মন্ত্ৰী নৃশংসভাবে হত্যা হোৱাৰ কালিমা মচিবলৈ দেশখনক বহু বছৰৰ প্ৰয়োজন হব। আমি গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ বাবে অনুপযুক্ত বুলি চাৰ্চিলে ভবাৰ দৰে হৈয়েই আছো নেকি। যিজন মহান নেতাই আজিৰ পৰা পঞ্চাশ বছৰ আগতে সমগ্ৰ দেশৰ জনসাধাৰণক চগাচাকিৰ দৰে উদ্বাউল কৰি তুলিছিল তেওঁৰ আদৰ্শ আৰু ব্যক্তিত্বৰ চমৎকাৰিত্বৰ দ্বাৰা দেশৰ অগণন নাৰী পুৰুষক সংগঠিত কৰি তুলি স্বাধীনতাৰ সংগ্ৰামত জঁপিয়াই পৰাৰ প্ৰেৰণা দিছিল সেইজন মহামানৱকো হত্যা কৰা হ'ল। তথাপিও যেন পৰীক্ষামূলক ভাবে গণতন্ত্ৰৰ চকৰি আমি ঘূৰায়েই আছো। গণতান্ত্ৰিক পৰম্পৰাত যুদ্ধ হয় ভোটৰ বাকচেৰে। অস্ত্ৰ শস্ত্ৰেৰে নহয়। বিৰোধীক পৰাভূত কৰা হয় ভোটেৰে। তৰ্ক যুদ্ধত। গুলিৰে নহয়। হাজাৰ বছৰীয়া ভাৰতীয় সাংস্কৃতিক পৰম্পৰাত হত্যাৰ স্থান নাই। স্থান আছে শান্তিৰ, দয়াৰ, কৰুণাৰ। অথচ ৮৪ কোটি জনসাধাৰণৰ এইখন দেশৰ আঙুলিৰ মূৰত গণিব পৰা এমুঠি মানুহে হত্যা, ধ্বংস আৰু লুন্ঠনেৰে দেশৰ জনসাধাৰণৰ মৌলিক অধিকাৰ খৰ্ব কৰিছে। বাকী সকলে ইয়াৰ প্ৰতিৰোধ কৰিব পৰা নাই। অসহায়ৰ দৰে চাই আছে। যুৱনেতাজনক হত্যা কৰাৰ পাছত দেশৰে এক অংশৰ এমুঠি মানুহে আনন্দত লাৰু বিলাইছিল। সেয়া জানো মানৱীয় কাম? আমি ক'ত আছো। এটা শতাব্দী শেষ কৰি একবিংশ শতাব্দীলৈ আগবাঢ়ি থকাৰ সন্ধিক্ষণতে আমি লোকসভা আৰু বিধান সভাৰ নিৰ্বাচনৰ বাবে সাজু হৈছিলো, প্ৰস্তুতি চলাইছিলো আৰু নিৰ্বাচন সমাপ্ত কৰি আগ্ৰহ, আশংকা আৰু অনিশ্চয়তাৰ মাজেৰে ফলাফললৈ অপেক্ষা কৰিছো। এই লেখাৰ সময়ত অসমত নিৰ্বাচন সমাপ্ত হৈছে প্ৰশংসনীয় শান্তিপূৰ্ণ পৰিবেশৰ মাজত। ক'তো অকণো শান্তি সম্প্ৰীতিত বিঘ্নিত নোহোৱাকৈ নিৰ্বাচন সমাপ্ত হৈছে আৰু ৬৫ শতাংশৰো অধিক লোকে উদ্দীপনাৰ মাজেৰে ভোটদান কৰিছে। এয়া অসমৰ বাবে যুগযুগান্তৰ ঐতিহ্যৰে ধাৰা-বাহিকতা। চুকাফাই ৰচনা কৰি থৈ যোৱা অসমীয়া জাতি গঠনৰ পূৰ্ণ পৰিণতি ইংৰাজ অহাৰ আগতেই হৈছিল অৰ্থাৎ ১৮২৬ চনৰ আগতে। তাৰ পিছত আৰু সেই প্ৰক্ৰিয়াক পুনৰ জগাই তোলাৰ প্ৰয়োজন হোৱা নাই। প্ৰয়োজন হৈছে গঢ়ি থৈ যোৱা প্ৰক্ৰিয়াটো অভগ্ন ৰখাৰ।

কিন্তু অসমত আজি আমি কি দেখিছো? মানুহে মানুহে বিদ্বেষৰ ভাব বিয়পাই দিয়াৰ চেষ্টা চলিছে। ইয়াৰ বায়ুপানীৰ লগত খাপ নোখোৱা লোকৰ সংস্কৃতিৰে আমাৰ ভালখিনি মষিমূৰ কৰাৰ উপক্ৰম হৈছে। অসমীয়া মানুহে নিজৰ স্থিতি স্থিৰেৰে ৰাখিব পৰা নাই অথচ সংহতি বিনাশকাৰী ক্ৰিয়াকলাপ অবাধে চলিব ধৰিছে। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, সুবক্তা আৰু জাকত জিলিকা সংসদী সদস্য শ্ৰীদীনেশ গোস্বামীৰ দৰে লোকে সন্দেহজনক পৰিস্থিতিত অকালতে জীৱন হেৰুৱাব লগীয়াত পৰিল। তেওঁৰ লগত দুজন বিশিষ্ট নাগৰিক আৰু এজন যুৱক মটৰ চালকৰ মৃত্যু হ'ল। মানুহৰ বাবে মৃত্যু অবধাৰিত। কিন্তু এইদৰে মানুহৰ জীৱন বন্তি নুমুৱাই দিয়াৰ অধিকাৰ কাৰো নাই। গণতান্ত্ৰিক দেশ এখনত বিভিন্ন মত, আদৰ্শ, চিন্তাধাৰা আৰু ৰাজনৈতিক মতাদৰ্শৰ লোক থাকিব। মগজুৰে যুঁজ কৰিব লাগিব, কোনে কিমানৰ সমৰ্থন আদায় কৰিব পাৰে তাৰ বাবে । তাকে নকৰি সম্পূৰ্ণ আসুৰিক ভাবে দীনেশ গোস্বামীৰ দৰে যদি এজন প্ৰতিভাশালী লোকক নিশ্চিহ্ন কৰি দিয়া হয় তেনেহলে কব লাগিব আমি গণতন্ত্ৰৰ উপযুক্ত নহয় বুলি চাৰ্চিলৰ বংশধৰ সকলেও ভাবিলে তাক খন্ডন কৰা সম্ভৱপৰ নহ'ব। গণতন্ত্ৰৰ মৰ্যাদা, স্বাভিমান, গুৰুত্ব আৰু প্ৰাসংগিকতা ৰক্ষাৰ বাবে, জনগণৰ সুখ, শান্তি সমৃদ্ধি আৰু জীৱিকাৰ বাবে, নিৰ্ভয় স্বচ্ছন্দ জীৱন যাপনৰ বাবে, বৰ্তমানত স্থিৰেৰে থিয় হৈ ভৱিষ্যতৰ পিনে নিশ্চয়তাৰে দৃষ্টি দিয়াৰ বাবে জনসাধাৰণৰ প্ৰয়োজন এখন অতি শক্তিশালী, সুস্থিৰ আৰু কল্যাণকামী চৰকাৰৰ। ভংগুৰ চৰকাৰ বা ত্ৰিশংকু সংসদ নহয়। জনসাধাৰণৰ ৰাজনৈতিক পৰিপক্কতাৰ ওপৰত আমাৰ আস্থা আছে, বিশ্বাস আছে। তেওঁলোকে কি বিচাৰে তাৰ সঠিক উত্তৰ বেলটৰ মাধ্যমত দিব বুলি আমাৰ বিশ্বাস। কিন্তু নিৰ্বাচনক কেন্দ্ৰ কৰি হোৱা হিংসাত্মক কাৰ্য ৰোধ কৰাত জনসাধাৰণৰ সামূহিক ভূমিকা প্ৰতীয়মান নোহোৱাটোহে বিস্ময়কৰ কথা। ৰাষ্ট্ৰপতি ৰামস্বামী ভেংকটৰমনে আঠ জুনৰ দিনা ৰাষ্ট্ৰৰ উদ্দেশ্যে দিয়া ভাষণত কোৱাৰ দৰে আমি ভাৰতীয় নাগৰিকে আজি প্ৰচেষ্টা কৰিব লাগে এটা কথা প্ৰতিপন্ন কৰাৰ বাবে যে আমি পৃথিৱীৰ বৃহত্তম গণতন্ত্ৰ নহয় শ্ৰেষ্ঠতম গণতন্ত্ৰও প্ৰতিজন ভাৰতীয় নাগৰিকে দেশখনক এনে মৰ্যাদা দান কৰাৰ বাবে যত্নপৰ হব লাগিব। প্ৰশাসন কঠোৰ আৰু আইনৰ শাসন অবাধে চলাব পৰাকৈ শক্তিশালী হ'ব লাগিব। শক্তিশালী চৰকাৰ এখন জনসাধাৰণেই বাছি দিব পাৰে।



OKDISC

অতি শান্তিপূৰ্ণ ভাৱে অসমত নিৰ্বাচন অনুষ্ঠিত হোৱাটোৱে এটা কথা সূচাইছে যে এইখন ৰাজ্যত গণতান্ত্ৰিক প্ৰমূল্য সমূহক বিশ্বাস আৰু প্ৰত্যয়েৰে গ্ৰহণ কৰা হৈছে। হিংসাৰ প্ৰতি মানুহৰ অনুমোদন নাই, তীব্ৰ ঘৃণাহে আছে। কেইবা দশক ধৰি জনসাধাৰণৰ চিন্তাধাৰা, আশা আকাংক্ষাৰ লগত নিবিড়ভাৱে পৰিচিত থকাৰ ভিত্তিত আমি ইয়াৰ আগতে কেইবাবাৰো লিখিছো যে অসমত শান্তিপূৰ্ণ ভাৱে নিৰ্বাচন অনুষ্ঠিত হ'ব। ক্ষুব্ধ যুৱ মানসিকতাৰ সত্তেও আমাৰ পৰিচয় আছে সেয়েহে কওঁ যে তেওঁলোক কেতিয়াও সন্ত্ৰাসবাদী নহয়। কৌশলগত কাৰণত কেতিয়াবা ক'ৰবাত তেওঁলোকে যদি সন্ত্ৰাসবাদৰ আশ্ৰয় লৈছে সেয়া সম্পূৰ্ণ অনিচ্ছাকৃত ভাৱে। আৰ্থিক অনগ্ৰসৰতা আৰু ভয়াবহ নিবনুৱা সমস্যাৰ ফলত যুৱ মানসিকতা ক্ষুব্ধ হোৱাটোৱেই স্বাভাৱিক। এই পৰিস্থিতি চিৰদিন নাথাকে। আলাপ আলোচনাৰ মাধ্যমত এটা সমাধান উলিয়াব পৰা হ'ব। নাগালেন্ড, মিজোৰাম আৰু ত্ৰিপুৰাতো ক্ষুব্ধ যুৱ মানসিকতাই প্ৰচন্ড ৰূপত আত্মপ্ৰকাশ কৰিছিল। তাতো এতিয়া শান্তি বিৰাজ কৰিছে।

এইবাৰ অসমত হোৱা নিৰ্বাচনৰ বহুতো বৈশিষ্ট্য আছে। যিহেতুকে কোনো ইছ্যু বা কোনো লহৰ এই নিৰ্বাচনত নাছিল সেয়েহে জনসাধাৰণে তেওঁলোকৰ বিচাৰ বুদ্ধিৰে ভোট দিছে। দেশত যে এখন স্থিৰ আৰু শক্তিশালী চৰকাৰ লাগে এই কথা যেন সাধাৰণ ভোটাৰেও অনুভৱ কৰিছে। নিৰ্বাচনী প্ৰচাৰ চলি থকাৰ সময়তে আমি অসমৰ বিভিন্ন ঠাইৰ চহৰ, নগৰ, চাহ বাগানৰ জনসাধাৰণক লগ ধৰিছিলো তেওঁলোকৰ প্ৰতিক্ৰিয়া জনাৰ বাবে। প্ৰথম কথা সকলোতে কোৱা হৈছিলঃ "ইমানবোৰ প্ৰাৰ্থী নো কিয় নিৰ্বাচনত থিয় হৈছে। অমুকে গৈ নো অকলশৰে কি কৰিব? অমুক দলক ভোট দি নো কি লাভ তেওঁলোকেতো চৰকাৰ গঠন কৰিবই নোৱাৰে। মাত্ৰ কেইখনমান (৩০ৰ পৰা ৫০ খনৰ ভিতৰত) আসনতহে তেওঁলোকে প্ৰাৰ্থী থিয় কৰাইছে"। অগপ শাসনৰ পাঁচ বছৰীয়া তিক্ত অভিজ্ঞতাৰ কথাও প্ৰকট হৈ পৰিছিল। এই দলটোৰ ব্যৰ্থতাৰ কথা দেখোন ভোটাৰ সকলৰ মুখে মুখে। বিভাজন তেওঁলোকৰ বাবে অভিশাপ হৈছে। বিভাজন নোহোৱা হলে হয়তো এই দলটোৱে কিছু জনসমৰ্থন পালেহেঁতেন। অগপ-ৰ বিৰুদ্ধে জনসাধাৰণৰ ক্ষোভ ইমান তীব্ৰ যে বহু ঠাইত অগপ-ৰ নেতা অপদস্থ হৈছে। ক'লা পতাকাৰ সন্মুখীন হৈছে। ৰাজহুৱা সভা পাতিব পৰা নাই। সেইদৰে অপদস্থ হৈছে নিৰ্বাচনত জিকি উঠি সমষ্টিটোৰ প্ৰতি পিঠি দিয়া প্ৰাৰ্থী জনদিয়েকো। এই ধৰণৰ ক্ষোভ যুক্তি সংগত। ভোটত জিকাৰ পিছত সমষ্টিৰ মানুহক পাহৰি গৈ নিৰ্বাচনৰ আগে আগে ভুমুকি মৰা জনৰ প্ৰতি কোনো ভোটাৰৰে সহানুভূতি থাকিব নোৱাৰে। ১৯৮৫ চনৰ নিৰ্বাচনত অকল বিদেশী নাগৰিকৰ গ্ৰাসৰ পৰা অসমীয়া মানুহক ৰক্ষা কৰা আৰু তেওঁলোকৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক অস্তিত্ব ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতিৰে ক্ষমতালৈ আহি পাঁচ বছৰ ৰাজসুখ ভোগ কৰা এই দলটোৱে ক'তো এইবাৰ ভুলতেও বিদেশী নাগৰিকৰ নাম লোৱা নাই? কিয়? পাঁচ বছৰ আগৰ এই জ্বলন্ত সমস্যাটো সমাধান হৈ গ'ল নেকি। লাখ লাখ বিদেশী থকা বুলি কৈ পাঁচ বছৰত পাঁচ শও বিদেশী খেদিব নোৱৰা এই অপৈণত অপদাৰ্থ নেতাসকলে জন-সাধাৰণৰ সন্মুখীন হব নোৱৰাটোৱেই স্বাভাৱিক। এইবাৰ ক'তো এখন পোষ্টাৰতো "জয় আই অসম" লিখা দেখা নগ'ল। ক'তো অগপ বা নতুন অগপ-ৰ নেতাই "জয় আই অসম" ধ্বনি নিদিয়াৰ কাৰণ কি? আগতে তেওঁলোকে "জয় আই অসম"ৰ দেশ প্ৰেম মূলক ধ্বনি দি কাক ছলনা কৰিছিল। নিৰ্বাচনৰ পৰৱৰ্তী কালত আজি ৰাইজে এইবোৰ কথাকে চিন্তা চৰ্চা কৰিছে। অগপ নতুন অগপ-ৰ নেতাসকলে নিৰ্বাচনোত্তৰ কালত হলেও উত্তৰ দিয়ক বিদেশী নাগৰিকৰ সমস্যাৰ সমাধান হৈ গ'ল নেকি? এই প্ৰশ্নতে ছবছৰ আন্দোলন চলোৱাৰ পৰিণতি ক্ষমতা দখলৰ লগতে শেষ হৈ গ'ল নেকি? সেই ছবছৰত ক'ত শত সহস্ৰ প্ৰতিশ্ৰুতি সম্পন্ন ছাত্ৰ ছাত্ৰীৰ কেৰিয়াৰ ধ্বংস হৈ গ'ল। তাৰ বাবে দায়ী কোন? আন্দোলনৰ মূৰকত অগপ গঠন কৰি স্পৰ্শকাতৰ ইছ্যুৰ সহায়ত ক্ষমতা দখল কৰি এতিয়া মূৰ পোলোকা দিয়া সকলে সমাজৰ যে ভয়ংকৰ ক্ষতি কৰিলে এতিয়া জনসাধাৰণে বুজি পাইছে। জনসাধাৰণৰ এনে পৈণত ৰাজনৈতিক জ্ঞানৰ ওপৰত ভিত্তি কৰি কব পাৰি যে কেন্দ্ৰত এখন ত্ৰিশংকু সংসদ তেওঁলোকে নিবিচাৰে।

**নিৰ্বাচনৰ প্ৰচাৰ চলি থকা সময়ত অসমৰ একাংশ বাতৰি কাকতে উদ্দেশ্য প্ৰণোদিত ভাৱে কোনো প্ৰাৰ্থী বা দলৰ সপক্ষে বা বিপক্ষে প্ৰচাৰ চলোৱাটো আমি গভীৰ উদ্বেগেৰে লক্ষ্য কৰিছো। আজিৰ দিনত খবৰৰ কাগজ মিছন নহয়। ই এটা ব্যক্তিগত খন্ডৰ উদ্যোগহে। গতিকে এই উদ্যোগৰ মালিক পক্ষৰ নীতি অনুসৰিয়েই বাতৰি কাকত পৰিচালিত হয়। এনে পৰিস্থিতিত কেনেকৈ পক্ষপাত দুষ্টতাৰ অনুপ্ৰৱেশ ঘটিল? নে সেয়া সংবাদপত্ৰ বিশেষৰ নীতিহে। তেনে নীতি জনস্বাৰ্থ আৰু গণতান্ত্ৰিক পৰম্পৰাৰ বিৰোধী।**

সম্পূৰ্ণ যুক্তিৰ ভিত্তিত এইবাৰ অসমৰ জনসাধাৰণে ভোট দিছে। বহু ঠাইত ব্যক্তি বিশেষৰ গুণ, সমাজ সেৱাৰ অভিলেখ আৰু ভাবমূৰ্তি চাই ভোট দিছে। সংসদী সদস্যৰ ক্ষেত্ৰত ব্যক্তি বিচাৰে দলতকৈ প্ৰাধান্য পোৱা দেখা গৈছে যদিও সেইদৰে ভোট দিয়া ভোটাৰৰ সংখ্যা লঘিষ্ঠ। তথাপি এই মুঠ চিন্তা ধাৰা যে এদিন বিয়পি পৰিব তাত সন্দেহ নাই। বহু ক্ষেত্ৰত দেখিছো জনসাধাৰণক সম্যক ৰূপে অৱগত কৰিব নোৱৰাৰ ফলতে প্ৰকৃত মূল্যায়নত বিজুতি ঘটিছে।

শোণিতপুৰ জিলাৰ বিস্তৃত চাহ বাগান এলেকাত ভ্ৰমণ কৰিছিলো নিৰ্বাচনৰ ঠিক আগে আগে। চাহ শ্ৰমিক আৰু প্ৰাক্তন চাহ শ্ৰমিক সকলৰ লগত ঘনিষ্ঠ ভাৱে কথা পাতি মোৰ এটা ধাৰণাই হ'ল যে তেওঁলোকে চৰকাৰৰ সোলোক ঢোলোক অৱস্থাটো ভাল পোৱা নাই। "এটা আহে, কিছু দিন থাকে। আৰ দুচৰা একটা আহে। এই ৰকম চলি থাকলে কি কাজ হবৰে"? একেবাৰে তৃণমূল অৱস্থাৰ চাহ শ্ৰমিকৰ এই মনোভাব দেখি মোৰ দৃঢ় ধাৰণা হৈছে যে শ্ৰমিক সকলৰ মাজতো এতিয়া সুস্থ ৰাজনৈতিক চেতনা প্ৰবল হৈ উঠিছে। স্থিৰ চৰকাৰ এখনৰ কথাকে তেওঁলোকে কয়।

আন এটা কথা মই এইবাৰ চাহ শ্ৰমিক আৰু প্ৰাক্তন চাহ শ্ৰমিক সকলৰ মাজত দেখিলো যে তেওঁলোকেও ভাবমূৰ্তি থকা লোক বিচৰা হৈছে। শোণিতপুৰ জিলাৰ তেনে এটা সমষ্টিত এজন সৰ্বভাৰতীয় দলৰ প্ৰাৰ্থীৰ বিৰুদ্ধে শ্ৰমিক সকলে প্ৰকাশ্যে কোৱা শুনিছো। "ওতো আমাৰ মতন গৰীব আছিল আভীতো মালদাৰ বনী গৈছে। দুই তিনিটা বিল্ডিং বানাইছে........" শ্ৰমিক সকলৰ এনে উক্তিৰ মাজত আমি তেওঁলোকৰ ৰাজনৈতিক তথা সামাজিক সচেতনতাৰ উমান পাইছো। সেই বেয়া ভাবমূৰ্তিৰ প্ৰাৰ্থীজনক চাহ মজদুৰ সকলৰ স্কুলীয়া, কলেজীয়া ল'ৰা ছোৱালীয়েও অপছন্দ কৰে। নতুবা এই অপছন্দৰ ভাব প্ৰথমতে ছাত্ৰ ছাত্ৰী খিনিৰ পৰাই অভিভাৱক সকলেও লৈছে। চাহ মজদুৰ শ্ৰেণীৰ ছাত্ৰ ছাত্ৰী সকলে সেই প্ৰাৰ্থীজনৰ বিৰুদ্ধে পৰোক্ষ ভাৱে নিৰ্বাচনী প্ৰচাৰ চলোৱাটো আমাৰ দৃষ্টিগোচৰ হৈছিল। চাহ মজদুৰৰ ছাত্ৰ ছাত্ৰীৰ সংগঠন এটাই প্ৰকাশ্যে আবেদন কৰি ফুৰিছিল যে "ভাল ভাবমূৰ্তি থকা লোককহে নিৰ্বাচনত ভোট দিব লাগে।" সৰ্বসাধাৰণ ৰাইজৰ মাজত অপ্ৰিয় আৰু বেয়া ভাবমূৰ্তিৰ লোকো চাহ বাগিচা এলেকাৰ সমৰ্থনত জিকি যোৱাৰ দৰে আগলৈ জিকি যোৱাটো অসুবিধাজনক হ'ব। গণতন্ত্ৰৰ বাবে তৃণমূল স্তৰৰ এনে চিন্তা ধাৰা শুভসূচক।

তেজপুৰ নগৰৰ বিভিন্ন শ্ৰেণীৰ ভোটাৰ ৰাইজৰ লগত কথা পাতি এটা কথাত স্পষ্ট হৈছিলো যে তেওঁলোকে বিধান সভাৰ প্ৰতিনিধি বাছোতে মন্ত্ৰীসভাখনলৈ দৃষ্টি ৰাখে। অমুক প্ৰাৰ্থীজন ভাল কিন্তু তেওঁক ভোট দি কি হ'ব তেওঁৰ দলেতো মন্ত্ৰীসভা গঠন কৰিব নোৱাৰে। লোকসভাৰ ক্ষেত্ৰত কিন্তু প্ৰাৰ্থীজনৰ ওপৰত গুৰুত্ব দিয়া দেখা গৈছে। নিৰ্দলীয় প্ৰাৰ্থীয়ে ভোটাৰ সকলক আকৰ্ষণ নকৰা হৈছে।

১৯৮৫ চনৰ পৰা ভোটদানৰ এটা নতুন দিশ উন্মোচিত হৈছে সেয়া হ'ল অসমীয়া মানুহে ভোট দিবলৈ যোৱা হৈছে। আগতে নগৈছিল। গুৱাহাটীতে দেখিছো অফিচত কাম কৰা বাবু সকলে ওচৰৰে এঘৰত বহি ভোটৰ দিনা দিনৰ দিনটো তাচ খেলে নাইবা গল্প মাৰে। যেন এটা অপচয় কৰিব লগীয়া দিনহে ! কিন্তু সম্প্ৰতি নিৰ্বাচন সম্পৰ্কত সচেতনতাৰ সৃষ্টি হৈছে। সাধাৰণ মানুহে দেখুওৱা আগ্ৰহৰ পৰিপ্ৰেক্ষিতত ভোটদান জনসাধাৰণৰ এটা গণতান্ত্ৰিক অধিকাৰ। কিছু ত্যাগ স্বীকাৰ কৰি, কিছু কষ্ট সহ্য কৰি হলেও সাধাৰণতে পাঁচ বছৰৰ মূৰত পোৱা এই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ বাবে নগৰ চহৰত থকা অসমীয়া চাকৰিজীৱী মধ্যবিত্ত বা শিক্ষিত সকলে ভোট দিবলৈ যাবলৈ আৰম্ভ কৰিছে। এই আৰম্ভণি হয় ১৯৮৫ চনৰ পৰা যি সময়ত অগপ আছুৱে ব্যাপক ভোটদানৰ সপক্ষে এটা লহৰ তুলিছিল। অসমীয়া মানুহৰ বাহিৰে অন্যান্যসকলে কিন্তু ভোটদানৰ প্ৰতি বিশেষ মনোযোগ দিয়ে। তেওঁলোকে আগৰে পৰা সকলো খা-খবৰ লয়, ভোটাৰ তালিকাত নাম উঠিছে নে নাই চায়, উঠা নাই যদি প্ৰপত্ৰ পূৰণ কৰি নাম ভৰ্তি কৰায়। ভোটকেন্দ্ৰ ক'ত হ'ব খবৰ লয়। অসমীয়া মানুহ নিৰ্বিকাৰ হৈ বহি থাকে। সম্প্ৰতি সেই স্থিতিৰ ক্ৰমে সলনি হ'ব ধৰিছে। বাবু প্ৰধান গুৱাহাটী চহৰতো ভোটদান কেন্দ্ৰৰ আগত অসমীয়া ভোটাৰে শাৰী পাতি অপেক্ষা কৰি থকা দেখিছো। প্ৰখৰ ৰ'দ আৰু প্ৰচন্ড গৰম সত্বেও। তথাপি ৫৫-৬৫ শতাংশহে ভোটদান হৈছে। আৰু বেছি হ'ব লাগিছিল। আবাসিক অঞ্চলত দেখিছো পুৰুষ মহিলা সকলোৱে লগে ভাগে ভোট দিবলৈ গৈছে। নোযোৱাজনে অলপ নিজকে নিকৃষ্ট অনুভৱ কৰে। গতিকে যোৱা হৈছে।

কবলৈ গ'লে এইবাৰহে অসমত প্ৰকৃত জনমত বা জননিৰ্বাচনৰ ছবিখন প্ৰকৃষ্টৰূপে প্ৰকাশ পাব। জনসাধাৰণে স্বতঃস্ফূৰ্ত ভাৱে ভোট দিবলৈ গৈছে। কোনো লহৰত উটি বুৰি নহয়, বা কোনো ইছ্যুৰ তাড়নাতো নহয়। সম্পূৰ্ণ আবেগ শূন্যভাৱে। নিজৰ বিচাৰ বিবেচনা আৰু বিবেকেৰে পৰিচালিত হৈ। জনসাধাৰণে এইবাৰ হিচাপত ভুল নকৰিব বুলিয়েই ধাৰণা। বাৰে বাৰে নিৰ্বাচন কৰোতে হাজাৰ কোটিৰ অধিক টকা ব্যয় হয়। সেই ব্যয় প্ৰয়োজনীয় যদিও উৎপাদিকা শক্তিহীন। ভাৰতৰ দৰে আৰ্থিক অভাৱ গ্ৰস্ত বিকাশশীল দেশ এখনৰ বাবে ইমান বুজন পৰিমাণৰ অৰ্থৰ উৎপাদিকা শক্তিহীন ব্যয় কৰাটো এটা অপৰাধৰ দৰে। তথাপি নিৰ্বাচন হলেতো খৰচ কৰিবই লাগিব গতিকে জনসাধাৰণে নিশ্চয় চাব যাতে এখন স্থায়ী চৰকাৰ ক্ষমতালৈ আহে। ১৯৮৯ চনৰ নবেম্বৰ মাহত নিৰ্বাচন হৈছিল। প্ৰায় ১৫০০ কোটি টকা খৰচ হৈছে। প্ৰায় ডেৰ বছৰৰ পিছত পুনৰ ১৯৯১ চনৰ জুন মাহতো নিৰ্বাচন হ'ল। প্ৰত্যক্ষ পৰোক্ষ মিলি কমেও ৩০০০ কোটি টকা খৰচ হব বুলি অনুমান কৰা হৈছে। ইফালে বৈদেশিক মুদ্ৰাৰ তহবিলৰ তলী উদং হৈছে আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক লেনদেনত পাওনাতকৈ দেনাৰ পৰিমাণ বৃদ্ধি পাইছে। এনে জটিল আৰ্থিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত ৩০০০ কোটি টকাৰ উৎপাদিকা শক্তিহীন ব্যয় পৰিহাৰ্য আছিল। কিন্তু উপায় নাই। জনসাধাৰণে চৰকাৰক আকৌ এনে অপৰিহাৰ্য ব্যয়ৰ মুখলৈ ঠেলি দিবনে নাই সেইটো বিবেচনা কৰি চাব কিন্তু দুৰ্ভাগ্যৰ কথা যে বিয়াগোম প্ৰচাৰ বিভাগ আৰু শক্তিশালী ইলেক্ট্ৰনিক মাধ্যমৰ গৰাকী চৰকাৰেও জনসাধাৰণক এইবোৰ মৌলিক কথা অৱগত কৰি ৰখাত গুৰুত্ব দিয়া দেখা নাই। ব্যক্তিগত খন্ডত পুঁজিপতিৰ নিয়ন্ত্ৰণাধীন খবৰৰ কাগজ সমূহে এনেবোৰ কথাত মূৰ ঘমোৱাৰ কথা নাভাবে। সেয়েহে চৰকাৰে তেওঁলোকৰ প্ৰচাৰ বিভাগ আৰু মেডিয়াৰ জৰিয়তে জনসাধাৰণক প্ৰশাসন, অৰ্থনীতি আদিৰ মৌলিক সমস্যা সমূহৰ প্ৰতি প্ৰণালীবদ্ধ ভাৱে দৃষ্টি আকৰ্ষণ কৰিব লাগে।

নিৰ্বাচনৰ প্ৰচাৰ চলি থকা সময়ত অসমৰ একাংশ বাতৰি কাকতে উদ্দেশ্য প্ৰণোদিত ভাৱে কোনো প্ৰাৰ্থী বা দলৰ সপক্ষে বা বিপক্ষে প্ৰচাৰ চলোৱাটো আমি গভীৰ উদ্বেগেৰে লক্ষ্য কৰিছো। আজিৰ দিনত খবৰৰ কাগজ মিছন নহয়। ই এটা ব্যক্তিগত খন্ডৰ উদ্যোগহে। গতিকে এই উদ্যোগৰ মালিক পক্ষৰ নীতি অনুসৰিয়েই বাতৰি কাকত পৰিচালিত হয়। এনে পৰিস্থিতিত কেনেকৈ পক্ষপাত দুষ্টতাৰ অনুপ্ৰৱেশ ঘটিল? নে সেয়া সংবাদপত্ৰ বিশেষৰ নীতিহে। তেনে নীতি জনস্বাৰ্থ আৰু গণতান্ত্ৰিক পৰম্পৰাৰ বিৰোধী। বাতৰি কাকতে নিৰপেক্ষ ভূমিকা গ্ৰহণ কৰাটো সকলোৱে বিচাৰে।

সেই একাংশ কাকতে গণতান্ত্ৰিক প্ৰক্ৰিয়াটোৰ মাজলৈ 'শত্ৰুতা' আমদানি কৰাত উঠিপৰি লাগিছিল। 'এইবাৰ নিৰ্বাচনত অসমীয়া মানুহৰ প্ৰধান শত্ৰু অমুক' বুলি কোৱাৰ অধিকাৰ খবৰৰ কাগজে পালে ক'ৰ পৰা? 'অমুক দলৰ শত্ৰু





OKDISCD

অমুক' নহৈ অমুক দলৰ অমুক প্ৰতিদ্বন্দ্বিহে হ'ব লাগে। 'শত্ৰু' শব্দ এই ক্ষেত্ৰত বৰ্জনীয়। নিৰ্বাচনত অৱতীৰ্ণ হোৱা দল আৰু প্ৰাৰ্থী সকলৰ কাৰো লগত কাৰো শত্ৰুতা নাই, থাকিবও নোৱাৰে। কোনো ৰাজনৈতিক দল কোনো মানুহ বা জনগোষ্ঠীৰ শত্ৰু হব নোৱাৰে। শত্ৰুতাৰ বাবে ৰাজনৈতিক দলৰ সৃষ্টি হোৱা নাই। এই ধৰণৰ দায়িত্ব হীন লেখাৰে সমাজত বিভ্ৰান্তি সৃষ্টি কৰি কাৰ কি লাভ হব কোৱা টান কিন্তু তেনে প্ৰচেষ্টাৰ অন্তৰালত অত্যন্ত ক্ৰিয়াশীল হৈ থকা শক্তিবোৰক চিনাক্ত কৰাৰহে অতি প্ৰয়োজন।

কিছুমান কাকতে দেখিছো প্ৰাৰ্থী বিশেষৰ সমৰ্থনত একে ধৰণৰ লেখা দুবাৰ তিনিবাৰকৈ চকুত লগাকৈ ছপাইছে। সেইটোৱে কি সূচায়?

কিছুমান কাগজত দেখিছো ১৯৮৩-ৰ নিৰ্বাচনৰ বাবে কংগ্ৰেছ (আই)কহে জগৰীয়া কৰা হৈছে। তাত অংশ গ্ৰহণ কৰাবোৰৰ কোনো দোষ নাই নিৰ্বাচনত অংশ গ্ৰহণ কৰি মাহৰ পাছত মাহ ধৰি চি আৰ পিৰ ৰক্ষণাবেক্ষণত থকা সকল গ্ৰহণযোগ্য। অস্পৃশ্য মাথোন কংগ্ৰেছ (আই)। এনে উদ্ভট যুক্তিৰে জনসাধাৰণক বিভ্ৰান্ত কৰা কাগজে সমগ্ৰ অসমীয়া জাতিকে বিভ্ৰান্ত কৰিছে। অসমৰ বড়ো প্ৰমুখ্যে জনজাতিক একগোট কৰি ৰখাত অসমৰ খবৰ কাগজে কেনে ভূমিকা গ্ৰহণ কৰিছে? সেই বিষয়েও এক অনুধ্যান তথা সমীক্ষাৰ প্ৰয়োজন। সংহতি আৰু সম্প্ৰতি ৰক্ষাত বাতৰি কাকতে ভূমিকা গ্ৰহণ কৰিব পাৰিব লাগিছিল। তাকে নকৰি এমুঠি অসমীয়া মানুহৰ মাজতে ভাগ বিভাগ কৰি সামাজিক উত্তেজনাৰ সৃষ্টি কৰাৰ বাবে অসমৰ একাংশ কাকতৰ ভূমিকা চিৰদিন ঘৃণনীয় আৰু নিন্দনীয় হৈ ৰব।

বাতৰি কাকতে বিজ্ঞাপন ছপায়। বিজ্ঞাপনৰ পৰাই আয় হয়। কিন্তু বিজ্ঞাপন ছপোৱাৰো নীতি নিয়ম বা কিছু এথিক্স আছে। দলীয় বিজ্ঞাপন ছপোৱাৰ ক্ষেত্ৰত একাংশ বাতৰি কাকতে এথিক্স বা নৈতিকতা বিসৰ্জন দিয়াও আমাৰ চকুত পৰিছে। এইবোৰ উচিত নে অনুচিত ৰাইজে এদিন চিন্তা কৰিব। কিন্তু এখন সুষ্ঠ সবল আৰু নীতিনিষ্ঠ সমাজ গঢ়ি তোলাত বাতৰি কাকতৰ এনে দৌৰাত্ম্যই ভীষণ অসুবিধাৰ সৃষ্টি কৰে। সাম্প্ৰতিক নিৰ্বাচনৰ আলোকত এইবোৰ কথা পৰ্যালোচনা কৰি চোৱাৰ বিশেষ প্ৰয়োজন আছে। ■

# অসম চৰকাৰ আৰু চাহ বাগিচাৰ মালিকৰ যুঁজ

যোৱা বছৰ অসমৰ চাহ বাগিচাসমূহে ভাৰতৰ উচ্চতম ন্যায়ালয়ত অসম চৰকাৰৰ এখন আইনৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰিছিল। উক্ত আইনখন হ'ল "দি আসাম টেক্সেচন (অন স্পেচিফাইড লেণ্ডচ) এক্ট, ১৯৯০। [The Assam Taxation (On Specified Lands) Act, 1990] আইনখনৰ প্ৰধান লক্ষ্য হ'ল চাহপাত আৰু কয়লাৰ পৰা কৰ সংগ্ৰহ কৰা আইনখনৰ জৰিয়তে অসমৰ ৰাজকোষলৈ এক বৃজন পৰিমাণৰ অতিৰিক্ত ৰাজহ সংগ্ৰহ কৰাই ৰাজ্য চৰকাৰৰ প্ৰধান উদ্দেশ্য আছিল বুলি ক'ব পাৰি। অনুমান কৰা মতে, আইনখন যদি সঠিক ভাবে কাৰ্যকৰী হয়, তেতিয়াহ'লে বছৰি চাহ উদ্যোগৰ পৰা ১২০ কোটিতকৈও অধিক আৰু কয়লা খনিৰ পৰা আনুমানিক ৭ কোটি সৰ্বমুঠ ১২৭ কোটিৰো অধিক টকা সংগ্ৰহ হব। অসমৰ চাহ বাগিচা সমূহে ইতিমধ্যে অসমৰ ৰাজকোষত জমা দিয়া কৰ বিশেষ ভাবে উল্লেখযোগ্য। উদাহৰণ হিচাপে ১৯৯০-৯১ বছৰটোত অসমৰ চাহ বাগিচা সমূহে কৃষি আয়কৰ শিতানত ৰাজ্যখনৰ ৰাজকোষত জমা দিয়া কৰৰ পৰিমাণ হ'ল ৯০ কোটি ২৯ লাখ টকা। ইয়াৰ উপৰিও বাগিচাসমূহে ৰাজ্য চৰকাৰক দিব লগা অন্য এটা কৰ হ'ল বিক্ৰী কৰ।

জানিব পৰা মতে এই আইনখনৰ বিৰুদ্ধে অসমৰ চাহ বাগিচাসমূহে উচ্চতম ন্যায়ালয়ত গোচৰ তৰাৰ ঘাই কাৰণ সমূহঃ (১) চাহৰ ওপৰত ইতিমধ্যে বহু কৰ লগোৱা হৈছে, (২) প্ৰতি বছৰে চাহ বাগিচাসমূহে কেন্দ্ৰীয় আৰু ৰাজ্য উভয় চৰকাৰক বহু কৰ দিবলগীয়া হৈছে, (৩) প্ৰতিখন আইনত ধাৰ্য কৰি দিয়া অধিক পৰিমাণৰ কৰে ভৱিষ্যতে চাহ উদ্যোগটোক ধ্বংসমুখী কৰাৰ আশংকা, (৪) চাহ খেতি কৰা নিৰ্দিষ্ট মাটিৰ ওপৰত কৰ লগোৱাৰ কৰ্তৃত্ব ৰাজ্য চৰকাৰৰ নাই, ইত্যাদি। জানিব পৰা মতে বাগিচাসমূহে কেইবাটাও গোটত বিভক্ত হৈ উচ্চতম ন্যায়ালয়ত পাঁচখন আবেদন দাখিল কৰিছে। এনেদৰে চাহ বাগিচাসমূহ মিলিত হৈ একোটা গোটত পৰিণত হোৱা তিনিখন আবেদনৰ মুঠ বাগিচাৰ সংখ্যা হ'ল প্ৰায় ২৮০ খন। সম্প্ৰতি ৰাজ্য চৰকাৰে ৫৭৯ খন চাহ বাগিচাৰ পৰা কৰ পাব বুলি জনা যায়।

গোচৰটোৰ চূড়ান্ত শুনানী আৰম্ভ হোৱা নাই যদিও যোৱা ৯ মে' তাৰিখে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ৰংগনাথ মিশ্ৰ আৰু ন্যায়াধীশ কুলদীপ সিঙে এটা নিৰ্দেশ (order) প্ৰদান কৰে। উক্ত নিৰ্দেশটোত কোৱা হৈছে যে অসমৰ চাহ বাগিচাৰ মালিকক "দি আসাম টেক্সেচন (অন স্পেচিফাইড লেণ্ডচ) এক্ট, ১৯৯০"-ৰ অধীনত নিৰ্ধাৰিত হোৱা কৰৰ শতকৰা ২৫ ভাগ চাৰি সপ্তাহৰ ভিতৰত জমা দিবলৈ কোৱা হৈছে। অন্যহাতেদি চাহ বাগিচাৰ ওপৰত নতুনকৈ লগোৱা উক্ত আইনখনৰ বৈধতাৰ প্ৰতি প্ৰত্যাহ্বান জনাই চাহ বাগিচাৰ মালিকসকলে তৰা গোচৰটোৰ চূড়ান্ত শুনানীত যদি বাগিচা পক্ষই জয়লাভ কৰে, তেন্তে চৰকাৰে অন্তৰ্বৰ্তীকালীন ভাবে সংগ্ৰহ কৰা কৰখিনি শতকৰা ১৫ ভাগ সুদসহ গোচৰৰ ৰায় দিয়া এমাহৰ ভিতৰত বাগিচাৰ মালিকক ঘূৰাই দিব লাগিব বুলি নিৰ্দেশটোত কোৱা হৈছে। আৰু যদিহে বাগিচাপক্ষ পৰাজিত হয়, তেন্তে তেওঁলোকে দিবলৈ বাকী থকা কৰখিনি শতকৰা ১৫ ভাগ সুদসহ ৰাজ্য চৰকাৰক জমা দিবলৈ বাধ্য থাকিব লাগিব।

"As and when assessments are made and demand is served on the assessees, who are petitioners before us, within four weeks therefrom assessees are directed to deposit with the appropriate authority twentyfive percent of the demand on condition that in the event of the writ petitions succeeding the amount so paid shall be returned within one month from the date of the judgement with interest at the rate of fifteen percent on it and the State would ensure that no attempt shall be made to withhold the demand by any process.

In the event of failure to pay the twentyfive percent of the demand, the stay order shall stand automatically vacated. In the event of the writ petitions being dismissed, on the balance of the demand each of the petitions shall be called upon to pay fifteen percent interest.

These petitions be placed for hearing on 12th November, 1991)" (Writ petition(s) C. No. (s) 851/90-Aideupukhuri Tea Estate Pvt. Ltd. vs State of Assam and others.) ইয়াৰ উপৰিও একে সংক্ৰান্তৰ অন্যান্য বাগিচাসমূহৰ গোচৰৰ নং হ'ল, 1211/90, 223, 455 and 479(91)।

উচ্চতম ন্যায়ালয়ৰ উক্ত নিৰ্দেশ মতে এই বছৰ ৰাজ্য চৰকাৰৰ অতিৰিক্ত ৰাজহ সংগ্ৰহ হব বুলি ক'ব পাৰি। জানিব পৰা মতে চাহ বাগিচাসমূহৰ পৰা শতকৰা ২৫ ভাগ হিচাপে সংগ্ৰহ হব লগা ধনৰ পৰিমাণ হবগৈ প্ৰায় ৩০ কোটি টকা। অন্যহাতেদি কয়লা খনিৰ পৰা হব আনুমানিক ৭ কোটি টকা। এই ধৰণে সংগ্ৰহ হোৱা ৰাজহে জুৰুলা হোৱা অসমৰ অৰ্থনৈতিক দিশটোক যথেষ্ট সকাহ দিব বুলি নিঃসন্দেহে ক'ব পাৰি।

বিতৰ্কিত আইনখনৰ কেইটামান উল্লেখযোগ্য দিশ হ'ল–

(১) আইনখন ১৯৯০ চনৰ ১ জানুৱাৰীৰ পৰা সমগ্ৰ অসমত বলবৎ হৈছে। গতিকে ন্যায়ালয়ৰ নিৰ্দেশ মতে ৰাজ্য চৰকাৰে ১৯৯০ চনৰ পৰাই কৰ সংগ্ৰহ কৰিব। এই সম্পৰ্কত কৰ আয়ুক্তই বাগিচাসমূহৰ লগত ইতিমধ্যে যোগাযোগ কৰা পৰিলক্ষিত হৈছে।

(২) ৩০ বিঘাতকৈ অধিক মাটিৰ ওপৰত কৰা চাহৰ উৎপাদনৰ ওপৰতহে কৰ আৰোপ কৰা হৈছে। ইয়াৰ ফলত সৰু সৰু চাহ খেতিয়ক কিছু পৰিমাণে হ'লেও উপকৃত হব বুলি ঠাৱৰ কৰিব পাৰি।

(৩) আইনখন বলবৎ হোৱা সময়ত যিসকল ব্যক্তিয়ে চাহ খেতি আৰম্ভ কৰিছে, তেনে লোকক ৫ বছৰলৈ উক্ত কৰৰ পৰা ৰেহাই দিয়া হৈছে। উক্ত সময়ছোৱাৰ ভিতৰত যদি তেনে ব্যক্তি বা আন কোনোবাই সেউজীয়া চাহপাত তুলি উৎপাদন আৰম্ভ কৰে তেন্তে তেওঁৰ কৰ উক্ত সময়ৰ পৰাই নিৰ্ধাৰণ হব।

(৪) বাগিচাৰ ক্ষেত্ৰত কৰৰ পৰিমাণ হব বছৰি উৎপাদন হোৱা চাহৰ প্ৰতি কিলোগ্ৰামত ৫০ পইছা আৰু কয়লা খনিৰ ক্ষেত্ৰত হব প্ৰতি মেট্ৰিকটনত ১০০ টকা।

(৫) প্ৰতিখন চাহ বাগিচাই কৰ কৰ্তৃপক্ষৰ ওচৰত নিজৰ নাম পঞ্জীভূক্ত কৰিব লাগিব, ইত্যাদি ইত্যাদি।

উল্লেখযোগ্য যে যোৱা বছৰ পশ্চিমবংগ চৰকাৰৰ এখন কৰ আইনৰ সহায় লৈয়েই অসমতো ওপৰোক্ত কৰ আইনখনৰ বিধেয়কৰ খচৰা প্ৰস্তুত কৰা হৈছিল বুলি জনা যায়। কিন্তু পিছলৈ পশ্চিমবংগৰ উক্ত কৰ আইনখনৰ বিৰুদ্ধে কলিকতাৰ "বাক্স ডুৱাৰ্চ টি কোম্পানীয়ে" ৰুজু কৰা গোচৰত পশ্চিমবংগ চৰকাৰ পৰাভূত হয়। সম্প্ৰতি শুনিবলৈ পোৱা মতে পশ্চিমবংগ আৰু অসমৰ কৰ আইন দুখনৰ মাজত কিছু পাৰ্থক্য আছে। তথাপি অসমৰ চাহ বাগিচাসমূহে 'বাক্স ডুৱাৰ্চ টি কোম্পানী'ৰ সপক্ষে উচ্চতম ন্যায়ালয়ে দিয়া ৰায়ৰ পৰিপ্ৰেক্ষিততেই যে উচ্চতম ন্যায়ালয়ত গোচৰ তৰিবলৈ সুযোগ পালে তাত সন্দেহ নাই। যোৱা কিছু বছৰ ধৰি অসমৰ চাহ বাগিচাসমূহৰ উৎপাদন আৰু লাভাংশৰ পৰিমাণ বৃদ্ধি হোৱাটো ৰাজ্য চৰকাৰৰ দৃষ্টি গোচৰ হৈছিল আৰু তাৰ ফলশ্ৰুতিতেই অসমত উক্ত আইন বলবৎ কৰি নিশকতীয়া ৰাজকোষ টনকিয়াল কৰাৰ এক প্ৰচেষ্টা চলায়।

১৯৮৬ চনতো ৰাজ্য চৰকাৰে অসমৰ চাহ বাগিচাসমূহৰ উৎপাদনৰ ওপৰত এটা কৰ আৰোপ কৰাৰ বাবে এখন বিধেয়ক প্ৰস্তুত কৰি অসম বিধান সভাত দাখিল কৰিছিল আৰু বিধেয়ক খনক অসম বিধান সভাই অনুমোদনো জনাইছিল। পিছত ৰাজ্যপালেও উক্ত বিধেয়কত সন্মতি প্ৰদান কৰে। বিধেয়কখনত কৰ নিৰূপন কৰা হৈছিল বাগানসমূহে চালান দিয়া প্ৰতি কেজি চাহৰ ওপৰত দুটকা আৰু প্ৰতি মেট্ৰিকটন চালান দিয়া কয়লাৰ ওপৰত বিশ টকা। কিন্তু বিধেয়কখনত ভাৰতৰ ৰাষ্ট্ৰপতিৰ সন্মতি প্ৰয়োজন হোৱাত বিধেয়কখন ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰে যদিও শুনিবলৈ পোৱা মতে কেইটামান আঁসোৱাহৰ বাবে বিধেয়কখনত অৱশেষত ৰাষ্ট্ৰপতিয়ে সন্মতি নজনালে। বিধেয়কখন আছিল "দি আসাম ৰুৰেল এমপ্লয়মেন্ট এণ্ড প্লেনটেচন লেবাৰ ওৱেলফেয়াৰ বিল, ১৯৮৬" (The Assam Rural Employment and Plantation Labour Welfare Bill, 1986)।

এতিয়া গোটেই বিষয়টো আদালতৰ মজিয়াত ওলমি আছে। অন্তৰ্বৰ্তীকালীন আদেশটোৰ ফলত বহু কোটি টকা সদ্যহতে ৰাজ্য চৰকাৰে পালেও, সেয়া ভৱিষ্যতে ঘূৰাই দিব লগা হোৱাৰ সম্ভাৱনাও নথকা নহয়।

কিন্তু সততে মনত ৰাখিবলগীয়া কথাটো হ'ল যে অসমৰ বুকুত চাহ বাগিচাও থাকিব লাগিব আৰু তাৰ ক্ৰমবৰ্ধমান লাভাংশৰ ভাগ অসম চৰকাৰ তথা ৰাইজেও পাব লাগিব। এনেস্থলত যিটো বিষয়ৰ অতীব প্ৰয়োজন, সেইটো হৈছে আদালতৰ মীমাংসাতকৈও অসমৰ চাহ বাগিচাৰ মালিকসকলৰ প্ৰতি অসমৰ উন্নয়নৰ প্ৰতি আগ্ৰহ আৰু একাত্মবোধ। ইয়াৰ অভাৱৰ বাবেই যে বিগত কালছোৱাত ক্ষুদ্ৰ চাহ বাগিচাৰ মালিক আৰু বৃহৎ চাহ বাগিচাৰ মালিকৰ মাজত এক অদৃশ্য বিৰোধ চলিছিল আৰু অসমৰ যুৱ সমাজতো একাংশ চাহ শিল্পপতিসকলৰ ওপৰত ক্ষুব্ধ হৈ উঠিছিল, সেই কথা কাৰো অজনা নহয়। গতিকে ৰাজ্যখনৰ উন্নয়নৰ যজ্ঞত চাহ বাগিচাৰ অৱদান, লাভ বাঢ়ি যোৱাৰ লগে লগে যিদৰে বাঢ়িব লাগিব, ঠিক তেনেদৰে চাহ শিল্পটোৰো যাতে উত্তৰোত্তৰ উন্নতি হয় তালৈ অসমবাসীয়ে চকু ৰাখিব লাগিব। সেয়ে নহ'লে বিদ্বেষৰ অগনিয়ে এদিন সকলোবোৰ ছাৰখাৰ কৰি পেলাব।

**হৰেন বুঢ়াগোহাঞি**







OKDISCD

আন্তৰ্জাতিক

# চৌপাশে চক্ৰবেহু ঃ হুঁচিয়াৰ

দুলাল বৰা


অত্যন্ত নিঃশব্দে ঘটনাটো ঘটিল। গোটেই ভাৰতৰ মানুহৰ চকু দেশজোৰা নিৰ্বাচনৰ ওপৰত নিবদ্ধ হৈ থাকোতেই ঘটি গ'ল। নিৰ্বাচনী প্ৰক্ৰিয়াৰ ভৰপক অৱস্থাতেই উপ-মহাদেশখনৰ মাটিত আমেৰিকান সৈন্য নামিলহি।

১৯৪৭ চনত বৃটিছ সৈন্যবাহিনীয়ে এৰি যাবলৈ বাধ্য হোৱাৰ পিছৰ পৰা কোনো এটা পশ্চিমীয়া শক্তিয়েই ভাৰত উপমহাদেশখনলৈ দেখদেখকৈ সৈন্য পঠাব পৰা নাছিল। আচলতে তেনে কৰিবৰ বাবে সাহসেই কৰিব পৰা নাছিল। ১৯৭১ চনৰ বাংলা দেশৰ মুক্তি যুদ্ধৰ সময়ত আণৱিক ক্ষেপণাস্ত্ৰ বোজাই কৰি আমেৰিকাৰ সপ্তম নৌবহৰ আহি বংগোপসাগৰ সোমাইছিলহি সঁচা। কিন্তু ছোভিয়েত ইউনিয়নৰ হুমকিত নৌবহৰ থমকি ৰবলৈ বাধ্য হৈছিল। স্বাধীনতা প্ৰাপ্তিৰ পিছত পাকিস্তানে আমেৰিকাৰ যুদ্ধ জোঁটত যোগদান কৰাৰ ফলস্বৰূপে সেইদেশত আমেৰিকাৰ ঘাটি পাতোতেও আনকি অত্যন্ত গোপনতাৰে পতা হৈছিল, আমেৰিকান সৈন্যৰ উপস্থিতিৰ কথা মুকলিকৈ প্ৰকাশ কৰিব পৰা নাছিল। সঁচা অৰ্থত যোৱা সুদীৰ্ঘ ৪৪ বছৰৰ ইতিহাসত, এজনো পশ্চিমীয়া সৈন্যই এই উপমহাদেশৰ মাটিত ভৰি পেলাব পৰা নাছিল।

কিন্তু যোৱা ১২মে' তাৰিখে কেইবা হেজাৰ আমেৰিকান নৌ-সেনা আহি বাংলাদেশৰ চিটাগঙ বন্দৰত নামিলহি। ইৰাকত হোৱা প্ৰচন্ড যুদ্ধখন শেষ কৰি অৰ্থাৎ তাৰ ৰাষ্ট্ৰপ্ৰধান ছাদ্দাম হুছেইনক "এশিকনি" দিয়াৰ পিছত আমেৰিকান নৌ-সেনাৰ এই দলটো ঘৰমুৱা হৈ উভতিছিল। কিন্তু আদবাটৰ পৰাই আমেৰিকাৰ ৰাষ্ট্ৰপতি জৰ্জ বুশ্বে পুনৰ তেওঁলোকক বাংলাদেশলৈ ওলোটাই পঠালে। বাংলাদেশৰ মাটিত বাহিনীটোৰ ভৰি পৰাৰ ঠিক পিছতে আমেৰিকাত চৰকাৰী ভাবে ঘোষিত হ'ল যে ভালেকেই হেজাৰ নৌ-সেনা আৰু হেলিকপ্তাৰ বাংলাদেশলৈ পঠোৱা হৈছে। হনলুলুত থকা আমেৰিকাৰ প্ৰশান্ত মহাসাগৰীয় বাহিনীটোৰ প্ৰবক্তা লেফটেনেন্ট কৰ্ণেল থমাচ্ বয়দ্-ৰ মতে বাংলা দেশলৈ অহা বাহিনীটোত কমেও ৪৬০০ জন নৌ সৈন্য আৰু প্ৰায় তিনি হেজাৰ জন নাবিক আছে।কেৱল সেয়ে নহয়, ইৰাকৰ যুদ্ধত পৰাক্ৰম দেখুৱাই সমগ্ৰ বিশ্বকে চমক খুউওৱা "তাৰাৱা" নামৰ বিখ্যাত যুদ্ধ জাহাজখনেও একে সময়তে চিটাগঙৰ ওচৰত লংগৰ পেলালেহি। বাংলাদেশৰ বৈদেশিক মন্ত্ৰালয়ে নিজেই স্বীকাৰ কৰিছে যে "তাৰাৱা"ৰ লগত আন এখন বিৰাট যুদ্ধ জাহাজ আৰু সৰু সৰু ৬খন জাহাজো আছে। পানী আৰু মাটি উভয়তে বগাব পৰা "তাৰাৱা"ত ২৭খন হেলিকপ্তাৰ আৰু অসংখ্য সৰু সৰু উৰাজাহাজ আছে। হেলিকপ্তাৰ বোৰৰ ভিতৰত ৫খন ব্লেকহ'ক UH 60 আছে আৰু আছে ৩খন C-130 জাতীয় মালবাহী কপ্তাৰ। সৈন্য গোটটোৰ অধিকাংশই হৈছে ইঞ্জিনীয়াৰিং আৰু কমিউনিকেচন এক্সপাৰ্ট।

আমেৰিকাৰ তৰফৰ পৰা কোৱা হৈছে যে সৈন্য সকলক বাংলাদেশৰ মাটিত যুদ্ধ কৰিবলৈ পঠোৱা হোৱা নাই। প্ৰলয়ংকৰী বা-মাৰলি আৰু বলিয়া জোৱাৰ ভাটাৰ কবলত পৰি ককবকাই থকা বাংলাদেশৰ চৰকাৰ তথা দুৰ্গত জনসাধাৰণক সাহায্য কৰাৰ উদ্দেশ্যেৰেহে পঠোৱা হৈছে।

সঁচা কথা যে যোৱা ২৯ এপ্ৰিলত হোৱা প্ৰচন্ড বা-মাৰলি আৰু সাগৰৰ ঢৌৱে বাংলাদেশৰ উপকূল অঞ্চলটো ধ্বংস স্তূপলৈ পৰিণত কৰি পেলাইছিল। প্ৰায় ১৫ নিযুত মানুহ সেই প্ৰলয়ৰ কবলত পৰিল। মৃত্যুৱেই হৈছিল, চৰকাৰী হিচাপমতে ১ লাখ ৩৮ হেজাৰ জন লোকৰ। লগতে ধ্বংস হৈছিল বিস্তীৰ্ণ খেতিৰ মাটি, বাট পথ, ৰেললাইন, ঘৰ দুৱাৰ, ডাক তাঁৰ যোগাযোগ ব্যৱস্থা, তেল শোধনাগাৰ সৈন্য ছাউনী আদি বহুতো। এনে প্ৰাকৃতিক দুৰ্যোগৰ পৰা পৰিত্ৰাণৰ আশাৰে বাংলাদেশৰ চৰকাৰে সাহায্য বিচাৰি সকলো দেশলৈকে কাতৰ আবেদন জনাইছিল। সেইমতে বিশ্বৰ প্ৰায়বোৰ দেশেই মানৱীয়তাৰ খাতিৰতেই বাংলাদেশলৈ খাদ্য-সম্ভাৰ, ঔষধপাতি, উদ্ধাৰকাৰীৰ দল আৰু হেলিকপ্তাৰ আদি পঠিয়াইছিল। কিন্তু কোনেও আমেৰিকাৰ দৰে সৈন্য বাহিনী পঠোৱা নাছিল।




এই কথাও সঁচা যে বাংলাদেশৰ নৱ নিৰ্বাচিত বেগম খালেদা জিয়াৰ চৰকাৰ আৰু আমেৰিকাৰ মাজত হোৱা এক বুজাবুজিৰ চনদৰ ভিত্তিতহে আমেৰিকাৰ সৈন্য চিটাগঙ পালেহি। জনামতে, বাংলাদেশৰ মাটিত সৈন্য সকল কিমান দিন থাকিব সেই কথা কোৱা হোৱা নাই। বৰং স্বইচ্ছাৰে সৈন্য বাহিনীক ঘূৰা পকা কৰিবলৈ আৰু সিবিলাকক পৰিচালনা কৰাৰ সম্পূৰ্ণ কৰ্তৃত্ব আমেৰিকাৰ দূতাবাসক দিয়া হৈছে বুলি বাতৰিত প্ৰকাশ। তদুপৰি আমেৰিকাৰ সেনাধিনায়ক সকলে বিধ্বস্ত হৈ পৰা চিটাগঙ বন্দৰটোও মেৰামতি কৰি পুনৰ ব্যৱহাৰৰ উপযোগী কৰি তোলাত দেহে কেহে লাগি গৈছে বুলি জনা গৈছে।

বিপৰ্যয়ৰ কবলত পৰা দেশ এখনক আন্তৰ্জাতিক ভাবে সাহায্য আগবঢ়োৱাটো নিতান্তই এক অন্যতম মানৱীয় দায়িত্ব আৰু কৰ্তব্য। বহু দেশত বহু সময়ত এনে ঘটনা ঘটিছে। দুৰ্গত সকলৰ মাজত ত্ৰাণকাৰ্য চলোৱা ভালেসংখ্যক আন্তৰ্জাতিক স্বেচ্ছাসেৱী সংস্থাও আছে আৰু বিভিন্ন ঠাইত সিবিলাকক কামত নমাও ইতিপূৰ্বে দেখা গৈছিল। কিন্তু সাহায্যৰ নামত সৈন্যৰ দল পঠোৱা ঘটনা আছিল বিৰল। ইৰাকত কুৰ্দ ভগনীয়া সকলৰ মাজত আমেৰিকান সৈন্যই ত্ৰাণকাৰ্য চলোৱা কাৰ্য কিছুপৰিমাণে এইবাবেই মানি লব পাৰি যে সেই সৈন্য সকলৰ হাতত ইৰাকৰ ছাদ্দাম পৰাজিত হৈছিল আৰু সেই যুদ্ধখনৰ ঠিক পিছ মুহূৰ্ততে ভগনীয়া মানুহক সাহায্য প্ৰদান কৰিব লগা হৈছিল। কিন্তু বাংলাদেশততো যুদ্ধ হোৱা নাছিল। তেন্তে তালৈ আমেৰিকান সৈন্য আহিল কিয়?

ভাৰত উপমহাদেশলৈ আমেৰিকাৰ এই আগমন বিচাৰ কৰাৰ প্ৰয়োজন বৃহৎ শক্তিটোৰ বিশ্বজোৰা ৰণনীতিৰ দাপোনত। ভাৰতৰ অৰ্থনীতিক স্বনিৰ্ভৰশীল কৰাৰ উদ্দেশ্যেৰে অনুসৃত হোৱা 'নেহৰু লাইন' আৰু বৈদেশিক ক্ষেত্ৰত থকা গোষ্ঠী নিৰ্লিপ্ততা (Non alignment) যে আমেৰিকাৰ সহ্য নহয় সেই কথা সৰ্বজন বিদিত। আৰু সেইবাবেই বৃহৎ শক্তিটোৱে ভাৰতৰ সামাজিক আৰু ৰাজনৈতিক জীৱনত অস্থিৰতাৰ সৃষ্টি কৰিবলৈ চলোৱা সঘন প্ৰচেষ্টাবোৰৰ কথাও প্ৰায় জনাজাত। ভাৰত মহাসাগৰৰ বুকুত ডিয়েগো গাৰ্চিয়া দ্বীপত আমেৰিকাৰ নৌ ঘাটি বহুদিন আগতেই স্থাপিত কৰা হৈ গৈছে। বিশ্বজুৰি এই ঘাটিৰ বিৰুদ্ধে প্ৰতিবাদ হোৱা সত্বেও তালৈ আমেৰিকাই কোনোকালে কাণসাৰ কৰা নাই। বৰং কিছু বছৰৰ আগতে শ্ৰীলংকাৰ ত্ৰিনকোমালি বন্দৰতো নৌ ঘাটি স্থাপনৰ বাবে উদ্যত হৈছিল। একেদৰে কেইবাবছৰো ধৰি বৃহৎ শক্তিধীৰ এই দেশখনে বাংলাদেশৰ চেন্ট মাৰ্টিন নামৰ দ্বীপটোতো নৌ ঘাটি পতাৰ চেষ্টা চলাই আছিল কিন্তু বাংলাদেশৰ নাগৰিকৰ প্ৰতিবাদত সেই কাম সম্ভৱ হৈ উঠা নাছিল। কিন্তু এইবাৰ প্ৰাকৃতিক দুৰ্যোগৰ চেলু লৈয়েই, ত্ৰাণকাৰ্য চলোৱাৰ ভেশ ধৰি বাংলাদেশত আমেৰিকান সৈন্যৰ পদাৰ্পণ ঘটিল। যিটো কাম বিগত ৪৪ বছৰে হ'ব পৰা নাছিল, সেইটোৱেই ঘটিল।

সন্দেহ নাই যে আভ্যন্তৰীণ সমস্যাত জৰ্জৰিত হৈ পৰা ছোভিয়েত ইউনিয়নৰ বীৰ্যহ্ৰাস আৰু ভাৰতৰ মাটিত ঠেৰুভগা চৰকাৰ বৰ্তি থকাৰ সুযোগতে আমেৰিকাই এনে দাপট দেখুৱাব পাৰিলে। সমগ্ৰ বিশ্বকে নিজৰ তৰ্জনী নিদেৰ্শত পৰিচালনা কৰাৰ বাবে ইতিমধ্যে আমেৰিকা উদ্যত হৈ উঠিছে। ইৰাকৰ পিছত ভাৰত উপমহাদেশৰ ওপৰত চকু দিছে। প্ৰেছিডেন্ট জৰ্জ বুশ্বে খোলাখুলিকৈয়ে যোৱা ৩১ জানুৱাৰীত ঘোষণা কৰি থৈছে যে– "আমেৰিকান নেতৃত্ব অপৰিহাৰ্য। স্বাধীনতাৰ কঠিন শ্ৰম কৰিবৰ বাবে আমাৰ ওপৰত এক এক অনন্য দায়িত্ব ন্যস্ত হৈছে। আৰু আমি কৰিলেহে স্বধীনতাও সক্ৰিয় হব" (১৯৯১ চনৰ ৩১ জানুৱাৰীত ষ্টেট অৱ দি ইউনিয়নত দিয়া জৰ্জ বুশ্বৰ ভাষণৰ পৰা)। সম্প্ৰতি এনে মতলবৰেই বিশ্বজুৰি আমেৰিকাৰ ৰণনীতি পৰিচালিত হৈছে। আমেৰিকাৰ দ্বাৰা নিয়ন্ত্ৰিত এক "নয়া ব্যৱস্থা"ৰ বাবে কাঠি কামি চাঁচিছে। বাংলাদেশৰ ঘটনা এই ৰণনীতিৰেই যে অংগ তাত সন্দেহ নাই।

ওপৰে ওপৰে দেখাত হয়তো সঁচা যে সাহায্য সামগ্ৰী বিতৰণ কৰাৰ পিছত মানুহক দেখুৱাই কিছু আমেৰিকান সৈন্য বাংলাদেশৰ পৰা উভতি যাবগৈ। কিন্তু এইটো ঠিক যে বিৰাটাকাৰৰ যুদ্ধ জাহাজেৰে সুসজ্জিত হৈ অহা সৈন্য দলটোৱে এই ছেগতে চেটাগঙ বন্দৰটো আমেৰিকান নৌ বাহিনীৰ ব্যৱহাৰৰ বাবে উপযোগী কৰি গঢ়ি তোলা হব, যিটো প্ৰকাৰান্তৰে এক অন্যতম নৌ ঘাটিৰ সমাৰ্থক হব।

দেশ বিভাজনৰ আগলৈকে বাংলাদেশ ভাৰতবৰ্ষৰ অংগ আছিল। পোনতে আছিল পূৰ্ব পাকিস্তান আৰু ১৯৭১ চনত হ'ল স্বাধীন বাংলাদেশ। মনত ৰখা দৰকাৰ যে স্বল্পকালীন মুজিবুৰ ৰহমানৰ চৰকাৰটোৰ বাদে পাকিস্তান বা বাংলাদেশৰ কোনো এটা চৰকাৰেই আন্তৰ্জাতিক ক্ষেত্ৰত আমেৰিকা বিৰোধী অৱস্থান লোৱা নাছিল। সম্প্ৰতি গঠিত হোৱা বেগম খালেদা জিয়াৰ চৰকাৰৰো অনুৰূপ চৰিত্ৰই পৰিস্ফুট হৈছে। নহলে আমেৰিকান সৈন্যৰ পদাৰ্পণেই সম্ভৱ নহলহেঁতেন।

ভাৰতৰ একেবাৰে গাতে লাগি থকা এই দেশখনৰ এনে আভ্যন্তৰীণ ঘটনাৱলী ভাৰতৰ বাবেও উদ্বিগ্নতাৰ কাৰণ হোৱা স্বাভাৱিক। পশ্চিমত পাকিস্তানৰ অতপালি, দক্ষিণৰ ডিয়েগো-গাৰ্চিয়াত নৌ-ঘাটি আৰু দক্ষিণ-পূবৰ বাংলাদেশত খোপনি – এই সকলোবোৰৰ মাজেদি যেন ভাৰতৰ বিৰুদ্ধে আমেৰিকাৰ এক চক্ৰবেহু নিৰ্মিত হৈছে। প্ৰসংগতে এই কথাও উল্লেখযোগ্য যে কিছু বছৰ ধৰি বাংলাদেশত ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ সন্ত্ৰাসবাদীসকলে গোপনে প্ৰশিক্ষণ লাভ কৰাৰ কথা ইতিমধ্যে প্ৰকাশিত হৈছে। চিটাগঙ বন্দৰটো অস্ত্ৰ-শস্ত্ৰ আৰু নিষিদ্ধ ড্ৰাগছ সৰবৰাহৰ কেন্দ্ৰ হৈ উঠিছে। এনেস্থলত চিটাগঙত আমেৰিকান সৈন্যৰ উপস্থিতি, আহ-যাহ আদিয়ে যে ভাৰতৰ ৰাষ্ট্ৰ বিৰোধী শক্তিসমূহৰ সৈতেও যোগাযোগ নকৰিব তাৰ নিশ্চয়তা নাই।

দুৰ্ভাগ্যৰ কথা যে বাংলাদেশৰ এই ঘটনাৰ প্ৰতি ভাৰতৰ দুৰ্বলতম বুলি পৰিগণিত হোৱা চন্দ্ৰ শেখৰৰ চৰকাৰে কিঞ্চিত উদ্বিগ্নতাও প্ৰকাশ কৰিব পৰা নাই। দুই এখন কাকতৰ বাদে প্ৰায়বোৰ প্ৰচাৰ মাধ্যমেই এই ক্ষেত্ৰত নীৰৱ। আনকি ৰাজনৈতিক দলবোৰো আশ্বৰ্যজনক ভাবে চুপ।

বাংলাদেশত অৱশ্যে প্ৰবল্ল আন্দোলন কৰিছে ছাত্ৰসকলে। তেওঁলোকৰ ধ্বনি হৈছে– "আম সহায়হে লাগে, সৈন্য বাহিনী নেলাগে" ■

# টকাৰ খেলাৰে অগপ-ই এইবাৰ নিৰ্বাচনী প্ৰচাৰ চলাইছিলঃ জাল চিঠিৰ আঁৰত কোন?

দুই এটা বিক্ষিপ্ত অপ্ৰীতিকৰ ঘটনা বাদ দি অসমত শান্তিপূৰ্ণ ভাবে নিৰ্বাচন অতিবাহিত হৈ গ'ল। দুই এটা ভোট কেন্দ্ৰৰ বাহিৰে সৰহভাগ ভোট কেন্দ্ৰতেই এইবাৰ মুক্ত আৰু নিকা ভোট গ্ৰহণ হৈছে। সামগ্ৰিক ভাবে অসমৰ নিৰ্বাচন ইমানেই সু-সংগঠিত আছিল যে ভোটাৰসকলে নিৰ্ভয়ে ভোটদান কৰিবলৈ সক্ষম হৈছিল। অৱশ্যে ভোটদানৰ বাবে ভোটাৰসকলৰ মাজত বিশেষ উৎসাহ-উদ্দীপনা দেখিবলৈ পোৱা নগৈছিল। অতি নিৰুদ্বেগ ভাবে ভোটাৰসকলে ভোটদান কৰি নিজ ঘৰলৈ প্ৰত্যাৱৰ্তন কৰা দেখা গৈছিল। চহৰ অঞ্চলৰ তুলনাত গ্ৰামাঞ্চলত ভোটদানৰ হাৰ অধিক আছিল। আনহাতে ব্ৰহ্মপুত্ৰ উপত্যকাত সংখ্যালঘু আৰু জনজাতি লোক অধ্যুষিত এলেকাত ব্যাপক হাৰত ভোটদান হৈছিল। তুলনামূলক ভাবে গুৱাহাটী মহানগৰীতেই আটাইতকৈ কম সংখ্যক ভোটদান হৈছিল।

সামগ্ৰিক ভাবে ভোটদান শান্তিপূৰ্ণ, মুক্ত আৰু নিকা হ'লেও এইবাৰৰ নিৰ্বাচনৰ বিশেষত্ব হ'ল এয়ে যে নিৰ্বাচনী প্ৰচাৰ অভিযানত ব্যাপক হাৰত টকা খৰচ কৰা হৈছিল। এক কথাত ক'বলৈ গ'লে এইবাৰৰ নিৰ্বাচনত টকাৰ খেল চলিছিল। এই টকাৰ খেলত এইবাৰ অগপ দলে সকলোকে চেৰাই গৈছিল। আটাইতকৈ বেছি টকা খৰচ কৰা হৈছিল নগাঁও সদৰ সমষ্টিত। নিৰ্বাচনী আয়োগৰ নিৰ্দেশনা চেৰাই গৈ প্ৰাক্তন মুখ্য মন্ত্ৰী তথা নগাঁও সদৰ সমষ্টিৰ অগপ প্ৰাৰ্থী প্ৰফুল্ল কুমাৰ মহন্তই হেনো প্ৰতিদিনে নিৰ্বাচনী প্ৰচাৰ অভিযানত ৩০/৪০ খনকৈ গাড়ী ব্যৱহাৰ কৰিছিল। প্ৰচাৰ অভিযানৰ শেষৰ সপ্তাহটোত প্ৰতিদিনে গাড়ীৰে শোভাযাত্ৰা কৰা হৈছিল। নগাঁও জিলা প্ৰশাসন আৰু নিৰ্বাচনী বিভাগে এইবোৰ কথা জানি শুনিও বাধা দিবলৈ ভয় কৰিছিল। কিয়নো এই শোভাযাত্ৰাবোৰৰ গুৰি ধৰিছিল আছুৰ স্থানীয় নেতাসকলে। নগাঁও সদৰ সমষ্টিৰ প্ৰতিটো চুবাত মহন্তই ভোজ ভাতৰ আয়োজন কৰিছিল। মহন্তই এনে বিপুল পৰিমাণৰ ধন খৰচ কৰা দেখি নগাঁৱৰ সচেতন ৰাইজ স্তম্ভিত হৈছিল। সচেতন ৰাইজে স্বাভাৱিকতে প্ৰশ্ন উত্থাপন কৰিছিল নিৰ্বাচনত খৰচ কৰিবলৈ মহন্তই ইমানবোৰ টকা ক'ৰ পৰা পালে?

এনেদৰে ব্যাপক পৰিমাণৰ ধন খৰচ কৰিও মহন্তই ক্ষান্ত নাথাকি তেওঁৰ প্ৰধান প্ৰতিদ্বন্দ্বী অৰ্থাৎ কংগ্ৰেছ(ই) দলৰ প্ৰাৰ্থী মুকুট শৰ্মাক পৰাস্ত কৰাৰ বাবে এটা অতি নিকৃষ্ট কৌশল অবলম্বন কৰিছিল আৰু এই কামত হেনো গুৰি ধৰিছিল মহন্তৰ ভ্ৰাতৃ দিলীপ মহন্তই। মহন্তৰ ভ্ৰাতৃয়ে প্ৰায় এমাহ ধৰি নগাঁও সদৰ সমষ্টিত বাহৰ পাতি আছিল। নিৰ্বাচনী প্ৰচাৰৰ কাম-কাজ তেৱেঁই পৰিচালনা কৰিছিল। ব্যাপক হাৰত ধন ব্যয় কৰিও যেতিয়া বিপদৰ সম্ভাৱনা দেখিছিল, তেতিয়া মহন্তৰ ভ্ৰাতৃয়ে এটা অতি তুলুঙা কৌশল প্ৰয়োগ কৰিছিল। নিৰ্বাচনৰ ঠিক আগমুহূৰ্তত এখন জাল প্ৰচাৰ পত্ৰিকা বা চিঠি ছপা কৰি নগাঁও সমষ্টিৰ সকলো ঠাইতে বিতৰণ কৰা হৈছিল। চিঠিখনত প্ৰদেশ কংগ্ৰেছৰ সভাপতি হিতেশ্বৰ শইকীয়াই কংগ্ৰেছ কৰ্মীলৈ গোপন নিৰ্দেশ দিয়াৰ কথা উল্লেখ কৰা হৈছিল। গোপন নিৰ্দেশত কোৱা হৈছিল যে কংগ্ৰেছ(ই) আৰু ন-অগপৰ মাজত বুজাপৰা হৈছে। সেয়ে ন-অগপৰ কৰ্মীসকলৰ সৈতে মিত্ৰতা, অগপ-ক প্ৰধান শত্ৰু হিচাপে গণ্য কৰিব লাগে। দ্বিতীয়তে নিৰ্বাচনত শইকীয়াই গুণ্ডা লগাবলৈ গোপন নিৰ্দেশ দিয়াৰ কথাও উল্লেখ কৰা হৈছিল। এই চিঠিখনত হিতেশ্বৰ শইকীয়াৰ চহিটো জাল কৰা হৈছিল। চিঠিখন পাঁচ মে'তহে বিতৰণ কৰা হৈছিল। যাতে কংগ্ৰেছ(ই) দলৰ বাবে ইয়াৰ প্ৰত্যুত্তৰ দিবলৈ সময় নাথাকে। চিঠিখন বিতৰণ কৰাৰ বাবে আছুৰ কিছুসংখ্যক কৰ্মীক ব্যৱহাৰ কৰা হৈছিল। জানিব পৰা মতে এই গোটেই কামটো পৰিচালনা কৰিছিল প্ৰফুল্ল মহন্তৰ ভ্ৰাতৃ দিলীপ মহন্তই। সন্দেহাতীত ভাবে এই কৌশলে নিৰ্বাচনত কংগ্ৰেছ(ই) দলৰ প্ৰাৰ্থীজনক কিছু পৰিমাণে ক্ষতি কৰে।

ৰহস্যজনক কথাটো হ'ল এয়ে যে নগাঁৱৰ প্ৰশাসনে তথা নিৰ্বাচনী বিভাগে এই বিষয়টোৰ সন্দৰ্ভত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাছিল। জানিব পৰা মতে আছুৰ একাংশ কৰ্মীয়ে বাতৰি কাকতৰ সংবাদদাতাক এই জাল চিঠিখন প্ৰকাশ কৰাৰ বাবে যোগান ধৰিছিল। এই জাল চিঠিখনৰ কথা জানিব পাৰি সৰহ সংখ্যক সংবাদদাতাই চিঠিখন প্ৰকাশ নকৰিলে যদিও মহন্তৰ সৈতে ঘনিষ্ঠ বুলি জনাজাত সাংবাদিকে এই চিঠিখন বাতৰি কাকতত প্ৰকাশ কৰি দিয়ে।

প্ৰাক্তন গড় কাপ্তানি মন্ত্ৰী তথা দিছপুৰ সমষ্টিৰ প্ৰাৰ্থী অতুল বৰায়ো এইবাৰৰ নিৰ্বাচনত ধন ব্যয় কৰাৰ ক্ষেত্ৰত পিছ পৰি থকা নাছিল। গুৱাহাটী মহানগৰৰ জালুকবাৰী, পূব গুৱাহাটী, পশ্চিম গুৱাহাটী আৰু দিছপুৰ সমষ্টিৰ ভিতৰত অতুল বৰাৰ নিৰ্বাচনী প্ৰচাৰ অতি ব্যয়বহুল আছিল। নিৰ্বাচনী প্ৰচাৰৰ আৰম্ভণিৰে পৰাই বৰাই মটৰ গাড়ীৰে দীঘলীয়া শোভাযাত্ৰা কৰাইছিল। অসংখ্য যুৱকে দিনে ৰাতিয়ে ভোজ ভাত খাইছিল। জনজাতীয় অঞ্চলত বৰাই গাহৰি যোগান ধৰি হেনো ভোজ ভাত খুৱাইছিল। মুঠতে অগপ প্ৰাৰ্থীজনৰ নিৰ্বাচনী প্ৰচাৰত যি ব্যাপক পৰিমাণৰ ধন ব্যয় কৰিছিল, সেইটোৱে পূৰ্বৰ কংগ্ৰেছৰ অভিলেখ ভংগ কৰি দিয়ে।

পূব গুৱাহাটী সমষ্টিৰ অগপ প্ৰাৰ্থী বিৰাজ কুমাৰ শৰ্মাইও টকা ব্যয় কৰাৰ ক্ষেত্ৰত পিছ পৰি থকা নাছিল। প্ৰাৰ্থীজনৰ মূল নিৰ্বাচনী কৌশল এয়ে আছিল যে টকা ব্যয় কৰি এইবাৰ নিৰ্বাচনত জয়ী হ'ব। প্ৰাৰ্থীজনৰ পৰা বহুতো যুৱকে নিৰ্বাচনী প্ৰচাৰ চলাব বুলি টকা সৰকাই পিছত দেখা নিদিয়া হৈছিল। এনে যুৱকৰ পৰা হাত সাৰিবৰ বাবেই প্ৰাৰ্থীজনে পিছত পলাই ফুৰিব লগা হৈছিল।

জানিব পৰা মতে এইবাৰ অগপ দলে টকাৰ বিনিময়ত কেইবাজনো প্ৰাৰ্থীক মনোনয়ন পত্ৰ প্ৰদান কৰিছিল। জানিব পৰা মতে গুৱাহাটী লোক সভাৰ অগপ প্ৰাৰ্থীজনে হেনো দলৰ পুঁজিলৈ ব্যাপক পৰিমাণৰ বৰঙণি আগবঢ়াই মনোনয়ন পত্ৰ আদায় কৰিছিল। উল্লেখযোগ্য যে ডিপ্লোমাধাৰী ডাক্তৰ প্ৰাৰ্থীজনে নিৰ্বাচনী প্ৰচাৰ অভিযানত ব্যাপক পৰিমাণৰ ধন ব্যয় কৰাৰ কথা ৰাইজৰ মুখে মুখে শুনিবলৈ পোৱা গৈছিল।





## অসম চাহ নিগমত দুৰ্নীতি

অসম চাহ নিগমে বহুদিন ধৰি লোকচান ভৰি থকাৰ পিছত ১৯৯০ চনৰ পৰা কিছু পৰিমাণে লাভৰ মুখ দেখিবলৈ সক্ষম হৈছে যদিও নিগমৰ এগৰাকী জেনেৰেল মেনেজাৰে নিগমৰ উন্নয়নত বিধি পথালি দি নিগমক বিপথে পৰিচালনা কৰা বুলি জানিব পৰা গৈছে।

নিগমৰ কাম-কাজত বিধি-পথালি দি জেনেৰেল মেনেজাৰজনে হেনো যোৱা সাত মাহমান বিভিন্ন অজুহাত দেখুৱাই কামত যোগদান নকৰি ছুটী লৈ আছিল। অলপতে তেওঁক কামত যোগদান কৰিবলৈ নিৰ্দেশ দিয়া সত্বেও কামত যোগদান কৰা নাই বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে জেনেৰেল মেনেজাৰজনে প্ৰায় তিনি লাখ টকাৰ মূল্যৰ কেফেইন তৈয়াৰ কৰিব পৰা চাহ নলবাৰীৰ এজন ব্যৱসায়ীক বিনা পইছাই দিয়া বুলি অভিযোগ উঠিছে। তাৰ উপৰি এইজন মেনেজাৰে বহু লাখ টকাৰ মূল্যৰ পুৰণি লোহা, মেচিন আদি অতি কম মূল্যত বিক্ৰী কৰাৰ অভিযোগ উঠিছে। অভিযোগ মতে নিগমৰ সেই সময়ৰ পৰিচালন সঞ্চালকজনে ভাৰতীয় সেৱাৰ বিষয়া আৰু পুৰণি যন্ত্ৰ-পাতিৰ দামৰ লগত পৰিচয় নথকাৰ সুযোগ লৈ পৰিচালন সঞ্চালকক ভুল পথে পৰিচালনা কৰি নিগমৰ বহু টকাৰ লোকচান কৰিছে যদিও আজিলৈকে উক্ত জেনেৰেল মেনেজাৰজনৰ বিৰুদ্ধে নিগম কৰ্তৃপক্ষই কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। জানিব পৰা মতে নিগমৰ ইচাবিল চাহ বাগিচাত থকা এটা বিজুলি উৎপাদন যন্ত্ৰ, যাৰ দাম প্ৰায় পাঁচ লাখ টকা, সেই যন্ত্ৰটোক মাত্ৰ দহ হেজাৰ টকাত বিক্ৰী কৰিছে। এই বিষয়টোৰ সন্দৰ্ভতো নিগমে এতিয়ালৈকে কোনো ধৰণৰ তদন্ত কৰা নাই। জানিব পৰা মতে নিগমৰ এজন সঞ্চালকৰ সহযোগতে উক্ত জেনেৰেল মেনেজাৰে উক্ত কামবোৰ হেলাৰঙে কৰি গৈছে।

## আল্‌ফাই প্ৰতিশ্ৰুতি ৰক্ষা কৰিছে

সংযুক্ত মুক্তি বাহিনী (আল্‌ফা)-য়ে এইবাৰ নিৰ্বাচনৰ আগ মুহূৰ্তত ঘোষণা কৰা নীতি আৰু প্ৰতিশ্ৰুতি আখৰে আখৰে পালন কৰে। আল্‌ফাই ঘোষণা কৰিছিল যে নিৰ্বাচনত সংগঠনটোৱে নিৰপেক্ষ ভূমিকা পালন কৰিব। বাস্তৱত দেখা গ'ল যে সংগঠনটোৰ কৰ্মীসকলে নিৰ্বাচনত কোনো ধৰণৰ ভূমিকা পালন নকৰিলে। সংগঠনটোৰ এই ভূমিকাৰ বাবেই ভোটাৰসকলে নিৰ্ভয়ে ভোটদান কৰা দেখা গ'ল।

বৰং জানিব পৰা মতে বৰপেটা বিধান সভা সমষ্টিত কেইবাজনো প্ৰাৰ্থীয়ে কিহৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব লগীয়া হ'ল সেই বিষয়ে সংগঠনটোৱে অনুসন্ধান চলাই আছে। আল্‌ফাৰ নামত ভীতি প্ৰদৰ্শন কৰা হৈছিল নেকি এই সম্পৰ্কত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰা প্ৰাৰ্থী কেইজনমানক আল্‌ফাৰ নেতৃবৃন্দই সোধ-পোছ কৰিছে বুলিও জানিব পৰা গৈছে।

## আছুৰ দুমুখীয়া নীতি

সদৌ অসম ছাত্ৰ সন্থাই এইবাৰ নিৰ্বাচনৰ আগ মুহূৰ্তত ঘোষণা কৰিছিল যে সংগঠনটোৱে নিৰ্বাচনত নিৰপেক্ষ ভূমিকা পালন কৰিব। ইয়াৰ কিছুদিনৰ পিছত সংগঠনটোৰ নেতৃবৃন্দই কংগ্ৰেছৰ সপক্ষে ভোট নিদিবলৈ আহ্বান জনালে। ঠিক তাৰ দুদিনৰ পিছতে সংগঠনটোৱে সৰ্বভাৰতীয় দলক ভোট নিদিবলৈ আহ্বান জনালে। আছুৰ নেতৃবৃন্দৰ এনে খেলি-মেলিৰ নিৰ্দেশে কৰ্মীসকলৰ মাজত ক্ষোভৰ সৃষ্টি কৰে।

আছুৰ নেতৃবৃন্দই কৰ্মীসকলক এই বুলিও নিৰ্দেশ দিছিল যে যাতে তেওঁলোকে কোনো দলৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ নচলায়। কিন্তু ঠাই বিশেষে আছুৰ নেতৃবৃন্দৰ এই নিৰ্দেশ কৰ্মীসকলে মানি নচলিলে। বিশেষকৈ নগাঁও সদৰ সমষ্টিত আছুৰ বহুসংখ্যক কৰ্মীয়ে খোলাখুলি ভাবে প্ৰাক্তন মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাইছিল। আছুৰ নিৰ্দেশ উলংঘা কৰাৰ বাবে এইসকল কৰ্মীৰ বিৰুদ্ধে আছুৰ নেতৃবৃন্দই কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবে সচেতন ৰাইজে ইয়াক ৰহস্যজনক বুলি অভিহিত কৰিছে।

জানিব পৰা মতে এই ক্ষেত্ৰত আছুৰ একাংশ নেতা আৰু প্ৰাক্তন মুখ্য মন্ত্ৰী মহন্তৰ গোপন বুজাবুজি হৈছিল।

ইয়াৰ বিপৰীতে জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ বাবে প্ৰায় ৩০ জন আগশাৰীৰ কৰ্মীক বহিষ্কাৰ কৰে। উল্লেখযোগ্য যে জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদেও দলৰ কৰ্মীসকলক কোনো দলৰ প্ৰাৰ্থীৰ সপক্ষে নিৰ্বাচনী প্ৰচাৰ নচলাবলৈ নিৰ্দেশ দিছিল।

ত্ৰিনয়ন

সূত্ৰধাৰ
ডাকযোগেও আপুনি পাব।
বছৰেকীয়া বৰঙণি: ১৩২ টকা (২৪ টা সংখ্যা)
ছমহীয়া বৰঙণি: ৬৬ টকা (১২ টা সংখ্যা)
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফট অথবা চেক যোগে পূৰবী প্ৰকাশন প্ৰাঃ লিঃ, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী-৭৮১০০১




OKDISCD

# “ড্ৰাগ্‌ছ ইণ্ডিয়া”ই দিয়া জীৱন আৰু “ড্ৰাগ্‌ছ ইণ্ডিয়া”ৰ জীৱন

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ এক অন্যতম ঔদ্যোগিক প্ৰতিষ্ঠান। ঔষধ উৎপাদন আৰু বিতৰণৰ লগত জড়িত এই অংশীদাৰী উদ্যোগ প্ৰতিষ্ঠানটোৱে ১৯৮২ চনৰ পৰা ১৯৯0 চনলৈ একেৰাহে মুঠ ছ-বাৰকৈ ‘ৰাষ্ট্ৰীয় উৎপাদিকা পৰিষদ’ (National Productivity Council)-ৰ শ্ৰেষ্ঠ উৎপাদিকা বঁটা লাভ কৰি আহিছে। এই প্ৰতিষ্ঠানটোৰ ইতিহাস কেনেকুৱা, ইয়াৰ কৰ্ম পদ্ধতি কি, ইয়াৰ সাফল্যৰ খতিয়ান কেনেকুৱা, অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সমাজ, অৰ্থনীতি, উদ্যোগ আদিৰ প্ৰতি ইয়াৰ বৰঙণি কেনে ধৰণৰ– এই বিষয় সমূহৰ ওপৰত বিশেষ ভাবে আলোকপাত কৰি, ইয়াৰ প্ৰধান পৰিচালন অংশীদাৰ শ্ৰীদ্বিজেন ফুকন, ব্যৱস্থাপক আৰু কৰ্মচাৰী সকলৰ মতামত সাপেক্ষে এই বিশেষ নিবন্ধটি যুগুত কৰিছে ——

ভাস্কৰজ্যোতি বৰা আৰু পাৰ্থপ্ৰতিম দাসে।



ফটো: তপন দাস


ড্ৰাগ্‌ছ ইণ্ডিয়াৰ চৌহদৰ সমুখ ভাগ

১৯৮৫ চনত জাপানৰ টকিঅ' চহৰত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় মেনেজমেন্ট কংগ্ৰেছৰ অধিবেশনত প্ৰখ্যাত অৰ্থনীতিবিদ আৰু ব্যৱস্থাপনা বিশেষজ্ঞ পিটাৰ ড্ৰুকাৰে কৈছিল– “পৃথিৱীত ক'তো অনুন্নত দেশ নাই। যদি আছে সেইবাৰ সকলো অনুন্নত ব্যৱস্থাপনাৰ দেশ (Undermanaged)।”

বিশ্ব যুদ্ধৰ বিভীষিকাই ৰাজহাড় ভাঙি যোৱা জাপান দেশখন অতি ক্ষুদ্ৰ যাক পৃথিৱীয়ে “মি জি জাপান” নামেৰে অভিহিত কৰিছিল। আৰু আজি ৪0 বছৰ পিছত এইখন পৃথিৱীৰ এখন অন্যতম উন্নত দেশ –যাৰ সাফল্যৰ আঁৰত আছে কৃষি আৰু ঔদ্যোগিক ক্ষেত্ৰত সম্পদৰ সদ্ব্যৱহাৰ, সুস্থ সবল নেতৃত্ব, কৰ্মস্পৃহা আৰু এই সকলোবোৰ প্ৰয়োজনীয় সমল আহৰণ কৰা পথৰ প্ৰধান হাতিয়াৰ– সুব্যৱস্থাপনা।

ভাৰতৰ দৰে এখন উন্নয়নশীল দেশত ড্ৰুকাৰৰ এইষাৰ কথাৰ প্ৰাসংগিকতা অতিশয় বেছি, কিয়নো ভাৰতবৰ্ষত উন্নয়নৰ প্ৰায়বোৰ দিশতে অ-ব্যৱস্থাপনাই প্ৰধান কাৰণ বুলি বিভিন্ন অনুসন্ধান আয়োগৰ প্ৰতিবেদনত চিহ্নিত হৈছে। আনহাতে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলটো ঔদ্যোগিক উন্নয়নৰ দিশৰ পৰা সবাতোকৈ অৱহেলিত আৰু শোচনীয় বুলি স্বীকৃত। প্ৰচুৰ সম্ভাৱনা আৰু সম্পদেৰে ভৰপূৰ এই অঞ্চলটোত সম্পদৰ সুব্যৱস্থা নোহোৱাৰ বাবে আৰু ব্যৱসায় ব্যৱস্থাপনাৰ মূল নীতি সমূহৰ অভাৱৰ বাবে ঔদ্যোগিক উন্নয়ন অতি মন্থৰ। যি দুই এটা উদ্যোগ আছে, সিও সোলোক-ঢোলোক অৱস্থাৰে কোনোমতে নিজৰ স্থিতিহে বজাই ৰাখিছে। ঔদ্যোগিক পৰিবেশৰ এনে প্ৰতিকূলতাৰ মাজতো উত্তৰ-পূৰ্বাঞ্চল তথা অসমত কেতবোৰ ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টা আৰু নিষ্ঠাই ৰাজ্যখনৰ অৰ্থনৈতিক ক্ষেত্ৰত কিছু গতিশীলতা আনিবলৈ সক্ষম হৈছে। অসমৰ এনে এক অন্যতম উদ্যোগ প্ৰতিষ্ঠান হ'ল ‘ড্ৰাগছ ইণ্ডিয়া’।

‘ড্ৰাগছ ইণ্ডিয়া’ৰ প্ৰধান উপাদান সমূহ হ'ল – জীৱন ৰক্ষাকাৰী ঔষধ (Saline, Dextrose, Dexamithason, Gentamycine Injection)। সুব্যৱস্থাপনা, সবল নেতৃত্ব, সম্পদৰ সদব্যৱহাৰ কৰ্মস্পৃহা, পাৰস্পৰিক সহযোগিতা, সিদ্ধান্ত গ্ৰহণৰ ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ দৰে আধুনিক ব্যৱসায়-ব্যৱস্থাপনাৰ এই নতুন কৌশলক




ড্ৰাগ্‌ছ ইণ্ডিয়াই মূলমন্ত্ৰ হিচাপে গ্ৰহণ কৰা মহাত্মা গান্ধীৰ বাক্য শাৰী

ব্যৱসায় পৰিচালনাৰ আধাৰ হিচাপে লৈ সাফল্যৰ বাটত অগ্ৰসৰ হোৱা এই প্ৰতিষ্ঠানৰ প্ৰধান পৰিচালন অংশীদাৰ দ্বিজেন ফুকনৰ' ঐকান্তিকতা, নিষ্ঠা, কৰ্ম উদ্দীপনা আৰু যোগ্যতা.. নিঃসন্দেহে প্ৰতিষ্ঠানটোৰ সাফল্যৰ মূল চাবি-কাঠি।

ব্যৱসায় ক্ষেত্ৰত তুলনামূলক ভাবে অতি নতুন ধাৰণা “মেনেজমেন্ট বাই পাৰটিচিপেচন (Management By Participation) বা অংশ গ্ৰহণৰ দ্বাৰা ব্যৱস্থাপনাৰ নীতি মানি চলা এই প্ৰতিষ্ঠানটোৱে থলুৱা অৰ্থনীতিৰ বিকাশৰ লগতে কৰ্মসংস্থাপনৰ দিশৰ পৰাও ৰাজ্যৰ আৰ্থ-সামাজিক প্ৰগতিত বৰঙণি যোগাইছে। জীৱন ৰক্ষাকাৰী ঔষধ প্ৰস্তুতকৰণৰ দ্বাৰা ৰাজ্যখনৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত অনবদ্য অৱদান যোগোৱা এই প্ৰতিষ্ঠানৰ অধিকাংশ কৰ্মচাৰীয়েই থলুৱা। বৰ্তমান ইয়াত প্ৰায় ১0৫ জন কৰ্মচাৰী আছে। কৰ্মচাৰীসকলৰ ভিতৰত উচ্চ পৰ্যায়ৰ কৰ্মচাৰী, ৰসায়নবিদ, হিচাপৰক্ষক আৰু সাধাৰণ কৰ্মচাৰী। ই এক অংশীদাৰী ব্যৱসায় প্ৰতিষ্ঠান আৰু প্ৰধান পৰিচালন অংশীদাৰ হ'ল দ্বিজেন ফুকন।

ইয়াৰ মুঠ অংশীদাৰ তিনি গৰাকী। এইখিনিতে উল্লেখনীয় যে ড্ৰাগছ ইণ্ডিয়াৰ কৰ্মচাৰীসকলৰ অধিকাংশই .তথাকথিত স্কুল কলেজৰ বিশেষ ডিগ্ৰীধাৰী লোক নহয়। অধিক সংখ্যক কেৱল মাত্ৰ স্নাতক পৰ্যায়ৰহে। কৰ্মক্ষেত্ৰৰ বাবে বিশেষ ভাবে প্ৰশিক্ষণপ্ৰাপ্ত এইসকল কৰ্মচাৰীয়ে নিজৰ ঐকান্তিকতা, কৰ্মস্পৃহা আৰু নিষ্ঠাৰে বহু সৃজনী মূলক কাম-কাজ আৰু আৱিষ্কাৰেৰেও এই প্ৰতিষ্ঠানক এক অনন্য ৰূপ দিছে। নিজৰ শিক্ষা জীৱনত আই, এচ চি লৈকে শিক্ষা লাভ কৰি ব্যৱসায় ক্ষেত্ৰৰ বিভিন্ন দিশৰ অধ্যয়ন, প্ৰশিক্ষণ আৰু অভিজ্ঞতাৰে বিশ্বৰ আধুনিক ব্যৱস্থাপনাৰ কৌশল সমূহো প্ৰয়োগ কৰি এই প্ৰতিষ্ঠানৰ পৰিচালক শ্ৰীযুত ফুকনে এইটো প্ৰমাণ কৰে যে কেৱল বিদ্যায়তনিক কৰ্মৰ সংকোচনে মানুহৰ উন্নতি আৰু সাফল্যৰ পথত অন্তৰায়ৰ সৃষ্টি নকৰে।

১৯৮১ চনত এই প্ৰতিষ্ঠানৰ প্ৰধান পৰিচালন অংশীদাৰ হিচাপে প্ৰতিষ্ঠানটোৰ ব্যৱস্থাপনাৰ লগত প্ৰত্যক্ষ ভাবে জড়িত হোৱা শ্ৰীফুকনে ইয়াত সোমায়েই লক্ষ্য কৰে যে প্ৰতিষ্ঠানটোত বহু ক্ষেত্ৰত অযথা মূলধন খটোৱা হৈছে আৰু কাৰিকৰী কৌশলৰ নামত অজস্ৰ টকাৰ অপচয় কৰা হৈছে। “ছদ্মবেশী নিবনুৱা”ৰ ৰূপত থকা অতিৰিক্ত কৰ্মচাৰীয়েও প্ৰতিষ্ঠানটোৰ উৎপাদিকা আৰু সৃজনী শক্তি নষ্ট কৰিছে। দায়িত্বভাৰ গ্ৰহণ কৰিয়েই শ্ৰীফুকনে অতিৰিক্ত লোকসকলক প্ৰয়োজনীয় ক্ষতি পূৰণসহ বিদায় দিয়ে আৰু প্ৰযুক্তি বিদ্যাৰ নামত হোৱা মূলধনৰ অপচয় বন্ধ কৰে।

ব্যৱস্থাপনা, গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ আৰু আঁচনি আদি প্ৰণয়নৰ ক্ষেত্ৰত তথা কেন্দ্ৰীকৰণ উঠাই দি 'মেনেজমেন্ট বাই পাৰটিচিপেচন' আৰু 'মেনেজমেন্ট বাই অবজেকটিভছ'ৰ (MOB) নীতি গ্ৰহণ কৰে।

এই ব্যৱস্থাপনা অনুসৰি প্ৰত্যেক স্তৰৰ কৰ্মচাৰীক সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত অধিক ক্ষমতা প্ৰদান কৰা হয় আৰু ব্যৱসায়ৰ প্ৰধান বিষয় সমূহৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত ওপৰ মহলাৰ পৰা শ্ৰমিক শ্ৰেণীলৈকে সকলোকে জড়িত কৰা হয়। কৰ্মচাৰী আৰু গ্ৰাহকক ব্যৱসায়ৰ অন্যতম অংশৰূপে গণ্য কৰি তেওঁলোকৰ পৰামৰ্শাৱলী গুৰুত্ব সহকাৰে বিবেচনা কৰা হয়। ইয়াৰ ফলত সকলো কৰ্মচাৰী নিজৰ কৰ্তব্যৰ প্ৰতি অধিক দায়বদ্ধ হয় আৰু ইয়াৰ দ্বাৰা কৰ্মস্পৃহা আৰু উৎপাদিকা শক্তি বৃদ্ধি পায়। এইবোৰৰ লগতে কামৰ সময় নিৰ্দিষ্টকৰণ, অৱসৰ সময় প্ৰদান আৰু কামৰ উপযুক্ত পাৰিশ্ৰমিক আৰু নিৰাপত্তাৰে এক নতুন 'কৰ্মসংস্কৃতি'ৰ জন্ম হয়। সুব্যৱস্থাপনাৰ দ্বাৰা ব্যৱসায়ৰ লগত জড়িত সকলোকে পাৰস্পৰিক সহযোগিতালৈ আনি সুস্থ সবল নেতৃত্বৰে তেওঁলোকৰ মাজত কৰ্মস্পৃহা জগাই তোলাটোৱেই এটা ব্যৱসায়ৰ সাফল্যৰ যাদুদণ্ড যাক ব্যৱসায়ৰ ভাষাত 'মতিভেশ্বন' (Motivation) বা স্পৃহাৰ জন্ম দিয়ে, উদ্দীপনাৰ জন্ম দিয়ে যি উদ্দীপনাই নতুন কৰ্ম সংস্কৃতিৰ বাটেৰে বাট বুলি উৎপাদিকা শক্তি বৃদ্ধিৰে, মনোমালিন্য হ্ৰাসকৰণেৰে ব্যৱসায়িক সাফল্যৰ চূড়ান্ত শিখৰত আৰোহণ কৰায়। উল্লেখযোগ্য যে 'ড্ৰাগছ ইণ্ডিয়া' অসমৰ এনে এক উদ্যোগ প্ৰতিষ্ঠান য'ত দুখনকৈ কৰ্মচাৰী ইউনিয়ন আছে যদিও ১৯৮১-ৰ পৰা আজিলৈকে তাত বন্ধ-হৰতাল-লকআউট আদি অনুষ্ঠিত হোৱা নাই।

এই প্ৰতিষ্ঠানটোৰ ক্ষেত্ৰত আৰু এক অন্যতম উল্লেখযোগ্য ঘটনা এয়ে যে ১৯৮৩ চনত এই প্ৰতিষ্ঠানটোৰ কাৰখানা অগ্নিকাণ্ডৰ ফলত ভস্মীভূত হোৱাৰ পিছত মাত্ৰ ৩ মাহ ২১ দিনৰ ভিতৰত কৰ্মচাৰীসকলে নিজেই এই কাৰখানাটো সাজি উলিয়াইছিল।


এই ঘটনাই ড্ৰাগছ ইণ্ডিয়াৰ সুব্যৱস্থাপনা আৰু সুন্দৰ মালিক-শ্ৰমিক সম্পৰ্কৰ কথাই যে প্ৰতীয়মান কৰে সেইটো নিশ্চিত।

অংশীদাৰী মূলধনেৰে গঠিত 'ড্ৰাগছ ইণ্ডিয়া'ৰ কেঁচামাল হ'ল 'দেক্সামিথাচন, ছডিয়াম ফছপেট, গ্লুক'জ, মৰফিন আদি। আটাইবোৰ কেঁচামালেই দেশজ।

অসমৰ দৰে এখন উদ্যোগ ক্ষেত্ৰত অনুন্নত ৰাজ্যত অসংখ্য প্ৰতিকূল অৱস্থাৰ মাজত ব্যক্তিগত খণ্ডত আশাশুধীয়া প্ৰচেষ্টাৰে পৰিচালিত এই প্ৰতিষ্ঠানৰ সফলতা কাৰো অবিদিত নহয়। ১৯৮২ চনৰ পৰা ১৯৯০ চনলৈ ছবাৰকৈ 'ৰাষ্ট্ৰীয়' উৎপাদিকা পৰিষদৰ পুৰস্কাৰ বিজয়ী এই প্ৰতিষ্ঠানৰ প্ৰধান পৰিচালন অংশীদাৰ শ্ৰীফুকনৰ মতে “কৰ্মচাৰী সকলেই এই সাফল্যৰ প্ৰধান হোতা আৰু সেয়েহে প্ৰথমবাৰৰ বাদে পিছৰ আটাই কেইবাৰ পুৰস্কাৰ সমূহ গ্ৰহণ কৰিছিল এই প্ৰতিষ্ঠানৰ সাধাৰণ কৰ্মচাৰীয়ে।

হেন্‌ৰী ফেয়লে (Henry Fayol) কৈছিল– “ব্যৱস্থাপনা হ'ল দূৰদৃষ্টি, সুপৰিকল্পনা, সংগঠন প্ৰভাৱ, সহযোগিতা আৰু নেতৃত্বৰ সংমিশ্ৰিত ৰূপ।”

বৈজ্ঞানিক ব্যৱস্থাপনাৰ ধাৰণাৰ জনক এফ, ডব্লিউ টেইলৰে কয়– “সেইজনেই সু-ব্যৱস্থাপক যিজনে বিচাৰ কৰিব পাৰে কোনজন মানুহে কি কৰিব, কেতিয়া কৰিব, ক'ত কৰিব, কেনেকৈ কৰিব আৰু সেইটো শ্ৰেষ্ঠ উপায়েৰে তুলনামূলক ভাবে আটাইতকৈ কম উৎপাদন ব্যয়েৰে সমাধা কৰিছে নে নাই বা যদি কৰা নাই কিয়?”– 'ড্ৰাগছ ইণ্ডিয়া'ৰ পৰিচালনাৰ সৈতে এই মন্তব্য আখৰে আখৰে সত্য।



ফটো: পাৰ্থপ্ৰতিম


লেবৰেটৰীৰ ভিতৰত



## দ্বিজেন ফুকন মানুহজনঃ ড্ৰাগছ ইণ্ডিয়াৰ ইতিহাস, জীৱনৰ আগছোৱা, পৰিয়ালৰ প্ৰেৰণা

এটা সফল প্ৰতিষ্ঠানৰ মুৰব্বী হিচাপে প্ৰতিষ্ঠানটোৰ পৰিচালনা, কৰ্মচাৰীৰ আশা আকাংক্ষাৰ সমাধান, মূলত কি সূত্ৰৰ বা নীতিৰ ওপৰত ভিত্তি কৰি এই উদ্যোগটিয়ে ছ-বাৰকৈ সৰ্বভাৰতীয় বঁটা লভিবলৈ সমৰ্থ হৈছে তাৰেই আঁত বিচাৰি আমি শ্ৰীযুত দ্বিজেন ফুকনক তেখেতৰ ন'মাইলত থকা আমৰিগোগ ভৱন আৰু 'ড্ৰাগছ ইণ্ডিয়া'ৰ খ্ৰিষ্টান বস্তীৰ কাৰ্যালয়ত লগ ধৰিছিলো। তেখেতৰ বাসগৃহত আমি দুপৰীয়াৰ আহাৰলৈ আমন্ত্ৰিত হৈ বহুত কথাই পাতিছিলো। কাৰ্যালয়তো আমি তেখেতক প্ৰশ্ন সুধিছিলো 'ড্ৰাগছ ইণ্ডিয়া'ৰ ইতিহাস, তেখেতৰ সৰুকাল, প্ৰেৰণা ইত্যাদিৰ বিষয়ে। তেখেতে কৈছিল– “মই মোৰ জীৱনৰ প্ৰতিটো চিন্তা, মুহূৰ্তক থ্ৰি ডাইমেনচনেলী চাবলৈ যত্ন কৰো।”

সৰুৰে পৰা অত্যুৎসাহী অনুসন্ধিৎসু মনৰ অধিকাৰী শ্ৰীফুকনে ১৯৫৩ চনৰ পৰা ১৯৬৩ চনলৈ 'মে এন্ড বেকাৰ' নামৰ ঔষধ প্ৰস্তুতকাৰক বিদেশী কোম্পানী এটাত কাৰিকৰী সহযোগী হিচাপে কাম কৰাৰ পিছত ১৯৬৩ চনৰ ১৫ এপ্ৰিলত প্ৰথমে এই 'ড্ৰাগছ ইণ্ডিয়া'ৰ ভেটি স্থাপন কৰে। প্ৰথম অৱস্থাত 'ড্ৰাগছ ইণ্ডিয়া'ই ঔষধৰ ব্যৱসায়হে কৰিছিল। কলিকতাৰ পৰা ঔষধ আনি চাহ বাগান আৰু চৰকাৰৰ স্বাস্থ্য সেৱা বিভাগত যোগান ধৰিছিল। লাহে লাহে বৃহৎ কোম্পানীৰ মুখ্য বিতৰণকাৰী হিচাপে প্ৰতিষ্ঠানটো গঢ় লৈ উঠে। এইদৰেই কিছুদিন চলি আছিল। তেখেতৰ কথাৰে



ফটো: তপন দাস

প্ৰতিষ্ঠানৰ বিশিষ্ট কৰ্মী শ্ৰীতাৰাটৰ সৈতে শ্ৰীফুকন

“১৯৬৪ চনত মহাৰাষ্ট্ৰ আৰু গুজৰাটৰ পৰা ড্ৰাগছ কন্ট্ৰলাৰ সকল শিবলঙলৈ আহে। তাত তেওঁলোকৰ সৈতে মোৰ সাক্ষাৎ হয়। তেওঁলোকৰ লগত আলোচনা কৰি ঔষধ উৎপাদন সন্দৰ্ভত কিছু কথা জানিব পাৰো। তাৰ পিছত, তেতিয়াৰ অসমৰ 'ড্ৰাগছ কন্ট্ৰলাৰ'জনো এদিন আমাৰ প্ৰতিষ্ঠানটো পৰিদৰ্শন কৰিবলৈ আহে আৰু কথা প্ৰসংগত মোক 'চেলাইন' প্ৰস্তুত কৰিবলৈ উপদেশ দিয়ে। প্ৰথমবাৰৰ বাবে ঔষধ প্ৰস্তুত কৰাৰ অনুপ্ৰেৰণা লাভ কৰি ১৯৬৭ চনত এটি বন্ধ হৈ যোৱা উদ্যোগ প্ৰতিষ্ঠান আমি কিনি লওঁ” ...... এই দৰে সেই বন্ধ হৈ যোৱা উদ্যোগটিকে নতুনকৈ সজাই পৰাই প্ৰয়োজনীয় মেৰামতি কৰি ১৯৬৮ চনত প্ৰথম কাৰখানা আৰম্ভ কৰে।

সেই সময়ত কলিকতীয়া ঔষধ প্ৰস্তুতকাৰী কোম্পানীবোৰৰ একচেটীয়া বজাৰখনত ড্ৰাগছ ইণ্ডিয়াই প্ৰথমটো আঘাত হানিবলৈ সমৰ্থ হয়। প্ৰথমতে মাত্ৰ 'চেলাইন' প্ৰস্তুত কৰা উদ্যোগটিয়ে ক্ৰমে আন আন জীৱন ৰক্ষাকাৰী দৰৱো প্ৰস্তুত কৰিবলৈ আৰম্ভ কৰে আৰু আজিলৈকে ই দেশৰ ভিতৰতে 'লাইফ্ চেভিং ড্ৰাগছ' প্ৰস্তুত কৰ্তা সকলৰ ভিতৰত শ্ৰেষ্ঠ আসন লাভ কৰি আছে “এই শ্ৰেষ্ঠতাৰ আসনখন লাভ কৰোতে বহুতবাৰ আমি বদনাম আৰু কুচক্ৰান্তৰ বলি হৈছিলো। বাতৰি কাকত আৰু অসম চৰকাৰৰ তেতিয়াৰ স্বাস্থ্য সেৱা বিভাগৰ ৰোষৰ বলিও হৈছিলো। কিন্তু অৱশেষত আমি জিকিলো। আমাৰ উৎপাদিত সামগ্ৰীয়ে এতিয়া অসম চৰকাৰৰ স্বাস্থ্য সেৱা বিভাগত ৯0% অংশ লবলৈ সমৰ্থ হৈছে।” কাৰখানাৰ প্ৰতিটো যন্ত্ৰ থলুৱা, প্ৰতিজন কৰ্মচাৰীয়ে থলুৱা। শ্ৰীফুকনে নিজ হাতে কাৰখানাত কাম কৰি চাকৰি জীৱনৰ অভিজ্ঞতা আৰু অধ্যয়ন কৰি পোৱা অভিজ্ঞতাৰে প্ৰতিজন কৰ্মচাৰীকে হাতে কামে শিকাইছে– কিদৰে মানুহৰ জীৱন ৰক্ষা কৰা দৰৱবোৰ প্ৰস্তুত কৰিব লাগে-ক'ত কিমান শতাংশ দৰৱৰ মিশ্ৰণৰ প্ৰয়োজন, কোনটো মেচিন কিদৰে চলাব লাগে– ইত্যাদি।

কথা প্ৰসংগত তেখেতৰ জীৱনৰ কথাবোৰ আমাক কৈছিল– “ ১৯৪৭ চন। মই তেতিয়া সৰু ল'ৰা। ফটো তোলাৰ চখ। লৰ্ড মাউন্টবেটেন আৰু লেডী মাউন্টবেটেন আহিব বুলি শুনি পুৰণি বক্স কেমেৰাটো লৈ আমাৰ উজান বজাৰৰ ঘৰৰ পৰা ব্ৰহ্মপুত্ৰৰ জাহাজ ঘাটলৈ দৌৰি দৌৰি গৈছো। সময়ত মাউন্টবেটেন সস্ত্ৰীক জাহাজেৰে আহিল। চাৰিওফালে চিপাহী চন্তৰী। বাঁহৰ ঘেৰ দিয়া আছে পথৰ দুয়োকাষে। মই কেমেৰা লৈ থিয় হৈ আছো ফটো তোলাৰ বাবে। এনেতে মোক এজন চিপাহীয়ে হাতত ধৰি টানি আজুৰি চোঁচৰাই নিলে– অলপ দূৰ যোৱাৰ পাছত আন এজনে ইখন হাতত ধৰি আনফালে চোঁচৰাই নিলে–এইদৰে টনা আঁজোৰা কৰি অৱশেষত মোক নি সুমুৱাই দিলে আঁতৰত ৰৈ থকা এখন গাড়ীৰ ভিতৰত। কান্দি-কাতি অস্থিৰ হৈ গাড়ীৰ ভিতৰত ভালদৰে চাই দেখো– স্বয়ং মাউন্টবেটেন সস্ত্ৰীক মোৰ ফালে চাই হাঁহি

আছে– উপৰা-উপৰিকৈ ভিতৰতেই ফটো ললো। পিছতহে গম পাইছিলো যে লেডী মাউন্টবেটেনে তেনেদৰে মোক চিপাহীৰ হতুৱাই মতাই নিছিল।"

অদম্য কৰ্মস্পৃহা, একাণপতীয়া চেষ্টা আৰু আশাবাদী মনেই হ'ল শ্ৰীফুকনৰ সাফল্যৰ মূল চাবি কাঠি। আমি শ্ৰীফুকনক সুধিছিলো কৰ্মচাৰী পৰিচালনা, কৰ্ম পদ্ধতিৰ বিষয়ে তেখেতে কৈছিল– "ড্ৰাগছ ইণ্ডিয়া মোৰ বা আমাৰ অংশীদাৰ সকলৰ প্ৰতিষ্ঠান নহয়– এইটো ১০৫ জন কৰ্মচাৰীৰ উমৈহতীয়া উদ্যোগ। কৰ্মচাৰী সকলক পৰিচালনা কৰিবলৈ ইয়াত কোনো ধৰণৰ বিশেষ পদ্ধতি নাই। মাথো আন্তৰিকতা আৰু সহানুভূতিৰে প্ৰতিজন কৰ্মীকে বিচাৰ কৰা হয়। প্ৰতিখন মেললৈ যিয়েই নহওক লাগে কৰ্মচাৰী সকলকো মতা হয়। তেওঁলোকৰ কথা গুৰুত্ব সহকাৰে শুনি, পৰামৰ্শ লৈ সেইদৰে কামবোৰ কৰি থকা হয়"– 'মেনেজমেন্ট বাই পাৰটিচিপেচন'ৰ মূল কথাও সেইখিনিয়ে। ড্ৰাগছ ইণ্ডিয়াত কোনো কৰ্মচাৰীৰে অভিযোগ ফাইলৰ মাজত পেলাই থৈ দিয়া নহয়। পাব লগীয়া সকলো সা-সুবিধা, দৰমহা, ভৱিষ্যনিধি, ঘৰ ভাৰা বানচ, সমূহীয়া জীৱন বীমা, পৰিয়ালৰ পেন্‌চন্, ঋণ ইত্যাদি চাকৰিৰ কোনো সুবিধাৰে পৰা কৰ্মচাৰীসকল বঞ্চিত নহয়। স্বাভাৱিকতে 'ড্ৰাগছ ইণ্ডিয়া'ৰ আসন শিখৰত থাকিবই।

## 'ড্ৰাগছ ইণ্ডিয়া'ৰ ব্যৱস্থাপক আৰু কৰ্মচাৰীৰ সৈতে দুআষাৰ

ব্যৱস্থাপক শ্ৰীনৃপেন তাৰাট। চল্লিছ বছৰীয়া এইজন ব্যক্তি যোৱা তেৰ বছৰ ধৰি ড্ৰাগছ ইণ্ডিয়াৰ দুখ সুখৰ লগত নিবিড় ভাবে জড়িত হৈ আছে। সিদিনা কাৰ্যালয়ৰ কোঠাত তেখেতকো আমি সাক্ষাৎ কৰি কিছু কথা জানিব বিচাৰিছিলো।

*–আপুনি কিমান দিন ধৰি এই প্ৰতিষ্ঠানত আছে?*

শ্ৰীতাৰাট– মই ১৯৭৮ চনৰ পৰাই ড্ৰাগছ ইণ্ডিয়াত কাম কৰিছো। প্ৰথমতে তেজপুৰৰ শাখা কাৰ্যালয়ত আছিলো। ১৯৭৯ চনত গুৱাহাটীলৈ আহো। ১৯৮১ চনৰ পৰা প্ৰত্যক্ষ ভাবে এইটো কাৰ্যালয়তে শ্ৰীফুকনৰ সৈতে আছো।



ফটো: তপন দাস

## ড্ৰাগছ ইণ্ডিয়াৰ পুৰস্কাৰ সমূহ

১৯৮৫ চনত ৰাষ্ট্ৰীয় উৎপাদিকা পৰিষদৰ শ্ৰেষ্ঠ বঁটা।

১৯৮৬-৮৭ চনত ৰাষ্ট্ৰীয় উৎপাদিকা পৰিষদৰ শ্ৰেষ্ঠ বঁটা।

১৯৮৭-৮৮ চনত আই এম, এম (IMM, BATA) ৰ 'মাৰ্কেটিঙ'ৰ পুৰস্কাৰ।

১৯৮৮-৯০ পুনৰ ৰাষ্ট্ৰীয় উৎপাদিকা পৰিষদৰ শ্ৰেষ্ঠ বঁটা লাভ।

*– প্ৰতিষ্ঠানটোৰ কৰ্মচাৰী সকলৰ সৈতে মালিক পক্ষৰ সম্পৰ্ক কেনেকুৱা? কিদৰে প্ৰতিষ্ঠানটো পৰিচালনা কৰা হৈছে?*

শ্ৰীতাৰাট– আচলতে এই প্ৰতিষ্ঠানত মালিক পক্ষ আৰু শ্ৰমিক পক্ষ বুলি তেনেকুৱা স্পষ্ট কোনো সীমাৰেখা নাই; যদিও আমাৰ ইয়াত দুটা শ্ৰমিক সংগঠন আছে। প্ৰতিষ্ঠানটোৰ উন্নয়নৰ বাবে; ইয়াৰ উৎপাদন সম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণ, সুবিধা, অসুবিধা আদি সকলোবোৰ বিষয়তে আমি আটায়ে লগ লাগি আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰো। বিভিন্ন বিভাগত বিভাগীয় মুৰব্বী থাকিলেও উদ্যোগটিৰ পৰিচালনাত সকলোৱে অংশ গ্ৰহণ কৰে।

*উদ্যোগটোৰ উৎপাদন, ব্যৱসায়িক লেনদেন, চৰকাৰী সা-সুবিধা বা সমস্যাৰ বিষয়ে কওকচোন।*

শ্ৰীতাৰাট– বৰ্তমান আমি দিনে ২৫০০ বটল চেলাইন উৎপাদন কৰো। আমাৰ অধিকাংশ প্ৰডাক্ট অসম চৰকাৰৰ স্বাস্থ্য সেৱা বিভাগলৈ যোগান ধৰা হয়। কিন্তু দুখৰ বিষয় যে চৰকাৰে কেতিয়াও সম্পূৰ্ণকৈ প্ৰাপ্য বিল আদায় নিদিয়ে– ফলত মাজে সময়ে আমাৰ ইয়াত 'ৱৰ্কিং কেপিটেল'ৰ অভাৱ হয়। প্ৰতিদিনেই চৰকাৰৰ ঘৰত আমাৰ পাব লগীয়া ধন জমা হয় অথচ তাৰ ৫0% ও মুকলি কৰা নহয়। এই সমস্যাটোৱে আমাক অসুবিধাত পেলাইছে। সেয়েহে আমি আমাৰ উৎপাদিত ঔষধৰ প্ৰায় 80% এতিয়াৰ পৰা মুকলি বজাৰত বেচিবলৈ সিদ্ধান্ত লৈছো। তাৰ পৰা অন্ততঃ 'কেচ জেনেৰেশ্বন' (Cash Generation) হব। মূলধনৰ অধিকাংশ এইদৰে 'ষ্টেগনেন্ট' হ'লে 'বিজিনেচ'ৰ মৃৰত মাধমাৰ পৰে। শ্ৰীদেৱীদাস ঠাকুৰ গৱৰ্ণৰ হৈ থাকোতে এই বিষয়ে চকু দিবলৈ আৰম্ভ কৰিছিল। পিছে সকলো ফুটুকাৰ ফেন হ'ল।

*– আপোনালোকৰ শাখা কাৰ্যালয় ক'ত ক'ত আছে? উদ্যোগটিৰ মুঠ উৎপাদন ক্ষমতাৰ কিমান শতাংশ উৎপাদনশীল হৈ আছে? কৰ্মচাৰীৰ সংখ্যা কিমান?*

শ্ৰীতাৰাট– বৰ্তমান আমি ইয়াক ১00% উৎপাদনশীল কৰিব পৰা নাই– বিভিন্ন অসুবিধাৰ বাবে। তথাপিও ৭৫% উৎপাদনশীল হৈছে। আমাৰ তেনেকৈ কোনো শাখা কাৰ্যালয় নাই। তেজপুৰত এটা আমাৰ শাখা আছে; গুৱাহাটীত এটা বিক্ৰী কেন্দ্ৰ আছে। 'ড্ৰাগছ ইণ্ডিয়া'ৰ ঔষধৰ সুনাম এটা আছে। গতিকে 'ৰেডিমেড' বজাৰ এখন আছেই। শাখা কাৰ্যালয় খোলাৰ প্ৰয়োজন অনুভৱ কৰা নাই। আমাৰ এজন 'প্ৰডাকচন কো'ৰডিনেটৰ আছে। তেৱেঁই বিভিন্ন ঠাইত ঘূৰি ফুৰি ব্যৱসায়ৰ লেনদেন, অৰ্ডাৰ আদি সংগ্ৰহ কৰে।

সৰু ডাঙৰ লৈ আমাৰ ইয়াত প্ৰায় ১০৫ জন কৰ্মচাৰীয়ে কাম কৰে।

শ্ৰীতাৰাটৰ ব্যস্ততাৰ বাবে আমি তেখেতক আৰু আমনি নিদিলো। শ্ৰীতাৰাটৰ পৰা বিদায় লওঁতে 'লৰেন্স এ এপ্‌লি'ৰ (Lowrence A. Appley) কথা এষাৰ মনত পৰিছিল– 'The most vitalspot in managemen is the point of contact between worker and boss'.

শ্ৰীঅমিয় শৰ্মা– *প্ৰধান ৰসায়নবিদ, 'ড্ৰাগছ ইণ্ডিয়া'।*

শ্ৰীশৰ্মাৰ সৈতেও কথা-বতৰা পাতিছিলো তেখেতৰ গৱেষণাগাৰৰ ভিতৰত। হাস্যময়, কৰ্মযোগী পুৰুষ। তেখেতে কৈছিল–"১৯৭৭ চ নৰ পৰাই মই 'ড্ৰাগছ ইণ্ডিয়া'ত আছো। প্ৰথমতে প্ৰশিক্ষাৰ্থী ৰসায়নবিদ হিচাপে সোমাওঁ– এতিয়া 'চিফ্ কেমিষ্ট'। কাম কৰাৰ মুক্ত ক্ষেত্ৰ শৈক্ষিক জীৱনত শিকি অহা কথাবোৰৰ সফল প্ৰয়োগৰ সুবিধা আদিৰ বাবেই এই প্ৰতিষ্ঠানত কাম কৰি আছো। আন চাকৰিতকৈ ইয়াত অধিক সন্তুষ্টি আছে। আমি এদিনো ছুটী লব নোৱাৰো। ছুটী ললেই মনত অনবৰতে চিন্তা হৈ থাকে- ক'ত বা কি হ'ল– ঠিকমতে সকলো হৈছে নে নাই– ইত্যাদি কথাৰ বাবে।" উদ্যোগটিৰ গৱেষণাগাৰৰ আৰু পৰীক্ষাগাৰৰ সকলোবোৰ কাম-কাজ শ্ৰীশৰ্মাৰ তত্বাৱধানত সম্পন্ন হয়। 'জৈৱ ৰসায়ন' বিভাগৰ স্নাতক শ্ৰীশৰ্মাৰ ঘৰ চামতাত। আমি শ্ৰীশৰ্মাৰ পৰা বিদায় লৈ লগ ধৰিছিলো শ্ৰীমন্টুৰাম দাসক। এখেত ৰসায়নিক অভিযন্তা। এখেতেও একেখিনি কথাই ক'লে– "নিজৰ চিন্তা চৰ্চা মতে কাম কৰাৰ মুকলি পৰিবেশ থকা বাবেই, তেল আৰু প্ৰাকৃতিক গেছ আয়োগত লোভনীয় চাকৰি পায়ো গুচি নগ'লো।" অসম জাতীয়তাবাদী দলৰ অন্তৰ্ভূক্ত শ্ৰমিক ইউনিয়নৰ সাধাৰণ সম্পাদক তথা ড্ৰাগছ ইণ্ডিয়াৰ 'অট' কেলপ' বিভাগৰ কৰ্মচাৰী শ্ৰীজ্যোতিষ চন্দ্ৰ ভূঞাক লগ ধৰি কৰ্মচাৰীৰ সুবিধা অসুবিধা, দাবী আদিৰ বিষয়ে সোধাত ক'লে– "আমাৰ ইয়াত কোনো অসুবিধাই নাই। আমাৰ কোনো বিশেষ দাবীও নাই। উদ্যোগটিৰ উপাৰ্জন অনুসৰি আমি প্াব লগীয়া প্ৰায়বোৰ সুবিধা পাইছো। আমি প্ৰত্যেকেই ইয়াৰ অংশীদাৰ আৰু মনে প্ৰাণে উদ্যোগটিক জীয়াই ৰখাৰ প্ৰচেষ্টাত ব্ৰতী।"

আন এজন শ্ৰমিক নেতা শ্ৰীইন্দ্ৰ কুমাৰ ৰাণাইও একে কথাই ক'লে। শ্ৰীৰাণাই উদ্যোটিৰ উৎপাদিত সামগ্ৰীৰ মানদন্ড অটুট ৰখাত সদা-সচেষ্ট।

আন আন কৰ্মচাৰী সকলৰ ভিতৰত আমি শ্ৰীমনোৰঞ্জন শৰ্মা, হিচাপ ৰক্ষক, শ্ৰীজীৱন ডেকা- কোষাধ্যক্ষ, শ্ৰীমতী দিপালী শৰ্মা, এওঁলোকক সুকীয়াকৈ সুধিছিলো– মালিক পক্ষৰ প্ৰতি কিবা অভিযোগ আছে নেকি? চাকৰি কৰি অসন্তুষ্টিত ভুগিছে নেকি– ইত্যাদি। আটায়ে হাঁহি হাঁহি আমাক কৈছিল– "ড্ৰাগছ ইণ্ডিয়া আমাৰ জীৱন আৰু ঘৰ। জীৱনৰ পৰা অভিজ্ঞতা লৈছো আৰু ঘৰখনত আশ্ৰয় লৈ শান্তিৰে বাস কৰিছো– গতিকে নিজৰ ঘৰৰ প্ৰতি কাৰো কোনো অভিযোগ নাই–নাথাকেও।" আমি অভিভূত হৈছিলো সংগঠনটোৰ কাম-কাজ, নিয়ম শৃংখলা, বিশেষকৈ গভীৰ পৰিতৃপ্তিৰে কাম কৰি থকা কৰ্মচাৰী সকলক দেখি। বোধহয় এনেকুৱা এটা সফল সংগঠনৰ সপোন দেখিয়েই 'এণ্ড্ৰিউ কাৰ্ণেগী'য়ে কৈছিল–"Take away our factories, take away our trade, our avenues of transportation, our money. Leave us nothing but our organization, and in four years we shall have re-established ourselves."

## সামৰণিত

"ড্ৰাগছ ইণ্ডিয়া" কেৱল অসমৰে নহয় সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰে এক সম্ভাৱনাপূৰ্ণ আৰু প্ৰতিশ্ৰুতি সম্পন্ন ঔদ্যোগিক প্ৰতিষ্ঠান। এই প্ৰতিষ্ঠানক আৰু অধিক সবল কৰি তুলি ৰাজ্যখনৰ আৰ্থ-সামাজিক বিকাশৰ প্ৰক্ৰিয়াত অধিক বৰঙণি আগবঢ়াবৰ বাবে 'ড্ৰাগছ ইণ্ডিয়া' নিঃসন্দেহে শুভেচ্ছাৰ পাত্ৰ। প্ৰতিষ্ঠানটোৰ বিভিন্ন জনৰ সৈতে সাক্ষাৎ গ্ৰহণ কৰোতে এই কথাই জানিব পৰা গ'ল যে অন্যান্য ক্ষেত্ৰ সমূহৰ দৰেই এই প্ৰতিষ্ঠানটোৰ উন্নয়নৰ ক্ষেত্ৰতো চৰকাৰৰ ভূমিকা অতি নিষ্ক্ৰিয়। ইয়াত উৎপাদিত দৰবৰ চাহিদা অতি বেছি আৰু এইবোৰৰ প্ৰধান ক্ৰেতা ৰাজ্য চৰকাৰ যদিও তথাকথিত ৰঙাফিটাৰ মেৰপাকৰ বাবে এই প্ৰতিষ্ঠানলৈ চৰকাৰী ধন আদায় দিয়াৰ ক্ষেত্ৰত প্ৰায়েই অযথা পলম হয়। ফলত "টাৰ্ণ অভাৰ ৰেচিঅ' হ্ৰাস পোৱাত চলিত মূলধনৰ নাটনি হয় আৰু নিয়োগ সম্ভাৱনা বহু পৰিমাণে হ্ৰাস পায়। এই ক্ষেত্ৰত চৰকাৰৰ সক্ৰিয় সহযোগিতা ৰাজ্যখনৰ উন্নয়নৰ স্বাৰ্থতে অতিশয় জৰুৰী আৰু কাম্য। অকল এই প্ৰতিষ্ঠানলৈকে নহয়, এনে ধৰণৰ ব্যক্তিগত খন্ডৰ মজলীয়া উদ্যোগ প্ৰতিষ্ঠান সমূহৰ ক্ষেত্ৰতো চৰকাৰে অধিক ঋণ সাহায্য আৰু সহযোগিতা আগবঢ়োৱা উচিত। এনে প্ৰেৰণাইহে উদ্যোগসমূহক সঞ্জীৱিত আৰু শক্তিশালী কৰিব পাৰে, মিটিঙৰ বক্তৃতাৰে নহয়।

সমাগত একবিংশ শতিকাৰ প্ৰত্যাহ্বানৰ সমুখীন হব পৰা এক নতুন পৰিবেশত তিষ্ঠি থাকিবলৈ মাথোন বিদ্যায়তনিক অৰ্হতাৰ স্থান উন্নত কৰাটোৱেই যথেষ্ট নহয়। বৰং বেছি আৱশ্যক হব মানুহৰ মনোজাগতিক পৰিবৰ্তন আৰু যুগোপযোগী দৃষ্টিভংগী গ্ৰহণ কৰি বিশ্ব সংস্কৃতিত খাপ খাব পৰা জীৱন দৰ্শনৰ বিকাশ সাধন। ইয়াৰ বাবে চৰকাৰে পাঠ্যপুথিৰ শিক্ষাৰ লগতে কাৰিকৰী আৰু প্ৰায়োগিক শিক্ষাৰ দিশটোৰ উন্নতি সাধনৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। উদ্যোগ ক্ষেত্ৰ আৰু উৎপাদনমুখী কাম-কাজৰ প্ৰতি নতুন চামৰ উৎসাহ বৃদ্ধি কৰি স্বনিৰ্ভৰশীলতাৰ ধাৰণাকে বাস্তবায়িত কৰিবৰ চেষ্টা চলাব লাগিব। 'ড্ৰাগছ ইণ্ডিয়া"ৰ দৰে প্ৰতিষ্ঠানৰ সাফল্য আৰু ইয়াৰ আঁৰৰ অন্তৰ্নিহিত সত্যক এনে কামৰ বাবে পথ প্ৰদৰ্শক আৰু আদৰ্শৰ ৰূপত গ্ৰহণ কৰিব পাৰি। আশা ৰাখিছো, অদূৰ ভৱিষ্যতে 'ড্ৰাগছ ইণ্ডিয়া'ই অধিক উন্নত পৰিকল্পনা আৰু ব্যৱস্থাপনাৰে ৰাজ্যখনৰ জনসাধাৰণৰ আৰ্থ-সামাজিক উন্নয়নৰ এক নতুন জোৱাৰ আনিব আৰু তাৰ লগে লগে প্ৰায় অলস, নিষ্কৰ্মা হৈ পৰা ৰাজ্যখনৰ কৰ্মক্ষম জনসাধাৰণৰ সমুখত বিশেষকৈ নতুন কামৰ বাবে প্ৰেৰণাৰ অফুৰন্ত উৎস হৈ উঠিব, ৰাজ্যখনলৈ কৰ্ম সংস্কৃতিৰ এক নতুন ধাৰাৰ ঢল আনিব।




OKD



ধাৰাবাহিক স্মৃতিকথা

মুশ্ৰী শোভা ব্ৰহ্ম

# অতীত ঐকতান বিষাদ

## ১১

বাৰিষা বানপানীত জৈমানৈত বিহাৰী নাওৰ বহৰ চাবলগীয়া হয়। সেইবোৰ নাও জৈমা নৈৰ ঘাটত শালকাঠ বোজাই কৰি পানীৰ কমা-বঢ়াৰ গড়-গতি মতে আকৌ সাপটগ্ৰামলৈ উভতি যায়। তাৰ পৰা সেইবোৰ কাঠ বিহাৰ, বেংগলৰ কলিকতা, মুৰ্শিদাবাদ, উত্তৰপ্ৰদেশ, মজঃফৰপুৰ, দ্বাৰভাঙা আদি স্হানলৈ চালান হয়। দেওকী মাঝিৰ নাও প্ৰায়ে ভূমকাৰ ঘাটত লাগিছিল; সি গোটেই অঞ্চলটোৰে অতি পৰিচিত আৰু ঘনিষ্ঠ হৈ পৰিছিল। তাৰ ঘৰ বিহাৰত, কাঠৰ চালানৰ বাহিৰেও গাওঁখনত তাৰ ডাঙৰ নিচা হ'ল মদখোৱা। মোক দেখিলেই অৱশ্যে সি মদৰ বটল লুকাই পেলাইছিল নাইবা ধুতিৰ কোচাত লুকোৱাৰ কপট চেষ্টা কৰিছিল। দেউকী আমাৰ পৰা কি পাইছে সি অতি নগণ্য, কিন্তু দেউকীয়ে আমাক কি দিছে তাৰহে সীমা নাই। বিভিন্ন সময়ত, স্কুলত, কলেজত বা শান্তিনিকেতনত পঢ়া কালত এনেকি চাকৰি জীৱনতো বাৰিষাৰ বানপানীত আৰু বাটপথৰ অসম্ভৱ দুৰুহ অৱস্হাত দেউকীৰ নাওখনে আমাৰ একমাত্ৰ অৱলম্বন হৈ আমাক উদ্ধাৰ কৰিছে। সি সদায় মোক কৈছিল, 'বাবু, অফচৰ বন যাইছে, অফচৰ'। তাৰ এই 'অফচৰ' শব্দৰ শব্দাৰ্থ বুজিবলৈ মোৰ যিমানদিন লাগিছিল, তাতোকৈ বহু বহু বছৰ অধিক সময় লাগিছিল মোৰ তেনে এজন নগণ্য 'অফচৰ' বা অফিচাৰ হবলৈ। আজি বহু বছৰ অফিচাৰ হৈ এই অৱসৰপ্ৰাপ্ত জীৱনৰ সায়াহ্নত দেউকী মাঝিৰ কথা বৰকৈ মনত পৰিছে।

শেলগাগ্ৰী নামটো কেনেকৈ হ'ল কোৱা টান। ভূমকা নৈৰ পূব পাৰে 'ছোট ভূমকাৰ মানুহবিলাকে জঙ্গলত মৰাশ পেলাইছিল বা পুতি থৈছিল। উল্লেখ প্ৰয়োজন, আমাৰ সমাজত আগৰ কালত মৰাশ বেছি ভাগ ক্ষেত্ৰতে কবৰহে দিয়া হৈছিল; মৃত ব্যক্তি গৰাকীৰ আগতীয়া ইচ্ছা প্ৰকাশ অনুসৰিহে সেইজন ব্যক্তিক দাহ কৰি সংস্কাৰ কৰা হৈছিল। সৰু সৰু ল'ৰা-ছোৱালীক জঙ্গলত নামমাত্ৰ পুতিহে থোৱা হৈছিল। কোৱা বাহুল্য, শিয়ালবোৰে সেইবোৰত উৎপাত লগাই ভোজৰ হোৱা-হোৱা উৎসৱ পাতিছিল। সেইবোৰ কাৰণতে সম্ভৱত, 'শিয়াল+গাগলী', অৰ্থাৎ শিয়লে মৰাশ খাবলৈ আহি অতিপাত গছকা ঠাই, এই অৰ্থাৎ শিয়ালগাগলী, শেলগাগ্ৰী হ'লগৈ। আজিকালিৰ ভদ্ৰ-গব্য ভূমকাৰ নিসৰ্গ দৃশ্য চাই সেইকালৰ আৰণ্যিক সমাৰোহৰ তামসিকতা কল্পনা কৰাও অসম্ভৱ। সেই ঘাটত বৰ বেছি গা-পা ধোৱা হলে আমাৰ মনত নপৰে। ভৌতিক পৰিবেশত আচ্ছন্ন, ঠাইখন গাওঁখনৰ মানুহৰ কাৰণে বিশেষ আৰামপ্ৰদ বা ঘনিষ্ঠ নাছিল। তাতে নামমাত্ৰ দুই চাৰিডাল শালকাঠ পেলাই থৈ সাকো সজা হৈছিল আৰু তাৰ ওপৰেদি সামাইঝাড়া, গোসাইগাওঁ, চাকমা আদি ঠাইলৈ অহাযোৱা চলিছিল। বাৰিষা বানপানীত শালকাঠ তল গলে নাইবা ভাহি গ'লে আলাই-আহুকালৰ অন্ত নাছিল।

বানপানীৰ আন অভিশাপ হ'ল ম'হৰ পাল। সকলো পথাৰ, ঘাঁহনি পানীত ডুব গ'ল; খেতিৰ পথাৰত নাও চলিছে। ম'হৰ পাল লৈ বানপানীকো নেওচি ম'হৰখীয়াই পাহাৰ অঞ্চল পায়গৈ। ডিঙিৰ টিলিঙা ঘন্টা থাকিলেও ম'হৰখীয়াই গভীৰ অৰণ্যানিত ম'হ চম্ভালি ৰখা অসম্ভৱ– দুৰন্ত গুন্ডা ম'হ একোটাই পাল এৰি অৰণ্য চলাথ কৰি আন গাওঁ পায়গৈ। তাত পৰৰ খেতি সংহাৰ কৰি খোৱাৰত বন্দী হয়। ম'হৰ গৰাকীয়ে ম'হ সন্ধান কৰি কেবাদিন পিছত খবৰ পায়; বহুটকা জৰিমনা ভৰি ম'হ উদ্ধাৰ কৰি আনে। বহুবাৰ লগুৱাৰ লগত গৈ তেনে খোৱাৰত বন্দী হোৱা ম'হ উদ্ধাৰ কৰি বানপানীত দহগুণে বৃদ্ধি পোৱা কলেবৰ জৈমানৈৰ ওপৰত ম'হৰ নেজত ধৰি সাঁতোৰ দি নৈ পাৰ হৈ ম'হ ঘূৰাই অনা অভিজ্ঞতা মোৰ আছে। চাপটগ্ৰাম স্কুলত পঢ়া দিনৰে পৰা শান্তিনিকেতনত পঢ়া দিনলৈকে আমাৰ দেউতাই তেওঁৰ অননুকৰণীয় মুক্তাসদৃশ হাতৰ আখৰত পোষ্টকাৰ্ডত আধা বঙলা, আধা অসমীয়াত সেই ম'হ হেৰোৱা কাহিনী আৰু জৰিমনা ভৰি খোৱাৰৰ পৰা মহ উদ্ধাৰ কৰা কাহিনী মোলৈ লিখি মোৰ শিল্পী-সত্তাক বাস্তৱৰ কঠিন আঠলুৱা মাটিৰ বান্ধোনত বান্ধ খাই থাকিবলৈ সহায় কৰিছিল।

জৈমা নৈত সেই সময়ত বহুতো ঘৰিয়াল আছিল। আচৰিত যেন লাগিলেও ঘৰিয়ালৰ কামোৰ খাই মৰা ঘটনা হলে কাহানিও শুনা নাই। নাৱেৰে চাপটগ্ৰামলৈ যাওঁতে পাৰে পাৰে অৰণ্যানিৰ প্ৰান্তত বহুতো ঘৰিয়াল বালিমাটিত ৰ'দ পুৱাই থকা দেখা গৈছিল। এদিন ভূমকাৰে খেলৰ পথাৰত জীৱন্ত যমৰ নিচিনা এটা প্ৰকান্ড ঘৰিয়াল বানপানীত উটি আহি দৰ্শন দিলে। পানী কমি কমি পথাৰখনৰ ঘাঁহনিবোৰ ওলাই পৰিল, কিন্তু নতুন স্হানৰ ৰোমাঞ্চকৰ পৰিবেশৰ আমেজ আমোদ সময়মতে এৰি থৈ যোৱাৰ হলে বেচাৰাৰ চেতনা নহল। গাওঁখনৰ বীৰ 'হাৰকিউলাচ' 'মোথামদাদা'ই কোদালৰ কেবাটাও কোবত বেচাৰা ঘৰিয়ালে জনম সামৰি থলে।

'মোথামদাদা'ৰ মোথাম অৰ্থাৎ পানীৰ উট তেওঁৰ চৰিত্ৰৰ চেহেৰা অনুপাতে সাৰ্থক হৈছে। তেওঁৰ সমান শক্তিশালী ব্যক্তি গাওঁখনত নাই। তিনিখন কোদাল একেলগে মেৰিয়াই লৈ অকল দুটা আঙুলিৰে অনায়াসে দাঙি তুলিব পাৰে মোথামদাদাই। তেওঁৰ থুলন্তৰ চেহেৰাটোত কঁকালত সদায় ধপাতৰ টেমা ধুতিত মেৰোৱা থাকে, মূৰত থাকে ফালি অৰ্থাৎ গামোছা এখন মেৰোৱা আৰু কাণত শুকান শালপাত গুজি থোৱা। পৰ্বতজোৱাৰ তথা শালবাৰী অঞ্চলৰ হালেকোদালে কামকৰা মুনিহতিৰোতাই শালপাতত ধপাত মেৰিবাই লৈ সেইদিনত ধূমপান কৰিছিল। মোথামদাদাৰ সম্পৰ্কে, তেওঁৰ পৰিয়াল সম্পৰ্কে এটা জীৱন্ত কাহিনীচিত্ৰ প্ৰস্তুত কৰা যায়। এক বিধৱাৰ পুত্ৰ, মাটিবাৰী নোহোৱা মানুহ মোথামদাদাই জঙ্গল, গছ-গছনি, পাহাৰ ভাঙি খেতিবাতিৰ প্ৰচুৰ মাটিবাৰী কৰি লৈছে। আন মানুহে মাটিবাৰী থাকিলেও যিটো সময়ত ভাতমুঠিৰ কাৰণে হাহাকাৰ কৰে, পৈতৃক সম্পত্তি কিনো বস্তু তাৰ সম্ভেদ বা আস্বাদ কোনোকালে নোপোৱা মোথামদাদাই ভাতমুঠিৰ কাৰণে কোনোকালে চিন্তা কৰি পোৱা নাই। তেওঁ কোনোদিন শুদা ভাত খাই পোৱা নাই; খালৈ ভৰ্ত্তি শুকান মাছ, কুচিয়া, চিকাৰৰ মাংস তেওঁৰ ঘৰত সদায় মজুত থাকে। তেওঁৰ মুখত সদায় হাঁহি, প্ৰসন্নতা, কথাত হাঁহি, কামত হাঁহি। তেওঁৰ কিবা সমস্যাৰ কথা, বা তেওঁৰ কেতিয়াবা অসুখ হৈছে তেনে কথা কাহানিও শুনা নাই। সকলো সময়তে হাঁহি হ'লে কি হ'ব, ল'ৰাহঁত আৰু ঘৈণীৰ শাসনত মোথামদাদা সমানে কঠোৰ।

পাহাৰুৱা ভূমকাৰ পৰা নামনিলৈ অহাৰ দুই-চাৰি বছৰৰ ভিতৰতে বোধকৰো আমাৰ নিজৰ আইতা ঢুকায়। আমাৰ দেউতাৰ নিচিনাই আইতাৰ চেহেৰা আছিল; দীঘল, পাতলকৈ, নাকলম্বা, মিঠাবৰণীয়া, ক'লা। দেউতাৰ চেহেৰা চাফা আৰু ধুনীয়াই আছিল। শ্ৰদ্ধেয় শ্ৰীযুত প্ৰমোদচন্দ্ৰ ব্ৰহ্মই কোৱা মতে দেউতাৰ নিচিনা ডাঙৰ বিস্ফোৰিত চক্ষু নিজৰ ডাঙৰটো ল'ৰা প্ৰবীণক বাদ দি তেওঁ কাহানিও দেখা নাই। সেই আইতাৰ ল'ৰা তিনিটা-ছোৱালী দুজনী। ডাঙৰজনী পেহীৰ তুলসী ঝাড়াত বিয়া হয়, সৰুজনীৰ দেশান্তৰত। মায়ে মোক কৈছিল, যেতিয়া সোমেনৰ দেউতাকৰ লগত সৰু পেহীৰ সম্পৰ্কৰ কথা জানিব পৰা গ'ল, আমাৰ দেউতাই ততালিকে তেওঁক দেশান্তৰৰ এজন পৰিশ্ৰমী খেতিয়কৰ লগত বিয়া দি দিয়ে। এইবোৰ কামত দেউতা অতি বিচক্ষণ আছিল। মায়ে অতি সৰলভাবেই মোক কৈছিল বোলে সেই কাৰণেহে আমাৰ পেহীয়ে সদায় ৰাতি দুটা গাৰু লৈ শোৱে। পেহী অৱশ্যে অতি লক্ষ্মী আছিল, কালক্ৰমত কৰো পৰিশ্ৰমৰ দ্বাৰাই বহু মাটিবাৰীৰ গৰাকী হোৱাৰ উপৰিও তিনিটা প্ৰকান্ড দোতালাৰ মালিক হয়। আমাৰ আঁইতাৰ আগনড়ত ককাদেউতাই বিয়া কৰায়, তেঁৱেই ককাদেউতাৰ প্ৰথম বিবাহিতা স্ত্ৰী। তেওঁৰে গৰ্ভজাতা একমাত্ৰ কন্যাসন্তানৰ পুতেক আগতে উল্লেখ কৰা আমাৰ 'হাৰকিউলাচ' মোথামদাদা। মোথামদাদাৰ দুই বায়েকৰ সৰুজনীকে খোনাম ভিনিহিদেউয়ে বিয়া কৰায়। তেওঁৰ কথাও আগতে উল্লেখ কৰা হৈছে। মহাসমাৰোহে বেন্ড বজাই যেনেকৈ খোনামভিনিহিৰ লগত মোথামদাদাৰ বায়েক অৰ্থাৎ আমাৰো বাইদেউৰ লগত দেউতাই বিয়া দিয়ে সেই কথা আজি মনত আছে। আমাৰ আচল আইতা ঢুকোৱাৰ পাছত ককাদেউতাৰ পিৰপিৰণিত থাকিব নোৱাৰি দেউতাই ককাদেউতাৰ কাৰণে আকৌ এগৰাকী তুলনাত কমবয়সীয়া বুঢ়ী আনি বিয়া কৰাই দিয়ে; তেওঁৰ লগত আহিছিল এজনী কিশোৰী ছোৱালী। তেওঁৰ চেহেৰা চাফা আৰু ৰঙা আছিল, বয়সতো ককাদেউতাৰ তুলনাত বহুত কম। বিয়াৰ পিছত ককাদেউতা শান্ত হলেও তেওঁলোকৰ দাম্পত্য কলহৰ সূত্ৰপাত হয়; সেই কলহৰ ফলস্বৰূপে আমাৰ নতুন আইতাই ছোৱালীজনীক লৈ নিজৰ গাওঁলৈ গুচি যায়। বহু চেষ্টা কৰি বাৰ বাৰ যাতায়াত সত্ত্বেও ককাদেউতাই আৰু তেওঁক ঘূৰাই আনিব নোৱাৰিলে – সেই চেষ্টাৰ পাৰিতোষিক হিচাপে নেকি অৱশ্যে তেওঁৰ ডিঙিৰ বেমাৰ আৰম্ভ হয় যাৰ কোনো নিৰমিতি নাই। লোকে কবলৈ আৰম্ভ কৰিলে 'মদৰ লগত বিষ দিয়া হৈছে'। সেইকালত কোনো বেমাৰ চিকিৎসাত নিৰাময় নহলে তাক বিষয় দিয়া হৈছে নাইবা ৰোগীক ভূতে পাকৰাও কৰা বুলি কোৱা হৈছিল।

* * *

আমাৰ জেঠীৰ ডাঙৰ ছোৱালীজনীৰ সন্ধান নোহোৱা হ'ল। আমাৰ মা গাভৰু কালত যেনে ধুনীয়া, গুণী আৰু যশৰ গৰাকী আছিল, জেঠী তেনে নাছিল। সেয়ে ডাঙৰ মামাই তেওঁক এগৰাকী সাধাৰণ লগুৱা, কাণেৰে নুশুনা কলাৰ লগত বিয়া দি দিছিল। কঠিন পৰিশ্ৰমৰ ফলত পৰিয়ালটো কালক্ৰমত অৱশ্যে উন্নতি কৰিছিল আৰু চলিব পৰা অৱস্হাৰ সৃষ্টি কৰি লব পাৰিছিল। তেওঁলোকৰ তিনি গৰাকী ছোৱালী আৰু একমাত্ৰ ল'ৰাটোৰ সুন্দৰ চেহেৰা চৰিত্ৰ দেখি মানুহে তেওঁলোকৰ সন্তান বুলি জানিব পাৰিলে অবাক হৈছিল। তেনে পৰিয়ালৰে ডাঙৰ ছোৱালীজনী সন্ধানহীন হোৱাত গোটেই বংশটোৱে বিশেষভাবে বিচলিত হৈ পৰিছিল।

আগতেই উল্লেখ কৰা হৈছে, আমাৰ ডাঙৰ মামাই মাইনৰ পাছ কৰি নে ক্লাছ নাইনলৈ পঢ়ি পোষ্ট মাষ্টৰৰ চাকৰি কৰিছিল যদিও দুৰ্ধৰ্ষ সাহসী নাছিল কাৰণে আমাৰ দেউতাৰ সমানে সমাজত স্হান কৰি লব নোৱাৰিলে। এই ক্ষেত্ৰতো, হেৰোৱা ছোৱালীজনী বিচাৰি উলিওৱাৰ দায়-দায়িত্ব দেউতাৰ ওপৰত পৰিল। কঠোৰ সমাজ ব্যৱস্হাত ছোৱালী পলুৱাই নি দুখীয়া অৱস্হাৰ মানুহ এজনে সাৰি যোৱা অসম্ভৱ আছিল। তেনেকুৱা উচ্চ বংশৰ গাভৰু ছোৱালী এজনীৰ লগত সাধাৰণ অৱস্হাৰ লগুৱা এজনৰ বিয়া অবাস্তৱ আছিল। এই ক্ষেত্ৰতো সেয়ে হ'ল; সহজ সৰল আজলী ছোৱালীজনী ফুচুলাই নিবলৈ সমৰ্থ হ'ল সাধাৰণ দৰিদ্ৰ লগুৱা এটাই। যিয়ে নহওক, দৰিদ্ৰ অৱস্হাৰ যিকোনো মানুহৰ স্হান সমাজত নিকৃষ্ট পৰ্যায়ভুক্ত আছিল। পলুৱাই নি ছোৱালী থব ক'ত? আত্মীয়-স্বজনৰ মাজত তেনে সাহস বা আৰ্থিক অৱস্হাই বা কাৰ? ওজাৰ পৰা লোৱা মোহিনী দৰব প্ৰয়োগ কৰি ছোৱালী এজনীৰ মন জয় কৰাৰ প্ৰচেষ্টা বৰকৈ চলিছিল – এই ক্ষেত্ৰতো হয়তো তেনেকুৱাই কিবা হৈছিল। যিমানদিন পাৰে সি ছোৱালীজনী গভীৰ জঙ্গলত চাং পাতি ৰাখিলে – তাৰ পিছত আত্মীয়-স্বজনৰ মাজত লুকাই থোৱাৰ চেষ্টা কৰি বিফল হ'ল। এদিন তাক সশৰীৰে সাক্ষাৎ পোৱা গ'ল– দেউতাই বন্দুক হাতত লৈ খেদি যোৱাত সি ভূমকা নৈত জাঁপ দি পলোৱাৰ চেষ্টা কৰিলে। এটা পাৰত হাতত বন্দুক টোবাই থকা দেউতাৰ ৰুদ্ৰৰোষ আওকাণ কৰি আনটো পাৰত পলাই যোৱাৰ অস্পৰ্দ্ধা সেইকালত গাওঁখনত কাৰো নাছিল। নৈখনৰ পৰা পাৰলৈ উঠি আহি সি দেউতাৰ ভৰিত পৰি ক্ষমা খুজিলে আৰু ছোৱালী উলিয়াই আনি গোটাই দিলে। সামাজিক বিধি ব্যৱস্হা মতে মাৰধৰ, জৰিমনা বিবিধ শাস্তিদানৰ পিছত ছোৱালীজনীক আন গাওঁ এখনৰ উপযুক্ত

ল'ৰাৰ লগত বিয়া দিয়া হ'ল। তাৰো যাবতীয় ব্যৱস্থা কৰিলে দেউতাই।

* * *

ফাগুন-চ'ত মাহৰ খৰখৰীয়া বতৰত আমাৰ ঘৰৰ সমুখত ধানৰ শুকান নৰাৰ মাজত গোটেই পথাৰ জুৰি ম'হৰ পাল; নীলা আয়নাসদৃশ আকাশখনৰ সীমাহীন বিস্তৃতিৰ মাজত বগা বগা মেঘৰ চপৰাবোৰ কৰ্মহীন বিৰতিৰ বিড়ম্বনাত যেন দ্বিধাগ্ৰস্তভাৱে মন্থৰ গতিত ব্যস্ততাৰহে ৰিহাৰ্ছলি কৰিছিল। ম'হবোৰৰ ডিঙিত টিলিঙাৰ শব্দ – অসংখ্য শব্দৰ ঐকতান পথাৰ, নদী, আকাশ আৰু অৰণ্যৰ মাজত ধ্বনি-প্ৰতিধ্বনিৰ সৃষ্টি কৰি অন্তৰত যেন এক অব্যক্ত হাহাকাৰ জগাই তুলিছিল। সেয়া অতি গধুৰ অনুভূতি আৰু দীৰ্ঘশ্বাসৰ উষ্মা যেন মোৰ শৈশৱ সত্তাত চিৰজাগৰুক হৈ বৰ্তি আছিল। মাজে মাজে বোধ কৰো কিনকিনীয়া বৰষুণ হৈছিল, কেতিয়াবা দৰাম দৰাম দুই এজাক বৰষুণ হৈ সূৰ্যৰ পোহৰ আৰু দুগুণে তেজাল কৰি গোটেই পথাৰখনকে জিলিকাই তুলিছিল। ধাননি পথাৰত শুকান ক্ষয়িষ্ণু নৰাৰ মাজৰ পৰা কোমল কোমল সজীৱ কলপতীয়া ঘাঁহবোৰ ওলাই আহি ম'হবোৰক আহাৰ গ্ৰহণত তেনেই নিবিস্ত কৰি পেলাইছিল। আটাইবোৰ ম'হে তলমূৰ কৰি ঘাঁহ খাইছিল যেন তাহাতৰ এই নিবিড় নিস্তব্ধতাৰ কোনোকালে বিজুতি ঘটাৰ সম্ভাৱনা নাই। একোটা 'মৰ্দা' ম'হৰ ওচৰে পাঁজৰে নৱবসন্তৰ নিবিড় সান্নিধ্য যোগাইছিল নৱযৌৱন উদগতা একোজনী মাইকী ম'হে; মাজে মাজে ৰতিক্ৰিয়া, মিথুনক্ৰিয়াৰ বাহিৰে তাহাঁতৰ এই প্ৰশান্ত নীৰৱতাৰ যেন বিকল্প নাই। কিন্তু তাৰ মাজতো হঠাতে বিনা মেঘে বজ্ৰপাতৰ নিচিনাকৈ, নায়িকা ম'হজনীক লৈ দুই মৰ্দাৰ মাজত প্ৰতিদ্বন্দ্বিতা চলে। সেই যুদ্ধ অৱশ্যে ভয়ংকৰ ৰূপ ধাৰণ কৰিবও পাৰে। ম'হৰখীয়াবোৰে সেই যুদ্ধ বন্ধ কৰাৰ সলনি দীঘলীয়া কৰাৰ সামগ্ৰিক প্ৰচেষ্টাহে লক্ষ্য কৰা যায়। আমাৰ তেনে এটা 'মৰ্দা' ম'হ আছিল – নায়িকাৰ সুখপ্ৰদ সান্নিধ্যত সি বহুদিন গোটেই পথাৰখনৰে সাম্ৰাজ্যত অপৰাজেয় আছিল। কিন্তু 'নায়কৰো মৃত্যু যেনেকৈ এদিন অৱধাৰিত –যুদ্ধক্ষেত্ৰত নহলেও বাস্তৱক্ষেত্ৰত' – এদিন তাৰো মৃত্যু ঘটিল বৰ বিয়োগান্তক আৰু কৰুণ অৱস্থাত।

ভূমকাৰ দক্ষিণফালৰ ঘাট পাৰ হৈ সিপাৰে অৰণ্যানি প্ৰৱেশ কৰাৰ এটা উঠন পথ আছিল। যথেষ্ট ওখ আৰু দীঘলীয়া, সেই উঠন পথৰ জিলিকি থকা ৰঙামাটি বাৰিষা বৰষুণৰ পানীত আৰু শীতকালি নিয়ৰৰ পানীত তিতি যথেষ্ট পিছল হৈ পৰিছিল। সেই ৰাস্তাৰে আমাৰ গাওঁৰ আৰু আন আন গাওঁৰ গাড়ীটনা বা কাঠটনা গাৰোৱানবোৰে কাঠ নাইবা লাগতিয়াল বস্তু অনানিয়া কৰিছিল। তেনে এটা সময়ত বাৰিষা এদিন ৰাতিপুৱাই আমাৰ লগুৱাই উল্লিখিত মৰ্দা ম'হৰ লগত আন এটা মহ জুৰি দি পাহাৰৰ পৰা প্ৰকাণ্ড প্ৰকাণ্ড শালকাঠ আনিবলৈ যাওঁতে সেই ৰঙামাটিৰ আঠলুৱা ৰাস্তাত পিছল খাই ম'হৰ ডিঙিত মোচৰ লাগিল আৰু কাঠ বন্ধা ৰচিডাল ডিঙিত বান্ধ খালে। যিহেতু ম'হযোৰ ৰাস্তাটোৰ এটা ফালে উঠন পাহাৰটোৰ একেবাৰে গাত লাগি আছিল আৰু প্ৰকাণ্ড গোটা শালকাঠডাল নামি যোৱা ৰাস্তাটোৰ তলৰ ফালে তাৰ সম্পূৰ্ণ ওজন ভৰ কৰি আছিল আৰু ম'হযোৰৰ মূৰ দুটা কাঠৰ ওজনৰ ভৰত একেবাৰে ৰাস্তাটোৰ ওপৰত টান খাই আছিল, কাঠ বন্ধা ৰচিডাল খুলি দিয়াৰ উপায় নাছিল বা কাটি পেলোৱাৰ কাৰণেও দা-কুঠাৰ লগত নাছিল। সময়মতে ৰচিডাল কাটি পেলাই ডিঙি মোকলাই দিব নোৱৰাৰ ফলত ম'হটোৰ শোচনীয় মৃত্যু ঘটিল। সেই মৃত্যু আছিল অতি কৰুণ আৰু ভয়াবহ। যিটো ম'হ ৰাস্তাটোৰ মাজৰ ফালে আছিল সিহে বাচি থাকিল। ভূমকা নৈৰ দলনীত সোমাই ঘাঁহ খাবলৈ গৈয়ো দুই এবাৰ ম'হৰ যেনেকুৱা শোকাবহ মৃত্যু ঘটা দেখিছো।

ফাগুন-চ'ত মাহৰ খৰখৰীয়া বতৰত আমাৰ ঘৰৰ সমুখত ধানৰ শুকান নৰাৰ মাজত গোটেই পথাৰ জুৰি ম'হৰ পাল; নীলা আয়নাসদৃশ আকাশখনৰ সীমাহীন বিস্তৃতিৰ জত বগা বগা মেঘৰ চপৰাবোৰ কৰ্মহীন বিৰতিৰ বিড়ম্বনাত যেন দ্বিধাগ্ৰস্তভাৱে মন্থৰ গতিত ব্যস্ততাৰহে ৰিহাৰ্ছলি কৰিছিল। ম'হবোৰৰ ডিঙিত টিলিঙাৰ শব্দ – অসংখ্য শব্দৰ ঐকতান পথাৰ, নদী, আকাশ আৰু অৰণ্যৰ মাজত ধ্বনি-প্ৰতিধ্বনিৰ সৃষ্টি কৰি অন্তৰত যেন এক অব্যক্ত হাহাকাৰ জগাই তুলিছিল।

মোৰ জীৱনৰ চাপটগ্ৰাম পৰ্ব অন্তিম অধ্যায়ৰ দুৱাৰডলিত ভৰি দিও বিদায় লব খোজা নাই। সেয়া আছিল অসম্ভৱ। চাপটগ্ৰামৰ পঢ়া শেষ হবলৈ আৰু দুবছৰ বাকী; তাৰ পিছতো স্বাভাৱিক কাৰণত চাপটগ্ৰামৰ পৰা চিৰবিদায় লব লাগিলে মোৰ জন্মভূমিৰ পৰাই চিৰবিদায় লব লগা অৱস্থা হ'ব। ইফালে চাপটগ্ৰাম এমেলগেমেটেড একাডেমী আৰম্ভ হৈছে, তাৰে প্ৰথম হেডমাষ্টৰ গৰাকী শ্ৰীযুত প্ৰমোদচন্দ্ৰ ব্ৰহ্ম দুই একমাহ মানহে স্কুলখনত আছিল। তেখেতো স্বৰ্গীয় প্ৰিয়নাথ চৰকাৰৰ ছাত্ৰ আছিল। চব ডেপুটি কালেকটৰৰ চৰকাৰী চাকৰি পাই তেওঁ স্কুলখন এৰি গুচি যায় – তেখেতৰ বিদায় সম্বৰ্ধনা সভাত সভাৰ সভাপতি প্ৰিয়নাথ চৰকাৰৰ ভাষণ মোৰ আজিও মনত আছে, 'আমাৰ অতি গৌৰৱৰ কথা..... ইত্যাদি। বড়ো সমাজত শ্ৰীযুক্ত প্ৰমোদচন্দ্ৰ ব্ৰহ্ম সকলোৰে জনাজাত ব্যক্তি। তেওঁ বড়ো ভাষাত অভিধান প্ৰণয়ন কৰিছে। অলপতে তেওঁক কেবাবাৰো লগ পোৱা গৈছিল – বড়ো জাতি ভাষা-সংস্কৃতিৰ প্ৰীতি আৰু সেৱাৰ কাৰণে তেওঁৰ চাকৰিত চব ডেপুটি কালেকটৰৰ পৰা কোনোকালে পদোন্নতি নহল। আনহাতে অৱসৰপ্ৰাপ্তিৰ ঠিক আগে আগে অজ্ঞাত কাৰণত তেওঁক চাকৰিৰ পৰা নিলম্বিত কৰি ৰখা হয়। তেওঁ নিজে কোৱামতে, অৱসৰপ্ৰাপ্তিৰ একাধিক যুগ পাৰ হোৱাৰ পাছত কিছুদিন আগতে তেওঁৰ চাকৰিৰ নিলম্বিতকৰণ উঠাই লোৱা হৈছে – এতিয়া বোধকৰো পেনচন পোৱাৰ আশা আছে। এমেলগেমেটেড একাডেমীৰ দ্বিতীয় গৰাকী হেডমাষ্টাৰ শ্ৰীযুত পঞ্চানন মেধী চাৰ। আচলতে এম ই স্কুলখন আৰু হাইস্কুলখনৰ একত্ৰিকৰণ কাৰ্য সম্পন্ন কৰা আৰু এমেলগেমেটেড্ একাডেমী গঠন কৰাৰ মূল নায়কজন হ'ল তেওঁয়ে। চাপটগ্ৰাম এমেলগেমেটেড্ একাডেমীৰ সাম্প্ৰতিক কলেবৰ আৰু চহৰখনৰ অসমীয়া মানুহ, ভাষা, সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ মূলতো প্ৰধান ব্যক্তি গৰাকী শ্ৰীযুত মেধী চাৰেই। আমি এমেলগেমেটেড্ একাডেমীৰ দ্বিতীয়বেচৰ ছাত্ৰ। এম ই স্কুলৰ ফাইনেল পৰীক্ষাত আমি তিনিটাই প্ৰথম বিভাগত পাছ কৰিলো, বৃত্তিধাৰী সকলৰ অকল সিকেনেহে প্ৰথম বিভাগ পালে। বাকীবিলাগে ফেল কৰিলে। মই আৰু সিকিনে এমেলগেমেটেড্ একাডেমীত ভৰ্ত্তি হলো; তৃতীয়জনৰ কিবা কাৰণত পঢ়াই নহ'ল। মোৰ জীৱনৰ বিকৃতিপৰ্ব বৰ সোনকালেই আৰম্ভ হৈছিল। মাৰণান্তক ইচ্ছা, উচ্চাকাংক্ষা, অভিলাস থকা সত্ত্বেও জীৱনত বিশেষ উন্নতি কৰিব নোৱৰাৰ মূল কাৰণ অনুসন্ধান কৰিবলৈ গৈ আৱিষ্কাৰ কৰিছো, মোৰ জীৱনৰ বিকৃতিপৰ্ব ইমান সোনকালে আৰম্ভ নোহোৱাহেঁতেন মই আৰু কিছুদূৰ অগ্ৰসৰ হোৱাৰ সম্ভাৱনা আছিল। যিহক্ অনুশোচনা বোলা কথাষাৰ কাহানিবাই মোৰ অভিধানৰ পৰা চিৰবিদায় দি পঠোৱা হৈছে – মোৰ জীৱনত অনুশোচনা নাই। জীৱনত সততা, শ্ৰেষ্ঠতাৰ বীজ অন্তৰৰ গহনতম কোণত কোনে সিঁচি দিলে সেই সংবাদ দিয়াৰ অসাধ্যসাধনৰ প্ৰচেষ্টা নকৰো। কিন্তু এইকথা ঠিক, মোৰ দেউতাৰ দিনটোৰ ভিতৰত চব্বিশ ঘন্টীয়া ধূমপানৰ বিপৰীতে, ধূমপানৰ পৰা সদায় কমেও এশ'গজ আঁতৰি থকাৰ মোৰ এই স্বাভাৱিক প্ৰৱণতা আৰু দেউতাৰ নাৰীজনিত বদ নামৰ বিপৰীতে সদায় নিজক নিষ্কলুষ ৰাখি বদনামৰ পৰা মুক্ত হৈ থকাৰ তৎপৰতা, দুয়োটিৰ বাবে মোৰ কোনো কৃতিত্ব নাই। কাৰোবাৰ যদি কৃতিত্ব আছে সেই কৃতিত্ব নিশ্চয় দেউতাৰহে প্ৰাপ্য। কাৰণ দেউতাৰ বদনাম নথকা হ'লে মই কেতিয়াও নিষ্কলুষ আৰু বদনামৰ পৰা মুক্ত জীৱনযাপনৰ স্বাভাৱিক স্পৃহা অন্তৰত অনুভৱ নকৰিলোহেঁতেন। আলুবেয়াৰ ক্যেমুৰ (Albert Camus) এই উক্তি এটা উপলব্ধ সত্য, "Wickedness or virtue are just accident or whim."

হাইস্কুলীৱন আৰম্ভ কৰাৰ আগতে মোৰ চৰিত্ৰৰ কিছুমান আভ্যন্তৰীণ দিশবোৰলৈ দৃষ্টি নিক্ষেপ কৰাৰ প্ৰয়োজন বোধ কৰিছো। সহজাত প্ৰবৃত্তিৰ intuition দ্বাৰাই মোৰ জীৱন পৰিচালিত হৈছিল, কোনো অভিভাৱকে সদায় চকুৰ আগত ৰাখি গাইড কৰি নহয়। প্ৰকাৰান্তৰে, কব লাগিব, কোনো অভিভাৱকে কোনো কালে মোক সদুপদেশ দি মোৰ অন্তৰ জয় কৰি মোক সৎ পথে পৰিচালিত কৰা নাই। জীৱনত কোনেও মোক কোৱা নাই, 'ধূমপান নকৰিবা' – অথচ মোৰ সৰ্বাংগ ভিতৰ বাহিৰ Constitution ধূমপানৰ পৰা শতকৰা এশভাগেই মুক্ত। কোনেও মোক কোৱা নাই, 'লেতেৰা, অসৎসংগ, পৰিবেশ, ধূমপান বা মদ্যপানত আসক্ত সংগৰ পৰা আঁতৰি থাকিবা' – অথচ মোৰ আভ্যন্তৰীণ মানুহগৰাকী কোনো কালে মোক সিবোৰৰ ওচৰকে চাপিব দিয়া নাই। কিয় কব নোৱাৰো, পঢ়াশুনাত ভাল নহয় তেনেবোৰ ল'ৰাৰ সংগও মই কেতিয়াও ভাল পোৱা নাই – আৰু সদায় তেনে ল'ৰাৰ পৰা আঁতৰি থকাটো পছন্দ কৰিছিলো। পিছৰ কালত পৰিণত বয়সত এইবোৰ কথা ভাবি অবাক হৈছিলো আৰু মোৰ চৰিত্ৰত এনেবোৰ অদ্ভূত বিৱৰ্ত্তনে কোনফালে কি ধৰণে মোক ক্ষতিগ্ৰস্ত কৰি আহিছে সেই কথা ভাবি, আপোনাআপুনি হৃদয়ংগম হৈছিল। মই এম ই স্কুলৰ পৰা পাছ কৰি কলাছ চেভেনত ভৰ্ত্তি হোৱাৰ বছৰত মোৰ ভাই ৰণেন্দ্ৰই কলাছ থ্ৰিত নাম লগায়। তাৰ চৰিত্ৰ আকৌ এইবোৰ ক্ষেত্ৰত মোৰ বিপৰীত আছিল – সি সকলো ধৰণৰ সংগলাভ কৰিবলৈ ভাল পাইছিল – এইক্ষেত্ৰত তাৰ কোনো বাচবিচাৰ নাছিল। অথচ সিও মোৰ দৰেই ধূমপান, মদ্যপান, অসদসংগ এইবোৰৰ প্ৰভাৱৰ পৰা সদায় মুক্ত আছিল। তাঁৰ এনেবোৰ নিৰ্দ্বিধা মিলাপ্ৰীতিৰ ফলত তাৰ চৰিত্ৰত সম্ভাব্য ক্ষতিসাধনৰ বিষয়ে তাক বাৰম্বাৰ সাবধান কৰি দিছিলো। কিন্তু সি আনবোৰ কথাত মোৰ অবাধ্য নহলেও এনেবোৰ কথাত মোৰ অবাধ্য আছিল। বোধকৰো, তাৰ চৰিত্ৰৰ এনেবোৰ সহজাত গুণৰ কাৰণে সি কালক্ৰমত ৰাজনৈতিক নেতা, জননেতা আৰু সামাজিক কামকাজত অগ্ৰগণ্য হৈ সাধাৰণ জনতাৰ হিত সাধন কৰিবলৈ সমৰ্থ হৈছিল। আনহাতে মোৰ চৰিত্ৰত থকা বিসম্বাদিতা, আত্মম্ভৰিতা আৰু তেনেধৰণৰ প্ৰবৃত্তিয়ে অসম্ভাৱনীয় উচ্চাকাংক্ষা সত্ত্বেও মোৰ শিক্ষাৰ্থী জীৱনৰ গতিপথ সুচল কৰি দিব নোৱাৰিলে। মই বাধা পালো, জৰ্জ্জৰিত হলো; মোৰ সহজাত প্ৰবৃত্তিয়ে মোক যেনেধৰণৰ সংগ্ৰামৰ কাৰণে কাহানিও প্ৰস্তুতি দিয়া নাই, তেনেবোৰ সংগ্ৰামৰ মই সমুখীন হলো। কিন্তু মোৰ জীৱনত অনুশোচনাৰ কোনো স্থান নাই।

তেনে এটা সময়ত, মই কলাছ চেভেনত পঢ়ি থকাৰ সময়ত আমাৰ দেউতা এদিন তেওঁক লৈ ৰাতিৰ আন্ধাৰত নাইকিয়া হ'ল। লগত তেওঁ বন্দুকটো লৈ গৈছিল। যিজন মানুহে ভূতৰ ভয়ত ৰাতি আন্ধাৰত সামান্য দূৰত্বও সংগীবিহীন অৱস্থাত অতিক্ৰম কৰিবলৈ অপাৰগ আছিল, তেনেজন মানুহে তেওঁক লগত লৈ আৰু কান্ধত বন্দুকটো লৈ ৰাতিৰ আন্ধাৰত গহন অৰণ্য অতিক্ৰম কৰি ওলাই গ'ল। আমাৰ কাৰণে তেনে ঘটনা অভাৱনীয় আছিল; সংসাৰখন বৰ বেছি কঠিন, ৰহস্যময় আৰু তেনেই অচিনাকি হৈ পৰিল। মাৰ কাৰণে কিন্তু সেয়া অভাৱনীয় নাছিল।

আমাৰ সংসাৰত তেওঁ আশ্ৰিতা আছিল। দৰিদ্ৰ পৰিয়াল একোটাই আঢ্যৱন্ত, প্ৰভাৱশালী ব্যক্তি বিশেষক 'পিতা' পাতি পিতৃ হিচাপে মানি লোৱা ৰেওয়াজ আমাৰ সমাজত আছিল। বোধকৰো এতিয়াও আছে। তেনে এটা পৰিয়ালেই দেউতাক 'পিতৃ' পাতি লৈছিল আৰু তেওঁ আছিল সেই পৰিয়ালৰে কন্যা। কেতিয়াবা কেতিয়াবা মায়ে মোক কৈছিল, দেউতাই হেনো নিজৰ পিন্ধা ধুতিখন তেওঁৰ পিন্ধা দখনাৰ লগত বান্ধি থৈ তেওঁক নৈৰ ঘাটত ধুই আনিবলৈ কয়। আজি অৰ্দ্ধ শতাব্দীৰো অধিক কাল পৰাহৈ আহি মাৰ এইবোৰ কথা মনত পৰিলে বৰকৈ বিচলিত হৈ পৰো। মায়ে এনেবোৰ অন্তৰংগ অথচ অকথনীয় কথা কিশোৰ কালৰ তেনেই অপৰিণত মস্তিষ্ক সন্তান মোক সেই সময়ত কেনেকৈ কব পাৰিছিল ভাবি পাৰাপাৰ পোৱা নেযায়। স্বামীৰ পৰা প্ৰাপ্য স্বাভাৱিক





OKDISCD

বিশ্বাস, প্ৰীতি, অনুৰাগ হেৰুৱাই নানা দুৰ্ভোগি ৰোগগ্ৰস্ত, বিগতযৌৱনা দেহ ধাৰণ কৰি মা সঁচাসঁচিকৈ বৰ অসহায় হৈ পৰিছিল। সেয়ে নিকটতম জনক নিজৰ অপৰিসীম বেদনা, জ্বালা-যন্ত্ৰণাৰ কথা কৈ নিস্কৃতি পোৱাৰহে কেৱল চেষ্টা-যত্ন কৰিছিল। কেতিয়াবা আকৌ তেওঁক লৈ দেউতাৰ বিচিত্ৰ ধৰণৰ ৰস-ৰসিকতা আমাৰ কাৰণে এক ৰহস্যৰ জালবিশেষ হৈ পৰে। ঠিক তেনে এটা সময়ত মই এবাৰ ৰান্ধনীঘৰৰ বাহিৰ বাৰান্দাত ধপাচ কৰি পৰি গলো – ভিতৰত মোৰ পিন্ধা ধুতিখন ৰঞ্জক চাবোনেৰে তপতাই ৰঙীন কৰিছিলো। জুইৰ তাপ আৰু ধোঁৱাত মোৰ গধুৰ আৰু অন্ধকাৰ বোধ হ'ল – বেছ কিছুদিন মই ভিতৰি ভিতৰি ৰক্তশূন্যতাত ভুগিছিলো। বহুদিন মই জ্বৰ জ্বৰ ভাবত ভুগি ভুগি নিশকতীয়া হৈ ক্ষীণাই গৈছিলো –মোৰ পেটটোহে ডাঙৰ হৈ ওলাই পৰিছিল, মোৰ গাটো খীণমিনীয়া হৈ লিকলিকাই আহিছিল। মোৰ খবৰ লোৱাৰ কোনো নাছিল। সেই বয়সত জ্বৰ হলেও, ক্ষীণমিন হৈ মৰণদশা হলেও কিবা হোৱা যেন বোধ নহৈছিল। দেউতাই অকল নাভিত ঠাণ্ডা পানী ঢালিবলৈ কৈছিল। অকল মাৰহে চকুত পৰিছিল মোৰ কি হৈছে আৰু এই সকলোবোৰৰ কাৰণে দেউতাকে জগৰীয়া কৰিছিল। নেপথ্যত, সকলোৰে অগোচৰে ঘটা কাণ্ডকাৰখানাৰ কাৰণে দেউতাক জগৰীয়া কৰিছিল আৰু ধিক্কাৰ দিছিল। সেইখিনি সময়ত এফালে খীণমিনাই নিঃশেষ হৈ গলেও আনফালে মই অস্বাভাৱিক লম্বা হৈ বাঢ়িবলৈ ধৰিলো– সকলোৱে কবলৈ আৰম্ভ কৰিলে "ম'দম গিদিথ, উদৈ বৃদাং, চ'মহ'খো হায়থা জাগ'চন চানদ'ংমন" (গা শকত পেট ডাঙৰ চ'মহ'ক চুটিচাপৰ হব বুলিহে ভবা গৈছিল।) সন্তানৰ স্বাস্থ্যৰ প্ৰতি উদাসীন, নতুন উন্মাদনাৰ মাদকতাত আত্মবিস্মৃত দেউতাই মাৰ অনবৰত পিৰপিৰণিত থাকিব নোৱাৰি ডাক্তৰ মাতিলে। পৰীক্ষা কৰি দেখা গ'ল, গোটেই বছৰটোৱেই মই মেলেৰীয়া ৰোগত ভুগি আছো। লাহে লাহে মোৰ আৰু এটা নাম যোগ হ'ল, 'মেলেৰিয়াৰ প্ৰতিমূৰ্তি'।

আমাৰ ককাদেউতাৰ নাম আছিল মুকুন্দ মেচ – পিছলৈ মুকুন্দ ব্ৰহ্ম। কি সুন্দৰ নাম! অথচ তেওঁ আছিল নিৰক্ষৰ। তিনিগৰাকী পুত্ৰৰ ভিতৰত আটাইতকৈ কনিষ্ঠ সৰুখুড়া জয়চন্দ্ৰই ককাদেউতাৰ চেহেৰা লৈছিল – তেওঁ দেউতাৰ সমানে ওখ নাছিল। মাজু আৰু কনিষ্ঠ পুত্ৰই এৰাদি বেলেগ হৈ যোৱাত আৰু বহু বাৰ পত্নীবিয়োগ – শেষ পত্নীৰ বিচ্ছেদত ককাদেউতাৰ শেষ কালছোৱা বৰ কৰুণ, অকলশৰীয়া আৰু নিঃসহায় হৈ পৰিছিল। তাৰ লগত যোগ হ'ল মাৰণান্তক সেই কন্ঠনলীৰ বেমাৰটো। ককাদেউতাৰ শেষ সম্বল আৰু আশ্ৰয় আছিল আমাৰ মা –এতিয়া তেওঁৰো ভৰিৰ তলৰ ভূমিখণ্ড স্খলনমুখী হোৱাত ককাদেউতা সঁচাকৈয়ে অন্তিমদশাৰ শেষবিন্দুত উপনীত হ'ল। দেউতাক তেওঁ দুচকুৰে দেখিব নোৱাৰিছিল।

ককাদেউতাৰ দুচকুৰ বিষ আমাৰ দেউতা, ককাদেউতাৰ জীৱনৰ শেষ মুহূৰ্তলৈকে চৰম ৰোষৰ পাত্ৰ হৈয়ে থাকিল। জনা যায় তেওঁক গভীৰ নিশা অৰণ্যানিৰ মাজেৰে লৈ গৈ বাৰ-চৈধ্যমাইল দূৰত্বত থকা পাহাৰুৱা গাওঁ চুফানঝড়াত আমাৰে বংশৰ এক আত্মীয়ৰ ঘৰত কেবাদিনো ৰখা হয়। তাৰ পিছত বিধিপদ্ধতি মতে যজ্ঞাহুতি দি দেউতাই তেওঁৰ লগত দ্বিতীয়বিবাহ পাশত আৱদ্ধ হয়। আমাৰ মাৰ দৃঢ় আৰু অপৰিবৰ্তনীয় সিদ্ধান্ত – দেউতাই দ্বিতীয় বিবাহ কৰাব পাৰে; কিন্তু সেই বিবাহৰ পাছত না দেউতাৰ, না দ্বিতীয় বিবাহিতা স্ত্ৰীৰ, না সেই বিবাহ প্ৰসূত সন্তান-সন্ততিৰ ককাদেউতাৰ সম্পত্তিত বা মাটি-বাৰীত কোনো ৰকমৰ অধিকাৰ নাইবা দাবী-দখল থাকিব। ককাদেউতাৰ সম্পত্তিৰ সকলো অধিকাৰ আমাৰ মাৰ, মাৰ গৰ্ভজাত বৰ্তমান আৰু ভৱিষ্যত সন্তান-সন্ততিৰ হাতত থাকিব। অতি কঠোৰ বাস্তৱ ভাষাত, দেউতা দ্বিতীয় বিবাহৰ পৰৱৰ্তী কালত নিঃসম্বল, সকলো পৈতৃক সম্পত্তিৰ ওপৰত কৰ্তৃত্ব-বিবৰ্জিত, এক নিকৰুণ পুৰুষ-বিশেষত পৰিণত হ'ল। ককাদেউতাৰ সিদ্ধান্ত অৱশ্যে আৰু অধিক কঠোৰ হোৱাটোহে স্বাভাৱিক আছিল। কিন্তু তেওঁ সেই ক্ষেত্ৰত সম্ভাব্য সকলোখিনি সীমা ইতিমধ্যে অতিক্ৰম কৰি আহিলেই; দেউতাৰ লগত ককাদেউতাক মই কোনোদিনে জীৱনত কথা পতা দেখা নাই। শীতকালিন দুপৰীয়া এদিন বহল চোতালখনত অঞ্চলটোৰ কেবাগৰাকী ভব্য-গব্য ব্যক্তিৰ সমাগম হ'ল – পাটাকটাৰ ˚দেবেন্দ্ৰ ব্ৰহ্ম, পানীজানীৰ ˚সুৰেশ মামা, চাকমাৰ স্বৰ্গীয় লালমোহন মামা গাওঁখনৰ কেবাগৰাকী বিশিষ্ট ব্যক্তি, ৰাজহবিভাগৰ বিশেষজ্ঞ কৰ্মচাৰী এই সকলৰ উপস্থিতিত আৰু সাক্ষ্যদানত দলিল প্ৰস্তুত কৰা হ'ল। এইসকল সমবেত আত্মীয়স্বজনৰ মন্তব্য আছিল – তেওঁলোকে কোনোদিনে এইৰকমৰ সা-সম্পত্তি বিসৰ্জন দি দ্বিতীয়বাৰৰ কাৰণে বিবাহপাশত আৱদ্ধ হোৱা কাকো দেখা নাই। তেওঁলোকে দেউতাক এনে আত্মহননৰ পথ পৰিহাৰ কৰি আন সিদ্ধান্ত লবলৈ পৰামৰ্শ দিছিল। কিন্তু দেউতাই ককাদেউতা আৰু মাৰ সিদ্ধান্ত বা ইচ্ছাৰ ওচৰত নতি স্বীকাৰ কৰাটোৱেই উচিত বিবেচনা কৰিছিল। তেওঁ বোধকৰো চিৰদিন নিজৰ অস্তিত্ব সম্পৰ্কে স্থিৰপ্ৰত্যয় আৰু নিশ্চিত আছিল। বিমৰ্ষ আৰু অসহায় দেউতাৰ অধোন্নত দৃষ্টি, সমাগত বিশিষ্ট ব্যক্তিসবৰ চিন্তান্বিত ভাব-বিহ্বলতাৰ মাজত হাঁহি হাঁহি হাত দুখনেৰে আগবঢ়াই দিয়া ককাদেউতাৰ হাতৰ পৰা মাটি-বাৰী সা-সম্পত্তি সম্পৰ্কীয় দলিলখন মই গ্ৰহণ কৰিলো। বোধকৰো উপস্থিত ব্যক্তিসব আৰু মাৰ পৰামৰ্শ অনুসৰি ককাদেউতাক মই এটা প্ৰণামো কৰিছিলো আৰু প্ৰণাম কৰিছিলো উপস্থিত সকলো গুৰুজন আৰু আত্মীয়স্বজনক।

সন্দেহ নাই, আমি কোনো সুখী হোৱা নাছিলো। পৈতৃক সা-সম্পত্তিৰ পৰি বিবৰ্জিত হৈ দেউতা নিশ্চয় সুখী হোৱা নাছিল। প্ৰকাৰান্তৰে কথাটো এনে হ'ল, ককাদেউতাৰ কোনো সন্তানে তেওঁৰ সম্পত্তি মাটি বাৰীৰ ভাগ নেপালে। স্বামীৰ আস্থা, প্ৰীতি-অনুৰাগ-শ্ৰদ্ধা হেৰুৱাই মাৰ সুখী হোৱাৰ প্ৰশ্ন নুঠে। আৰু মা-দেউতাক এনে পটভূমিত উপনীত হোৱা দৃশ্য দেখা পাই মোৰ পক্ষে মুঠেই সুখী হোৱা সম্ভৱ নাছিল। বস্তুতঃ, সুখ বোলা বস্তুটো যে কি তাৰ সম্ভেদ দিব পৰা যোগ্যতা মোৰ কোনো কালে হৈ উঠা নাই। নতুন সম্পত্তিৰ দলিলখন হাতত লৈ এই জগতৰ ৰহস্য যেন মোৰ আগত আৰু অধিক দুৰতিক্ৰম্য ৰূপত দেখা দিবলৈ আৰম্ভ কৰিলে। কথাটো অৱশ্যে অন্যভাবেহে কোৱাটো যথাৰ্থ হ'ব –মই জনাত মাৰ প্ৰতি দেউতাৰ আস্থা, বিশ্বাস বা শ্ৰদ্ধাৰ কোনোকালে অভাৱ ঘটা নাই। এইসকল বাদ দি প্ৰীতি, অনুৰাগ সম্ভৱ হয়নে নহয় সি অতি জটিল প্ৰশ্ন। কিন্তু প্ৰীতি, অনুৰাগ এইবোৰ অনুভূতিৰ লগত যৌৱন, বাসনা, আকাঙ্ক্ষা আদি যাবতীয় স্থূল দেহবিলা অতি স্বাভাৱিক ভাবেই যেন সংক্ৰামিত হৈ পৰে। বোধকৰো দেউতাৰ বয়স সেই সময়ত চল্লিশৰ দশক অতিক্ৰম কৰাৰ পথত – মেলেৰিয়া ৰোগত দীৰ্ঘদিন জৰ্জৰিত ক্ষয়িষ্ণু দেহ মই তেতিয়া ক্লাছ চেভেনৰ ছাত্ৰ। সূ





## কেনি গ'ল ল'ৰালিৰ ৰং

ইন্দু ভূষণ কোঁৱৰ

কেনি গ'ল ল'ৰালিৰ ৰং
টাংগুটি, হৈগুদু, দলনিৰ শৰালি খেদি,
হাঁহিৰ লেছেৰি বুটলি হৈছিল যে গধূলি......

আখলত আইতাৰ সাধু কুকিৰ পৰী উৰে
য়াকানে এগেৰ বুটা বছা তৰা ফুলৰ ৰাতি।
ভীমপৰাৰ বৰালি, কঢ়াৰ কাৰৈ
জাগল আহিলে আহিবি ঐ।

ক'ত সেই গোহালিৰ চিনাকি গোন্ধ......
গোবাটৰ ধূলি উৰুৱাই দিছিলো কতনা
ভাওনাৰ চং
কেনি গ'ল ল'ৰালিৰ ৰং-

লেছামৰ চোমনিত নাচে বুঢ়া-ডাঙৰীয়া
সাজৰ ৰাগিত বৰাগী হৈ,
টঙিৰ টিপ চাকি বতাহে কঁপায়, বিনিমাই
মেঘে আনে ওন্দোলাই।

## কৃষ্ণচূড়া

ৰাজাৰাম মিশ্ৰ

তোমাৰ ৰংটো চালো
সূৰ্যৰ ৰং
তুমি ফুলি থকা ৰং
জুইৰ ৰং
তুমিতো বননিত
ইমান জুই লগাই দিয়া
তোমাৰ বহুত গৰ্ব আছে
তোমাৰ ফুলৰ পাপৰি
মই লৈ যাম মোৰ বিছনালৈ

২
তোমাৰ এই ৰঙা ৰং
চাই থাকো মই
দূৰৰ পৰা আকাশলৈ
আজি ৰঙা গধূলিৰ ৰং
কিমান মইঁ তোমাক চাম
তোমাৰতো যাউতিযুগীয়া ৰং

৩
মোৰ চকুপতাৰে বছৰ গুচি গ'ল
তোমাক বিচাৰি বিচাৰি
আজি ক'লৈ যাওঁ
কোন আলি পদূলিত?
কৃষ্ণচূড়াৰ ৰং বিচাৰি
ভাগৰি পৰিলো আজি।

৪
কৃষ্ণচূড়া মোলৈ উভতি আহে
মোৰ চকুপতালৈ
শান্তিৰ নিজৰা হৈ
মই জিৰণি পাওঁ। □

## আখৰ

এম কামালুদ্দিন আহমেদ

মাটিৰ চৰুটোত চিত্ ভলঙা খাই পৰি থাকে আকাশ
এক পুৰুষৰ নে ক'ত পুৰুষৰ হাড় ছাল ওলোৱা এটা আশ।
মৰা মুজা এটা সপোন আধা মেল খোৱা চকুৰ সহস্ৰ পদুম
পাহি

যেন বৰা চাউলৰ ছাই কেহেৰাজৰ ৰস সিজোৱা শিলিখা
ধুমুহাত উভালি পৰা আমগছ এজোপাৰ ছাল

টোপাটোপে সৰিল হেজাৰ হেমন্তৰ হিম

সাঁচিপাতত জিলিকিব আখৰ
আখৰৰ নখ চন্দ্ৰত জিলিকি উঠিব এটা নোদোকা আশা
মৰিও নমৰা পৰিও নপৰা সপোনটো চৰাই হৈ উৰিব
তুমি ককিলা ডাঁৰেৰে তুলি আনিবা
বুকুৰ অতলৰ বহু ভোমোৰাৰ গুণগুণনি

আখৰৰ আশাত বহু জীৱন পাত কৰিছো
তুঁহৰ জুয়ে আইৰ কপালত সানিছে অংগৰাগ
তপত সৰিয়হ তেল সনা জননীৰ আঙুলিৰ লয়লাসত
জোনাক পৰিছে নাভিমূলত ক'তবাৰ
কিমানবাৰ যে নাম নসলালো □



OLDISCD

# লক্ষ্মীনাথ বেজবৰুৱাৰ অমৰ সৃষ্টি কৃপাবৰ বৰুৱা

যতীন্দ্ৰনাথ গোস্বামী

কৃপাবৰ বৰুৱাৰ আৱিভাৱ দ্বিতীয় ভাগ (সপ্তম সংখ্যা, পৃষ্ঠা ১৫৯-৬৩) জোনাকী (১৮১২ শক) কাকততে। প্ৰবন্ধটোৰ নাম আছিল কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা। লক্ষ্মীনাথ বেজবৰুৱাই কৃপাবৰ বৰুৱাৰ ভূমিকাত অৱতীৰ্ণ হৈ অসমীয়া জাতিৰ দোষ-দুৰ্বলতা ব্যংগ বা উপহাস কৰিছে। কৃপাবৰ বৰুৱা লক্ষ্মীনাথৰ 'ব্যৱহাৰিক মানস-সৃষ্টি' কিন্তু তেওঁ নিজে তাৰ পৰা ভালেখিনি নিলগত।

কৃপাবৰ এক অসাধাৰণ সৃষ্টি। কৃপাবৰ বৰুৱাৰ চানেকি ক'ত? ডিকেন্সৰ 'পিকউইক্ পেপাৰ্চ'ৰ পিকউইক চৰিত্ৰ, ডি-কুইন্সিৰ 'কন্‌ফেচন্‌চ অব্ এন্ অপিয়ম ইটাৰ', বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ কমলা কান্তেৰ দপ্তৰ (অহিফেনামৃত পানাসক্ত), গল্ডস্মিথৰ 'চিটিজেন অব্ ডি ৱৰ্ল্ডৰ মেন্-ইন্-ব্লেক' আদিৰ সংমিশ্ৰণত যেন কৃপাবৰৰ সৃষ্টি। প্ৰিয়ঞ্জন সেনে মন্তব্য কৰিছে যে আকাৰ বা ৰূপৰ ফালৰ পৰা কমলাকান্তেৰ দপ্তৰ, ডি-কুইন্সিৰ 'কনফেচনচ অব্ এন্ অপিয়ম্ ইটাৰ'ৰ ওচৰত অধিক ঋণী আৰু ভীষ্মদেৱ খোচনবিচ আদি হ'ল স্কটৰ জেডেইয়া ক্লেইবচথাম Jedediah Cleisthotham), আৰু দপ্তৰ ধাৰণাটোৰ চানেকি হ'ল স্কটৰ 'টেল্‌চ অব্ মাই লেন্ড্‌লৰ্ড' (Tales of my Landlord)। ওপৰত উল্লিখিত ব্যংগ লেখকসকলৰ দৰে কৃপাবৰ বৰুৱাৰ হাস্যৰস চোকা বিদ্ৰূপাত্মক আৰু সংক্ৰামক। কৃপাবৰৰ টোপোলায়ো ডিকেন্সৰ 'পেপাৰ্চ' স্কটৰ 'টেলচ্ অব্ মাই লেন্ড্‌লৰ্ড' নাইবা কমলাকান্তেৰ দপ্তৰৰ সাদৃশ্য বহণ কৰে। কৃপাবৰে হাঁহ চুৰি মকৰ্দমাত আচামীৰ কাঠ-গৰাত থিয় হোৱা



কৃপাবৰ বৰুৱাৰ এটি কাৰ্টুন ৰূপ

ক্ষেত্ৰত ডিকেন্সৰ 'চেম ৱেল্লাৰ'ৰ (Saim Weller) প্ৰভাৱো চকুত নপৰাকৈ নেথাকে।

'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা' ৰম্য ৰচনাখনি তলত দিয়া দৰে আৰম্ভ হৈছে–

"ঘানাক-ঘুনুক শুনো বোলে মোৰ যশস্যাৰ কাকতী ফৰিঙেগ সদীয়াৰ পৰা মানাহালৈকে, ভোটৰ পৰ্বতৰ পৰা নগা পৰ্বতলৈকে জুৰি অসমীয়া ভাইৰ অসমীয়া খ্যাতিৰ থোক এডালো নোথোৱাকৈ উপান্ত কৰিলে। হেনো মোৰ সদ্‌নামৰ কুম্ভকৰ্ণই আঁ কৰিলেকি, লাখে লাখে জাঁকে জাঁকে আসামৰ গুণ-যশৰ ভালুক-বান্দৰ মুখৰ ভিতৰতে সোমালকি। ডিহিংগৰ পাৰাৰ বুঢ়া জাম্বৱন্ত ডিখৌৰ কাষৰ ডেকা হনুমন্ত, লুইতৰ দাঁতিৰ মলুৱা সুসেন কলংগৰ কাণৰ পেটাল বিভীষণ, পূবৰ নল, পশ্চিমৰ নীলকে প্ৰমুখ্য কৰি যত যি অংগদ-সুগ্ৰীৱ আছিল মানে সকলোখিনি সসৈন্যে নিজ দল বল লৈ এই মুখ-গহ্বৰত প্ৰবেশ কৰিলে। যদি এই কথা-বৃক্ষৰ শিপা আছে, যদি এই জন-ঘোষৰ মাক-বাপেক আছে, যদিহে ই বাৰ্তা সঁচা, তেন্তে কৃপাবৰ বৰুৱাই চকু-চাওঁতেই এই ক্ষেণতে এই মুহূতৰ্তে এই দন্ডতে, এই পলতে তেওঁৰ বদন-গহ্বৰ জাঁপ দুৱাৰ দুখন পেলাই দিবলৈ চকু টিপিয়াই নিদিয়ে কিয়? কিয় নিদিব, বৰুৱা ডাংগৰীয়া তেনে বিধৰ লোক নহয়। ত'ত "পালা চৰাই ভাঙিবা পাখি বঢ়া ভাত নথকা ৰাখি" শাৰীৰ পুৰুষহে– পৰিল দুৱাৰ, দিলে ডাং, হ'ল বন্ধ।

জয় কৃপাবৰ বৰুৱাকি জেয়। কৃপাবৰ বৰুৱা এতিয়া ৰাজ-ৰাজেশ্বৰ দূতী পুৰন্দৰ। পূবে চোৱা বৰুৱাৰ যশস্যাৰ ঢৌ, পশ্চিমে চোৱা বৰুৱাৰ যশস্যাৰ ঢৌ, উত্তৰে দৃষ্টি কৰা সেই, দক্ষিণে দৃষ্টি কৰা সেই, গোটেই একাৰ্ণৱ জল, গোটেই উৰ্মি, খনেই তোলপাৰ, মাজতে কৃপাবৰ তলং-ভং তলং-ভটং।" (জোনাকী, ২য় ভাগ, ৭ম সংখ্যা)

কৃপাবৰ বৰুৱা অসম দেশৰ ভিতৰত "এজন নামজাত মানুহ।" এনে ডাঙৰ মানুহৰ জন্মৰ বিষয়ে ভালকৈ নেজানে বুলি তেওঁ সংক্ষেপে তেওঁৰ "জন্ম-ৰহস্য অলপ বৰ্ণাবলৈ অভিপ্ৰায়" কৰিলে–

"শক ১৭৮০, পুহ মাহ, মৰ আউসী, সন্ধ্যা লাগো লাগো হৈছে; গৰু-গাই ঘৰ চাপিছে। এটা এটাকৈ গাঁতৰ পৰা উঁই পৰুৱা ওলাই ওপৰলৈ উৰিছে; সৰু সৰু চৰাইটি হঁতিয়ে পাক লৈ লৈ পাক লৈ লৈ উৰি উৰি এটি এটিকৈ তাকে ধৰি ধৰি খাইছে; মাজে মাজে কাউৰী একোটাই ডকাইতৰ দৰে আহি মহা পৰাক্ৰম দেখুৱাই সৰু চৰাইবিলাকৰ মাজত সোমাই কপ্-কপ্ কৰে গোটাচেৰেক উঁই পৰুৱা খাই লৰ মাৰিছে; নিয়তীয়ে আম গছৰ ডালত পৰি "নিওঁ" নিওঁ" কৰিছে; ঘৰৰ ভিতৰত চিতৰা-পখৰা বোন্দা মহে কোন্‌কোননি লগাইছে; সৰু সৰু ল'ৰাবিলাকৰ কোনোটোৱে পেন্‌পেনাইছে, কোনোটোৱে কেন্‌কেনাইছে? চুক-ভেকুলীবোৰে চুকৰ পৰা ওলাই বাটে-পথে জঁপিয়াই জঁপিয়াই অগা-ডেৱাকৈ ফুৰিছে; মানুহৰ ভৰিৰ তলত পৰি কোনোটোৰ পেটু ওলাই গৈছে, কোনোটোৱে বা ভৰিৰ ওপৰত পৰি ততালিকে তাতে ক্ষুদ্ৰ শৌচাচাৰ কৰি লৰ মাৰিছে; দুৱাৰ-চুকত চুকৰ বোৱাৰীয়ে কেঁচুৱা কোলাত লৈ কুনকুনাই নাম গাইছে; বাৰীৰ চুকত শিয়াল-শিয়ালীয়ে সপৰিবাৰে লগ লাগি গল মেলি মনৰ সুখেৰে সুৰ ধৰি ধৰি হোৱা দি কোড়াল লগাইছে। মুঠতে ক'বলৈ গ'লে ঘৰখনত এক প্ৰকাৰ গোলমাল হৈ উঠিছে। এনে সময়তে মোৰ এই ভূমন্ডলত আবিৰ্ভাৱ। কলা পাতত পৰিয়েই যে মোৰ খং এটা উঠিল তাক কথাৰে প্ৰকাশ কৰিব নোৱাৰি। অনুভৱ কৰিলেহে বুজিব পাৰি। তেনে খং সেইটোৰ বাহিৰে আৰু মোৰ আজিলৈকে উঠা নাই, আগলৈ কিয় হয়, ক'ব নোৱাৰো। মই মানুহটো গোটেইটো ৰংগা পৰি সেন্দুৰ যেন হ'লো; মোৰ শিৰৰ ভিতৰৰ তেজবোৰ আৰৈ চাউলৰ ভাত উতলা দি বক্ বক্‌কৈ উতলিবলৈ ধৰিলে; হাত ভৰিবোৰ বেঙেগ-মৃতা গৰু কঁপাদি কঁপিছিল, এতিয়াৰ দৰে তেঁতিয়া মোৰ দাঁত থকাহেঁতেন কামোৰত কেউটা চূৰ্ম্ময় হ'লহেঁতেন। কিন্তু ভাবিলো যে প্ৰথমতে ন মানুহে ইমানটো খং লোকক দেখুৱা যুগুত নহয়; কিয়নো, চন্দ্ৰ-দিবাকৰ থাকে মানে এই পৃথিৱীত খংগাল বুলি মোৰ এটা অখ্যাত থাকিব। ইয়াকে বিমৰিষ কৰি ততালিকে মই খংটো মাৰ নিয়ালো। মই জমদগ্নি হোৱাৰ ১ম কাৰণঃ চাৰিওফালে হাই-উৰুমি আৰু কোড়ালত মোৰ মূৰ কামুৰি গ'ল! ২য় কাৰণঃ- কলাপাতখন চেঁচা, মোক জাৰে সেৰেলা কৰিলে। ৩য় কাৰণঃ-তেতিয়ালৈকে মোৰ ওচৰত তুঁহ জুই একুৰা ধৰিবৰ দিহা হোৱা নাই" (পৃষ্ঠা ১৬১-৬২)

নামকৰণঃ কৃপাবৰে "সংক্ষেপ জন্ম-বৃত্তান্ত"ৰ পিছতে নামকৰণ প্ৰসংগত কৈছে, " ..... মোৰ নাম সোঁৱৰণিত বহিল কৃপাবৰ, আইয়ে মাতে কিৰিপ বুলি', পিতাদেৱে মাতে কৃপা বুলি, ওচৰ চুবুৰীয়াই মাতে কেপাই বুলি।" (পৃঃ ১৬২)। কৃপাবৰ বৰুৱা নামকৰণ আৰু কল্পনাত লক্ষ্মীনাথৰ 'ল'ৰা কালৰে পৰা অন্তৰংগ বন্ধু" আৰু 'সহপাঠী' কৃষ্ণকুমাৰ বৰুৱাও আৰ্হি হব পাৰে।

'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা' আৰম্ভণিৰ মূল পাঠৰ তলৰ চূৰ্ণিকা'ত (ফুট্‌নোট্) টীকাকাৰে লেখিছে, "১৭৮০ শকৰ পুহ মাহত মৰ আউসীত গৰু-গাই ঘৰ চাপিবৰ বেলিকা কৃপাবৰ বৰুৱাৰ জন্ম হয়। তেওঁ অসাধাৰণ ধীশক্তি-সম্পন্ন বৃহস্পতি-বিনিন্দিত ক্ষণজন্মা পুৰুষ আছিল। কালচক্ৰৰ কুটিলা গতিত পৰি তেওঁ আসামাবাসীক কন্দুৱাই অকালত মানৱলীলা সম্বৰণ কৰিলে। তেওঁ এই

## কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা

★ ঘানাক-ঘুনুক শুনোঁ বোলে মোৰ যশস্যাৰ কাকতী ফৰিঙেগ সদীয়াৰ পৰা মানাহালৈকে, ভোটৰ পৰ্বতৰ পৰা নগা পৰ্বতলৈকে জুৰি অসমীয়া ভাইৰ অসমীয়া খ্যাতিৰ থোক এডালো নোথোৱাকৈ উপান্ত কৰিলে। হেনো মোৰ সদ্‌নামৰ কুম্ভকৰ্ণই আঁ কৰিলেকি, লাখে লাখে জাঁকে জাঁকে আসামৰ গুণ-যশৰ ভালুক-বান্দৰ মুখৰ ভিতৰলৈ সোমালকি। ডিহিংগৰ পাৰৰ বুঢ়া জাম্বৱন্ত ডিখৌৰ কাষৰ ডেকা হনুমন্ত, লুইতৰ দাঁতিৰ মলুৱা সুসেন কলংগৰ কাণৰ পেটাল বিভীষণ, পূবৰ নল, পশ্চিমৰ নীলকে প্ৰমুখ্য কৰি যত যি অংগদ-সুগ্ৰীৱ আছিল মানে সকলোখিনি সসৈন্যে নিজ দল বল লৈ এই মুখ-গহ্বৰত প্ৰবেশ কৰিলে। যদি এই কথা-বৃক্ষৰ সিপা আছে, যদি এই জন-ঘোষৰ বাপেক আছে, যদিহে ই বাৰ্তা সঁচা, তেন্তে কৃপাবৰ বৰুৱাই চকু চাওঁতেই এই ক্ষেণতে এই মুহূৰ্ততে এই দন্ডতে এই পলতে তেওঁৰ বদন-

★ ১৭৮০ শকৰ পুহ মাহত মৰ আউসীত গৰু-গাই ঘৰ চাপিবৰ বেলিকা কৃপাবৰ বৰুৱাৰ জন্ম হয়। তেওঁ অসাধাৰণ ধীশক্তি-সম্পন্ন বৃহস্পতি বিনিন্দিত ক্ষণজন্মা পুৰুষ আছিল। কালচক্ৰৰ কুটিলা গতিত পৰি তেওঁ আসাম বাসীক কন্দুৱাই অকালত মানৱলীলা সম্বৰণ কৰিলে! তেওঁ এই সংসাৰত কেৱল দেৰকুৰি বছৰহে লীলা-খেলা কৰিবলৈ পালে। এই অল্প কালৰ ভিতৰতে বৰুৱাই মাতৃভূমি আৰু মাতৃ ভাষাৰ যিমান উন্নতি সাধিলে তাক কৈ অন্ত কৰিব নোৱাৰি। তেওঁৰ জীৱন চৰিত এখন অতি শীঘ্ৰে প্ৰকাশ কৰিবলৈ সকলো অসমীয়া শিক্ষিত লোকে চেষ্টা কৰা উচিত। যি গা লাগি এই কাৰ্য্য কৰিবলৈ আগ বাঢ়ে, তেওঁক আমি প্ৰাণপণে বিস্তৰ উপকৰণ যোগাবলৈ প্ৰস্তুত আছো, সম্প্ৰতি এই কাকতৰ টোপোলাত আমি আসীষ পুৰুষাৰ্থ কৰি হস্তগত কৰিছোঁ তাত তেওঁৰ স্বহস্ত-চৰিত অনেক অপূৰ্ব প্ৰবন্ধ আছে। সেই প্ৰবন্ধ বিলাক ক্ৰমশঃ আমি পাঠক সকলৰ চকুৰ আগত ধৰিবৰ মন কৰি জোনাকীৰ সহায় লৈছোঁ। আজিৰ এই প্ৰবন্ধটি সেই প্ৰবন্ধপুঞ্জৰ এক কণিকা মাত্ৰ।

**টিকাকাৰ**

★ মূল 'জোনাকী'ৰ (২য় বছৰ, ৭ম সংখ্যা)





OLD IS GOLD

সংসাৰত কেৱল দেৰকুৰি বছৰহে লীলা-খেলা কৰিবলৈ পালে। এই অল্পকালৰ ভিতৰতে বৰুৱাই মাতৃভূমি আৰু মাতৃভাষাৰ যিমান উন্নতি সাধিলে তাক কৈ অন্ত কৰিব নোৱাৰি। তেওঁ জীৱন চৰিত এখন অতি শীঘ্রে প্রকাশ কৰিবলৈ সকলো অসমীয়া শিক্ষিত লোকে চেষ্টা কৰা উচিত। যি গা লাগি এই কাৰ্য কৰিবলৈ আগ বাঢ়ে, তেওঁক আমি প্রাণপণে বিস্তৰ উপকৰণ যোগাবলৈ প্রস্তুত আছো। সম্প্রতি এই কাকতৰ টোপোলাটি আমি অসীম পুৰুষার্থ কৰি হস্তগত কৰিছো। তাত তেওঁৰ স্বহস্ত ৰচিত অনেক অপূর্ব প্রবন্ধ আছে। সেই প্রবন্ধবিলাক ক্রমশঃ আমি পাঠকসকলৰ চকুৰ আগত ধৰিবৰ মন কৰি জোনাকীৰ সহায় লৈছো। আজিৰ এই প্রবন্ধটি সেই প্রবন্ধপুঞ্জৰ এক কণিকা মাত্র (পৃঃ ১৫৯) এইখিনিতে "কাকতৰ টোপোলা" নামটিৰ উৎস সম্পৰ্কে কোৱা হৈছে। ইয়াৰ আৰ্হি স্কট্ বা ডিকেন্স্ হব পাৰে। এই বিষয়ে গৱেষণাৰ স্থল নোহোৱা নহয়।

'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা' শীৰ্ষক দ্বিতীয় প্রবন্ধটোত (জোনাকী, দ্বিতীয় ভাগ-অষ্টম সংখ্যা) কৃপাবৰ বৰুৱাৰ বৰবৰুৱাৰ শাৰীলৈ উঠাৰ হাবিয়াস প্রকাশ পাইছে। প্রবন্ধটোৰ পালি শিতান হ'ল– "বিষয় আৰু বিষয়া"। কৃপাবৰ বৰুৱাই পাঙিছে– "....কৃপাবৰ বৰুৱা লাহে লাহে মনে মনে চাৰিওফালে মানুহ-দুনুহ চাই-চিনি দেশ-কাল-পাত্রৰ আও-ভাও বুজি-সুজি টিপতে কৃপাবৰ বৰবৰুৱা হব খুজিছে। এই কথা সম্প্রতি ইমান গুপুতে থকা উচিত যে আনৰ কথা নকওঁৱেই পৃথিৱীৰো যেন ই কাণত নপৰে" (পৃঃ ১৮০)। এই প্রবন্ধৰ সামৰণিত কৈছে, "সর্বশেষত কওঁ, বোপাইহঁত তহঁতক মই ভাইটিহঁত বুলি মাতিছো। দে এইবাৰলৈ মোক বৰবৰুৱা হবলৈ এৰি; বাটত অগা-ভেটা নকৰিবিহক। ক'তই এনেহৈ ক'ত কি হৈ গৈছে, দুখীয়া কৃপাবৰ যদি তহঁতৰ কৃপা বৰ পাই বৰবৰুৱা হৈ যায় তেনেহ'লে সি তহতৰহে গুণ গাব, কুটুম!" (পৃঃ ১৮২)

কৃপাবৰে কৃপাবৰ বৰুৱা 'ছনেট'ত "নিজৰ জীৱন কাব্য" ৰচনা কৰিছে–

কৃপাবৰ বৰবৰুৱা মহাধনুর্ধৰ।
বৰপেট টিকনিৰে মুৰ লৰফৰ।।
সুদর্শন হাতে বিষ্ণু, শূল হাতে ভোলা
মহেন্দ্রৰ বজ্র কৃপাৰ কাকতৰ টোপোলা।
অসম-গৌৰৱ ভানু কৃপা কল্পতৰু।
কলেৱৰ শ্যাম যেন ভাত-ৰন্ধা চৰু।।
চৈধ্যফঁকীয়া কবি কৃপা তয়াময়া ৰণে।
নিজৰ জীৱন কাব্য নিজে নিজে ভণে।।
এড়লীয়া কচুৰ জাল মাকে খাইছিল।
দুষ্টৰ পিঠিত কৃপা নিত্যে থিয়কিল।।
অন্যায়লৈ নগা-যাঠি ন্যায়লৈ কলচী।
কানি-ভাং লাওপানী বহায় দকচি।।
বাহুবলী বৰবৰুৱা চিন্তে পৰৰ ইষ্ট।
নোৱাৰি মিলাব পদ কৰে হেষ্টনেষ্ট।।

পৃথিৱীৰ সৰহ ভাগ ব্যংগ ৰচনাৰ লগত লক্ষ্মীনাথ বেজবৰুৱাৰ পৰিচয় থকাৰ কথা কৃপাবৰ বৰুৱাৰ তলৰ উদ্ধৃতিৰ পৰাই অনুমান কৰিব পাৰি।

"এই পৃথিৱীত মাত্র তিনিজন মানুহে হাঁহিব জানিছিল। প্রথমজন পুৰণিকলীয়া গ্রীচ দেশৰ, নাম এৰিষ্টফেনিচ্, দ্বিতীয়জন আছিল স্পেইনত। নাম চাৰ্ভেন্টিচ্ আৰু তৃতীয়জন বুল দেশত। নাম চুইফ্ট্। এওঁলোকৰ উপৰি চতুৰ্থ এজন আছে, সেইজন বৰবৰুৱা স্বয়ং।"

কৃপাবৰ বৰুৱাৰ নামত 'জোনাকী'ত প্রকাশিত ব্যংগ আৰু হাস্যৰসাত্মক প্রবন্ধখিনিক 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা' (১৯০৪) আৰু জোনাকী (গুৱাহাটী), উষা আদি আলোচনীত ওলোৱা প্রবন্ধসমূহক 'কৃপাবৰ বৰুৱাৰ ওভতনি' (১৯০৯) নামত গ্রন্থৰ সন্নিবিষ্ট কৰা হয়। বাঁহীত প্রকাশিত প্রবন্ধসমূহৰ কিছুমান 'বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি' (প্রথম ভাগ, ১৯৫১) আৰু 'বৰবৰুৱাৰ বুলনি'ত (১৯৬৪) সন্নিবিষ্ট কৰা হয়। 'কৃপাবৰ বৰুৱা কাকতৰ টোপোলা'ৰ বেছিভাগ প্রবন্ধই অসম বিষয়ক আৰু 'কৃপাবৰ বৰুৱা ওভতনি'ৰ সৰহভাগ প্রবন্ধ ভাৰত বিষয়ক।

কৃপাবৰী ৰচনাসমূহ আধুনিক কালৰ ব্যক্তিনিষ্ঠ মনোধর্মী ৰচনাৰ অংগীভূত কৰিব পাৰি। কৃপাবৰ অসমীয়াৰ ধৰ্মনীতি, সমাজনীতি আৰু ৰাজনীতিৰ দোষ-গুণ খুচৰি খাৰ খোৱা অসমীয়াক চলাই লৈ ফুৰে। ড০ ৱাৰ্টনে (Warton) 'পোপ'ৰ কবিতাৰ সমালোচনা প্রসংগত কোৱাৰ দৰে ক'ব পাৰি– 'The largest portion of the works of Bezbarooa is of the didactic, moral and satiric kind.'

কৃপাবৰ বৰুৱাই বিভিন্ন উপায়েৰে হাস্যৰসৰ সৃষ্টি কৰে। যেনে– (১) এষাৰ কথাকে বাহুল্য ভাবে প্রকাশ কৰি। যেনে– (ক) মোৰ হিন্দুস্থানী চাকৰ এটা আছিল। তাৰ বুদ্ধিটো ইমান জোঙা যে তাৰ সৈতে মোৰ ঘৰৰ আগ চোতালত পৰি থকা মাটি খুন্দা ধুৰামাচ এটাৰেহে সদায় মই ৰিজাই চাইছিলো– কোনটো বেছি জোঙা।" (খ) তেওঁ তাক নিজে স্পর্শ নকৰি কৰণ-কাৰণৰ সহায় লৈ তাৰ দ্বাৰাই সংগৃহীত আৰু লোহ পটিকাৰ ভিতৰত অৱধাৰিত কৰাবৰ বন্দৱস্ত কৰিছিল।"

(২) মিহলি ভাষা প্রয়োগ কৰি। যেনে– "তোমালোক লাঠুৱা, ননচন, ইষ্টুপিত, দুষ্টপিত, ব্ৰাগাৰ-মেটিপ, স্লাডি, কানীয়া, খাৰখোৱা, ফ্লাইটফ্লেট-ফ্লোইট, ফ্লোৰৰেইট" ইত্যাদি।

(৩) আচৰিত ইংৰাজী বাক্য ব্যৱহাৰ কৰি। যেনে "এতিয়া কৈছো মই টিঙিৰ-তুলা হৈ আছো। I say priyadarsan you are a bundle of contradictions because you donot seem to know that the haberfluous influrization of the people is closemantically gandolized by the society just as the oscialixed superfluation of the molecule herzogovianly voluptnalized by the tabxlar demonstration of the catapule.'

(৪) ভুল ভাষা আৰু শব্দ প্রয়োগ কৰি। যেনে– "কোকিল-মৎস-দণ্ডস্য লক্ষণং বিদ্যতে অত্র ইতি দাড়ি। চলতি বায়ুভৰেণ ইতি চুলি। গোফলত্যত্র গোফঃ ইতি দুগ্ধবোধঃ। অর্থাৎ ককিলা মংস্যৰ দাঁড়ৰ লক্ষণেই ইয়াত বিদ্যমান দেখি দাড়ি। বায়ুৰ কোবত লৰে দেখি চুলি আৰু বেদৰ ফল ইয়াত ফলে দেখি গোঁফ বুলি দুগ্ধবোধ ব্যাকৰণে উক্তি কৰিছে। হে মহাভাগ! দাড়ি, গোঁফ আৰু চুলিৰ এক প্রকাৰে সৃষ্টি হ'ল" –পুৰণি তত্ত্ব।

(৫) আচৰিত সন্ধিৰ প্রয়োগ। যেনে– ভেকুল্যাবয়ম, চক্ষুৰুৎপাটন, কাৰ্ত্তিকযুদ্ধ, আদি।

(৬) অদ্ভুত পটন্তৰ আৰু সংযুক্ত শব্দাৱলী ব্যৱহাৰ কৰি। যেনে,– "মস্তক সংযোজিত সমূহ চুলি"। "সদ্নামৰ কুম্ভকর্ণ", "বদনগৃহৰ জাপ দুৱাৰ", "যশস্যাৰ কাকতী ফৰিং", "দাৰত গামোচা মেলাদি মূৰত চুলি মেলি থোৱা", "শলাগ ৰূপী শকত ফই", ইত্যাদি।

(৭) আচৰিত উপমা প্রয়োগ। যেনে, "পৰমহংসদেৱৰ সমাধি ভাঙিবলৈ, বাদ্য-ভন্ড বা সংগীতৰ আৱশ্যক হোৱাদি এই আম্রৰস সাধকৰ সমাধি ভাঙিবলৈ এই পুৰাণকাৰ ঋষিৰ পৰা এটা দুৰ্জয় কাণমোচৰৰ আৱশ্যক হৈছিল।"

লক্ষ্মীনাথ বেজবৰুৱাৰ খুহুটীয়া টেটকুটীয়া মানস-চৰিত্র কৃপাবৰ চিৰস্মৰণীয়, চিৰজীৱী আৰু চিৰশক্তিমান এটি চৰিত্র। কৃপাবৰ মানুহ নহয়, কিন্তু 'ভাব' অর্থাৎ আমাৰ জাতীয় ভাব। তেওঁ সুজলা সুফলা জননীৰ বুকুৰ ধন। এই ৰসিক চৰিত্র কৃপাবৰৰ তিনিটা গুণ– তেওঁ অমৰ, তেওঁ হাড়ে-হিমজুৱে অসমীয়া আৰু ধূমকেতু সদৃশ অর্থাৎ অসমীয়া মনোগগনত তেওঁ হ'ল নিত্য স্থায়ী কিন্তু বিৰল প্রকাশ। তেওঁ অনন্য সাধাৰণ। কৃপাবৰে অসমীয়া সমাজৰ বিৰাট সংস্কাৰ সাধন কৰে। তেওঁ ব্যংগ-বিদ্রূপৰ জৰিয়তে জনসাধাৰণক হাঁহি-কৌতুক উপদেশেৰে (অর্থাৎ Wisdom in a smiling mood) শিক্ষা দিবলৈ প্রয়াস কৰে।

বিচ্ছেদ প্রবন্ধত লোকায়ে কৃপাবৰ বৰবৰুৱাক কৈছে, "আপুনি হ'লে তাহানিৰ 'জোনাকী'ৰ দিনৰে পৰা বৰবৰুৱাগিৰি কৰিব লাগিছে তথাপি আপুনি ডেকা লোককহে বুঢ়া দেখে।" বৰবৰুৱাৰ উত্তৰ– "মানুহ বয়সত বুঢ়া নহয়, লক্ষণতহে বুঢ়া হয়। আৰু বৰবৰুৱা কৃপাবৰ যে বুঢ়া নহয়, সেইটোও তোৰ ভু নাই হবলা? তই নাবালক! নাবালক! বতাহ, পানী, বিজুলী এইবোৰ বুঢ়া হোৱা তই দেখিছনে? বৰবৰুৱা লীলা নিত্য-লীলা। অমৰ বৰুৱাৰ বৃন্দাবন। বৰবৰুৱাৰ বাঁহীৰ ধ্বনি এই বৃন্দাবনৰ 'কুঞ্জে কুঞ্জে পুঞ্জে পুঞ্জে' ওলমি থাকিব– অৱশ্যে যাৰ চকু আছে, সিয়ে দেখিব যাৰ কাণ আছে সিয়ে শুনিব, যাৰ হিয়া আছে সিহে অনুভৱ কৰিব। তহঁতে এই লীলাতত্ত্ব নুবুজ দেখিয়ে তাহানি এদিন মই তহঁতক ভাঙি ক'ব লগাত পৰিছিলো– 'কোনে ক'লে বুঢ়া হ'লো মই?' বুলি। এতেকে তহঁত বুঢ়া হ'বিহক। তহঁতৰৰ বাঁহীও বুঢ়া হব। কিন্তু বৰবৰুৱা বাচি থাকিব; কাৰণ বৰবৰুৱা চিৰ যৌৱন, চিৰানন্দ।"

কৃপাবৰৰ উক্তিৰ সার্থকতা আমাৰ সাহিত্যত পৰিলক্ষিত হয়। আঙিকৰ কৌশলত, তথ্য পৰিবেশনৰ অভিনবত্বত সর্বোপৰি এক বিস্ময়কৰ ব্যক্তিত্বৰ প্রমাদত কৃপাবৰ অসমীয়া সাহিত্যত অমৰ সৃষ্টি হৈ আছে। পদ্মনাথ গোহাঞি বৰুৱাৰ ভাষাৰে ক'ব পাৰি–

"অসমীয়া ভাষা নামে আছে জগতত,
'কৃপাবৰ' লক্ষ্মীনাথ অমৰ এই জগতত।"





# ৰাজীৱক মাৰিলে– কিন্ত কিয়?

ঘনকান্ত লস্কৰ


যোৱা ২২ মে' বুধবাৰে নিচেই পুৱাতে আকাশবাণীয়ে খবৰটো দিলে যে আগৰাতি ১০-১০ মিনিটত মদ্রাজৰ পৰা কিছু দূৰত ৰাজীৱ গান্ধীক হত্যা কৰিলে। সৰু ছোৱালীজনীয়ে চিঞৰি উঠিল – কিয় মাৰিলে?

বিনা কাৰণত এজন মানুহক হত্যা কৰেনে– চিঞৰিবৰ কথাই। কিবা এটা কাৰণ থাকিবই লাগিব। কেতিয়াবা আকৌ প্রাণে মাৰিবৰ উদ্দেশ্য নেথাকিবও পাৰে। খং উঠিলে হাতত থকা লাঠি ডালেৰে এটা কোব মাৰিলে, কোবটো অনিচ্ছা সত্বেও বেয়া ঠাইত পৰিল আৰু মানুহজন মৰি থাকিল। কেতিয়াবা ধেমালি কৰোতে হঠাৎ গাৰ কোনোবা আলসুৱা অংশত কোব পৰি মৃত্যু সংঘটিত হ'ব পাৰে। তাৰ বাবে মাৰোতা জনৰ অনুশোচনা আহিব। এনে ক্ষেত্রত মাৰোতাজনক হত্যাকাৰী বুলি কব নোৱাৰি, কাৰণ হত্যা তেওঁৰ উদ্দেশ্য নাছিল। উদ্দেশ্য প্রণোদিত হৈ এজনক মাৰিবলৈ যাওঁতে অন্য এজন মৰিল। যাক মাৰিবৰ উদ্দেশ্য আছিল –সি বাচি গ'ল। যি মৰিল তেওঁক মৰাৰ উদ্দেশ্য নাই বুলিও ৰেহাই নাই। কাৰণ মাৰোতাই যথেষ্ট সাৱধানতা অৱলম্বন কৰা নাছিল। যুদ্ধ ক্ষেত্রত সৈনিকে বিপৰীত পক্ষৰ সৈনিকক মাৰে। সৈন্যজনৰ নিজৰ কোনো ব্যক্তিগত উদ্দেশ্য নাই। কামান্ডাৰে হুকুম দিছে কাৰণে মাৰে। হুকুম নিদিলে তেওঁ কেতিয়াও নেমাৰিলেহেঁতেন। সৈনিকক হত্যাকাৰীৰ শ্রেণীত পেলোৱা নেযায়। সেনানায়ক শ্রেণীৰহে কেতিয়াবা ওৱাৰ ক্রিমিনেল (War criminal) বুলি বিচাৰ হয় তাকো যদি যুদ্ধত হাৰে। বিজয়ী দলটোৰ জীৱিত সকল বীৰ আৰু মৃতক সকল ছহিদ– পৰাজয়ী দলটোৰ সেনানায়ক শ্রেণীৰ অফিচাৰবোৰ ওৱাৰ ক্রিমিনেল, যুদ্ধ অপৰাধী আৰু মৃতকবোৰ ভীৰু। অর্থাৎ মৃত্যু বহুৰূপী। কাজেই এক বিস্ফোৰণৰ বলি হোৱা বাকীসকলৰ মূল্যায়ন ৰাজীৱতকৈ বেলেগ হব।

হত্যাকাৰী সেইজন যি জনে হত্যা কৰাৰ উদ্দেশ্যেৰে হত্যা কৰে। তেনে হত্যাকাৰীয়ে আগ পিছ চাই শীতল মগজেৰে চিন্তা কৰি হত্যা ৰচনা আৰু সম্পাদন কৰে। তেনে হত্যাকাৰীক ধৰা পেলোৱা টান অৱশ্যে কিছু ক্ষেত্রত এনে দুর্দান্ত হত্যাকাৰীৰ জীৱনৰ আবেলি বেলাত বিবেকৰ দংশনত ভোগে। ৰাজীৱ গান্ধীৰ হত্যাৰ বিৱৰণৰ পৰা সেইটো উদ্দেশ্য বিহীন হত্যা বুলি কব নোৱাৰি।

ৰাজীৱ গান্ধীৰ মৃত্যুৰ খবৰটো পোৱাৰ লগে লগে আগদিনাৰ এটা ঘটনাৰ কথা মনত পৰিল। ঘটনাটো নুনমাটিৰ এখন চেলুনত হৈছিল। এইটো সঠিক এটা ঘটনা বুলি কব নোৱাৰি। কথাৰ মাজতে স্বাভাৱিক গতিত ওলাই অহা কথা।

এই চেলুনখনৰ মই নিয়মীয়া গ্রাহক অথচ ঘৰৰ ওচৰত চেলুন আছে। তাতে মই চুলি কটাবলৈ গৈছিলো। চেলুনখনৰ প্রতি মোৰ আকর্ষণৰ বিশেষ কাৰণ আছে। জগদীশে চেলুনখনত কাম কৰে। সি মেট্রিক পাছ। আগতে জাগীৰোড আৰু অন্যান্য ঠাইত কোনোবা ঠিকাদাৰৰ লগত কাম কৰিছিল। জগদীশে চুলি কাটি থাকোতে হাতেৰে কেঁচি চলায় আৰু মুখেৰে মুখৰোচক ঘটনাৰ বিৱৰণ চলায়। মই তন্দ্রাভিভূত হৈ চকুমুদি দিওঁ। মাজে মাজে সি অন্য কোনোবা মানুহৰ লগত কথা পাতে আৰু মোৰ মূৰ এৰি দি কথাত লাগে। প্রথমে মোৰ তাৰ ওপৰত খং উঠিছিল। পিছত সি যিমানেই পলম কৰে সিমানেই ভাল পোৱা হলো। তাৰ কোনো মানুহৰ লগত কথা পাতিব লগীয়া নহলে মইয়ে তাক কিবা কিবি কৈ চুলি কটা প্রক্রিয়াটো যিমান পাৰো দীঘলীয়া কৰো।



এদিন মই চকুমুদি শুনি আছো জগদীশে কোনোবা এজনৰ লগত মাজে মাজে কথা পাতে। জগদীশে সেই দিনা এটা ভাল হাৱাইচাৰ্ট পিন্ধিছিল। সিজনে হাৱাই-চাৰ্টটোত ধৰি তাক খেজেলিয়াইছিল। জগদীশে আক্ষেপৰ সুৰত কৈছিল–আৰে ভাই আমি নাপিত। আমিতো নিকৃষ্ট মানুহ। আমি মানুহৰ দাড়ি-চুলি জাৱ্ৰা ছাফা কৰো। চুলিকটা শেষ হ'ল। মই জগদীশক কলো –তুমিতো নিকৃষ্ট মানুহ নহয়। তুমি উৎকৃষ্টই নহয় তুমি খুব ক্ষমতাশালী মানুহ। জগদীশে প্ৰশ্ন কৰিলে–কেইসে? মই কলো চুলি কাটি থাকোতে তোমাৰ দৰ্কাৰ মতে মানুহজনৰ ডিঙিত মূৰত আনকি কাণতো ধৰা। তেওঁতো একো আপত্তি নকৰে বৰং আজ্ঞাবহ ভৃত্যৰ দৰে মূৰ ঘূৰাই ঘাৰ বেঁকা কৰে। চেলুনৰ বাহিৰত এনে কাম কোনোবাই কৰিলে খান্ডবদাহ নহ'ব জানো। চেলুনত হাঁহিৰ খলকনি উঠিল।

এদিন পকা চুলি কলপ দিয়াৰ কথা ওলাল। তেওঁ তাৰ বিৱৰণ দিলে। সেইটো দেখোন এদিনৰ কাম নহয় কেইবা দিনো আহিব লাগিব আৰু খৰচো কম নহয়। শেষৰ দিন বেছি সময় নেলাগিব। আধা ঘন্টামান বহিলেই একেবাৰে পকা চুলি কেঁচা হ'ব আৰু ডেকা হৈ ঘৰলৈ ফিৰি যাব পাৰিব বুলি জগদীশে সজোৰে অভিমত দিলে। মই কলো–ঘৰত যদি মোক চিনি নেপাই খেদি দিয়ে মই ক'লৈ যাম তোমাৰ চেলুনত ৰাখিবা নেকি? জগদীশৰ সেই দিল খোলা হাঁহি।

সেই দিনা চেলুনত জগদীশ নাই। কিছুদিনৰ আগতে বিহাৰৰ ঘৰলৈ গ'ল ঘূৰি অহা নাই। তাৰ লগৰ জগন্নাথ আছে। ছিটত বহিলো, জগন্নাথে চুলি কটা আৰম্ভ কৰিলে। সিও একেই কথা চহকী ভলভলীয়া। ডঃ ৰাজেন্দ্ৰ প্ৰসাদৰ ঘৰ তাৰ ঘৰৰ পৰা পাঁচ মাইল দূৰত। এবাৰ ৰাজেন্দ্ৰ প্ৰসাদৰ এজন ল'ৰা বেংক ডকাইতিত ধৰা পৰিল। পুলিচে ৰাজেন্দ্ৰ প্ৰসাদলৈ টেলিফোন কৰিলে। স্বয়ং ৰাজেন্দ্ৰ প্ৰসাদে টেলিফোনত জবাব দি কলে–'কানুন কা মাফিক কাম কৰিব লাগে'। সকলোৰে কাৰণে একেই কানুন ইত্যাদি ইত্যাদি। লগতে বিহাৰৰ ইলেকশ্বনত হোৱা দাংগা হাংগামা হত্যাৰ কথা ওলাল। মই কলো বিহাৰৰ অতীত ইতিহাস অতি গৌৰৱময়। ইয়াতেই বুদ্ধই জ্ঞান লাভ কৰিছিল। ইয়াতেই জ্ঞান কেন্দ্ৰ নালন্দালৈ দুনীয়াৰ মানুহ জ্ঞান বিচাৰি আহিছিল। আৰু এতিয়া ৰেলগাড়ী বিহাৰত সোমোৱাৰ লগে লগে অৰাজকতা। বিহাৰী ৰেলযাত্ৰীয়ে কয় বিহাৰমে কই ক্লাছ নেহি হ্যায় চব এক ক্লাছ। জগন্নাথ আন্দাৰ মেট্ৰিক হেনো। সি কলে নালন্দা বিশ্ববিদ্যালয় আছিল। তাত অভিজাত সকলৰ হে শিক্ষা হৈছিল। আমাৰ নিচিনা নিম্নখাপৰ মানুহৰ শিক্ষা ব্যৱস্থা তেতিয়া নাছিল এতিয়াও নাই। গতিকে আমাৰ নিচিনা অশিক্ষিত মানুহেই বিহাৰত বেছি। শিক্ষিত আনকি মূধাফুটা সকল মুষ্টিমেয়। শিক্ষাদীক্ষা তেওঁলোকৰ আছুতীয়া সম্পত্তি। মাটি সম্পত্তি জমিদাৰ সকলৰ। তেওঁলোকৰ প্ৰত্যেকৰে লাগতিয়াল মাটি আছে। জগন্নাথৰ কেঁচি আৰু মুখ সমানে চলিছে আৰু অনৰ্গল কৈ আছে– নেতা সকলৰ ভিতৰত কোনো মাৰামৰি নাই। তেওঁলোকৰ অনুচৰৰ ভিতৰতহে মাৰামৰি। ইলেকশ্বনৰ পিছত তেওঁলোকে পাৰ্লিয়ামেন্টত বহি আমাক দেখুৱাই কাজিয়া কৰিব আৰু পিছত একেলগে ফুৰ্তি কৰি খানা খাব। এতিয়ালৈকে আমি এজন নেতাকহে মাৰা দেখিছো। তেওঁ হ'ল ইন্দিৰাজী। আৰু কোনোবা নেতাৰ খুন হবনে নহয় এতিয়াও কব নোৱাৰো। নহয় বুলি কব নোৱাৰো। মহাত্মা গান্ধীৰ নিচিনা মহাত্মা এজনক যদি প্ৰাৰ্থনা সভাতে মাৰিব পাৰে, কোনো নেতা বাচি যাব নোৱাৰে হিন্দুস্তানত।

ৰাজীৱ গান্ধীৰ হত্যাৰ খবৰটো আৰু মোৰ ছোৱালীজনীৰ প্ৰশ্নটোৱে জগন্নাথৰ কথাখিনিয়ে মোক মনত পেলাই দিলে। জগদীশ উপস্থিত থকা হেঁতেন বিহাৰৰ হত্যাক কেন্দ্ৰ কৰি সৰ্বভাৰতীয় নেতাৰ কি বিলৈ হ'ব তাৰ অভিনৱ মতামত দিলেহেঁতেন। এইটো ভাব মনলৈ অহাৰ কাৰণে জগদীশক চেলুনৰ মঞ্চত থিয় কৰালো।

লগতে মনত পৰিল কিছুদিনৰ আগতে ভাৰতৰ ৰাজনীতি বিষয়ে চিন্তা চৰ্চা কৰা এজন পৰ্যবেক্ষকৰ পৰ্যালোচনাটোলৈ। মোটামুটি তেওঁৰ কথাখিনি এনেকুৱা– ভাৰতৰ ৰাজনীতিৰ গতিধাৰা কোনফালে গতি কৰিছে তাৰ প্ৰত্যক্ষ প্ৰমাণ মহাত্মা গান্ধীৰ হত্যা কান্ডতে প্ৰকট হৈছে। ধৰ্মৰ নামত ভাৰত দ্বি খন্ডিত হ'ল। কোনোবাই অস্বীকাৰ কৰিব পাৰে কিন্তু আচলতে ভাৰতৰ স্বাধীনতাৰ জন্ম লগ্নতে কুগ্ৰহ সাম্প্ৰদায়িকতাৰ স্থিতি। নেহৰু পেটেলৰ জীৱন্ত কালতে সেই গ্ৰহ দোষে তাক সক্ৰিয় কৰিছিল। আৰু জাতীয় পিতা মহাত্মা গান্ধী তাৰ বলি হ'ল। মহাত্মা গান্ধীক এজন হিন্দুৱেই হত্যা কৰিলে। কিন্তু মহাত্মা গান্ধীতকৈ উৎকৃষ্ট হিন্দুনো বাৰু কেইজন আছিল?

এক শ্ৰেণীৰ মানুহে ভাবে মহাত্মা গান্ধী নেহৰুৰ কাৰণে স্বাধীনোত্তৰ ভাৰতৰ দুৰ্দশা হ'ল। তেওঁলোকে তেওঁলোকৰ আন্তৰ্জাতিক ভাবমূৰ্তি উজ্জ্বল কৰিবৰ কাৰণেই দেশৰ স্বাৰ্থ জলাঞ্জলি দিলে। যেহেতু ধৰ্মৰ ভিত্তিত দেশ বিভাজন হ'ল আৰু মুছলমানৰ কাৰণে পাকিস্তান হ'ল হিন্দুস্তান ভাৰতবৰ্ষত হিন্দুৰ প্ৰাধান্য যুক্তিপূৰ্ণ কথা। ধৰ্মৰ নামত বিভাজন মানিলৈ ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ কৰাটো পৰস্পৰ বিৰোধী কথা। সেই সকলে পাহৰি যায় যে ভাৰতত সকলো ধৰ্মৰ মানুহ আছে। বাংলাদেশত এতিয়াও দহ শতাংশ হিন্দু আছে। তেওঁলোকে নেজানে যে নেহৰু পেটেলে কেৱল হিন্দু-মুছলমানৰ প্ৰশ্নলৈয়েই বিভাজনত সন্মতি দিয়া নাছিল। প্ৰশাসনীয় সমস্যাইহে তেওঁলোকক এই পথ লবলৈ বাধ্য কৰিছিল। ১৯৪৭ চনৰ স্বাধীনতাৰ আগতে অবিভক্ত ভাৰতত বৃটিছে কংগ্ৰেছ মুছলিম লীগ সন্মিলিত চৰকাৰ গঠন কৰিছিল। বহুত আলোচনাৰ পিছত মুছলিম লীগৰ লিয়াকৎ আলি খানে বিত্ত দপ্তৰ আৰু কংগ্ৰেছৰ চৰ্দাৰ বল্লভ ভাই পেটেলে গৃহ দপ্তৰৰ ভাৰ লৈছিল। লিয়াকৎ আলি খানে অনতি পলমে নিজৰ দপ্তৰ নিজৰ অভিৰুচি মতে পুনৰগঠন কৰি ললে। সাধাৰণ পিয়ন এজনক চাকৰি দিবলৈ হলেও ফাইন্যান্সৰ মঞ্জুৰী লাগিব। সেইপাত অস্ত্ৰেৰে লিয়াকৎ আলি খানে প্ৰশাসন অচল কৰি দিলে। পেটেলে ভালকৈ বুজি পালে কংগ্ৰেছ মুছলিম লীগ, তেল পানীৰ দৰে অমিল। সেয়ে বিভাজনত সন্মতি দিয়া হ'ল।

প্ৰাক্ স্বাধীনতা কালৰ প্ৰায় চাৰিশ দেশীয় ৰজাই স্বাধীন ভাৰতত যোগ দিছিল। ক্ষতিপূৰণ হিচাপে তেওঁলোকক বৃহৎ পৰিমাণৰ ৰাজন্য ভাট্টা (Privy Purse) লগতে বহুত বিনামূলীয়া সা- সুবিধা দিয়া হৈছিল। ইন্দিৰা গান্ধীয়ে ৰাজন্য ভাট্টা বন্ধ কৰি দিলে। ইয়াৰ পিছতে বেংক আৰু জীৱন বীমা জাতীয় কৰণ কৰিলে। এই অৰ্থ সম্ভাৰ খিনি দেশৰ উন্নয়নমূলক কামত নিয়োজিত হ'ল। কিন্তু ইন্দিৰাই ইয়াৰ দ্বাৰা সমাজৰ দুটা গোষ্ঠীৰ স্বাৰ্থত আঘাত হানিলে আৰু এই দুটা পৰাক্ৰমী শক্তিৰ লগত ফেৰ পাতিলে। নেহৰু পৰিয়ালে বংশানুক্ৰমে ক্ষমতা দখল কৰা আৰু নিজে বঞ্চিত হোৱা বুলি ভবা এটা শ্ৰেণীও এই চক্ৰত অন্তৰ্ভুক্ত আছিল। এই মৰসাহৰ পৰিণামত ইন্দিৰাই নিজৰ বিপদেই নহয় তেওঁৰ চৈধ্য পুৰুষৰ বিপদ মাতি আনিলে।

প্ৰিভি পাৰ্চ কটা, বেংক জাতীয় কৰণ আদি সমাজবাদী ব্যৱস্থাত ইন্দিৰা পদে পদে বাধাগ্ৰস্ত হৈছিল। কেৱল ন্যস্ত স্বাৰ্থই নহয় ন্যায় পালিকাৰ পৰাও। ক্ষোভত তেওঁ কৈছিল সমাজৰ উন্নতি সাধন কৰা সকলোৰে কৰ্তব্য। ন্যায় পালিকাইও সহযোগ কৰিব লাগে। মংগলকামী ব্যৱস্থাবোৰৰ সংক্ৰান্তত প্ৰগতিশীল দৃষ্টিভংগী লব লাগে আৰু সেইমতে আইনৰ ব্যাখ্যা কৰিব লাগে গতানুগতিক ভাবে নহয়। ইয়াৰ প্ৰত্যুত্তৰ ন্যায় পালিকাই এই দৰে দিছিল– আমি সংবিধানৰ পৰিপ্ৰেক্ষিতত আইন ব্যাখ্যা কৰো। আমাৰ সংবিধান গণতন্ত্ৰৰ ভেটিত প্ৰতিষ্ঠিত। গতিকে আমি সদায় চাওঁ কোনো ব্যৱস্থা বা কাৰ্য সংবিধানৰ পৰিপন্থী নে অন্য কিবা। সমাজবাদী নীতিত আমাৰ অনাস্থা নাই। কিন্তু কোনো সমাজবাদী ব্যৱস্থা গণতান্ত্ৰিক নীতিৰ বিৰুদ্ধে গলে আমি তাৰ বিৰোধ কৰো। সমাজবাদ নীতি পৰিপোষক সংবিধান ৰচনা কৰক, আমি তদ্ৰুপ ব্যাখ্যা কৰিম।

ইন্দিৰাই সংবিধান সংশোধন কৰিহে ৰাজন্য ভাট্টাৰ বিলুপ্তিৰ দৰে ব্যৱস্থা বোৰ কাৰ্যকৰী কৰিব লগীয়া হৈছিল। তাৰ কাৰণে তেওঁ যথেষ্ট অসুবিধাৰ সমুখীন হ'ব লগীয়া হৈছিল। কিন্তু ইন্দিৰা গান্ধীয়ে অনন্য অৰ্থনৈতিক পদক্ষেপ ললে। অনন্য এই কাৰণে যে আগতে কোনেও এইটো কৰা নাছিল কোনোৱে ন্যস্ত স্বাৰ্থৰ খাতিৰত, কোনোৱে সৎসাহসৰ অভাৱত কৰা নাছিল যদিও সকলোৱে এইটো অৱশ্যেই কৰণীয় বুলি ভাবিছিল। কিন্তু দুৰ্ভাগ্যৰ কথা এই সুদূৰ প্ৰসাৰী পদক্ষেপৰ তাৎপৰ্য ব্যাখ্যাৰ কোনেও প্ৰয়োজন বোধ নকৰে–না বাতৰিকাকত না বুদ্ধিজীৱী। গ্লানিৰ অভিযান, ঘৃণাৰ পৰিবেশ সৃষ্টি আৰু অভিযোগৰ মায়াজালেৰে এনেবোৰ প্ৰশংসনীয় কামক ঢাকি ৰাখি সৰ্বসাধাৰণক সেই সকলে বিভ্ৰান্ত কৰে। স্বাধীন হোৱা ৪৩ বছৰ হল; কিন্তু ভাৰত ওপৰলৈ উধোৱাৰ পৰিবৰ্তে দিনে দিনে ৰসাতললৈ গৈ আছে। এই মন্ত্ৰ আওৰাওতাৰ অভাৱ নাই। ভাৰত স্বাধীন হোৱাৰ আগতে দুশ বছৰ বিদেশীৰ পৰাধীন হৈ আছিল। এই দুশ বছৰ এটাৰ পিছত এটাকৈ ক্ৰমান্বয়ে প্ৰায় ৪টা পুৰুষৰ শাৰীৰিক মানসিক অধঃপতন হৈ জাতীয় চৰিত্ৰ শূন্য ডিগ্ৰীৰ তলত গ'ল, অৰ্থনীতি চাৰখাৰ হ'ল। এই ৪৩টা বছৰ এটা জাতীয় জীৱনত তাকো দুশ বছৰ গোলামীৰ পাছত বৰ দীঘলীয়া সময় নহয়। সেই পৰিপ্ৰেক্ষিতত ৪৩ বছৰত যি হৈছে সি নগণ্য নহয়। এইবোৰ সত্য সৰ্ব সাধাৰণক অৱগত কৰিবলৈ প্ৰচেষ্টা নহয়। প্ৰিভি পাৰ্চ ঘূৰাই দিয়া, বেংক আদি অৰ্থনৈতিক অনুষ্ঠানবোৰ আকৌ ব্যক্তিগত সম্পত্তি কৰিলেই যেন ভাৰতত মৌ বৰষিব। কেন্দ্ৰীয় গবৰ্ণমেন্ট কিলৰ গাৰু। কেৱল নিন্দিয়াৰ অভিযোগ। দিয়া খিনিৰ শুদ্ধ হিচাপ কিন্তু পাবলৈ নাই।

ইন্দিৰা গান্ধীৰ হত্যাত কিছুমান শোকত ম্ৰিয়মাণ। কিছুমানে আনন্দত উৎফুল্ল হৈ ফটকা ফুটাইছিল আৰু ভোজভাত খাইছিল। ইন্দিৰাই কাৰ পান্নীখোৱা পুখুৰীত বিহ ঢালিছিল সেইটো এবাৰ বিচাৰি চাব নেলাগে জানো।

ইন্দিৰা গান্ধীৰ হত্যা ভাৰতৰ ৰাজনীতিৰ অন্য এটা মাইল খুঁটা। হত্যাকাৰীজন ইন্দিৰাৰ চিকিউৰিটি গাৰ্ড আছিল। দিন দুপৰতে তেওঁৰ নিজৰ ঘৰতে সেই গাৰ্ডজনে কৰ্তব্যৰত অৱস্থাত ইন্দিৰাক গুলিয়াই হত্যা কৰিলে। প্ৰাক্তন প্ৰধানমন্ত্ৰী বয়োজ্যেষ্ঠ গান্ধীবাদী মোৰাৰজী দেশাইয়ে হত্যাৰ খবৰটোৰ প্ৰতিক্ৰিয়া এনেদৰে প্ৰকাশ কৰিছিল–গা-ৰখীয়া কামটো বৰ বিপদজনক (Hazardous) কিয়নো গা-ৰখীয়াই নিজৰ প্ৰাণ দিও যাৰ-ৰক্ষক তাক ৰক্ষা কৰা পবিত্ৰ ধৰ্ম। কিন্তু ইন্দিৰা গান্ধীৰ ক্ষেত্ৰত, ৰক্ষক জনেই যাৰ কৰ্তব্য ইন্দিৰাক ৰক্ষা কৰা,তেওঁক হত্যা কৰিলে। এইটো কম পৰিতাপৰ কথানে?

হত্যাৰে কলংকিত ৰাজনীতিয়ে কেতিয়াবাই শাসন যন্ত্ৰত বহি লৈছে। উচ্চ বিষয়া সকলে অৱসৰৰ পাছত সক্ৰিয় ৰাজনীতিত যোগ দিছে। কোনোবা এটা ৰাজনৈতিক আদৰ্শৰ প্ৰতি আগ্ৰহ আছে বুলিয়েই তেওঁলোকে সেই আদৰ্শ প্ৰতিনিধিত্ব কৰা ৰাজনৈতিক দলত যোগ দিয়ে। সেই আদৰ্শ একে দিনাই ওপজা নাই। তাৰ জন্ম নিশ্চয় চাকৰিত থাকোতেই হৈছিল। ৰাজনৈতিক অভিলাষ থকা আৰু কোনো দলৰ প্ৰতি গোপনীয় আনুগত্য থকা অফিচাৰে নিঃস্বাৰ্থ ন্যায় সংগত আৰু সমভাবে ৰাইজৰ সেৱা আগবঢ়াইছিল বুলি বিশ্বাস কৰিব পাৰি জানো? তেওঁৰ ৰাজনৈতিক মতবাদ তেওঁৰ কৰ্ম পদ্ধতিত আৰু তলতীয়া কৰ্মচাৰীৰ ওপৰত প্ৰতিফলিত হোৱাৰ সম্ভাৱনা নুই কৰিব পাৰি জানো? ধৰি ললো অৱসৰৰ পাছতহে তেওঁৰ ৰাজনৈতিক লালসা হ'ল, তেতিয়া তেওঁৰ পূৰ্বৰ সহকৰ্মী সকলক প্ৰভাবিত কৰাৰ সম্ভাৱনা নুই কৰিব পাৰি জানো? মুঠৰ ওপৰত It is a vicious circle.

লুকুৱাই লাভ নাই যে ৰাজীৱ গান্ধী হত্যাৰ তদন্তত কিছু পৰিমাণে হলেও এইবোৰৰ প্ৰভাৱ পৰিব। খালিস্তান, এল টি টি ই সমস্যাৰ ভূমিকা বিবেচ্য হ'ব। কিন্তু নিৰ্বাচনৰ মাজত হোৱা ঘটনাটো নিৰ্বাচনৰ লগত যে বিশেষভাবে জড়িত সেই কথা বিবেচ্য হবনে? সূ


# কোকেইনঃ এক আত্মক্ষয়ী আসক্তি


ডাঃ ৰণেন পাঠক

এতিয়াৰ পৰা এক শতাব্দী আগতে আধুনিক মনোবিজ্ঞানৰ অন্যতম বাটকটীয়া চিগমাঁ ফ্ৰয়েদে (১৮৮৫ চন) তেওঁৰ অনুগামী ছাত্ৰ কিছুমানক এক বিশেষ গুণ বিশিষ্ট ৰাসায়নিক পদাৰ্থৰ চৰিত্ৰ ব্যাখ্যা কৰিছিল। ফ্ৰয়েদে নিজে এই পদাৰ্থ সামান্য পৰিমাণে (প্ৰতিদিনে ৫০-১০০ মিঃ গ্ৰাঃ) সেৱন কৰিছিল আৰু নিজৰ অভিজ্ঞতাৰ পৰাই তাৰ গুণৰ কথা বুজিব পাৰিছিল। তেওঁ কৈছিল কোকেইন সেৱন কৰিলে এক অপূৰ্ব, মধুৰ আৰু সুখকৰ মানসিক অৱস্থাৰ সৃষ্টি হয়। হতাশা আঁতৰি যোৱাৰ লগতে মনলৈ আহি পৰে সজীৱতা আৰু অফুৰন্ত কৰ্মপ্ৰেৰণা। ফ্ৰয়েদৰ নিজৰ লেখাত এই বুলি উল্লেখ আছে– "......I take very small dose of it regularly against depression with the most brilliant success. (The effects were) exhilarating and lasting euphoria which in no way differs from the normal euphoria of a healthy person ........... you perceive an increase in self control and possess more vitality and capacity for work..........." অৱশ্যে ফ্ৰয়েদৰ কোকেইন সেৱনৰ কাৰণটো আছিল সম্পূৰ্ণ সুকীয়া। মুখত হোৱা কেন্সাৰৰ বিষৰ বাবে জীৱনৰ শেষৰ ফালে তেওঁৰ বিস্তৃত অধ্যয়ন আৰু গৱেষণা কাৰ্যত যথেষ্ট বাধা আহি পৰিছিল। কোকেইনে বিষ-ব্যথাৰ অনুভৱ লোপ কৰি মানুহৰ কৰ্মশক্তি বৃদ্ধি কৰে হেতুকেই তেওঁ জীৱনৰ শেষৰ ফালে এই দ্ৰব্যটো সামান্য পৰিমাণে ব্যৱহাৰ কৰিছিল। এনেকৈয়ে ফ্ৰয়েদে Local Anasethesia কোকেইনৰ ব্যৱহাৰিতাৰ বিষয়েও উদ্ভাৱন কৰিছিল। শৰীৰৰ যি কোনো এটা অংশত অস্ত্ৰোপচাৰ কৰাৰ সময়ত সেই অংশটো স্থানীয় ভাৱে সংজ্ঞাহীন কৰিবৰ বাবে এসময়ত কোকেইন খুবেই ব্যৱহৃত হৈছিল। পৰৱৰ্তী কালত কোকেইনতকৈও অধিক কাৰ্যকৰী দ্ৰব্য আৱিষ্কাৰ হোৱাত চিকিৎসা বিজ্ঞানত এই দ্ৰব্যবিধৰ ব্যৱহাৰ তেনেই সীমিত হৈ পৰে। অৱশ্যে বিষনাশক হিচাপে এতিয়াও কেতিয়াবা মৰফিনৰ বিকল্প হিচাপে কোকেইন ব্যৱহাৰ কৰা হয়।

ৰহস্য কাহিনীৰ বিশ্ব সম্ৰাট চাৰ্লক হোমচৰ সৃষ্ট চৰিত্ৰ সমূহৰ মাজত দুই এজন কোকেইন সেৱীও দেখা যায়। লেটিন আমেৰিকাৰ লোকসকলৰ মাজত কোকেইনৰ ব্যৱহাৰ খুবেই জনপ্ৰিয়। বিশেষকৈ পেৰুবাসী সকলে অতীত কালৰে পৰা ক্লান্তিনাশক আৰু হৰ্ষদায়ক হিচাপে কোকেইনৰ পাত চোবাই আহিছে।

যি উদ্ভিদৰ পৰা কোকেইন আহৰণ কৰা হয় তাৰ বৈজ্ঞানিক নাম Erythroxylum coca. দক্ষিণ আমেৰিকা, ভাৰতবৰ্ষ, জাভা আদি দেশত এই উদ্ভিদ যথেষ্ট পৰিমাণে হোৱা দেখা যায়। কোকেইন এক বৰ্ণহীন, গোন্ধহীন Crystaltine পদাৰ্থ। ইয়াৰ সোৱাদ তিতা। ই শ্লেষ্মা আৱৰণী ( mucous membrane) মুহূৰ্ততে ভেদ কৰি স্নায়ুৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। সেয়ে কিছুমানে নাকেৰে শুঙিও ইয়াৰ নিচা লাভ কৰে। বেছিভাগে অৱশ্যে মুখেৰে খায় আৰু অধিক নিচাসক্ত সকলে ইয়াক ইনজেকশ্বনৰ দ্বাৰাই গ্ৰহণ কৰে। কোকেইনে গ্ৰাহক (Receptor) স্নায়ু বোৰ অৱশ কৰি পেলায়। সেই বাবে সেৱনকাৰী জন ক্লান্ত হৈ পৰিলেও বা কোনো আঘাত পালেও স্নায়ুবোৰে এই বিষয়ে মস্তিষ্কলৈ কোনো তথ্য প্ৰেৰণ নকৰে। ফলত ক্লান্তি বা বিষ একোৱে অনুভৱ নহয়; কাৰণ অনুভৱ কাৰ্যটো সম্পন্ন কৰে মস্তিষ্কইহে। আনহাতে কোকেইনে মস্তিষ্ককো উদ্দীপ্ত (Stimulate) কৰে। সেই হেতুকে কোকেইন সেৱী জনে (তেজত কোকেইনৰ এক নিৰ্দিষ্ট মাত্ৰা থকা লৈকে) ক্লান্তি অনুভৱতো নকৰেই বৰঞ্চ তেওঁ অধিক কৰ্মশক্তি আৰু আত্মবিশ্বাসহে অনুভৱ কৰে। এই কাৰণেই ক্ৰীড়াবিদ সকলৰ কোনো কোনোৱে গোপনে কোকেইন সেৱন কৰে বুলি শুনা যায়। অৱশ্যে কোকেইনৰ নিচা কাটি যোৱাৰ পিছত অৱসাদে জুমুৰি দি ধৰে আৰু কেতিয়াবা নৈৰাশ্যও আহি পৰে।





পেৰুৰ কোকেইনৰ খেতি

অতিমাত্ৰা কোকেইন সেৱনৰ ফলত বিষক্ৰিয়া (Poisoning) হৈ মৃত্যু ঘটিবও পাৰে। এই বিষক্ৰিয়াৰ লক্ষণ সমূহ দুই পৰ্যায়ত বিভক্ত কৰিব পাৰি। প্ৰথম পৰ্যায়ত উত্তেজনাৰ লক্ষণ সমূহ দেখা দিয়ে। ৰোগীৰ মুখ শুকাই যায় আৰু গোটা বস্তু গিলিবলৈ অসুবিধা হয়। শৰীৰত এক ধৰণৰ ৰমৰমণি অনুভৱ হয়। ক্লান্তি, হতাশা এইবোৰৰ নামলেশ পৰ্যন্ত নেথাকে। অলপ পিছত অস্থিৰতা আৰু উত্তেজনাৰ ভাব দেখা দিয়ে। ৰোগীয়ে অনৰ্গল কথা কৈ যায়। ইয়াৰ অলপ পিছত ৰোগী শান্ত, সমাহিত আৰু বিষণ্ণ হৈ পৰে। ধমনীৰ স্পন্দন দ্ৰুত আৰু ৰক্তচাপ নিম্নগামী হয়। দেহ ঘৰ্মসিক্ত আৰু ছালৰ ৰং ঈষৎ শেঁতা নীলা হৈ পৰে। চকুৰ মণি প্ৰসাৰিত হয়। শৰীৰৰ তাপ মাত্ৰা ১-২ ডিগ্ৰী বৃদ্ধি পায়। হাত ভৰি অৱশ অৱশ লাগে। নাক বা মুখ যি পথেৰে কোকেইন সেৱন কৰা হৈছিল সেয়া একেবাৰেই সংজ্ঞাহীন হৈ পৰিব পাৰে। বিষক্ৰিয়াৰ দ্বিতীয় পৰ্যায়ত অৰ্থাৎ দুই এক ঘন্টা পিছত ধমনী তেনেই ক্ষীণ হৈ পৰে। অতিপাত ঘাম ওলায়। শৰীৰ মাজে মাজে এচাৰ খাই উঠে। হৃদ স্পন্দন বা শ্বাসকাৰ্য বন্ধ হৈ ৰোগী মৃত্যু মুখত পৰে। কোকেইন সেৱনত অনভ্যস্ত লোক এজনে ১-১.৫ গ্ৰাম কোকেইন মুখেৰে সেৱন কৰিলে কেইমিনিট মানৰ ভিতৰতে মৃত্যু মুখত পৰিব পাৰে।

আধুনিক যুগত ড্ৰাগৰ প্ৰতি ইমান বেছি আসক্তি ঘটিছে কিয়? এই প্ৰশ্নটো পৃথিৱীৰ সৰ্বত্ৰ এক অতি গুৰুত্বপূৰ্ণ সামাজিক সমস্যা হিচাপে বিবেচিত হৈছে। সভ্যতা সংস্কৃতিৰ বিকাশৰ পথত ই এক অন্তৰায় হৈ পৰিছে। পণ্যকেন্দ্ৰিক সভ্যতাই আমদানি কৰা নিঃসংগতা আৰু বিচ্ছিন্নতাবোধ আধুনিক জীৱনৰ এক চিন্তনীয় দুৰ্বলতা। ইয়াৰ পৰিত্ৰাণ বিচাৰিও সুৰা, ড্ৰাগ আদিৰ প্ৰতি মানুহ বেছিকৈ আকৰ্ষিত হব পাৰে। ভোগ বিলাসৰ সন্ধানত দুৰন্ত প্ৰতিযোগিতামূলক জীৱনটোৰ পিছত দৌৰি ফুৰোতে আমাৰ বহুতে নিজৰ সতি সন্তানবোৰ জীৱনৰ স্বাভাৱিক প্ৰক্ৰিয়াৰ মাজেৰে লালিত পালিত হৈছে নে নাই তাক চকু দিবলৈ আহৰিয়ে নেপায়। পিতৃ মাতৃৰ সংগ সান্নিধ্য আৰু তেওঁলোকৰ পৰা আহৰণ কৰিব লগা ব্যক্তিত্বৰ নানা প্ৰয়োজনীয় উপাদান আঁহৰণত ব্যৰ্থ ল'ৰা ছোৱালীবোৰে আওবাটে যোৱাতো একো অস্বাভাৱিক নহয়। সমাজ খনেও বাঢ়ি অহা ল'ৰা ছোৱালীবোৰৰ সমুখত কোনো প্ৰভাৱশালী দৰ্শন বা আদৰ্শ দাঙি ধৰিব নোৱৰাটোও আজিৰ যুৱক যুৱতী সকলৰ মাজত দেখা দিয়া উচ্ছৃংখলতাৰ প্ৰধান কাৰণ।

ইংলেন্ড, আমেৰিকা আদি দেশৰ যুৱক যুৱতী সকলৰ মাজত কোকেইনৰ ব্যৱহাৰ দিনে দিনে বৃদ্ধি পাইছে। কৈশোৰিক উদ্ভন্ডালিত লিপ্ত বহুতো ল'ৰা ছোৱালী কোকেইন সেৱী বুলি পুলিচ আৰু চিকিৎসা কৰ্তৃপক্ষৰ পৰা প্ৰমাণ পোৱা গৈছে। আনকি অধিক পৰিমাণে কোকেইন সেৱন কৰি সেইবোৰ দেশৰ যুৱক যুৱতী বোৰে খুন, মাৰপিট বলাৎকাৰ আদি অপৰাধত লিপ্ত হোৱাৰ ঘটনা উত্তৰোত্তৰ বৃদ্ধি পাবলৈ ধৰিছে। যৌন উত্তেজক (Aphrodisiac) হিচাপেও কোকেইন দিনে দিনে জনপ্ৰিয় হবলৈ ধৰিছে। দৈহিক কাৰণতেই হওক বা মনস্তাত্ত্বিক কাৰণতেই হওক, যি সকলৰ যৌন শক্তি হ্ৰাস পাইছে তেনেলোকে যদি



কোকেইনৰ পাতৰ পৰা ৰস প্ৰস্তুত কৰা প্ৰণালী

এবাৰ কোকেইনৰ অভ্যাসত ধৰিছে তাৰ পৰা নিস্তাৰ পোৱা কঠিন। বাৰ্ধক্যজনিত কাৰণত জীৱনৰ হ্ৰাসমান উত্তাপৰ কথা পাহৰি থাকিবলৈ বা শৰীৰ ৰঞ্জিত কৰিবলৈকো ভাটি বয়সৰ লোকে কোকেইন ব্যৱহাৰ কৰিবলৈ লোৱা তথ্যও পোহৰলৈ আহিছে। মাদক দ্ৰব্য হিচাপে সৰ্বাধিক ব্যৱহৃত অপিয়ামৰ (মৰফিন, হেৰইন আদিৰ মূল উৎস) দৰে কোকেইনৰ নিচাও প্ৰায় ৫-৬ ঘণ্টামানলৈকে অনুভূত হয়। কিন্তু অপিয়ামে মস্তিষ্কক অৱশ কৰি দি নিচাসেৱী জনক তন্দ্ৰাচ্ছন্ন কৰি তোলে; আনহাতে কোকেইনৰ ক্ষেত্ৰত বিপৰীত ধৰণৰ ক্ৰিয়াহে হয়, অৰ্থাৎ মগজুক অধিক সক্ৰিয় আৰু সজীৱহে কৰে বাবে নিদ্ৰা ভাব আঁতৰি যায়। এই ক্ষেত্ৰত কোকেইন অন্য এক জনপ্ৰিয় ড্ৰাগ এম্‌ফিটামিন (Amphetamine)ৰ লেখীয়া। কোকেইনৰ সুখানুভূতি লাভ কৰাৰ প্ৰাক্ মুহূৰ্তত কিছুমানে মূৰৰ বিষ, মূৰ ঘূৰণি আৰু অস্থিৰতাও অনুভৱ কৰে। নিয়মিত কোকেইন সেৱনে আত্মনিয়ন্ত্ৰণ ক্ষমতা ক্ষয় কৰে। এই দ্ৰব্য সেৱনৰ ফলত দেখা দিয়া নৈতিক স্খলন অপিয়াম সেৱনৰ ফলত হোৱা নৈতিক স্খলনতকৈও মাৰাত্মক। যি কোনো ড্ৰাগাসক্ত লোকৰ দৰে কোকেইন সেৱী জনৰ চিন্তাও কেৱল কোকেইন কেন্দ্ৰিক হৈ পৰে। ইয়াৰ ফলত নিচাসেৱীজন দায়িত্বজ্ঞানহীন আৰু একেবাৰেই অনিৰ্ভৰযোগ্য হৈ পৰে। স্বাভাৱিকতে তেওঁ কোনো কামতেই একেৰাহে বেছি দিন টিকি থাকিব নোৱাৰে।



ৰাসায়নিক প্ৰক্ৰিয়াক কোকেইনৰ ৰস প্ৰস্তুত কৰা হৈছে

দিন যোৱাৰ লগে লগে কোকেইন সেৱনৰ মাত্ৰা বাঢ়ি যায়। মনোভ্ৰান্তিয়ে দেখা দিয়ে। দ্ৰব্যটোৰ প্ৰতি গঢ়ি উঠা এক মনস্তাত্ত্বিক দাসত্বই নিচাসেৱী জনৰ সামাজিক জীৱন পংগু কৰি পেলায়। দীৰ্ঘদিন কোকেইন সেৱনৰ ফলত উন্মাদনাৰ লক্ষণেও দেখা দিব পাৰে। 'কোকেইন বাগ' (Cocaine bug) বুলি এক বিশেষ ধৰণৰ মনোভ্ৰান্তি পূৰণি নিচাসেৱীৰ ক্ষেত্ৰত দেখা দিয়ে। এনেকুৱা হলে ৰোগীজনে গাৰ ছালৰ ওপৰত অনবৰতে পৰুৱা বগাই ফুৰা অনুভৱ কৰে।

আন কিছুমানে আকৌ গাৰ ছালৰ ওপৰত বালিৰ গুৰি পৰি থকা যেন অনুভৱ কৰে। নিচাৰ পৰিমাণ যিমানে বাঢ়ি যায় শৰীৰ মন জৰ্জৰিত হৈ পৰে।

কোকেইনৰ নিচাৰ পৰা উদ্ধাৰ কৰিবলৈ অন্যান্য 'ড্ৰাগ এডিকশ্বন'ত ব্যৱহাৰ কৰা এভাৰশ্বন্ থেৰাপি (Aversion Therapy) বেছ ফলপ্ৰসূ বুলি মনোবিজ্ঞানী সকলে কয়। এই পদ্ধতিত ৰোগীজনক এনে এবিধ ঔষধ সেৱন কৰিবলৈ দিয়া হয় যাৰ ফলত ৰোগীজনে কোকেইন সেৱন কৰিলেই মাৰাত্মক মূৰৰ বিষ, মূৰ ঘূৰণি, বুকুৰ ধপ্‌ধপনি আদি লক্ষণ তৎক্ষণাত দেখা দিয়ে।

এনেকৈ কিছুদিন অভিজ্ঞতা হোৱাৰ পিছত ৰোগীজনে কোকেইন দেখিলেই এক প্ৰকাৰৰ আতংক অনুভৱ কৰিবলৈ ধৰে। এনেকৈয়ে তেওঁ এই মাদক দ্ৰব্য বিধৰ চক্ৰবেহুৰ পৰা মুক্ত হয়। ড্ৰাগ আসক্তি আঁতৰাবলৈ 'গ্ৰুপ থেৰাপিও' (Group Therapy) প্ৰয়োগ কৰা দেখা যায়। এই ক্ষেত্ৰত একে সমস্যাযুক্ত ভালেমান লোকক একে লগ কৰি এটি দল গঠন কৰা হয়। এই দলটিক নিয়মীয়াকৈ অভিজ্ঞ মনোবিজ্ঞানীৰ দ্বাৰা নানা ধৰণৰ শিক্ষা দান কৰা হয় যাৰ ফলত তেওঁলোকে নিজৰ ব্যক্তিত্ব পুনৰ গঠন কৰিবলৈ নিজকে সহায় কৰিবলৈ সমৰ্থ হয়। এই পদ্ধতি দীঘলীয়া আৰু ইয়াত নানা গঠনমূলক আচৰণৰ প্ৰশিক্ষণ দিহে পুৰণি নেতিবাচক আচৰণবোৰ আঁতৰ কৰা হয়। মাদক দ্ৰব্য সেৱনৰ সমস্যাটো যিহেতু এক সামাজিক সমস্যা ইয়াক সমাধান কৰিবলৈ সমাজৰ সৰ্ব স্তৰৰ লোকেই আগবাঢ়ি আহিব লাগিব। পিতৃ-মাতৃ, শিক্ষক আৰু বন্ধু-বান্ধৱ, এওঁলোকেই মুখ্য ভূমিকা গ্ৰহণ কৰিব লাগে। সমাজ কল্যাণ কাৰ্যত নিয়োজিত স্বেচ্ছাসেৱী সংগঠন সমূহে বিশেষ প্ৰশিক্ষণ প্ৰাপ্ত লোকৰ পৰিচালনাত এই ক্ষেত্ৰত এক গুৰু দায়িত্ব বহণ কৰিব পাৰে।



এই মাৰাত্মক মাদক পদাৰ্থসমূহ





# মৃত্যুহীন প্ৰাণ ভেনগখ

হেমন্ত বৰ্মন




ভেন গখ প্ৰদৰ্শনীৰ এটি দৃশ্য

মৰণোত্তৰ আগ্ৰহ মনুষ্যত্বৰে প্ৰকাশ নহয় জানো? এই আগ্ৰহত মিহলি হৈ থাকে শ্ৰদ্ধা আৰু সময়ত প্ৰাপ্য সন্মান জনাব নোৱৰাৰ এক ব্যাথা। গুৱাহাটীৰ ৰাজ্যিক আৰ্ট গেলেৰীত মৃত্যুহীন প্ৰাণ ভিনচেন্ট ভেন গখৰ ছবিৰ প্ৰিন্টৰ প্ৰদৰ্শনীত দৰ্শকৰ উৎসাহ উদ্দীপনা দেখি এই চিন্তাই মনলৈ আহিছিল। জীৱন কালত মাথো এখন ছবি বিক্ৰী হোৱা ভেনগখৰ জীৱন আৰু সাধনা বিশ্ববাসীৰ বাবে আজি পৰম কৌতূহলৰ বিষয়। উপন্যাসোপম জীৱনৰ গৰাকী ভেনগখৰ জীৱন প্ৰেমৰ সন্ধানত সৃষ্টি হৈছে বহু গ্ৰন্থ আৰু ভালেমান চলচ্চিত্ৰ। হলেন্ডৰ এক পেষ্টৰ পৰিয়ালত ১৮৫৩ চনত জন্ম গ্ৰহণ কৰা ভেনগখৰ মৃত্যুৰো এশ বছৰ পূৰ হ'ল। কিন্তু তেওঁৰ জীৱন স্পৃহা আৰু মানৱীয় বীক্ষাৰ অন্বেষণ আজিও মানুহৰ পৱিত্ৰ দায়িত্ব ৰূপে চিহ্নিত। গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ উদ্যোগত ললিত কলা একাডেমীৰ সহযোগত ভিনচেন্টৰ ৩৮ খন চিত্ৰৰ প্ৰদৰ্শিত প্ৰিন্ট উষ্ণমানৰ নহয় বা সেই কেইখন প্ৰিন্টৰ জৰিয়তে গখৰ চিত্ৰকৰ্মৰ পৰিধি আৰু আবেগ মথিত' প্ৰকাশক উপলব্ধি কৰা সম্ভৱ নহয় যদিও এই প্ৰদৰ্শনীয়ে অসমৰ দৰে পিছপৰা আৰু আওহতীয়া ঠাইৰ দৰ্শকৰ মনত তোলা খলকনিহে অনুধাৱন যোগ্য। গীল্ডে এই প্ৰদৰ্শনীৰ লগতে গখক শ্ৰদ্ধাঞ্জলি জনাই এক আলোচনা সভাৰো আয়োজন কৰিছিল। এই সভাত কবি নীলমণি ফুকন, হোমেন বৰগোহাঞি আৰু নৱকান্ত বৰুৱাই স্বকীয় ভাবনাৰে গখক দৰ্শকৰ সন্মুখত উপস্থিত কৰাইছিল। আলোচনা সভাত দৰ্শকৰ উপস্থিতি আছিল উৎসাহজনক। মৃত্যুৰ এশ বছৰ পিছতো এগৰাকী শিল্পীৰ জীৱন স্পৃহা আৰু কৰ্মই কিদৰে মানুহক আলোড়িত কৰিব পাৰে এয়া তাৰেই প্ৰকাশ। আমাৰ সাংস্কৃতিক জীৱনৰ ই এক উল্লেখযোগ্য ঘটনা। মুক্ত এনে বাতাবৰণে ৰুদ্ধশ্বাস আমাৰ বৌদ্ধিক জীৱনলৈ অম্লজান কঢ়িওৱাৰে সংকেত নহয় জানো।

সৃষ্টিৰ উদ্দাম উন্মাদনাই ভেনগখৰ চিত্ৰক বোধ আৰু বৰ্ণেৰে সমৃদ্ধ কৰাই নহয়, সৃজন আৰু মননৰ এই প্ৰক্ৰিয়াত নিহিত আছে উথলি উঠা আবেগৰ প্ৰলেপ–সময়ত ই সাগৰৰ ঢৌৰ দৰে গৰ্জি উঠে, সময়ত শান্ত ৰূপত জীৱন জোনাকৰ ঢল নমায়। দৃষ্টিৰে মগজু প্ৰক্ষালি গখৰ সৃষ্টি কৰ্মই প্ৰৱেশ কৰে হৃদয়ত। দুৰন্ত জীৱন যাত্ৰা আলোড়িত আবেগ আৰু জীৱন মন্থিত বৰ্ণৰ প্ৰচ্ছায়াত আজিও গখৰ আত্মা উদ্দীয়মান। মনুষ্যত্বৰ ইতিহাসত ভিনচেন্টৰ সৃষ্টিৰ সেয়েহে ইমান আদৰ।

মূল চিত্ৰৰ সলনি ছবিৰ ৰঙীন প্ৰিন্ট চাই হোৱা আমাৰ চাক্ষুষ অভিজ্ঞতা হয়তো পূৰ্ণ নহয় তথাপিতো মৰ্মত প্ৰৱেশ কৰাৰ ইয়েই হ'ল নঙলা মুখ। ১৪-ৰ পৰা ১৮ মে'লৈকে গুৱাহাটীত প্ৰদৰ্শনীৰ জৰিয়তে ভিনচেন্ট



শ্যাম কানুৰ 'বিষ্ট'

ভেন গখলৈ শ্ৰদ্ধাঞ্জলি যচাৰ সুযোগ দিয়াৰ বাবে গুৱাহাটী আৰ্টিষ্ট গীল্ড নিঃসন্দেহে ধন্যবাদৰ পাত্ৰ।

## আৰণ্যক উদ্দামতা

শ্যাম কানুৰ নিষ্ঠা আৰু পৰ্যবেক্ষণ আছে। আছে তাক প্ৰকাশ কৰাৰ ক্ষমতা। চিত্ৰৰ আবেদনো আছে–ই দৰ্শকক সচকিত কৰে, নিজক চিকুটি চোৱাৰ অৱকাশ দিয়ে। আত্ম জিজ্ঞাসাৰ এই ভাবৰ সঞ্চাৰ কোনো ৰাজনৈতিক বা সামাজিক staementৰ পৰা উদ্ভূট নহয়। মানুহৰ মাজত সততে বিৰাজ কৰা কিছু প্ৰবৃত্তিৰ আদিম অভিব্যক্তি ইয়াৰ উৎস। জান্তৱ এক পৰ্যায়ৰ পৰা আজিৰ মানুহৰ সভ্য সংস্কৃত ৰূপৰ বিৱৰ্তনলৈকে মানুহৰ ইতিহাসৰ এক সুদীৰ্ঘ পৰিক্ৰমা জীৱ জগতৰ মূল কিছু প্ৰবৃত্তি আজিও সংস্কৃত আবৰণে ঢাকিব পৰা নাই। তাৰ তীব্ৰতা, বলিষ্ঠতা আৰু গাঢ়তা আদিম ব্যঞ্জনাৰে সিক্ত। মানুহৰ মাজত সুপ্ত হৈ থকা এনে অভিব্যক্তিকে শ্যামকানু বৰঠাকুৰে জন্তুৰ মাধ্যমেৰে প্ৰকাশৰ বাট বিচাৰি দৰ্শকক মনগহনৰ এখন আদিম পৃথিৱীৰ লগত মুখামুখি কৰাইছে। তেওঁৰ "বিষ্ট" চিৰিজৰ চিত্ৰ সমূহ– উদ্দেলিত কামনা, হিংস্ৰতাৰ ব্যাপ্তি, আদিম অস্তিত্বৰ সংজ্ঞাবাহী ইংগিত স্পষ্ট। অংকন ৰীতিও সাৱলীল, ফৰ্মৰো কোনো কাৰচাজি নাই। মাথো কেনভাচত মূৰ্ত্ত হৈছে এক আদিম অভিব্যক্তি, অংকন ৰেখাৰ সংঘৰ্ষ ধৰ্মিতা মাথো জান্তৱ প্ৰকাশৰ সীমিত প্ৰয়োগ নহয়। ইয়াৰ ফলত তেওঁৰ ছবি অন্য এক আয়তনৰ অধিকাৰী হৈছে–যি আৰণ্যক উদ্দামতা আৰু মনুষ্যত্বৰ সংগমস্থল ৰূপে চিহ্নিত। অন্যথা বৰ্বৰতাই মানৱতাক গ্ৰাস কৰাৰ সম্ভাৱনাই বেছি নহয় জানো। পৰিচ্ছন্ন নিটোল ৰঙৰ ব্যৱহাৰৰ মাজত জীৱনৰ এই ৰূপ অংকন এক কঠিন কাম– তাতোকৈ কঠিন সংস্কৃত বুলি দাবী কৰা জীৱনৰ আদিৰূপী প্ৰকাশক সংহত ৰূপ দিয়া। সুখৰ কথা শ্যাম কানুৰ নিষ্ঠা আৰু প্ৰয়াসত ইয়াৰ চিহ্ন আছে।

৭ৰ পৰা ১০ মে'লৈকে ৰাজ্যিক আৰ্ট গেলেৰীত অনুষ্ঠিত শ্যাম কানুৰ প্ৰদৰ্শনীৰ পৃষ্ঠপোষক আছিল সাংস্কৃতিক সঞ্চালকালয়। □ সূ

# ওৰণি তলৰ সাম্প্ৰদায়িকতা অতি বিপদজনক

যতীন্দ্ৰ কুমাৰ বৰগোহাঞি

ইতিহাসৰ বিভিন্ন বিষয়ৰ ওপৰত বিতৰ্কৰ প্ৰয়োজন নথকা নহয়। কিন্তু বিতৰ্কৰ নামত কিছুমান 'অসত যুক্তি'ৰে পৰিচালিত লোকে মানুহৰ পিঠিত 'লেবেল' আঁৰিবলৈ অপচেষ্টা কৰিলে তাৰ দ্বাৰা লাভতকৈ লোকচানহে অধিক হোৱাৰ ভয় আছে।

মই নিজে 'ধাৰাবাহিক বুৰঞ্জী' নহয় বুলি পাতনিতে উল্লেখ কৰা এখন গ্ৰন্থৰ ৰচক হিচাপে ব্যক্তিগত ভাবে মোক সাম্প্ৰদায়িক বুলি অভিহিত কৰিবলৈ কিছুমান ভিত্তিহীন কথাৰ বকলা মেলা আৰু 'সূত্ৰধাৰ'ৰ দৰে এখন আলোচনীৰ পাতত সেইবোৰ ছপোৱা দেখি মই বিচূৰ্তি খাইছো আৰু ভাবিবলৈ বাধ্য হৈছো যে এইবোৰ আচলতে বিতৰ্ক নহয়– কুতৰ্ক। বিতৰ্কত মানুহে জ্ঞানৰ পোহৰেৰে সকলো উদ্ভাসিত হওক বুলিহে প্ৰশ্নৰ অৱতাৰণা কৰে। কিন্তু কুতৰ্কত 'লেবেল' এখন লৈ ফুৰা হয়। আৰু কাল্পনিক প্ৰতিপক্ষ এটা বিচাৰি ফুৰা হয়।

প্ৰথমে মোক উগ্ৰ আহোম সাম্প্ৰদায়িকতাবাদী বুলি আক্ৰমণ চলাই, তাৰ পিছত ১-১৫ মে' (৯১)-ৰ সূত্ৰধাৰত শ্ৰীলক্ষী তামুলীয়ে তেওঁ মোৰ ছাত্ৰাবাসৰ সহবাসী আৰু এসময়ৰ সহকৰ্মী আছিল বুলি মোৰ ব্যক্তিগত জীৱনৰ এটা সূত্ৰ সূত্ৰধাৰত দাঙি ধৰিবলৈ কৰা চেষ্টা মই অপ্ৰাসংগিক বুলি ভাবো। শ্ৰীতামুলীৰ ব্যক্তিগত বিষয়লৈ মই চিন্তা কৰাৰ হেতু নাই। প্ৰমাদী মদমত্ত পুৰুষৰ দৰে লেবেল আঁৰিবলৈ চেষ্টা নকৰা হলে মই শ্ৰীতামুলীৰ লেখা পঢ়ি উত্তৰো নিলিখিলোহেঁতেন। কিন্তু মোৰ বন্ধু-বান্ধৱ সকলে ইমান জোৰ দি ধৰিছে যে এটা উত্তৰ দিবলৈ বাধ্য হলো।

শ্ৰীতামুলীৰ প্ৰশ্নবোৰত এটা বিশেষ সুৰ আছে। গ্ৰন্থখনৰ মূল প্ৰতিপাদ্য বিষয়ৰ লগত প্ৰশ্নবোৰৰ সম্পৰ্ক গৌণ, প্ৰশ্নবোৰৰ উত্তৰ যি ধৰণৰে নহওক কিয় মোৰ ৰাজতন্ত্ৰ সম্পৰ্কে চিন্তাৰ ওপৰত সেইবোৰে প্ৰভাৱ পেলাব নোৱাৰে। কিন্তু শ্ৰীতামুলীৰ সুৰটোত এটা ওৰণি তলৰ হাঁহি লুকাই আছে আৰু সেই হাঁহিৰ এটা পৰিচয় আছে।

তেওঁ প্ৰথম প্ৰশ্নৰ অৱতাৰণা কৰি উত্তৰো দিছে নিজা সিদ্ধান্ত এটাৰে। তেওঁৰ সাধনালব্ধ সিদ্ধান্ত অনুসৰি মই গ্ৰন্থ তালিকাত নাম উল্লেখ কৰা গ্ৰন্থবোৰ 'আধাৰহীন'। এতিয়া প্ৰশ্ন হ'ল মই তালিকাত উল্লেখ কৰা গ্ৰন্থসমূহৰ নাম পাঠকসকলে জানো জানে? মোৰ গ্ৰন্থখনৰ প্ৰচাৰ সিমান বহল ভাবে হোৱাও নাই। মই তালিকাত উল্লেখ কৰা গ্ৰন্থবোৰৰ ভিতৰত আছে হেমিল্টনৰ Account of Assam, জে পি ৱেদৰ An Account of Assam, ৰবিনচনৰ Descriptive Account of Assam, A. J. Moffatt Mills-ৰ Repoul on the Province of Assam, হান্টাৰৰ Statistical Account of Assam, এইচ কে বৰপূজাৰীৰ Assam in the Days of Company, এন কে বসুৰ Assam in the Ahom Age, ড০ সূৰ্য কুমাৰ ভূঞাৰ Anglo-Assamese Relations, ড০ পদ্মেশ্বৰ গগৈৰ The Tai and the Tai Kingdoms আৰু Tai Ahom Religion and Customs, সৰ্বানন্দ ৰাজকুমাৰৰ ইতিহাসে সোঁৱৰা ছশটা বছৰ, ডি এন ডি গোস্বামীৰ Geology of Assam, সূৰ্য কুমাৰ ভূঞা সম্পাদিত অসম বুৰঞ্জী, দেওধাই অসম বুৰঞ্জী, তুংখুঙীয়া বুৰঞ্জী, কছাৰী বুৰঞ্জী, জয়ন্তীয়া বুৰঞ্জী, সাতসৰী অসম বুৰঞ্জী, হৰকান্ত বৰুৱা সদৰামিনৰ বুৰঞ্জী, Catalogue of the Provincial coin Cabinet, Assam XX X IV তীৰ্থনাথ শৰ্মাৰ আউনিআটি সত্ৰৰ বুৰঞ্জী, বেণুধৰ শৰ্মাৰ দক্ষিণপাট সত্ৰৰ বুৰঞ্জী, ড০ মহেশ্বৰ নেওগ সম্পাদিত শ্ৰীমন্ত শংকৰদেৱ, মায়ামৰা সত্ৰ সমাজ, ভাষণ আৰু প্ৰবন্ধ, মহাপুৰুষ শ্ৰীশ্ৰী বংশীগোপালদেৱ চৰিত, দিহিং সত্ৰৰ বুৰঞ্জী, ড০ সূৰ্য কুমাৰ ভূঞাৰ স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ, লাচিত বৰফুকন, নাওবৈচা ফুকনৰ বুৰঞ্জী, স্বৰ্গীয় হিতেশ্বৰ বৰবৰুৱাৰ আহোমৰ দিন, Aton Buragohian and his times, সুনীতি কুমাৰ চেটাৰ্জীৰ The place of Assam in the History and Civilization of India, D.G.E, Hall-ৰ A History of South East Asia, হেৰিছনৰ South East Asia আদি গ্ৰন্থ। শ্ৰীতামুলীয়ে এই সকলোবোৰকে আধাৰহীন বুলি অভিহিত কৰিছে। মই নাই কৰা। কাৰণ, বিভিন্ন গ্ৰন্থৰ তথ্য-পাতিৰ গড় মিল থকাটো একো নতুন আৰু আচৰিত কথা নহয় আৰু সকলো গ্ৰন্থকে আধাৰহীন বুলিব পৰাকৈ হাতী পন্ডিত মই এতিয়াও হোৱা নাই। এজন সাধাৰণ যুক্তিৰে পৰিচালিত মানুহ হিচাপে মই নিজা বক্তব্যহে দাঙি ধৰিছো। শ্ৰীতামুলীয়ে নিজা যুক্তি দাঙি ধৰক। তাত মোৰ কব লগা একো নাই।

শ্ৰীতামুলীয়ে আন কিছুমান প্ৰশ্ন তুলিছে চুকাফাৰ ৰাণী তিনি গৰাকীৰ বিষয়ে, চুকাফাৰ লগত অহা পৰিয়াল আৰু বংশ সম্পৰ্কে আৰু চুকাফাৰ পিছত অহা তাই জনগোষ্ঠীৰ লোক সম্পৰ্কে।

চুকাফাৰ ৰাণী তিনি গৰাকীৰ ঠাইত যদি এগৰাকী হয় বা দহ গৰাকীও হয় নাইবা যদি চুকাফাই বিবাহ কৰা নাছিল বুলিও ভবা হয়–তথাপি মোৰ গ্ৰন্থখনৰ তত্ত্বগত দিশটোত সি প্ৰভাৱ বিস্তাৰ নকৰে। চুকাফাই লগত তিৰী আনিলেও সি চুকাফাৰ সমন্বয়মুখী চৰিত্ৰৰ পৰিবৰ্তন সাধন নকৰে।

চুকাফাৰ পত্নীৰ কথাটো মই ড০ পদ্মেশ্বৰ গগৈৰ The Tai and the Tai Kingdoms গ্ৰন্থৰ পৰা দিছো। তেওঁ উল্লেখ কৰিছে– It is also said that there come with Hso'-Ka'-Hpa' his three wives including the chief queen and they were Ai-Me-Chao-Lo, Na'ny-Sheug-Chum-Hpa', of these Ai-Me'-chao-Lo' was probably his chief queen. পদ্মেশ্বৰ গগৈৰ গৱেষণাক সাম্প্ৰদায়িক বুলি ভবাৰ মই কাৰণ দেখা নাই। নিজ ৰাজ্যত ওঠৰ বছৰ শাসন কৰাৰ পিছত ৰাজ্য এৰি অহা চুকাফা বিবাহিত আৰু ৰাণীসহ অহাটো একো অসম্ভৱ কথাও নহয়। শ্ৰীতামুলীয়ে কোনো আধাৰ থকা বুৰঞ্জীৰ পৰা চুকাফাৰ বিবাহ সম্পৰ্কে আন তথ্য-পাতি দিলে ভাল পাম।

কোনো কোনো বুৰঞ্জীত চুকাফাৰ পত্নীৰ সংখ্যা সম্পৰ্কে দ্বিমত আছে। কিন্তু আহোমে তিৰী লগত অনা নাছিল বুলি ভবা লোকৰ সংখ্যাও কম নহয়। তেওঁলোকে চুকাফায়ো পত্নী লগত অনা নাছিল বুলি মত প্ৰকাশ কৰা একো নতুন কথা নহয়। মই ভাবো এই বিষয়টোৱে ৰাজতন্ত্ৰৰ মৌলিক চৰিত্ৰ সলনি নকৰে। মৰাণ, বৰাহী তথা চুতীয়া মানুহখিনিৰ লগত সেই যুগত বিবাহৰ ক্ষেত্ৰত মৌলিক পাৰ্থক্য বিচাৰি ফুৰাটো আজিৰ অসমৰ মানুহৰ দৰে সাধাৰণ নিয়ম আছিল বুলি ভবাটো সংগত নহয়। তেনে প্ৰয়োজন নিজৰ পূৰণি পিতৃভূমি এৰি অহা মানুহখিনিৰ হৈছিল বুলি কব পৰা নাযায়।

মোৰ এটা উদ্ধৃতি দি শ্ৰীতামুলীয়ে কৈছে চুকাফাই আক্ৰমণ কৰাৰ তথ্য দিব পাৰিবনে? আক্ৰমণ শব্দটোৱে ৰাজনৈতিক অৰ্থত ছল আৰু বল প্ৰয়োগ কৰি–শাৰীৰিক আৰু মানসিক ভাবে কৰা সকলো ধৰণৰ প্ৰচেষ্টাকে বুজায়– যি আন ব্যক্তি তথা জন-সমষ্টিৰ অধিকাৰ আৰু স্বাধীনতা খৰ্ব কৰে। সৌমাৰত প্ৰবেশ কৰা চুকাফা অকল বিদেশীয়েই নাছিল, আক্ৰমণকাৰীও আছিল। এই ক্ষেত্ৰত আহোমে ৰচনা কৰা বুৰঞ্জীতে বিস্তৰ তথ্য আছে। খামজাঙত ৰাজ্য পতাৰ আগতে চুকাফাই সমীপৰ সৰু সৰু ৰাজ্যবোৰত আক্ৰমণ চলাইছিল। খামজাঙৰ পৰা ভটিয়াই দৈ-কাও-ৰাঙত শিবিৰ পাতি চুকাফাই নগাসকলক আক্ৰমণ কৰি তেওঁলোকৰ গাঁওবোৰ ধ্বংস কৰিছিল। ইয়াত প্যাপুক, টেংখাম, খুনখাত, খুনতেং, টেংচিং আৰু জাখাং গাঁৱৰ নগাসকলক আক্ৰমণ কৰি তেওঁলোকৰ গাঁওবোৰ ধ্বংস কৰিছিল বুজি জনা যায়। স্বৰ্গীয় গোলাপ চন্দ্ৰ বৰুৱাই অনুবাদ কৰা তাই বুৰঞ্জী মতে নগা গাঁওবোৰত আক্ৰমণ চলাই শাৰীৰিক ,আৰু মানসিক ভাবে নগাক বিপৰ্যস্ত কৰিবৰ বাবে নৰ মাংস পৰ্যন্ত ভক্ষণ কৰোৱাইছিল। "A great number of the Nagas was killed and many were made captives. Some Nagas were cut to pieces and their fleshes cooked. Then the king made a younger brother eat the cooked flesh of the elder brother and a father of his sons. (আহোম বুৰঞ্জী, ৰায় চাহাব গোলাপ চন্দ্ৰ বৰুৱা অনূদিত, ১৯৩০, পৃঃ ৪৫) ৰায় চাহাব গোলাপ চন্দ্ৰ বৰুৱা আহোম নাছিল, তেওঁ আছিল তাই ভাষা কেইবা গৰাকীও বাইলুং পন্ডিতৰ পৰা শিকি তাই ভাষাৰ বুৰঞ্জী অনুবাদ কৰা এজন নিৰ্ভৰযোগ্য পন্ডিত। উক্ত বুৰঞ্জীত চুকাফাৰ আক্ৰমণৰ প্ৰস্তুতি সম্পৰ্কে আৰু যুদ্ধ সম্পৰ্কে বোধগম্য আভাস আছে। চুকাফাই নগা গাঁওবিলাকত এনে আক্ৰমণ কৰাৰ আৰু অত্যাচাৰ কৰাৰ উদ্দেশ্য আছিল। উক্ত বুৰঞ্জী মতে "The inhabitants of the other villages being very much afraid acknowledged his subjugation". (পৃঃ ৪৫) চুকাফা আক্ৰমণকাৰী আছিল বাবেই নামফাং নদীৰ কাষত ঘাটৰ সংখ্যা বহু বেছি দেখি ভীতিগ্ৰস্তও হৈছিল। কিন্তু চুকাফা আক্ৰমণকাৰী আছিল যদিও তেওঁৰ বিজেতাৰ গৰ্ব নাছিল, আছিল নিৰ্মাতা-বিজেতাৰ মহানুভৱতা, যি মহানুভৱতা নতুন ৰাজ্য প্ৰতিষ্ঠা কৰা ইতিহাসৰ প্ৰায়বোৰ আক্ৰমণকাৰীৰ চৰিত্ৰতে দেখা যায়। তেনে মহানুভৱতা নাথাকিলে নতুন ৰাজ্য প্ৰতিষ্ঠা কৰাটো সম্ভৱো নহয়।

শ্ৰীতামুলীয়ে চুকাফা পাতকাই পাৰ হৈ আহোতে লগত কোন কোন সম্ভ্ৰান্ত বংশৰ লোক আহিছিল বুলি প্ৰশ্ন কৰিছে। এই ক্ষেত্ৰতো 'আহোম বুৰঞ্জী' আৰু দেওধাই অসম বুৰঞ্জী অনুসৰি তথ্য দিব পাৰি। আহোম বুৰঞ্জী অনুসৰি পাঁচখন শান ৰাজ্যৰ পৰা চুকাফালৈ সাহায্য আহিছিল। সেই ৰাজ্যসমূহ আছিল মুং-কান, মুং-ক্ৰুদাই, মুং-কা-মুং-পুন, মুং-ফু আৰু মু-লি। তেওঁৰ লগত কিছুমান বিষয়া আহিছিল তাৰ ভিতৰত কুন-বা, কুন-ফ্ৰাং, কুন-ৰিং, কুন-

চেং, কুন-ফ্-কিন– এই পাঁচজন প্ৰধান। (গোলাপ চন্দ্ৰ বৰুৱা অনূদিত আহোম বুৰঞ্জীৰ তৃতীয় অধ্যায় আৰু পঞ্চম অধ্যায় দ্ৰষ্টব্য)

এই প্ৰসংগত ড০ পদ্মেশ্বৰ গগৈয়ে মত প্ৰকাশ কৰিছেঃ "All these chiefs and nobles cast in their lot with Hso"-Ka'-Hpa' and quitted their countries for good and therefore could not have left their families behind to the mercies of their enemies." (The Tai and the Tai Kingdoms, পৃঃ ২৫৭) প্ৰায় সকলো পুৰণি বুৰঞ্জীয়ে প্ৰকাশ কৰা মত অনুসৰি দেওধাই আৰু মহন সকলৰ উপৰি পুৰুষ পুৰোহিত শ্ৰেণীও চুকাফাৰ লগত আহিছিল। এইসকল হল থাও-মুং-লুংকাং, থাও-খেন-লুং, থাও-মুং বান-বাই, চাও ফ্ৰাং, থাও-মুং-মাছাম আৰু থাও-মুংমাছাই। থাও-মুং মাছাম আৰু থাও-মুং-মাছাই– পুৰোহিত শ্ৰেণীৰ লোক বুলি জনা যায়। ইয়াৰে ভিতৰত থাও-মুং-বান-ৰাইক বুঢ়াগোহাঞি আৰু থাও-মুং-কাংনানক বৰগোহাঞি পাতিছিল বুলি জনা যায়। প্ৰকৃততে বুঢ়াগোহাঞি, বৰগোহাঞি আদি শব্দ কুনহাঞৰ অসমীয়া ৰূপ।

চুকাফাই পাতকাই পাৰ হৈ সৌমাৰত সোমোৱাৰ আগতে খামজাঙত ৰাজ্য পাতিছিল। খাম-জাং পাৰ হৈ সৌমাৰত সোমোৱাৰ আগতে দৈ-বাও-ৰাঙত শিবিৰ পাতিছিল। খামজাঙৰ পৰা ভটিয়াই আহোতে লগত অনা কিছুমান পৰিয়ালৰ নাম আহোম বুৰঞ্জীত পোৱা যায়। সেইবোৰ হল থাও-মুং-খুন-তাং, থাও-মুং-কে-খাম, থাও-মুং-খুন-তা-লা, থাও-মুং-খুন-তাই-ৰেন, পাঁচটা কালাঞ্চু পৰিয়াল, লান-তাং-মুং আৰু লান-ফি-মা পৰিয়াল। পিছত খামজাঙৰ পৰা আহি মাৰ্ঘেৰিটাৰ ওচৰে পাঁজৰে বাস কৰা লোকসকলক খামজঙীয়া বোলে। চুকাফাই যি ঠাইত বসবাস কৰিছিল (যেনে খামজাং) তাত বিষয়া পাতি খাট-পাম পাতিহে ভটিয়াই আগ বাঢ়িছিল। নিজৰ উপযোগী খাট-পামত বংশ পৰিয়ালৰ লোকক প্ৰতিষ্ঠা কৰাটো সম্ভৱ আছিল।

তাই সকলৰ আগমন কেৱল চুকাফাৰ দিনতে হৈছিল বুলি বুৰঞ্জীৰ পাঠ্যপুথিত পোৱা যায়। কিছুমান বুৰঞ্জীয়ে চুকাফাৰ আগতেই তাই আক্ৰমণ হোৱাৰ কথা কয়। প্ৰকৃততে তাই সকলৰ প্ৰব্ৰজন চুকাফাৰ আগে পিছেও হোৱাৰ সংগত কাৰণ আছিল। কুৰি শতিকাৰ আগ ভাগলৈকে মান-তাই লোকৰ সৰু সুৰা প্ৰব্ৰজন চলিয়েই আছিল বুলি পিছত অহা মান-তাই জনগোষ্ঠীৰ নগা পাহাৰৰ দাঁতি, অৰুণাচল, কাৰ্বি আংলঙত থকা অস্তিত্বই প্ৰমাণ কৰে। ১২১৫ চনত মুগাউঙৰ তাই শাসন কৰ্তা চাম-লুং-কাৰ নেতৃত্বত মণিপুৰ, খামতি ৰাজ্য আৰু সৌমাৰত আক্ৰমণ চলা বুলি নেই এলিয়াচৰ Introductory Sketch of the History of shans in Upper Vurma and West Yunnan-ৰ তথ্যৰ ভিত্তিত বুৰঞ্জীবিদ একাংশই মত প্ৰকাশ কৰা দেখা যায়। সৌমাৰত চুকাফাৰ ৰাজ্য বিস্তাৰত আন এখন তাই (নৰা) ৰাজ্যৰ সাহায্য মন কৰিব লগীয়া কথা। নৰা ৰজা আছিল সম্পৰ্কত চুকাফাৰ ভ্ৰাতৃ। 'পুৰণি অসম বুৰঞ্জী'ৰ বিমুন পাতৰ আৰু গড়গঞা সন্দিকৈৰ বিষয়বাব প্ৰদানৰ কাহিনীয়ে প্ৰমাণ কৰে যে নৰা ৰজাক চুকাফাৰ আগমনৰ আগতেই মৰাণ বৰাহী আদি সৌমাৰৰ সম্প্ৰদায় সমূহে উপঢৌকণ দিছিল। চুকাফাই সৌমাৰত আধিপত্য বিস্তাৰত নৰা ৰজাই সহায় কৰা কথাটো সেয়ে ভিত্তিহীন কথা বুলিব নোৱাৰি। নৰা ৰজাই বিস্তাৰ কৰা প্ৰভাৱক চুকাফাই এটা স্হায়ী বংশৰ প্ৰতিষ্ঠাৰ যোগেদি স্হায়ী ৰূপ

ছিল বুলি কব পৰা যায়। চুকাফাৰ আগতে হোৱা আক্ৰমণ আৰু পিছত হোৱা প্ৰব্ৰজন সম্পূৰ্ণ অমূলক বুলি উলাই কৰাটো,–বিস্তৃত অধ্যয়ন আৰু অনুসন্ধান নকৰাকৈ, কেতিয়াও সম্ভৱ নহয়।

শ্ৰীতামুলীয়ে আন এটা প্ৰশ্ন তুলিছেঃ আহোমসকলে মাটিৰ জোখ কিদৰে কৰিছিল? পুৰা তাই শব্দ নে কি! শ্ৰীতামুলীয়ে প্ৰশ্ন কৰাৰ ধৰণটো তৰাং দৃষ্টিৰ পৰিচায়ক। আহোমসকলে থলুৱা ভাষা-কৃষ্টি গ্ৰহণ কৰাৰ লগে লগে থলুৱা নীতি-নিয়ম কিছুমানো গ্ৰহণ কৰিছিল। ইয়াত আদান-প্ৰদান (সামাজিক সমন্বয়)-ৰ দিশটো মুখ্য। তাই সকলে নল (তাই 'টন') বা টাৰেৰে মাটি জুখিছিল। 'বা' (অসমীয়া বেও) মাটি জোখাৰ বাবে গাঁও অঞ্চলত ব্যৱহৃত পদ্ধতি কুৰি শতিকালৈকে প্ৰচলিত। 'টন' আৰু 'বা' এই শব্দ দুটাৰ ব্যৱহাৰ অসমীয়া ভাষাত পিছলৈ হোৱাটো মন কৰিব লগীয়া। পুৰাৰ তাই প্ৰতি শব্দ 'ৰ' (Ro)। বেও বা টাৰেৰে জোখা বাবে মাটিৰ সীমা নিৰূপণত অসুবিধা হোৱাটো অবাস্তৱ কথা।

পাইকৰ ব্যৱস্হাটো ৰাজতন্ত্ৰই পাইক গোটক "ৰাজহ" (Revenue) হিচাপে ব্যৱহাৰ কৰাৰ কৌশল। মূল, দেৱাল, ৰেৱাল এইবোৰ পাইকৰ গোটটোৰ পৰা ফালি নিয়া বা বিচ্ছিন্ন কৰা ৰাজহ গোট। 'মূল' তোলা মানে পাইকৰ গোটৰ পৰা প্ৰথম জন ৰাজহুৱা কামত নিয়া। তিনিজনীয়া পাইকৰ গোট হলে তৃতীয়জন ৰাজহ তোলা সম্ভৱ নহয়। কাৰণ দুজন (মূল আৰু দেৱাল) যোৱাৰ পিছত তৃতীয় জনে ঘৰবাৰী চোৱা কাম কৰিছিল। চাৰিজনীয় গোট হলেও তিনিজন ৰাজহ তোলাৰ পিছত চতুৰ্থজন ঘৰবাৰী চাবৰ বাবে থাকি গৈছিল। গতিকে মূল, দেৱাল, তেৱাল তোলাৰ পিছত চতুৰ্থজনক ৰাজহ হিচাপে নিলে খেতি-বাতি বন্ধ হোৱাহে স্বাভাৱিক। চাৰিজনীয়া গোটৰ চৌথ ভাগ ৰাজহ হিচাপে নিয়াটো মোৰ বোধেৰে সম্ভৱ নাছিল।

শ্ৰীতামুলীয়ে পাইকৰ স্বাধীনতা সম্পৰ্কে প্ৰশ্ন তুলিছে। পাইকে ৬ টকাৰ পৰা ৮ টকা পৰিশোধ কৰি গা-খটাৰ পৰা ৰেহাই পোৱাৰ সুবিধা পিছলৈ পাইছিল। কিন্তু ৰজাৰ বা বিষয়াৰ বিনা অনুমতিত খেল বা বৃত্তি সলনি কৰাটো সম্ভৱ নাছিল। স্হান আৰু বৃত্তিগত শ্ৰম বিভাজন হোৱা বাবে বৃত্তিয়ালসকলে গা-খটাৰ পৰা ৰেহাই পালেও বৃত্তি এৰাৰ সম্ভাৱনা কম আছিল বুলি অনুমান কৰিব পাৰি। নিজৰ বাবে কিছু মাটিত খেতি কৰিবলৈ পোৱা বাবে পাইকৰ পৰিয়াল এটাক আন 'দাস প্ৰথা'ৰ দাসৰ লগত তুলনা কৰাত কিছু অসুবিধা আছে।

শ্ৰীতামুলীয়ে প্ৰশ্ন কৰিছে মাটিৰ স্হায়ী অধিকাৰ সম্পৰ্কে। বিষয় বাব পালে পাইক আৰু খাট পাম পাইছিল। বিষয় বাব গলে 'বিষয়া' হিচাপে পোৱা সা-সুবিধাহে গৈছিল। কিন্তু সম্ভ্ৰান্ত বংশৰ লোকসকলে নিজৰ মাটিৰ খেতি কৰাৰ পৰা উচ্ছেদ কৰাৰ নিয়ম নাছিল। এওঁলোক গা-খটা 'পাইক' নাছিল। বিষয় বাব নথকা এনে সম্ভ্ৰান্তলোকে নিজে হাল বাই নাইবা লিগিৰা ৰাখি খেতি কৰিছিল। শ্ৰীতামুলীয়ে যি ২৩-২৪ পৃষ্ঠাৰ উদ্ধৃতি দি মাটিৰ স্হায়ী অধিকাৰ আছিল নে কি প্ৰশ্ন কৰিছে। সেই পৃষ্ঠাতে হেমেনাৰ তথ্য পাব। গড় গাঁৱত ৰাজধানী পাতিবৰ বাবে এই হেমেনাক স্বয়ং ৰজায়ো উচ্ছেদ কৰিব পৰা নাছিল। হেমেনাৰ মৃত্যুৰ পিছতহে ৰজাই উক্ত ভূমি পাইছিল। ডা-ডাঙৰীয়া শ্ৰেণীয়ে নিজৰ ভূমি





দানো দিব পাৰিছিল। ভূমিত স্হায়ী অধিকাৰ নাথাকিলে এজন ব্যক্তিয়ে ৰাজতন্ত্ৰত ভূমি দান বা ক্ৰয়-বিক্ৰয় কৰিব নোৱাৰে।

উদাহৰণ স্বৰূপে ভূমি ক্ৰয়-বিক্ৰয়ৰ শিলৰ ফলিৰ (প্ৰাচ্য শাসনাৱলী, ফলি নং–১৫৬) কথা উল্লেখ কৰিব পাৰি। ভূমি ক্ৰয় বিক্ৰয় ফলি অনুসৰি ভূমি ক্ৰয়-বিক্ৰয়ৰ গুৰুত্বপূৰ্ণ ঘটনা হিচাপে কেইবাটাও ঘটনা লিপিবদ্ধ আছে। প্ৰথম ঘটনাত দুজন গোহাঞে বিকে, তামুলী গোহাঞে কিনে। চাৰি পুৰা ভূমিৰ মুঠ দাম ১৬ টকা। দ্বিতীয় ঘটনাত মেচাঘৰিয়া বেঙধন গোহাঞে বিকে, মাদুৰিয়াল বৰগোহাঞে কিনে। তৃতীয় ঘটনাত টেটা গোহাঞ আৰু চনখাম গোহাঞে বিকে, পেলন বৰগোহাঞিৰ পুত্ৰ তামুলী গোহাঞে কিনে। ভূমিৰ অধিকাৰ স্হায়ী ভাবে নাপালে ক্ৰয়-বিক্ৰয় হবই নোৱাৰে। শ্ৰীতামুলীক এজন বুৰঞ্জীৰ ছাত্ৰ হিচাপে উক্ত ফলিৰ মৰ্ম বুজিবলৈ আৰু ব্যাখ্যা কৰিবলৈ অনুৰোধ জনালো। মাটি এইদৰে স্হায়ী ভাবে ৰখা লোকৰ সংখ্যা কম নাছিল। খাট-পাম পাতি এনে লোকে কোনো বিষয় বাব নোহোৱাকৈও সদবংশজাত লোক হিচাপে বৰ্তি আছিল। ৰজা হোৱাৰ আগতে ৰাজবংশৰ লোকেও স্বাধীন কৃষক হিচাপে খেতি-বাতি কৰি খোৱাৰ উদাহৰণ আছিল। স্বাধীন খেতিয়ক আৰু পাইকৰ মাজত পাৰ্থক্য আছিল। ভূমি ক্ৰয়-বিক্ৰয় কৰিব পৰাকৈ নিজৰ ভূমিৰ অধিকাৰ পোৱা ডা-ডাঙৰীয়া শ্ৰেণীৰ ডাঙৰীয়া বাব গলেও, নিজৰ দখলত থকা খেতিৰ মাটি গৈছিল বুলি ভাবিব পৰা নাযায়।

শ্ৰীতামুলীয়ে প্ৰথমৰ পৰাই আহোম ৰাজ্যৰ ইতিহাসক অসমৰ ইতিহাস বোলা বুলি মোক সাম্প্ৰদায়িক বুলিছে। মই নিজৰ সুবিধাৰ বাবে সীমিত পৰিসৰত কৰা আলোচনাত কেতিয়াও সকলো কথা সামৰি লোৱা হৈছে বুলি দাবী কৰা নাই আৰু মই লেখাৰ লগে লগে বুৰঞ্জীৰ কথা লেখা শেষ হৈ গল বুলিও ক'তো ভুলতো কোৱা নাই। শ্ৰীতামুলীৰ যিবোৰ নিজা কথা আছে সেইবোৰ ভদ্ৰ ভাবে এতিয়াও কোৱাৰ আৰু লেখাৰ সুবিধা আছে। মই ১২২৬ খৃঃ-ৰ পৰা ১৮২৬ খৃঃৰ ভিতৰত আহোম ৰাজ্যৰ ভিতৰৰ ঘটনা প্ৰবাহৰ বিশ্লেষণ কৰিছো। উক্ত সময় সীমাৰ ভিতৰত 'অসম' বুলি কলে কোনবোৰ ঠাই সামৰি লব পাৰি শ্ৰীতামুলীয়ে এখন আধাৰ থকা বুৰঞ্জীৰ পৰা নিজে দিব পাৰিবনে! সেই যুগত অসম মানে 'বৰ অসম' বা ইংৰাজৰ দিনত সৃষ্টি হোৱা স্ফীত অসমখন আছিল নেকি? বৈষ্ণৱ সাহিত্য তথা চৰিত পুথিত 'অসম' শব্দৰ উল্লেখ পোৱা যায়; ই আহোম আৰু আহোমৰ তলত থকা ৰাজ্যখন্ডকে বুজাইছিল। আমি বৰ্তমান অসম বুলি কলে 'বৰ অসম' বা তথাকথিত সাম্ৰাজ্যবাদী যুগত মধ্যবিত্ত স্বৰত ফুলি উঠা অসমক বুজাওঁ– এই অসমত 'সাতভনী' সোমাই আছে, আনকি পুৰণি প্ৰাগজ্যোতিষ, কামৰূপৰ একাংশ সোমাই আছে। এতিয়া ৰাজনৈতিক ভাবে অসমৰ লগত কোনো সম্পৰ্ক নথকা বঙালী সংস্কৃতি গ্ৰহণ কৰি বঙালী জাতিৰ অন্তৰ্ভুক্ত হোৱা অঞ্চলবোৰৰ প্ৰতিও বৰ অসমৰ পূজাৰী সকলৰ মোহ আছে। শ্ৰীতামুলীয়ে ১২২৬-১৮২৬ চনৰ ভিতৰত, আহোম ৰাজ্যৰ বাহিৰত থকা কোনখন অসমৰ কথা নেলেখা বাবে মোক সাম্প্ৰদায়িক বুলিছে? কোঁচ বিহাৰ? নে ভূটানৰ নামনিখন্ড (বৰ্তমানৰ বড়ো অঞ্চল)? শ্ৰীতামুলীয়ে এখন আধাৰ থকা বুৰঞ্জীৰ আলমত উক্ত অঞ্চলবোৰ অসমৰ ভিতৰত কিয় ধৰিব লাগে (বা কিয় ধৰিব নালাগে) তাক পৰ্যালোচনা কৰিলে ভাল হয়। মই উক্ত অঞ্চলবোৰ ১২২৬-১৮২৬-ৰ ভিতৰত অসমৰ ভিতৰত আছিল বুলি ধৰা নাই। আহোম ৰাজ্যৰ ভিতৰুৱা অঞ্চলসমূহ ধৰিছো। উদ্দেশ্য 'বৰ অসম'ৰ সাম্প্ৰদায়িক ৰোগটোৰ বিষয়ে সুকীয়া ভাবে আলোচনা কৰা। শ্ৰীতামুলীয়ে মোক সাম্প্ৰদায়িক বোলাৰ আগতে উক্ত অঞ্চলবোৰ কিয় অসমৰ ভিতৰত ধৰিব লাগে তাক কোঁচ বিহাৰৰ ৰাজবংশী আৰু বড়োলেন্ডৰ দাবী কৰোতাসকলৰ অস্তিত্বৰ লক্ষণৰ ওপৰত ভিত্তি কৰি পৰ্যালোচনা আগবঢ়োৱা ভাল হব। পুৰণি কামৰূপ, প্ৰাগজ্যোতিষপুৰ, কমতাৰাজ্য আৰু কোঁচ ৰাজ্যৰ বুজন অংশ কিয় বৰ্তমান অসমৰ বাহিৰত থাকি গ'ল তাৰো ঐতিহাসিক বিশ্লেষণ নিশ্চয় সম্ভৱ। জ্বৰটো গুচিলেহে আমি নিজৰ আচল চেহেৰা দেখা পাম।

শ্ৰীতামুলীয়ে মায়ামৰীয়া বিদ্ৰোহৰ ক্ষেত্ৰত নৃগোষ্ঠীগত কাৰণটোক গৌণ কাৰণ বুলি কোৱা বাবে এটা প্ৰশ্ন উত্থাপন কৰিছে। মই 'মুখ্য' উপাদান আৰু 'গৌণ' উপাদান বোলোতে মুখ্য আৰু গৌণ শব্দ দুটা এনেয়ে ব্যৱহাৰ কৰা নাই। এজন শিক্ষিত অসমীয়া আদহীয়া মানুহক– মুখ্য আৰু গৌণ কাৰণৰ পাৰ্থক্য নিশ্চয় বুজাই দিব নালাগে। মই নৃগোষ্ঠীগত কাৰণক গৌণ উপাদান বোলাৰ ঐতিহাসিক ভিত্তি আছে। কি এই ভিত্তিসমূহঃ (ক) মোহনমালা প্ৰথম মোৱামৰীয়া বিদ্ৰোহৰ অংশীদাৰ আছিল। কিন্তু বিদ্ৰোহৰ ক্ষমতা হস্তগত কৰা সকলৰ হাতত নিধন হৈছিল। (খ) বিদ্ৰোহৰ চালিকা শক্তি আছিল বৃত্তিয়াল শ্ৰেণী; কিন্তু ক্ষমতা হস্তগত কৰিছিল মৰাণ জনগোষ্ঠীয়ে। আনকি এই ক্ষেত্ৰত মায়ামৰীয়া গোসাঁইৰ লগতো সংঘাত উপস্হিত হৈছিল। (গ) সৰ্বানন্দ বেংমৰাত ৰজা হৈ নিজকে বুৰুক চুতীয়া বুলি পৰিচয় দিছিল। (ঘ) ভৰথী বা ভৰত সিংহ ৰজা হৈ নিজকে ভগদত্তৰ বংশধৰ বুলি পৰিচয় দিছিল। এই পৰিচিতিৰেই ১৭৯১ চনৰ পৰা ১৭৯৭ চনলৈকে মোহৰ মৰাইছিল। (ঙ) তাঁতী, কৈৱৰ্ত আদিয়েও নিজৰ নিজৰ এজন নেতাৰ তলত বিদ্ৰোহত জঁপিয়াই পৰি একোখন্ড ভূমিত প্ৰতিষ্ঠা লাভৰ চেষ্টা কৰিছিল। (চ) আহোম ৰাজ্যৰ ধ্বংসৰ পিছত এখন নৃগোষ্ঠীৰ পৰিচয় নথকা বিদ্ৰোহীৰ 'অসমীয়া' ৰাজ্য হোৱা নাছিল। এইটোৱেই উক্ত বিদ্ৰোহৰ এটা প্ৰধান দুৰ্বলতা। এই দুৰ্বলতাৰ বাবেই আহোমে পুনৰ আহোম ৰাজ্য উদ্ধাৰৰ বাবে নৃগোষ্ঠীগত প্ৰচেষ্টা চলোৱাৰ অবসৰ থাকি গৈছিল।

শ্ৰীতামুলীয়ে অসমত লো পোৱা কথাটোও প্ৰশ্নবোধক হিচাপে ৰাখি থৈছে। তিৰুৱালসকলে তিৰুপথাৰ লোহাঘাট অঞ্চলত লো পোৱা কথা বহু লেখকে উল্লেখ কৰি গৈছে। তিৰুৱাল কাকতি আছিল লো উৎপাদনৰ হিচাপ ৰখা বিষয়া। আধুনিক তথ্যপাতিয়েও দেখুৱাই যে টিপাম শৈল স্তৰত লো মাটি (Iron Stone clay) লদা কিম্বা পাতল তৰপ হিচাপে আছে। ইঅ'চিন যুগৰ কয়লাৰ লগত আৰু ময়ে'চিন যুগৰ টিপামৰ শৈলস্তৰৰ মাজত লো-মাটি থকাৰ সম্ভেদ পোৱা যায়। টিপাম অঞ্চলৰ টিৰু লোহাঘাট আৰু ওচৰৰ পথাৰ তথা সৰু সৰু পাহাৰবোৰত লো পোৱাটো সেয়ে অসম্ভৱ নাছিল।

পৃথিৱীৰ অপাৰ জ্ঞান ৰাশিৰ মই সামান্য কথাহে জানো। কোনো পন্ডিতে যদি বেছি কথা জানে তেন্তে মই নিশ্চয় শ্ৰদ্ধা কৰিম। কিন্তু পৰ্যালোচনাৰ তথা দৃষ্টি ভংগীৰ পাৰ্থক্যৰ বাবে যদি কোনো ব্যক্তিয়ে এখন 'লেবেল' লৈ ঘূৰি ফুৰে, তেন্তে তেওঁক শ্ৰদ্ধা কৰাৰ বা তেওঁৰ কথা মানি লোৱাৰ কিবা যুক্তি আছে বুলি মই নাভাবো। সূ

# মোৰ নামটো

নাজমা মুখাৰ্জী

নিজৰ নামটো হ'ল মানুহৰ চিৰস্থায়ী সম্পত্তি। নামৰ কেতিয়াও হৰণ ভগন নহয়। ই মানুহৰ মৃত্যুৰ পিছতো জিলিকি সেই নামধাৰী ব্যক্তিজনলৈ মনত পেলাই থাকে। নামৰ মহিমা অপাৰ। কোনো এটা নাম যেতিয়া এজনৰ গাত আৰোপিত হয় সেই নামেই হয়গৈ সেইজনৰ মালিক। নামৰ সৈতে নৱজাতকৰ বিবাহ হয়। কথাটো এনেকুৱা–ওপজোতে সকলোৱে কেঁচুৱা হৈ ওপজে। কোনোবা মতা কেঁচুৱা আৰু কোনোবা মাইকী কেঁচুৱা। কিন্তু যেতিয়ালৈকে সিহঁতক কিবা এটা নাম দি মতা নহয়, সিহঁতৰ অস্তিত্বনো মানুহে কেনেকৈ জানিব? সিহঁতে নিজেও বা কেনেকৈ বুজিব? বোপাই, আইজনী আদিও কিন্তু একোটাহত নাম। গতিকে ওপজি উঠোতেই প্ৰতিজন মানুহে একোটাকৈ নাম পায়। সেই নামেহে মানুহজনৰ জীৱনৰ সকলোবোৰ শুভ–অশুভ কাজ কৰ্মত মানুহজনক প্ৰতিনিধিত্ব কৰে।

এজন মানুহ আছিল। তেওঁ চেক্সৰ কিছুমান ভয়ংকৰ পৰীক্ষাত নিজকে উত্তীৰ্ণ কৰোৱাইছিল। গীতা আছিল তেওঁৰ প্ৰিয় গ্ৰন্থ। আদি ৰসক তেওঁ সকলো ৰসতকৈ নিকৃষ্টতম আখ্যা দিছিল–মানুহজন কোন? তেওঁ বৰ্ণ-বৈষম্যৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ জনাইছিল; তেওঁ পৰম মাতৃভক্ত আছিল; তেওঁৰ কোনো পদৰ প্ৰতি মোহ নাছিল। মানুহজন কোন?? গোল ফ্ৰেমৰ চছমা আছিল তেওঁৰ চকুত; আঠুৰ মূৰত চুৰীয়া পিন্ধিছিল মানুহজনে; ছাগলীৰ গাখীৰ আৰু মৌ আছিল তেওঁৰ প্ৰিয় আহাৰ; তেওঁ ভাৰতৰ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰিছিল-মানুহজন কোন???

ইমানবোৰ ক্লু দিয়াৰ পিছত কাৰোৱেই বুজিবলৈ বাকী নাথাকে যে মানুহজন বাপুজী, মানুহজন মহাত্মা গান্ধী বা মোহনদাস কৰমচাঁদ গান্ধী। কিন্তু তেওঁৰ যদি কোনো নাম নাথাকিলেহেঁতেন, মানুহ কি যে অসুবিধাত পৰিলহেঁতেন। আৰু ওপৰোক্ত বিশেষণ সমূহৰ পৰাই এটা নাম ঠিক কৰি ললেহেঁতেন। আগৰ দিনত আমাৰ ভাৰতীয় সমাজত এই বিশেষণ বোৰকেই বিশেষ্য কৰি লোৱা হৈছিল। পকাজলকীয়া, বুধবৰীয়া, ফ্ৰাইডে আদিনো কি? আৰু কোল্হাপুৰী, চুলতান পুৰী, ৰামপুৰী, আমৰোহীয়েই বা কি? মোৰ পৰিচিত এজনী ছোৱালীৰ নাম 'ইলেক্চনী'। কিয়নো তাই ইলেক্চনৰ দিনা জন্ম পাইছিল।

চেক্সপীয়েৰ, চেফো, পল ভেলেৰি, ৰ্যাবোঁ–এই সকলৰ আত্মাক কোনে অমৰ কৰি ৰাখিছে? নামে নে আন কিবাই? আৰু ৰবীন্দ্ৰনাথক? গতিকেই নাম মানুহৰ জীৱনৰ লগত ওত-প্ৰোত ভাবে জড়িত। নামক বাদ দি মানুহৰ কোনো অস্তিত্ব নাই। গতিকেই নামৰ সৈতে মানুহৰ বিবাহ হয় বুলি কোৱা হৈছে। যেনেকৈ ল'ৰাই ছোৱালীক বা ছোৱালীয়ে ল'ৰাক উপযুক্ত বয়সত বিবাহৰ জৰিয়তে চিৰদিনলৈ আপোন কৰি লয়, সেইদৰে নৱজাতকেও নাম-কৰণ অনুষ্ঠানৰ জৰিয়তে নামক চিৰদিনলৈ আঁকোৱালি লয়। বিবাহৰ জৰিয়তে সতি-সন্তানাদি, ঘৰ-সংসাৰ সকলো নদন-বদন হোৱাৰ দৰে নামৰ জৰিয়তেহে সকলোবোৰ হয়। কোনোবা মানুহে যদি এখন ভাল কিতাপ লিখে, কোনোবা যদি শ্ৰেষ্ঠ বৈজ্ঞানিক হয়, ভাল অভিনয় কৰে, গান গায়, ভাল খেলুৱৈ হয়, তেন্তে তাৰ বাবে যশপ্ৰাৰ্থী হব নামটোহে। গতিকে ব্যক্তিৰ শৰীৰৰ নোম নোমৰ লগত নামৰ সম্পৰ্ক আছেই।



এই ৰচনাৰ শিৰোনামা মোৰ নামটোহে। কিন্তু এতিয়ালৈকে মোৰ নামটোৰ বিষয়ে মই একোকে কোৱা নাই। মোৰ নাম আছিল নাজমা কৌছৰ। জীৱনৰ বিশটা বছৰ এই নামটোৰেই মই চলিলো। ইতিমধ্যে দৈৱৰ দুৰ্বিপাকত পৰি 'মুখাৰ্জী' নামৰ কুলীন ব্ৰাহ্মণৰ উপাধিটো আহি মোৰ লগ লাগিল। মোৰ নতুনকৈ আত্মপ্ৰকাশ ঘটিল নাজমা মুখাৰ্জী নামেৰে।

কিন্তু মোৰ নিস্তাৰ ক'ত? আগতে নাম আছিল নাজমা কৌছৰ। তেতিয়া মানুহৰ এক ধৰণৰ প্ৰশ্নবাণ আছিল; এতিয়া হ'ল আন ধৰণৰ প্ৰশ্ন। আগতে প্ৰশ্ন আছিল এইটো কি নাম? তুমি কৰ মানুহ? বৰ ধুনীয়া অসমীয়া কোৱা দেখোন? এই 'কৌছৰ' মানেনো কি? এতিয়া হ'ল তুমি হিন্দু নে মুছলমান। 'মুখাৰ্জী' দেখিলেতো ব্ৰাহ্মণ যেন লাগে, আকৌ নাজমাটোনো কি? ব্ৰাহ্মণে 'নাজমা' নাম থয় জানো? এই প্ৰশ্নবোৰ শুনি মই আমোদ পাওঁ। মই অসমীয়া, অসমীয়া ভাষা–সাহিত্য, সমাজ–সংস্কৃতি নিষ্ঠাৰে অধ্যয়ন কৰিছো, কেৱল নামটোৱে মোক ইমান দূৰলৈ লৈ যায়! কৌতূহলৰ পাত্ৰ হোৱাতো আনন্দ আছে।

এবাৰ স্বৰ্গীয় অতুল হাজৰিকাই স্কুলৰ তল শ্ৰেণীত পঢ়ি থাকোতেই মোৰ নামটোৰ অৰ্থ সুধিছিল। ডঃ মহেশ্বৰৰ নেওগে অলপতে মোৰ পৰা মোৰ নামটোৰ বিষয়ে জানি লৈছে। এইবোৰত মোৰ নো কি আপত্তি থাকিব পাৰে? এয়া তেখেত সকলৰ জনাৰ আগ্ৰহৰ অধিকাৰ।

সিদিনা ঘটিল বিপৰীত কান্ড। বিশ্ববিদ্যালয়লৈ গৈছো এম, এৰ চাৰ্টিফিকেটখন আনিবলৈ। আবেদন প্ৰপত্ৰত চহী এটা আনিবলৈ স্বভাৱতেই যাব লগা হ'ল বৰমূৰীয়া ডঃ শৰ্মাৰ কাষলৈ। 'নাজমা কৌছৰ' নামটো ইংৰাজীত জল্জলাই পট্পটাই আছে। ডঃ শৰ্মাৰ প্ৰথমতেই চকুত পৰিল সেইটোত। তেখেতে ডাঙৰ মাতেৰে চিঞৰি উঠিল–'এইটো কি'? তিনিবাৰ চিঞৰিলে একেটা প্ৰশ্নকে। মই বুৰ্বক হৈ গলো। কাৰণটো মই বুজিলো যদিও নম্ৰভাবে কলো–'এইটো মোৰ নাম'।

–'নাম বুজিছো, কিন্তু কি নাম?

মই নামটো এবাৰ উচ্চাৰণ কৰিলো। তেখেতে আকৌ চিঞৰিলে–'তুমি ক'ৰ মানুহ? ঘৰ ক'ত?

এইবাৰো নামটোৱে মোক দূৰলৈ ঠেলি নিলে। মই ধৈৰ্যৰে তেখেতক বুজাবলৈ চেষ্টা কৰিলো মোৰ নামৰ অৰ্থ। নাজমা মানে তাৰকা ৰাজি আৰু কৌছৰ মানে উজ্জ্বল। মোৰ গোটেই নামটোৱেই আৰবী। ইয়াক অসমীয়ালৈ অনুবাদ কৰিলে তাৰ অৰ্থ হয়–'উজ্জ্বল তাৰকাৰাজি'।

মানুহজনে হাঁহিলে। মই এইবাৰ তেখেতক কলো যে মোৰ বৰ্তমান নাম নাজমা মুখাৰ্জী আৰু এই নামেৰেই মই বেছ কিছুদিন ধৰি লেখা মেলা কৰি আছো।

লেখা-মেলা? ডঃ শৰ্মাৰ স্বৰ অলপ তল পৰিল যদিও তেখেতে মোক বেছ জোৰেৰেই প্ৰশ্ন কৰিলে–অ'! তুমি নাজমা কৌছৰ নামটো ঘৰত থোৱা আৰু নাজমা মুখাৰ্জীৰে পঢ়া শুনা ( অৰ্থাৎ academic) কৰা। আন্তৰ্জাতিক স্তৰতো সুপৰিচিত 'মুখাৰ্জী' উপাধিটোও শৰ্মাৰ মনঃপুত নহ'ল।

মোৰ এগৰাকী বান্ধৱী লুট্ফা হানুম ছেলিমা বেগম। মই লুট্ফাবা বুলি মাতো। কলেজত পঢ়ি থাকোতেই তেওঁ প্ৰায়েই লগত ন'ট বুক এখন ৰাখিছিল। এতিয়া ৰাখেনে নাই নাজানো। তাত বহুত দীঘল, জটিল, কিম্ভূৎ কিমাকাৰ নাম লিখা থাকে। তেওঁ সেই খন লগত ৰাখে নিজক বচাবলৈ। এবাৰ এটা ঘটনা ঘটিছিল–তেওঁ সেইবাৰ বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিবলৈ গৈছিল। প্ৰাৰ্থীৰ নাম মাতি থকা মানুহজনৰ গল্টো বজিল লুট্ফাবাৰ নামটো মাতিবলৈ গৈ। তেওঁ লুট্ফাবাক কথা শুনাই দিলে ইমান দীঘল, আচহুৱা এইটো আকৌ কি নাম? উচিত প্ৰতিবাদত লুট্ফাবাৰ যোৰৰ মানুহ বিচাৰি পোৱা টান। তেওঁ লগে লগে পাবলো পিকাচোৰ গোটেইতো নাম য'ত মুঠতে একুৰিতকৈও অধিক শব্দ আছে– মুখস্থ মাতি শুনালে মানুহজনক। কথাটো মোক লুট্ফাবায়ে নিজ মুখে কৈছিল। পিকাচোৰ গোটেইটো নামো কৈছিল, মই পাহৰিলো। কেৱল মনত থাকিল পাব্লো ৰুইজ পিকাচো। আমিতো নাজানো পিকাচোৰ আচহুৱা নামটোত ব্যৱহৃত শব্দ সমূহৰ অৰ্থ! আচহুৱা বস্তুটোকো জনাৰ আগ্ৰহে ঘৰুৱা, অতি আপোন কৰি তোলে।

মোৰ নামটোৰ বাবে মোৰ জীৱনত যিমান বোৰ লটিঘটি হ'ল তাৰ বাবে মই এটা স্থিৰ সিদ্ধান্তত উপনীত হৈছো। মই নামকৰণ সংস্কৃতিক লৈ গৱেষণা আৰম্ভ কৰিম। এই নামকৰণ সংস্কৃতিটো সমাজ-বিজ্ঞান, শব্দ-বিজ্ঞান, সামাজিক-নৃতত্ত্ব, সামাজিক-ভাষাতত্ত্ব–এই সকলো বোৰৰে অংশ হ'ব পাৰিব। জন সাহিত্যয়ো ইয়াক আপোন কৰি লোৱাত কোনো অসুবিধা নাথাকিব। প্ৰতিটো নামৰে একো খনকৈ নিজস্ব ভূমি আছে। সেই ভূমিত সি পৰিচিত। আনহাতে উপাধিৰ লগত কোনো কোনো ক্ষেত্ৰত জাতিগত বৃত্তিৰো সম্পৰ্ক আছে। নাম আৰু উপাধি দুয়োটাৰে প্ৰব্ৰজন হয়। কিয় আৰু কেনেকৈ হয়? এইবোৰেই হ'ব মোৰ গৱেষণাৰ বিষয়বস্তু। সাধুকথাৰ আঁত বিচৰাদি আঁত বিচাৰি উলিয়াম এই কথাবোৰৰ। এই গৱেষণাৰ ফলত আন কোনোবা হওক নহওক, অন্তঃত মইতো হৈ উঠিম বিশ্বনাগৰিক! সূ

# অগল্প

পদ্মপাণি

মই নেদেখাৰ ভাও জুৰিছিলো। পিছে লাভ নহ'ল।

"এই পদুম। পদুম.....।" বৰ দেউতাই চিঞৰিলে। মই যেন বৰদেউতাক দেখাই নাছিলো, এনে ভাব দেখুৱাই ক'লো–"অ', বৰদেউতা দেখোন। ৰাতিপুৱাই কোনফালে ওলালে?"

"এ, নকবি আৰু বোপাই। ই, বাখৰ ঘৰত নাই। গতিকে ময়েই কেঞা-দোকানৰ পৰা বস্তু দুপদমান আনিবলৈ যাব লগা হ'ল। হেৰি নহয়। কালি মোৰ তালৈ মৃণালহঁত আহিছিল। কাৰোৰে পৰাই এইবোৰ সন্মান-চন্মান নোপোৱাকৈ জনমটো গ'ল। এতিয়া মৰাৰ আগতে তহঁতি ডেকাখিনিয়ে যে এই বুঢ়াক সম্বৰ্দ্ধনা যাচিবলৈ ওলাইছ, মই বৰ আনন্দ পাইছো, বোপাই।"

মই একো ক'ব নোৱাৰিলো। ক'মনো কি? প্ৰকৃততে বৰদেউতাক আমাৰ ক্লাবে সম্বৰ্দ্ধনা জনাবলৈ সিদ্ধান্ত লোৱা দিনটোৰে পৰা মোৰ মনটো বেয়া।

খৰ্গেশ্বৰ বৰদলৈ, যাক আমাৰ বৃহৎ কৰুঙা অঞ্চলটোত সকলোৱে বৰদেউতা বুলি কওঁ, এজন খুব ভাল ঢোল-বাদক আছিল। অসমৰ গাঁৱে-ভূঞে এদিন তেখেতৰ ঢোলৰ চাপৰ মুখৰিত হৈছিল। আনকি, তাহানি মুখ্য মন্ত্ৰী মেধি ডাঙৰীয়াৰ ডাঙৰ জীয়েকৰ বিয়াত ঢোল বজাবলৈ বৰদেউতাক উৰাজাহাজেৰেহে গুৱাহাটীলৈ নিছিল। পিছে, সময়ৰ লগে লগে সকলোৱে তেওঁক পাহৰিলে। আনকি তেওঁৰ নিজৰ অঞ্চলটোৰ মানুহখিনিয়েও। মই কিন্তু পাহৰিব নোৱাৰিলো। বিহুৰ সময়ত যেতিয়া অ'ত-ত'ত ঢোলৰ বেবেৰিবাং চাপৰ বিলাক শুনো, শৈশৱতে শুনা বৰদেউতাৰ ঢোলৰ চাপৰ কেইটালৈ মনত পৰে। কেনে মন উতনুৱা কৰা আছিল সেই ঢোলৰ ছেও।

বৰদেউতাক বিহুতে সম্বৰ্দ্ধনা জনোৱাৰ কথাটো ময়েই আজি কেই বছৰমানৰ আগতে প্ৰথম উলিয়াইছিলো। পিছে, তেতিয়া ক্লাবৰ সকলো গৰ্গৰাই উঠিছিল। চহৰৰ 'ডাঙৰ ডাঙৰ আৰ্টিচ' থকা ফাংচনত বোলে বৰদেউতাৰ দৰে মানুহক সম্বৰ্দ্ধনা-চম্বৰ্দ্ধনা জনালে ভাল নেদেখিব।

গতিকে বৰদেউতাক সম্বৰ্দ্ধনা জনোৱা কথাটো তল পৰি থাকিল।

আৰু, এয়া, এই বছৰ, আমাৰ ক্লাবৰে বৰদেউতাক বিহু-সন্মিলনত সম্বৰ্দ্ধনা জনোৱাৰ প্ৰস্তুতি। স্বাভাৱিকতে, ক্লাবৰ এনে প্ৰস্তুতিত আনন্দিত হ'ব লাগিছিল ময়েই আটাইতকৈ বেছি। কিন্তু.......।

এইবাৰৰ বিহু-সন্মিলনৰ বিশিষ্ট শিল্পী হিচাপে চহৰৰ বিখ্যাত গজল-গায়ক অৰিন্দম খাউন্ডক অনাৰ বাবে আমাৰ ক্লাবৰ দুদুলমণি আৰু মৃণাল অৰিন্দম খাউন্ডৰ ওচৰলৈ গৈছিল। পিছে, পোন্ধৰ হাজাৰৰ তলত 'ফাংচন কৰিবলৈ' আহিবলৈ অৰিন্দম খাউন্ড ৰাজী নহ'ল। সকলোৰে উদ্যমত চেঁচা পানী পৰিল। কিন্তু ক্লাবৰ উপদেষ্টা বেণুদাই এটা বুদ্ধি দিলে–অৰিন্দম খাউন্ডক ৰাজহুৱা-সম্বৰ্দ্ধনা জনোৱাৰ ব্যৱস্থা কৰা হওক। তেনে কৰিলে নিশ্চয় সাত-আঠ হাজাৰমানতেই খাউন্ড ৰাজী হ'ব। আৰু সেই মতেই মৃণাল আৰু দুদুলমণি এদিন চহৰলৈ গৈ সকলো ঠিক-ঠাক কৰি থৈ আহিল। কিন্তু গাঁৱৰে পঁচাশী বছৰীয়া শিল্পী এজনক সম্বৰ্দ্ধনা নজনাই চহৰৰ ৩২ বছৰীয়া গজল-গায়কক সম্বৰ্দ্ধনা জনালে নিশ্চয় দুই-একে বুবু-বাবা কৰিব। 'গতিকে অৰিন্দম খাউন্ডৰ লগতে খৰ্গেশ্বৰ বৰদলৈকো সম্বৰ্দ্ধনা জনোৱা হওক'– দুদুলমণিৰ এই প্ৰস্তাৱ সকলোৱে মানি ল'লে।

বৰদেউতাই এই বিলাক কথা নাজানে। সেয়েহে ডেকাখিনিয়ে সম্বৰ্দ্ধনা জনাবলৈ ওলোৱা বুলি জানি বৰদেউতাৰ মনত অপাৰ আনন্দ। আৰু মই কথাখিনি জানো। মোৰ মৰ্ম বেদনাৰ কাৰণো সেয়াই। সূ



OKDISCD

# ড০ প্ৰফুল্লদত্ত গোস্বামীৰ জীৱনী

## গোবিন্দ প্ৰসাদ শৰ্মা

**জনকৃষ্টিৰ সাধক**
**ডক্টৰ প্ৰফুল্লদত্ত গোস্বামী**
**ভৃগুমোহন গোস্বামী**
**ৰজত প্ৰকাশ, গুৱাহাটী, ১৯৯০**

অসমীয়াত আজিকালি জীৱনী গ্ৰন্থৰ প্ৰকাশ বৰ তাকৰ বুলিব নোৱাৰি। মৃত্যু উপলক্ষে, শতবাৰ্ষিকী উপলক্ষে, সাহিত্য সভাৰ সভাপতি/-সভানেত্ৰী হোৱাৰ উপলক্ষে সঘনাই নহ'লেও জীৱনী আজিকালি ওলায়েই থাকে। অৱশ্যে এনে জীৱনীৰ বেছিভাগতে হয় পাল মৰা, নহয় ঢৌতে খৰ মৰা প্ৰকৃতিৰ লক্ষণ ধৰা পৰে; আৰু ধৰা পৰে বিষয়ৰ চৰিত্ৰ তথা ব্যক্তিত্বৰ সম্যক পৰিচয় আওকাণ কৰি কেৱল জীৱনৰ ৰাজহুৱা কাৰ্যাৱলীৰ উপৰুৱা পৰিচয়ৰ প্ৰকাশৰ প্ৰয়াস। স্বাভাৱিকতে তেনে জীৱনীত বিষয় মানুহ গৰাকীক ভালদৰে বুজিব নোৱাৰি; তাত বিষয় মানুহজনো তেওঁৰ স্বকীয় ৰূপত ফুটি নুঠে। অসমীয়া জীৱনীৰ এই গতানুগতিক সুঁতিটিৰ ব্যতিক্ৰম কৃতি জীৱনীৰ সংখ্যা তেনেই তাকৰ। সুখৰ বিষয় তেনে ব্যতিক্ৰম তাকৰীয়া সংখ্যা মোটামুটি কৃতি জীৱনীৰ মাজলৈ আমাৰ আৰু এখন জীৱনী নতুনকৈ আহিছে – ড০ ভৃগুমোহন গোস্বামীৰ 'জনকৃষ্টিৰ সাধক ডক্টৰ প্ৰফুল্ল দত্ত গোস্বামী।'

অসমীয়া জীৱনীৰ গতানুগতিক সুঁতিটিৰ ব্যতিক্ৰম এটি সুঁতিৰ জীৱনী বুলিয়েই অকল আমি এই গ্ৰন্থক স্বাগতম জনাব খোজা নাই। দ্বিতীয় এটা কাৰণতো এই জীৱনীৰ প্ৰকাশ আনন্দৰ বিষয়। বিংশ শতাব্দীত অসমৰ বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক শৃংখলাৰ মাজত জ্ঞানৰ চৰ্চা কৰি সাৰস্বত সমাজত স্থায়ী আসন লাভ কৰা পণ্ডিত সকলৰ প্ৰথম চামৰ তিনিগৰাকী পণ্ডিত আছিল কৃষ্ণকান্ত সন্দিকৈ, বাণীকান্ত কাকতি আৰু বিৰিঞ্চি কুমাৰ বৰুৱা। এইসকলৰ ভিতৰত কৃষ্ণকান্ত সন্দিকৈৰ নিৰ্ভৰযোগ্য জীৱনী এখন আব্দুছ ছাত্তাৰে আমাক দি থৈ গৈছে। বাণীকান্ত কাকতিৰ বিষয়ে পিছে ক্ষুদ্ৰায়তনৰ সাধাৰণ পৰিচয়মূলক 'শিশুৰ বাবে' মাৰ্কা জীৱনীত বাহিৰে যথোপযুক্ত জীৱনী আমি আজিকো পতি পোৱা নাই। ইয়াতকৈয়ো পৰিতাপৰ কথা, বিৰিঞ্চি কুমাৰ বৰুৱাৰ বিষয়ে কোনো জীৱনীয়েই আমাৰ লিখা হোৱা নাই।

এই শতাব্দীৰ দ্বিতীয় চামৰ আমাৰ পণ্ডিত সকল হ'ল মহেশ্বৰ নেওগ, সত্যেন্দ্ৰনাথ শৰ্মা আৰু প্ৰফুল্ল দত্ত গোস্বামী। ইয়াৰে মহেশ্বৰ নেওগৰ এখন সাধাৰণভাৱে নিৰ্ভৰযোগ্য জীৱনী ভৱপ্ৰসাদ চলিহাই আমাক দিছে যদিও, সত্যেন্দ্ৰনাথ শৰ্মাৰ জীৱনী এখন পাবলৈ আমাৰ এতিয়াও বাকী। সুখৰ বিষয় এই চামৰ আনজন পণ্ডিত প্ৰফুল্ল দত্ত গোস্বামীৰ বিষয়ে আমি এইয়া এখন জীৱনী পালোহক – ড০ ভৃগুমোহন গোস্বামীৰ 'জনকৃষ্টিৰ সাধক ডক্টৰ প্ৰফুল্লদত্ত গোস্বামী'। সাম্প্ৰতিক কালৰ আমাৰ এজন আগশাৰীৰ পণ্ডিতৰ এখন জীৱনীগ্ৰন্থ পালো বুলিয়েই অকল এই গ্ৰন্থৰ প্ৰকাশ আমাৰ আনন্দৰ বিষয় নহয়। প্ৰফুল্ল দত্ত গোস্বামীৰ দৰে মানুহ এজনৰ বিষয়ে তেখেতৰ জীৱনকালতে জীৱনী এখন ৰচনা কৰা সহজ কথা নাছিল। ড০ গোস্বামী মানুহজন নিতান্ত প্ৰচাৰবিমুখ। জন-কোলাহলৰ পৰা আঁতৰত থাকি জ্ঞান আৰু সাহিত্যৰ চৰ্চা কৰি তেখেতে যেনেকৈ ভাল পায়, তেনেকৈ অনেকৰ লগত হাঁহি-ধেমালিৰে আড্ডাৰ সময় নকটাই দুই এক তেনেই অন্তৰংগ লোকৰ নিবিড় সম্পৰ্কততহে আড্ডাৰি সময়ত চিত্তবিনোদন কৰা তেখেতৰ অভ্যাস। বহুজনৰ মাজত নিজকে এৰি দিয়া তেখেতৰ স্বভাৱ বিৰুদ্ধ বাবেই কিজানি সাহিত্য সভাৰ সভাপতিৰ পদৰ দৰে পদটিও তেখেতে হেলাৰঙে প্ৰত্যাখ্যান কৰি আছে। স্বাভাৱিকতে জীৱনী লিখিব পৰাকৈ নিবিড় আৰু বহলভাৱে গোস্বামীক লগ পোৱা লোক তেনেই তাকৰীয়া। সেই তাকৰীয়া লোকৰ মাজৰ পৰাই মোটামুটিকৈ হলেও কৃতি আখ্যা দিব পৰা জীৱনী এখন যে ওলাল, এটা কম আনন্দৰ কথা নহয়।

ড০ ভৃগুমোহন গোস্বামীৰ দ্বাৰা ৰচিত এই জীৱনী সাধাৰণ অসমীয়া জীৱনীতকৈ যে পৃথক, তাক আগতেই কৈ আহিছো। ইয়াত জীৱনীৰ বিষয়ৰ বাহ্যিক কিম্বা ৰাজহুৱা জীৱনৰ কালানুক্ৰমিক ঘটনাৱলীৰ পৰিচয়ৰ সলনি পণ্ডিত গৰাকীৰ বহুমুখী প্ৰতিভা ধৰা পৰা বিভিন্ন কৰ্মৱলীৰ সাধাৰণ পৰিচয়ৰ লগতে সেইবোৰৰ পৃষ্ঠভূমিত থকা আৰু সতকাই জানিব নোৱাৰা পণ্ডিত গৰাকীৰ ব্যক্তিগত ৰুচি, মনোভাব বা চিত্তবৃত্তিগত প্ৰৱণতাৰ উল্লেখো ইয়াত কৰা হৈছে। ফলত এই জীৱনীত বিষয়ৰ জীৱনৰ কাৰ্যাৱলীৰ সাধাৰণ পৰিচয় আমি যেনেদৰে পাইছো, তাতকৈ বহুত বেছিকৈ পাইছো সেই কামৰ পিছফালে লুকাই থকা মানুহজনৰ মন আৰু চৰিত্ৰৰ এটি ভাল পৰিচয়।

বিষয়ৰ ব্যক্তিগত জীৱনৰ পৰিচয় দিয়াতো এই জীৱনীয়ে কাৰ্পণ্য কৰা নাই। দক্ষিণ কামৰূপত নহিৰা বৈষ্ণৱসত্ৰত জন্ম গ্ৰহণ কৰি ছিলং, গুৱাহাটী, তেজপুৰত, শিশুকাল, স্কুলীয়া আৰু কলেজীয়া শিক্ষা সাং কৰি কলিকতাৰ পৰা ইংৰাজীত এম এ পাছ কৰাৰ পৰা প্ৰথম বিবাহৰ ব্যৰ্থতাৰ পিছত দ্বিতীয় বিবাহৰ পৰা তেওঁ লাভ কৰা সন্তান সকলৰ পৰিচয়লৈকে ঘৰুৱা জীৱনৰ বহুতো খবৰেই সংক্ষিপ্ত ৰূপত ইয়াত পোৱা যায়। এই সংক্ষিপ্ত পৰিচয়ৰ বিপৰীতে এনে এক ঘৰুৱা জীৱন যাপন কৰা এই মানুহ গৰাকীৰ ব্যক্তিত্ব আৰু চৰিত্ৰৰ আভাস পাব পৰাকৈ তেওঁৰ জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ বিষয়ত তেওঁৰ নিজস্ব মতামত, মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াবোৰৰ উল্লেখো কৰি যোৱা হৈছে। এই কথাই এফালে যেনেকৈ জীৱনীখনৰ গুৰুত্ব বঢ়াইছে, আনফালে তেনেকৈ এক সুখপাঠ্য জীৱনীলৈ ইয়াক উন্নীত কৰাতো সহায় কৰিছে।

ড০ গোস্বামীৰ মানসিকতা, চৰিত্ৰ আৰু ব্যক্তিত্বৰ বৈশিষ্ট্যৰ পৰিচয় দিবলৈকেই কেতিয়াবা লেখকে ইয়াত গোস্বামীৰ টোকাবহীৰ পৰা লোৱা বা গোস্বামীৰ মুখৰ পৰা শুনা কেতবোৰ সৰু-সুৰা অথচ গুৰুত্বপূৰ্ণ কথা বা মন্তব্য কিতাপখনত আদিৰ পৰা অন্তলৈ তুলি দিয়া হৈছে। এই কথাই জীৱনীকাৰৰ তেওঁৰ বিষয় সম্পৰ্কে যি মতামত, তাক প্ৰতিপন্ন কৰাত সহায় কৰিছে; আৰু লগতে এই জীৱনী গ্ৰন্থক এক প্ৰকাৰৰ ঐতিহাসিক দলিললৈকো উন্নীত কৰিছে। উদাহৰণ স্বৰূপে লেখকে ইয়াত জনাইছে যে স্কুলীয়া ছাত্ৰ হিচাপে ড০ গোস্বামীয়ে এটি টোকাবহী ৰাখিছিল আৰু তাত টোকা কৰি ৰাখিছিল সেই কুমলীয়া ছাত্ৰাৱস্থাতে দেখাত এনে সৰু অথচ তেনেই আপুৰুগীয়া তথ্যবোৰঃ

'১৯৩১ চনত গুৱাহাটীৰ জনসংখ্যা আছিল ২১,৭৯১, ছিলঙৰ ২১,৩০০ আৰু যোৰহাটৰ ৮,৩৩৪।'

'১৯৩৩ চনত তেওঁ ১১৮খন বাহিৰা কিতাপ পঢ়িছিল। তাৰে ৬০ খন ইংৰাজী। তেতিয়া তেওঁ কলেজিয়েট স্কুলৰ অষ্টমমান শ্ৰেণীৰ ছাত্ৰ আছিল।'

'তেওঁ বি এ পঢ়ি থাকোতে চিলোৱা কোটটোৰ চাৰি গজ কাপোৰৰ দাম আছিল ২ টকা আৰু চিলাই লৈছিল ৩ টকা।'

(পৃঃ ১৯)

জীৱনীখনৰ নামটোত ড০ গোস্বামীক 'জনকৃষ্টিৰ সাধক' বুলি যদিও এটি চাব মাৰি দিয়া গৈছে, তথাপি জনকৃষ্টি বিষয়তে অকল গোস্বামীক নেদেখুৱাই তেওঁ কাম কৰা বা তেওঁৰ ৰাপ থকা সকলো বিষয়তে গোস্বামীক ইয়াত দেখুওৱা হৈছে। জনকৃষ্টিত গোস্বামীক ইয়াত এজন গৱেষক-পণ্ডিত বুলিয়েই নেদেখুৱাই এই বিষয়ত আমি বহুতে ভবাৰ দৰে বিৰিঞ্চিকুমাৰ বৰুৱা যে অগ্ৰণী নহয়, ড০ গোস্বামীহে অগ্ৰণী, তাকো স্পষ্টকৈ দেখুওৱা হৈছে। আনকি প্ৰমাণেৰে সৈতে এই কথাও দেখুওৱা হৈছে যে জনকৃষ্টিত ড০ বৰুৱাৰ ৰাপ বহিল ড০ গোস্বামীৰ বাবেহে। ইয়াৰ বাহিৰে সাহিত্যৰ সমালোচক-পণ্ডিত হিচাপে, আধুনিক ধাৰাৰ উপন্যাসৰ ৰচক হিচাপে, বুৰঞ্জী চৰ্চাত ৰাপ থকা এজন লোক হিচাপে, শিশু সাহিত্যৰ আৰু ধেমেলীয়া সাহিত্যৰ ৰচক হিচাপে, আৰু আনকি চৰাই চিৰিকতি পৰ্যবেক্ষণ কৰি ফুৰাত ৰাপ থকা এজন লোক হিচাপে আৰু এই বিষয়ৰ কিতাপৰ ৰচক হিচাপেও গোস্বামীৰ পৰিচয় দাঙি ধৰা হৈছে। ইয়াৰ মাজেদি গোস্বামীৰ বহুমুখী প্ৰতিভাৰ আভাস দিয়াত লেখক কৃতকাৰ্য হৈছে। গ্ৰন্থখনৰ শেষত গোস্বামীৰ লেখক জীৱনৰ কাৰ্যাৱলীৰ থূলমূল পৰিচয় হিচাপে তেওঁৰ পূৰ্ণাংগ আৰু বিৱৰণমূলক গ্ৰন্থপঞ্জী এখন সংযুক্ত কৰি দিয়া হৈছে। গ্ৰন্থখনৰ আদিত, আনহাতে, গোস্বামীৰ, তেওঁৰ পৰিয়ালৰ, তেওঁ জড়িত থকা অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ আৰু তেওঁৰ বিশিষ্ট পণ্ডিত বন্ধু-বান্ধৱৰ কেতবোৰ আপুৰুগীয়া ফটো সংলগ্ন কৰি দিয়া হৈছে।

ইমানখিনিৰ পিছতো কিন্তু এই জীৱনীখনি সম্পূৰ্ণৰূপে এক সাৰ্থক জীৱনী বুলি গ্ৰহণ কৰিব নোৱাৰি। গোস্বামীৰ জীৱনৰ সৰু-বৰ অনেক কথাৰ ইয়াত সমাহাৰ ঘটোৱা সত্বেও, গোস্বামীৰ ৰুচি, মনোভংগী, মতামত আদি ইয়াত যত্ন সহকাৰে যথাস্থলত উক্ত কৰা সত্বেও, গোস্বামী তেজ-মঙহৰ মানুহজনেই ইয়াত স্পষ্ট হৈ নুঠিল। গোস্বামী মানুহজন ওখ নে চাপৰ, তেওঁ ৰঙিয়াল নে খঙাল, গম্ভীৰ নে আমোদপ্ৰিয়, ঘৰত তেওঁ যেনেকুৱা বাহিৰতো তেওঁ তেনেকুৱাইনে – ইত্যাদি বিষয়ক পৰিচয় কিতাপখনে দিয়াত ব্যৰ্থ হৈছে। ফলত গোস্বামী মানুহজনৰ মনটো আমি ইয়াত চিনি পালেও চেহেৰাৰ সৈতে মানুহজনকেই আমি ইয়াত চিনি পাব নোৱাৰো।

এই জীৱনীত সন্নিবিষ্ট তথ্যৰাজি পৰিকল্পিত ৰূপত উপস্থাপিত হৈছে বুলি, কব নোৱাৰি। গোস্বামীৰ জন্মস্থান আৰু কালৰ কথা জীৱনীখনৰ ১৪ পৃষ্ঠাতহে আছে। কেতিয়াবা কলাৰ খাতিৰত বিষয়ৰ জন্মকথা জীৱনীৰ মাজলৈ বা শেষলৈকো আনকি যাব পাৰে। কিন্তু ড০ ভৃগু গোস্বামীৰ এই জীৱনী সেই শ্ৰেণীৰ জীৱনী নহয়। কেতিয়াবা কালানুক্ৰম এইদৰে ভংগ কৰি লেখকে ইয়াত পাঠকক বিবুধিতো পেলাইছে। কেতিয়াবা বিৱৰণৰ অতিসংক্ষিপ্ততাইও পাঠকক একেদৰেই বিবুধিত পেলাইছে। যেনে ৪১ পৃষ্ঠাত জীৱনীকাৰে হঠাৎ লিখিছে, 'তেজপুৰৰ পৰা আহি গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত নাম লিখাৰ পিছত......'। কিন্তু ইয়াৰ আগে পিছে তেজপুৰৰ পৰা গোস্বামীয়ে কিয় আহি গুৱাহাটীত নাম লিখিবলগীয়া হ'ল আৰু এই কাম কেতিয়া কোন চনত হৈছিল তাৰ উল্লেখ নাই। একেদৰে ১৩ পৃষ্ঠাত আছে যে তেওঁৰ দেউতাক সিংহদত্ত দেৱ অধিকাৰীয়ে '১৯২২ চনত চাকৰি এৰি গুৱাহাটী পায় আৰু এটা প্ৰেছ খুলিবলৈ যো-জা কৰে।' কিন্তু অনুসন্ধিৎসু পাঠকৰ মনত এইখিনিতে প্ৰশ্ন হয়, দেউতাকে কি চাকৰি এৰি দিলে আৰু কিয় এৰি দি প্ৰেছ খোলাৰ কথা ভাবিলে? তেওঁ উদ্যোগী পুৰুষ আছিল বাবে নে কিবা কাৰণত নিৰুপায় হৈহে এনে কৰিবলগীয়া হৈছিল- এনে অতিসংক্ষিপ্ততাৰ দোষ জীৱনীখনত ঢেৰ।

তথ্যৰ পৰিবেশনত যথেষ্ট সাৱধানতা অৱলম্বন নকৰাত জীৱনীখনত বহুতো ফাঁকো ৰৈ গৈছে। কেতিয়াবা পৰিৱেশিত তথ্যও যথোপযুক্ত নহয়। যেনে ইয়াত জনোৱা হৈছে যে গোস্বামীৰ প্ৰথম বিয়া ব্যৰ্থ হোৱা সেই চৰম অশান্তিৰ কালছোৱাতে তেওঁ পি এইচ ডি-ৰ বাবে গৱেষণাত মগ্ন হ'ল। কিন্তু এই বিয়া কিয় ব্যৰ্থ হ'ল? কাৰ দোষত? ইয়াৰ উত্তৰ জীৱনীখনত নাই।

সি যি কি নহওক, এনেবোৰ সৰু-সুৰা ত্ৰুটীৰ সত্বেও বিষয়ৰ চৰিত্ৰ আৰু মনৰ পৰিচয় দাঙি ধৰিবলৈ নিৰন্তৰ চেষ্টা ধৰা পৰা ই এক মোটামুটি কৃতি, সুখপাঠ্য জীৱনী। এজন নিতান্ত প্ৰচাৰবিমুখ পণ্ডিতৰ এনে এখন জীৱনী তেওঁৰ জীৱনকালতে উলিয়াই দিয়া এটা দুৰূহ কাম। এনে এক কামো বহু পৰিমাণে সন্তোষজনক ৰূপতে সম্পন্ন কৰি এই জীৱনীৰ জীৱনীকাৰ ড০ ভৃগুমোহন গোস্বামী আমাৰ সকলোৰে অভিনন্দনৰ পাত্ৰ হ'ল। ■



OKDISCP

ধাৰাবাহিক উপন্যাস ১৫

# ডিকটৈন

দীপক কুমাৰ বৰকাকতী



গ্ৰুপ চেন্টাৰটোত সঘনাই ঘটা ঘটনাবোৰৰ বুজ লবলৈ ৰেভাৰেণ্ড যাইৰেমা না-থীয়াল পালেহি। তেওঁ মদ বনোৱা আৰু বিক্ৰী কৰাৰ অপৰাধত দুখীয়া মানুহৰ হত্যাৰ বাবে ··ৰ বেজাৰ পালে, তেওঁ মানুহৰ ঘৰলৈ গ'ল। তাত মানুহক মদ পান কৰাতো যে ধৰ্মৰ মূল্যবোধৰ বিপৰীতে তাক বুজাই দিলে আৰু অধৰ্মৰ আশ্ৰয়ৰ বাবেই যে দুৰ্ঘটনা হবলৈ পালে ক'বলৈ ধৰিলে! মদ খোৱাৰ অভ্যাস থকা মানুহবোৰক সুমতি দিবলৈ প্ৰাৰ্থনা জনালে। তেওঁৰ উজ্জ্বল তাম বৰণীয়া মুখাবয়বৰ পৰা সাৱলীল ভাবে ভগৱানৰ গুণ-গৰিমা বৰষিবলৈ ধৰিলে। ভগৱানৰ দয়াৰ গুণ বখানি কৰা প্ৰাৰ্থনাত মানুহবোৰ মোহিত হ'ল। তেওঁ শেষত অজ্ঞান মানুহবোৰক বদ অভ্যাসৰ পৰা বিৰত কৰাই ক্ষমা প্ৰাৰ্থনাৰে নিজৰ অন্তৰত সাবটি লবলৈ মিনতি জনাই প্ৰাৰ্থনাৰ সামৰণি মাৰিলে।



ৰেভাৰেণ্ড যাইৰেমাক লগ পাবলৈ ওপা ৰ'ছিয়ামা আহিল। তেওঁৰ পিন্ধনত আঠুলৈকে পৰা কাপোৰ। তাৰ ওপৰত চোলা আৰু কোট। ভৰিত জোতা আৰু হাতত এডাল লাখুটি। বুঢ়াই ৰেভাৰেণ্ডক হেন্দছেক্ কৰিলে। তেওঁ ক'লে– পু যাইৰেম, দেশখনৰ শান্তিৰ কাৰণে আপুনি কিবা কৰি আছে বুলি গম পাইছো। কিন্তু মানুহবোৰৰ ঘৰে ঘৰে নামি অহা অশান্তিবোৰক কেনেকৈ সান্ত্বনা দিব?

বুঢ়াৰ নিজৰ ঘৰতো অশান্তি একেবাৰে নোহোৱা নহয়। বিধৱা ৰেমীজনীক ডেৰ বছৰীয়া কেঁচুৱাটোৰে সৈতে দেখিলে বুঢ়াৰ বুকুখন হমৃহমায়। ৰেমী গাভৰুৱেই হৈ আছে।

ওপা ৰ'ছিয়ামাৰ প্ৰশ্নৰ উত্তৰত যাইৰেমাই কৈ গ'ল– প্ৰাৰ্থনাৰে। ভগৱানৰ ওপৰত থকা বিশ্বাসৰ ভেটি তলবল হ'লেই মানুহ অশান্ত হয়। গতিকে অশান্ত মানুহবোৰক সোঁৱৰাই দিয়া আৱশ্যক যে বিশ্বৰ সৃষ্টিকৰ্তা, মহা জগতৰ সৃষ্টিকৰ্তা পৰম প্ৰভু ভগৱানৰ পৰিকল্পনা মতেই সকলো ঘটনা ঘটিব লাগিছে। আৰু এই বিশ্বাস জন্মিলেই আমি আমাৰ পাৰ্থিৱ অশান্তিৰ উৰ্ধ্বত উঠিম। আমি মানসিক ভাবে সুখী হম। গতিকে প্ৰাৰ্থনাৰ বৰ আৱশ্যক–

ৰেভাৰেণ্ডজনৰ তাম বৰণীয়া মুখৰ বিমল ভংগিমাত ওপা ৰ'ছিয়ামা মোহিত হ'ল। কিন্তু তথাপি তেওঁৰ প্ৰশ্নৰ উদ্দেশ্যটো আছিল এটা বিশেষ কাৰণত। তেওঁ ওচৰতে বহি থকা কিয়েনল'ভালৈ চালে। এই কঠিন মানুহটো পৰিয়ালত ঘটা অঘটনত ভাঙি পৰিছে। ৰ'ছিয়ামাই কিয়েনল'ভাক দেখুৱাই ক'লে– পু যাইৰেম, এই মানুহটোলৈ চাওক। তাৰ ডাঙৰ পুতেকটো মৰিল। মাজুটো এই কিছুদিনৰ আগতে গাঁৱত অঘটন ঘটাই এম এন এফ-ত যোগ দিবলৈ গ'ল। ভাগ্যে যেনিবা পু-ভট্‌ৰ বেছি একো নহ'ল। জুয়ে পোৰা গাঁওভূঁই এৰি আহি এইবোৰ লৈ মানুহটো ভাঙি পৰিছে। মানুহটোক অলপ শান্তি দিয়ক–

যাইৰেমাই মানুহটোলৈ অলপ সময় চাই থাকিল। তাৰ পাছত ক'লে– আপুনি শান্তি পাব। আপোনাৰ শান্তি ঘৰৰ পৰাই আহিব।

ওপা ৰ'ছিয়ামাৰ মনটো উজ্জ্বল হৈ উঠিল। তেওঁৰ কিয়েনল'ভাৰ সৰু পুতেক ৰোৱাটাৰ কথা মনত পৰিল। সি এতিয়াই ধৰ্মপৰায়ণ। সিহঁতৰ ঘৰৰ শান্তি সম্ভৱ তাৰ পৰাই আহিব। ৰেভাৰেণ্ডে নিশ্চয় তাৰ কথাই কৈছে।

যাইৰেমাই কথাষাৰ এটা বিশেষ ভাবধাৰাৰে আৰম্ভ কৰিছিল। তেওঁ কৈ গ'ল– কোনোবাই শান্তি বিচাৰিলে তেওঁৰ অন্তৰৰ পৰাই শান্তি আহিব লাগিব। কাৰোবাঁৰ ঘৰত শান্তিৰ অভাৱ হ'লে সেই ঘৰৰ পৰাই শান্তিৰ বীজ ফুটি ওলাব লাগিব।

কিয়েনল'ভাই ক'লে– পু যাইৰেম, মই হ'লো কমাৰ, লগতে খেতিয়ক। মই কামত বিশ্বাস কৰো। গাঁৱত থাকোতে দুয়োটা কামেই ৰং মনেৰে কৰিছিলো। কিন্তু ইয়াত কমাৰৰ আৱশ্যক প্ৰায় নায়েই। তাৰ উপৰি মোৰ কমাৰশাল গাঁৱতে পুৰি শেষ হ'ল। এতিয়া ইয়াত খেতিৰ মাটিও বেছি নাই, খেতি কৰাৰ সময়ো নাই–

যাইৰেমাৰ মুখ উজ্জ্বল হৈ উঠিল– কাপু, আপোনাৰ শান্তিৰ উৎস আপোনাতেই। আপুনি কাম কৰি ভাল পায়। কাম কৰি যাওক। ভগৱানৰ ওপৰত আস্থা ৰাখক। আগৰ কামবোৰ কৰিব নোৱাৰে যেতিয়া বাঁহ-বেতৰ কামত হাত দিয়ক। দেখিব আপুনি শান্তি পাবলৈ আৰম্ভ কৰিছে।

মুহূৰ্ততে কিয়েনল'ভাৰ মুখখন আনন্দেৰে ভৰি পৰিল। ইমান দিনে সি বাঁহ-বেতৰ কাম মন পুতি কৰাৰ কথা চিন্তাই কৰা নাছিল। সি অবাক হৈ ৰেভাৰেণ্ড যাইৰেমাৰ মুখলৈ চাই ৰ'ল।

তেনেতে দায়িত্বশীল বিষয়া জাতীয় মানুহ এজন সোমাই ৰেভাৰেণ্ড যাইৰেমাক বিচাৰিলে আৰু তেওঁলৈ কাগজ এখিলা আগবঢ়াই দিলে। কাগজখিলাত এটা জৰুৰী বাতৰি লিখা আছে। তেওঁ এতিয়াই কাছাৰ জিলাৰ কৰিমগঞ্জ চহৰলৈ যাত্ৰা কৰিব লাগিব। তাত এম এন এফ চৰকাৰৰ চোৰাংচোৱা বিভাগৰ মুৰব্বীজন শান্তি আলোচনাৰ বাবে তেওঁলৈ বৈ থাকিব।

যাইৰেমাৰ মুখত হাঁহি বিৰিঙিল। ইমান দিনৰ প্ৰচেষ্টা তেওঁৰ সফল হৈছে।

ৰেভাৰেণ্ড যাইৰেমা মানুহবোৰৰ পৰা বিদায় ললে। ঘৰটোৰ বাহিৰত থকা মানুহৰ সৰু জুমটোৰ মাজেৰে যাইৰেমাৰ লগত পাৰ হৈ যাওঁতে ওপা ৰ'ছিয়ামাই ইফালে সিফালে চাবলৈ ধৰিলে। তেওঁ দুটামান ল'ৰাৰ লগত থিয় দি থকা ৰোৱাটাক দেখি ওচৰলৈ মাতিলে।

ওপা ৰ'ছিয়ামাই লৰা-লৰিকৈ ক'লে– পু যাইৰেম, ইয়াক লগ পাই যাওকচোন। ই পু কিয়েনল'ভাৰ সৰু পুতেক।

যাইৰেমাই চকুৰ চছমাযোৰ ঠিক কৰি ল'ৰাটোলৈ চালে। ৰোৱাটাৰ মুখখন লনি। মূৰৰ চুলি নিকাকৈ ফণিওৱা। গাঁৱৰ ল'ৰা হিচাপে কাপোৰ-কানি পৰিষ্কাৰ আৰু পৰিপাটিকৈ পিন্ধা। সি বয়সত চেঙেলীয়া। চৈধ্য বছৰমান হব। তেওঁ সুধিলে– তোৰ কি নাম অ'?

– ভানলাল ৰোৱাটা। – ৰোৱাটাই ৰেভাৰেণ্ড যাইৰেমাৰ সমুখত এটা অপূৰ্ব অনুভূতি উপলব্ধি কৰিলে।

– কোন ক্লাচত পঢ়'?

– ক্লাচ এইটত।

– তোৰ কি হবৰ মন? ৰেভাৰেণ্ডে তাক বুজিব খুজিলে।

ৰোৱাটা কেইমুহূৰ্তমান ৰ'ল। তাৰ পাছত ক'লে– মই কি হম এতিয়াই ক'ব নোৱাৰো। এইটো ভগৱানৰ ওপৰত নিৰ্ভৰ কৰে।

যাইৰেমা ৰোৱাটাৰ প্ৰতি উৎসুক হ'ল। তেওঁ সুধিলে– কিয় তেনেকৈ কৈছ?

– কাৰণ ভগৱানৰ মোৰ প্ৰতি এটা পৰিকল্পনা আছে।

ৰেভাৰেণ্ডজনে অলপ সময় তাৰ ফালে আনন্দ মনেৰে চাই থাকিল। তেওঁ ক'লে– তোৰ প্ৰতি থকা ভগৱানৰ পৰিকল্পনা মই হয়তো অলপ বুজি পাইছো। তই যি কোনো সময়তে মোক আইজ'লত লগ পাব পাৰ। মই তোক সহায় কৰিবলৈ যত্ন কৰিম।

ৰেভাৰেণ্ডজনে তাক হেন্দছেক কৰিলে। লগে লগে ৰোৱাটাৰ গোটেই গা শিয়ৰি উঠিল।

মাজ নিশাও লম্‌কিমাৰ টোপনি অহা নাই। শিলত পৰা বিছনাখনত মাত্ৰ ওপৰমুৱাকৈ শুই আছে। দৃষ্টি টেন্টটোৰ পেৰাচুটটোতে সীমাবদ্ধ। তেওঁ কিবা ভাবি আছে। কিন্তু কেতিয়াবা কি ভাবিছে সেই কথা ভাবিলেও যেন উচাপ খাই উঠে।

অলপ দূৰেৰে চিন্দুইনখন বৈ গৈছে। শিলত ঠেকা খাই খাই বৈ যোৱা বাৰিষাৰ উত্তাল তৰংগৰ হৰহৰণি মাজনিশা স্পষ্টকৈ ভাহি আহিছে।

লম্‌কিমাই পেটটোত অসম্ভৱ বিষ অনুভৱ কৰিলে। ভোকত পেটটো কলমলাই উঠিল। যোৱা দুদিন পেটত বিশেষ একো এটা পৰা নাই। ভোকে ভাগৰে তেওঁৰ মনটো অস্বস্তিৰে ভৰি পৰিল। তাৰ মাজতে যোৱা ডেৰ মাহৰ বিৰক্তিকৰ

অভিজ্ঞতা লম্‌কিমাৰ মনত পৰিবলৈ ধৰিলে।

............ চিন্দুইনৰ অৱবাহিকাত বাৰিষা যথেষ্ট বৰষুণ হয়। সেই বুলি বাৰিষাৰ আৰম্ভণিতেই দিনৰ পিছত দিন ধৰি ধাৰাষাৰ বৰষুণ হব বুলি লম্‌কিমাই ভবা নাছিল। যি গুৰুভাৰ লৈ যাত্ৰাত ওলাইছে তাক লৈ যথেষ্ট বিমোৰত পৰিল।

লম্‌কিমাৰ লগত আছে প্ৰায় সাতশ চফল ডেকা। এই দলটোত থানমইয়া, যুৱালা আৰু ৰেমাও আছে। দলটোৰ প্ৰায় চাৰে ছশ ডেকাৰ বন্দুক বাৰুদৰ জ্ঞান তেনেই সামান্য। কিন্তু মানসিক আৰু দৈহিক ক্ষমতাত সিহঁত অসীম। স্বাধীনতাৰ যুঁজত দেহৰ শেষ বিন্দু তেজো দিবলৈ সিহঁত প্ৰস্তুত। এই বিষয়ত সিহঁতৰ মনৰ দৃঢ়তা অতুলনীয়। সিহঁতক সুৰক্ষিত কৰি লগত অহা বাকী চল্লিছটা সম্পূৰ্ণ পাকৈত যুঁজাৰু। সকলো ধৰণৰ আগ্নেয়াস্ত্ৰ চালনাৰ পৰা দ্বন্দ্ব যুদ্ধলৈকে পাকৈত সিহঁত এম এন এফ-ৰ বছা বছা গৰিলা। এই গৰিলাৰ দলটোক নেতৃত্ব দিছে মেজৰ থানয'মাই।

গোটেই দলটোৰ নেতা হ'ল লম্‌কিমা। তেওঁ অসামৰিক বিভাগৰ কৰ্মী। তেওঁক কূটনীতি বিভাগলৈ অনা হৈছে। এই দলটোক তেওঁ চীন উপ মহাদেশলৈ নিব লাগিব। মিলিটাৰী প্ৰশিক্ষণৰ বাবে। তাত কূটনৈতিক সম্পৰ্ক স্থাপনৰ লগতে তাৰ সমাজ আৰু অৰ্থনীতি তেওঁ অধ্যয়ন কৰিব। লগতে মিজো সমাজ ব্যৱস্থাৰ লগত সেই অৰ্থনীতি কিমান দূৰ গ্ৰহণ যোগ্য হব তাৰ ওপৰত মতামত দিব লাগিব।

ভাৰত আৰু ব্ৰহ্মদেশৰ যুটীয়া হেঁচাত দুৰ্বল হৈ এম এন এফ-য়ে সংস্থাপনৰ সম্ভাৱনাৰ সম্পৰ্কে কিছু কথা জানি চৰকাৰৰ লগত বুজাবুজিত আহিব বিচাৰিছিল। ৰেভাৰেণ্ড যাইৰেমাই এই বিষয়ত চৰকাৰৰ নীতিৰ বিষয়ে দুদিন আলোচনাত বহি তেওঁলোকৰ চোৰাংচোৱা বিভাগৰ মুৰব্বীজনক বুজাই দিলে। এই আলোচনাৰ উত্তেজনা মাৰ নৌ-যাওঁতেই মুৰব্বীজনক গ্ৰেপ্তাৰ কৰা হ'ল। এই ঘটনাই এম এন এফ আন্দোলনৰ মোৰ ঘূৰালে। এম এন এফ-ৰ নেতাবোৰে লুকাই চুৰকৈ যে চৰকাৰৰ লগত বুজা বুজিত আহিব খোজা নাই সেই কথা তেওঁলোকে আশ্ৰয় গ্ৰহণ কৰা বিদেশী শক্তিক আৰু লগতে সহকমী সকলক বুজাব লগা হ'ল। ফলত নতুন নতুন পন্থা উদ্ভাৱন কৰিব লগা হ'ল।

এম এন এফ-ৰ নতুন পন্থাবোৰৰ ভিতৰত চীন উপ-মহাদেশৰ লগত সম্পৰ্ক স্থাপনো এটা। ইয়াৰ আগতে মিজো-ভাষী মংগোলীয় মানুহ বাস কৰা ব্ৰহ্মদেশৰ উত্তৰ অঞ্চল সামৰি বৃহত্তৰ মিজোৰাম গঠনৰ পৰিকল্পনাৰ কাম আৰম্ভ কৰা হৈছিল। তাৰ বাবে আৱশ্যক আছিল 'হ্'ত বাস কৰা মানুহখিনিৰ এম এন এফ-ৰ প্ৰতি আস্থা জন্মোৱা। সেই বাবেই এম এন এফ-বোৰে উত্তৰ ব্ৰহ্মদেশৰ কেইবাখনো দেশ আক্ৰমণ কৰিলে। আন্দোলনটো আন্তৰ্জাতিক কৰি তোলাৰ এই প্ৰচেষ্টাত ব্ৰহ্মদেশ চৰকাৰ জাঙুৰ খাই উঠিল। তেওঁলোকৰ সামৰিক বাহিনীয়ে এম এন এফ-বোৰৰ গতিবিধিত বাধা দিবলৈ ধৰিলে।

লম্‌কিমাহঁতৰ দলটোৱেও ব্ৰহ্মদেশৰ সৈন্যৰ বাবে আগুৱাই যোৱাত অসুবিধা পাবলৈ ধৰিলে। কিন্তু কিছুদিনৰ পাছত তেওঁলোকে সিহঁতৰ বাবে আমোদো পালে। তেওঁলোকে মন কৰিলে যে সিহঁতে তেওঁলোকক অনুসৰণ কৰিছে। তেওঁলোকে প্ৰতি আক্ৰমণৰ বাবে সাজু হৈ ৰৈ দিলেই সিহঁতো ৰৈ দিয়ে। তেওঁলোকে আগুৱালে সিহঁতো তেওঁলোকৰ পিছ লিয়। কিছুদিনতে তেওঁলোকে বুজি উঠিল যে সিহঁতৰ আক্ৰমণৰ ইচ্ছা সমূলি নাই।

তেনেতে আৰম্ভ হ'ল বৰষুণ। ধাৰাষাৰ বৰষুণ। বৰষুণ আৰু বৰষুণ। চিন্দুইনৰ অৱবাহিকাত এনেদৰে দিনৰ পিছত দিন ধৰি বৰষুণ হব বুলি লম্‌কিমাই কল্পনা কৰা নাছিল। এই বৰষুণৰ উপৰিও ডাঠ সেউজীয়া অৰণ্যৰ মহ-ডাঁহ, জোক আৰু সাপ সোপ নেওচি গছ-লতা কাটি আৰু কেতিয়াবা সৰকি তেওঁলোক ৰৈ ৰৈ আগুৱাই গৈ থাকিল। তেওঁলোক চিন্দুইন পাৰ হব লাগিব। তাৰ পাছত চীন উপ-মহাদেশলৈ লাহে লাহে আগুৱাই যাব।

লম্‌কিমাহঁত যেতিয়া উজনিৰ চিন্দুইনৰ পাৰ পালে তেতিয়ালৈ নদীখন ফেনেফোটোকাৰে ওফন্দি পৰিল। উজনিৰ চিন্দুইন ঠেক আৰু অশান্ত। মুষলধাৰে বৰষা বৰষুণৰ বাবে ৰংচুৱা পানী শিলত ঠেকা খাই খাই চিটিকি পৰিছে আৰু পাক খাই খাই নামনিলৈ বৈ গৈছে। হৰ-হৰণিৰ শব্দ এটা অনবৰত চৌদিশে বিয়পি পৰিছে। চিন্দুইনৰ এই ভয়াবহ ৰূপ লম্‌কিমা আৰু থানয'মাই অবাক হৈ চাই থাকিল।

– পু থানয'ম। ইয়াত ক'ৰবাত নিশ্চয় ঘাট আছে। নাৱো পোৱা যাব পাৰে। লম্‌কিমাই ক'লে।

– চাব পৰা যায়। কিন্তু এই অৱস্থাত– থানয'মাই কথাষাৰ পূৰাকৈ নকলে। সি কাষতে ৰৈ থকা চাৰ্জেন্ট এটাক নাও আছে নেকি চাবলৈ কলে।

এঘন্টামানৰ পাছত চাৰ্জেন্টটো উলটি আহিল। সি কলে– নাও দুখন আছে। অলপ উজনিলৈ।

থানয'মা আৰু লম্‌কিমা নাওকেইখন চাবলৈ গ'ল। নাও দুখন টুলুঙা। চিন্দুইনৰ দোকোলটোকা ঢৌত খেৰ-কুটাৰ দৰে নাচিব লাগিছে।

অলপ সময় চাই থাকি লম্‌কিমাই ক'লে– আমি হয়তো কেইদিনমান ৰ'লেহে পাৰ হব পাৰিম।

থানয'মাই আপত্তি নকৰিলে।

পাছদিনা বৰষুণ এৰিলে, কিন্তু নৈৰ কোবাল সোঁত একেই থাকিল। তাৰ তিনিদিন পাছত সোঁতৰ জোৰ কমা যেন বোধ হল।

থানয'মাই লম্‌কিমাক ক'লে– পু লম্‌কিম, টুলুঙা নাও কেইখনত পাৰ হোৱাটো তেনেই বিপদমুক্ত নহয়। কিন্তু আমি ডাঙৰ ডাঙৰ গছ কাটি ভুৰ সাজিব পাৰো। তেতিয়া হলে নিৰাপদে পাৰ হব পাৰিম।

প্ৰস্তাৱটো লম্‌কিমাৰ বেয়া নালাগিল। তেওঁ ক'লে– কথাটো বেয়া নহয়। কিন্তু আগতে এড্‌ভানচ্ পাৰ্টিয়ে পৰিস্থিতিটো অধ্যয়ন কৰা উচিত।

এড্‌ভানচ্ পাৰ্টিয়ে অনা খবৰটো তেওঁলোকৰ বাবে তেনেই অপ্ৰত্যাশিত আছিল। অলপ নামনিলৈ নৈৰ কেঁকুৰি এটাত মেচিনগান সজোৱা লাঞ্চ কেইখনমান ব্ৰহ্মদেশৰ সৈনিকেৰে সৈতে সাজু কৰি থোৱা আছে। লম্‌কিমাহঁত লৰা-লৰিকৈ কিছুদূৰ নামনিলৈ গৈ পাহাৰৰ টিলা এটাৰ পৰা বায়ন'কুলাৰ লৈ পৰিস্থিতিটো অধ্যয়ন কৰিলে। তেওঁলোক অবাক হ'ল। এড্‌ভানচ্ পাৰ্টিটোৱে অনা খবৰত লেশমানো ভুল নাই। লম্‌কিমাই মুহূৰ্ততে বুজি উঠিল এই বাটচোৱাত ব্ৰহ্মদেশৰ সৈন্যবোৰে কিয় তেওঁলোকক আক্ৰমণ কৰা নাছিল।

লম্‌কিমা পুনৰ বিমোৰত পৰিল। অলপ সময় চিন্তা কৰি তেওঁ ক'লে– কামাণ্ডাৰৰ লগত যোগাযোগ কৰা যাওক।

থানয'মাই লগে লগে বেঁতাৰ যোগাযোগ স্থাপনৰ বাবে আদেশ দিলে। ৰ'ছাঙা দলটোৰ ৱায়াৰলেছৰ দায়িত্বত আছিল। সি







কামাণ্ডাৰৰ লগত সংযোগ স্থাপনৰ বাবে চেষ্টা কৰিবলৈ ধৰিলে। সিহঁত এতিয়া বহু দূৰত। ৱায়াৰলেছৰ ফ্ৰিঞ্জ এলেকাত। কিন্তু ৰ'ছাঙাহঁতৰ ছেটবোৰ যথেষ্ট শক্তিশালী। সিহঁতে বহু চেষ্টাৰ মূৰত সংযোগ স্থাপন কৰিবলৈ সক্ষম হ'ল।

লম্‌কিমাই পৰিস্থিতিৰ বিবৰণ দিলে। এতিয়া পাৰ হোৱাটো আত্মজাহ দিয়াৰ দৰে হব।

সিফালৰ পৰা কথাবোৰ ৰৈ ৰৈ ভাহি আহিল। মাজে মাজে মাতবোৰ যেন বতাহত ক'ৰবালৈ উৰিহে যায়। সিহঁতলৈ অহা আদেশটো এনে ধৰণৰ– এই ভৰ বাৰিষা চিন্দুইন পাৰ হব নালাগে। বাৰিষা শেষ হলেই নিশ্চয় উজনিৰ চিন্দুইনৰ এই অংশত ডাঙৰ ডাঙৰ শিলবোৰে মূৰ দাঙি উঠিব। তেতিয়ালৈ মটৰ লাঞ্চৰ আক্ৰমণৰ সম্ভাৱনাও নাথাকিব, পাৰ হবলৈয়ো সুবিধা হব।

লম্‌কিমা আৰু থানয'মাৰ আদেশটো মনঃপূত হল। সিহঁত চিন্দুইনৰ পাৰতে কেইমাহমান ৰব পৰাকৈ কেম্প স্থাপন কৰিলে।

কেম্পটো স্থাপনৰ সময়ত তেওঁলোকৰ প্ৰায় দহদিনৰ খোৱা বস্তুহে লগত আছিল। তেওঁলোকে টানি-মুনি পোন্ধৰ দিন চলালে। তাৰ পাছত কাষৰীয়া জংঘলৰ পৰা বিভিন্ন আলু-কচু খাবলৈ ধৰিলে। সেইবোৰ খাই কেইটামানৰ পেটৰ অসুখ হ'ল। তাৰ পাছত যুৱালাকে আদি কৰি কেইবাটাও গ্ৰহণীত পৰি কাহিল হৈ পৰিল। তাতে যোৱা চাৰিদিনমানৰ পৰা কুৰি পঁচিশটামান ডেকাৰ একেলগে মেলেৰিয়া আৰম্ভ হ'ল।

কাৰোবাৰ মাত-কথাত লম্‌কিমাই সম্বিত ঘূৰাই পালে। দোভাগ নিশা মাত ডাঙৰকৈ ওলাইছে। সিহঁত হয়তো পহৰাদাৰ গৰিলা। দুটামানৰ গ্ৰহণী এতিয়াও ভাল হোৱা নাই। হয়তো সিহঁতো হব পাৰে।

লম্‌কিমাই শিলত পৰা কঠিন বিছনাখনতে অস্বস্তিত বাগৰ সলালে। তেওঁৰ পেটৰ বিষটো বেছিহে হ'ল। কিন্তু তাতোকৈ বেছি হ'ল তেওঁৰ মনৰ অস্থিৰতা। এইবোৰ কি ঘটিছে? তেওঁলোক কলৈ আগুৱাই গৈছে? – তেওঁ নিজকে প্ৰশ্ন কৰিবলৈ ধৰিলে– স্বাধীনতাৰ অৰ্থ কি? নিজা ঘৰ দুৱাৰ এৰি জংঘলে জংঘলে ঘূৰি ফুৰি বিদেশী শক্তিৰ আশ্ৰয় বিচৰাটোৱেই জানো স্বাধীনতা।

তেওঁ পুনৰ বাগৰ সলালে। পুৱতি নিশালৈকে লম্‌কিমাৰ টোপনি নাহিল।

পুৱা লম্‌কিমাক জগাই কোনোবা এটাই বাতৰি দিলে– মেলেৰিয়া হোৱা এটাৰ বোলে বৰ টান। তেওঁ লৰা-লৰিকৈ তাৰ ওচৰলৈ গল। ডেকাটোৰ ভীষণ জ্বৰ। গাত কঁপনি। মুখৰ বৰণ শেতা। তাৰ মূৰত ভিজোৱা কাপোৰৰ পটি।

– সি কিবা খাইছেনে? – লম্‌কিমাই সুধিলে।

– যোৱা দুদিনে একো খোৱা নাই।

– কিবা আনি খাবলৈ দে। – লম্‌কিমাই কলে।

অলপ সময়ৰ পাছত কোনোবা এটাই সিজোৱা বনৰীয়া আলু দুটা আনি দিলেহি। এনেকুৱা আলু-কচু খায়েই কিছুমানৰ পেটৰ অসুখ হৈছে।

লম্‌কিমাই আলু অনা ডেকাটোলৈ চাই সুধিলে– আন একো নাই নেকি?

ডেকাটোৱে দুৰ্বল মাতেৰে কলে- নাই।

লম্‌কিমা চক খাই উঠিল। তেওঁ নিজেও যোৱা দুদিনে বিশেষ একো খোৱা নাই। খোৱা বস্তু বিচাৰি এটা সৰু দল তেওঁ আগদিনা পঠাইছিল। সিহঁত এতিয়াও আহি পোৱা নাই। তেওঁ থানয'মাক ক'লে– পু থানয'ম, কিবা এটা কৰিব লাগিল। দুটামান দল আন দিশত পঠোৱা যাওক। যিকোনো উপায়েৰে কিবা কিছুমান কিনি অনা যাওক। ডেকা কিছুমানক জংঘললৈ পঠোৱা যাওক। খোৱা বস্তু কিৰ্জানি পায়েই।

আবেলিলৈ মেলেৰিয়াত টান হোৱা ডেকাটোৰ অৱস্থা আৰু কাহিল হ'ল। আন কেইটামানৰো জ্বৰ বেছি হবলৈ ধৰিলে। আগদিনা খোৱা বস্তু বিচাৰি যোৱা দলটো উলটি আহিল। সিহঁতে জংঘলৰ আলু কিছুমান লৈ আহিছে। সিহঁতে ক'লে যে– সিহঁত দহমাইল দূৰলৈকে খোৱা বস্তু বিচাৰি গৈছিল। গাঁওবোৰত যোৱাবাৰ খেতি বাতি হোৱা নাছিল। এইবাৰ আকৌ বৰষুণৰ কোবত পথাৰতো কাম কৰিব নোৱৰা অৱস্থা হৈ পৰিছে। সিহঁতে পইছাৰ বিনিময়তো খোৱা বস্তু দিবলৈ অসন্মত। কোনোমতে জংঘলৰ আলু কিছুমান বিচাৰি লৈ আহিছে।

সেই নিশা ডেকাটোৱে আলু দুটুকুৰামান খাই অলপ গা টঙালে। পিছে পিছদিনা পুৱাৰ পৰা তাৰ অৱস্থা বেয়া হ'ল আৰু দুপৰ বেলালৈ সি চকু মুদিলে।

লম্‌কিমা নিমাত হৈ ৰ'ল।

চিপচিপিয়া বৰষুণৰ মাজতে ডেকা কিছুমানে বোকাত লুতুৰি পুতুৰি হৈ কবৰ খান্দিলে। ডেকাটোক কবৰ দি উঠি গছৰ ঠালেৰে বনোৱা ক্ৰচ এটা তাত গুজি দিলে।

অলপ পাছতে আগদিনা পঠোৱা দল দুটা উলটি আহিল। সিহঁতেও কচুৰ টোপোলা কেইটামানৰ বাহিৰে একো আনিব নোৱাৰিলে। সিহঁতে কলে– কাষৰ গাঁওবোৰত আকাল হৈছে।

পাঁচোটা ডেকাৰ দলটোত থকা থানমইয়াই সিহঁতৰ জোতা কেইযোৰৰ





OKDISC

তাঁলত হোৱা ফুটা দেখুৱাই কলে– ইয়াৰ ক'ৰবাত খনিজ পদাৰ্থ আছে। আমাৰ জোতা কেইযোৰ এই পোন্ধৰ বিশ ঘন্টাৰ ভিতৰতে তলি এৰাই ফুটা হ'ল। ভৰিতো ঘা হবলৈ আৰম্ভ কৰিছে।

থানমইয়াই নিজৰ ভৰিৰ তলুৱাত হোৱা ঘাটো দেখুৱালে।

লম্‌কিমা চিন্দুইনৰ পাৰত বহু সময় নীৰৱে ৰ'ল। তাৰ উত্তাল ঢৌবোৰ যোৱা এমাহে কমাই নাই। বৰষুণ হৈয়ে আছে। ৰংচুৱা পানীৰ কোবাল সোঁত বৈয়ে আছে। তেওঁ কিবা কথা গভীৰ ভাবে চিন্তা কৰিবলৈ ধৰিলে।

সন্ধিয়া পৰত তেওঁ থানয'মাক মাতিলে। তেওঁ কলে– আমি পুৱাই ইয়াৰ পৰা উভতিম।

থানয'মা তেতিয়াও নিৰাশ হৈ পৰা নাছিল। সি কলে– আমি এতিয়াও ঠিকেই আছো। দেহৰ শক্তি এতিয়াও অটুট আছে। তাৰ উপৰি হাইকামান্ডৰ লগত কথা পতাটো বৰ জৰুৰী। তাৰ পাছতহে আমি মতামত লোৱাটো ঠিক হব।

লম্‌কিমাই ইতিমধ্যে মন থিৰাং কৰিছে। তাৰ উপৰি গোটেই দলটোৰ নেতা হিচাপে তেওঁৰ সকলোৰে প্ৰতি কৰ্তব্য আছে। তেওঁ থানয'মাৰ চকুলৈ চাই দৃঢ়ভাবে ক'লে– আলোচনাৰ আৱশ্যক নাই। আমি পুৱাই ইয়াৰ পৰা উভতিম।

ৰেমাই ল'মাক লগ পাই ভাল পালে। ল'মা আন্দোলনটো আন্তৰ্জাতিক কৰাৰ বাবে ব্ৰহ্মদেশৰ উত্তৰাঞ্চলত কৰা বিভিন্ন আক্ৰমণৰ মিছনত ব্যস্ত আছিল। সি এতিয়া আৰাকানৰ পৰ্বতমালাৰ মাজ মজিয়াত থকা হেড্‌কোৱাৰ্টাৰলৈ সিহঁতৰ দলৰ লগত উভতিছে। ৰেমা উলটিছে বিফল চীন যাত্ৰাৰ পৰা।

চিন্দুইনৰ পাৰত ৰেমা বেছ কিছুদিন মেলেৰিয়াত ভুগিছিল। সেই দুৰ্বল অৱস্থাতো সি এটা নতুন উপলব্ধিত বুৰ গৈ আছিল। সি দেখিছিল আন বহুতৰ দৰে সিয়ো বেমাৰত ভুগিছে। সুস্থ হৈ থকা আন কিছুমানে সিহঁতৰ বাবে খোৱা-বোৱাৰ ব্যৱস্থা কৰিছে। লগত অহা কম্পাউন্ডাৰটোৱে অহৰহ সিহঁতৰ যতন লৈছে। তাৰ উপৰি পু-লম্‌কিমাহঁতৰ দৰে নেতাবোৰেও সিহঁতৰ খা-খবৰ লৈছে। তাৰ মাজতো সিহঁত চীন উপ-মহাদেশলৈ যোৱা, নন শিক্ষা পোৱা আৰু লগতে সিহঁতৰ দলৰ প্ৰধান কাম সমূহৰ দায়িত্ব পোৱাৰ সম্ভাৱনাত ৰোমাঞ্চিত হৈ আছিল। এই মিশ্ৰিত পৰিবেশৰ মাজত সিহঁতৰ সমূহীয়া কষ্টৰ এটা অৰ্থ ৰেমাই বিচাৰি পাইছিল। সি এটা অহেতুক আনন্দ লভিছিল। তাৰ দুৰ্বল দেহৰ ভিতৰতো মনটো সতেজ হৈ ৰৈছিল।

চীন যাত্ৰা বাদ দি উলটি অহাত ৰেমাৰ দেহ আৰু কাপোৰৰ লগতে মনটোৱো উৱলি পৰিল। তথাপি ল'মাক হঠাতে লগ পাই সি ভাল পালে।

সিহঁত আহি ৰোৱা ঠাইডোখৰত ঘোৰ বাৰিষাৰ বাবেই এটা সৰু জলপ্ৰপাতৰ সৃষ্টি হৈছে। দুদিনমান বৰষুণ নাই। গ্ৰীষ্মৰ প্ৰখৰ ৰ'দে গছ-বন ঢৌৱাই থৈছে। গৰিলা আৰু নতুন ভলন্টিয়াৰবোৰে উৱলি যোৱা কাপোৰ-কানি খুলি ধুই ৰ'দত মেলি পানীত সাঁতুৰি উৎপাত কৰিবলৈ ধৰিলে।

ল'মা এজোপা গছৰ ছাঁত বহি আছিল। তাৰ অলপ তলতেই কৃত্ৰিম জলপ্ৰপাতটোত তাৰ লগৰ কিছুমানে উৎপাত কৰি গা ধুইছিল। ৰেমাই তাক তাত বহি থকা দেখি উধাতু খাই দৌৰি অহাৰ দৰে তাৰ ওচৰলৈ উঠি আহিল। ৰেমাই ভাবিছিল ল'মাই আনবোৰে গা-ধোৱা চাই আছে। কিন্তু তাৰ ওচৰ চাপিহে সি গম পালে ল'মাই কলৈকো চোৱা নাই। মাত্ৰ চকু দুটা স্থিৰ কৰি মেলি বহি আছে। তাৰ মুখত কিবা চিন্তা কৰি থকাৰ চিন।

ৰেমা কেই মুহূৰ্তমান ৰ'ল। তাৰ পাছত তাক মাতিলে। ল'মাই তালৈ অবাক হৈ চাই আনন্দত চিঞৰি উঠিল– তই? ৰেমা! '

দুয়োটায়ে বেচ স্ফূৰ্তি পালে। সিহঁতে নিজৰ নিজৰ অভিজ্ঞতাবোৰ বখানিবলৈ ধৰিলে। ৰেমাহঁতৰ চিন্দুইনৰ পাৰৰ অভিজ্ঞতা শুনি ল'মা গহীন হ'ল। সি অলপ সময় তভক মাৰি থাকি কলে– তই ক'চোন- আমি এইবোৰ কি কাৰণত কৰিছো?

ৰেমাই সহজ ভাবে কলে– কি কাৰণত আৰু? স্বাধীনতাৰ কাৰণে।

–স্বাধীনতা? কাৰ স্বাধীনতা?

– আমাৰ নিজৰ স্বাধীনতাৰ বাবে।– ৰেমাই উত্তৰ দিলে।

– নিজৰ স্বাধীনতা? কাৰ দাসত্বৰ পৰা?
– ল'মাই ৰেমাৰ চকুলৈ চাই থাকিল।

ৰেমাই অস্বস্তি পাবলৈ ধৰিলে। সি এই প্ৰশ্নটোৰ উত্তৰ নাজানে। সেই বিষয়ে সি চিন্তাও কৰিব নোৱাৰে। ল'মাৰ প্ৰশ্নটো শুনি ৰেমাৰ গ্ৰুপ-চেন্টাৰত লগ পোৱা পিটাৰ লালজীকাৰ কথা মনত পৰিল। ল'মা আৰু পিটাৰৰ কথা-বাৰ্তা যেন একে ধৰণৰ। সি নিজে আচৰিত হ'ল এই ল'মাটো যেন আংপুই গাঁৱৰ ল'মা নহয়।

ল'মাই ৰেমাৰ পৰা একো উত্তৰ নাপাই কলে– তাৰ উত্তৰ তোৰ ওচৰত নাথাকিব পাৰে কিন্তু মোৰ ওচৰত আছে। তোক মই পাছত কম।

সি অলপ ৰৈ পুনৰ সুধিলে– বাৰু, তই ক'চোন- স্বাধীনতাৰ অৰ্থ কি?

ল'মাৰ কথাৰ ধৰণত ৰেমাৰ অস্বস্তি বাঢ়ি আহিল। তথাপি সি কলে– কি বাৰু? আমি স্বাধীন হম। কাৰো তলতীয়া হৈ নাথাকো। আমাৰ যি ইচ্ছা তাকে কৰিম। আমি আকালত নোভোগো আৰু নমৰো।

– আৰু এতিয়া আমাৰ যি ইচ্ছা তাকে কৰিব পাৰিছোনে? আমি আকালত ভোগা নাইনে? মৰা নাইনে?

ল'মাৰ তীক্ষ্ণ দৃষ্টিৰ প্ৰশ্নত ৰেমা বিব্ৰত হ'ল। তাৰ চিন্দুইনৰ পাৰৰ অভিজ্ঞতাৰ ছবিবোৰ মুহূৰ্তৰ বাবে ভাহি উঠিল। সি একো নকলে।

– তই তাৰ উত্তৰটো যদি দিব পাৰ তেন্তে হয়তো মই কিয় তোক এইবোৰ সুধিছো বুজিব পাৰিবি।

ৰেমাই বুজি পালে ল'মাৰ লগত এনেধৰণৰ কথা পাতিবলৈ সি সক্ষম নহয়। এনে কাৰণতেই সি পিটাৰ লালজীকাৰ পৰা লাহে লাহে আঁতৰি আহিছিল। ল'মাৰ পৰা সি আঁতৰিবলৈ প্ৰস্তুত নহয়। সি তাৰ ল'ৰালি কালৰে বন্ধু। সি কথা-বাৰ্তাৰ মোৰ আনফালে ঘূৰাবলৈ চেষ্টা কৰিলে।

– এইবোৰ কথা বাদ দে। বহুদিনৰ মূৰত ৰ'দ বতাহত গা শুকোৱাৰ নিচিনা লাগিছে। আৰু এই জলপ্ৰপাতটো চাচোন। ব'ল দুয়োটাই গা গোওঁ।

ল'মাৰ উছাহ নাছিল। কিন্তু ৰেমাই তাক টানি নিয়াৰ দৰে নিলে। ল'মাই লক্ষ্য কৰিলে ৰেমাই পানীত উৎপাত কৰিবলৈ আৰম্ভ কৰিছে। তাক বাৰে বাৰে পানী চটিয়াই আমনি কৰিছে। কুৰি বছৰীয়া ৰেমাৰ মুখত আৰু ব্যৱহাৰত শৈশৱৰ আনন্দ আৰু সৰলতা প্ৰকাশ পাইছে।

ল'মাই একাষৰ পৰা তালৈ চাই থাকিল। সি বুজি পালে ৰেমাই হয়তো স্বাধীনতাৰ আনন্দ কেইমুহূৰ্তমান উপভোগ কৰিছে, কিন্তু উপলব্ধি কৰিব পৰা নাই।

*ক্ৰমশঃ*






# পাথৰ- জনিত ৰোগ আৰু প্ৰতিকাৰ

ডাঃ ভূপেন্দ্ৰ প্ৰসাদ শৰ্মা

মানুহৰ শৰীৰৰ পাথৰ-জনিত ৰোগৰ প্ৰকোপ যোৱা দুটা দশকত যথেষ্ঠ পৰিমাণে বঢ়া দেখা গৈছে। আমাৰ অসমত আগতে পাকস্থলীৰ আল্‌চাৰ (গেষ্ট্ৰিক আৰু ডিউডেনেল আল্‌চাৰ) বহুতো বেছি আছিল; পিছে যোৱা দুটা দশকত পিত্তকোষৰ পাথৰজনিত ৰোগে আল্‌চাৰ ৰোগক চেৰ পেলোৱা দেখা গৈছে। তদুপৰি আশীৰ দশকত পাথৰ জনিত ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰতো যথেষ্ট নতুনত্বৰ সৃষ্টি হৈছে। বৃক্কৰ পাথৰ–যাৰ চিকিৎসা আগতে কেৱল অস্ত্ৰোপচাৰৰ দ্বাৰাইহে সম্ভৱ হৈছিল, যোৱা দশকত পশ্চিমীয়া দেশ সমূহত ৯৫% ভাগ ৰোগীৰে চিকিৎসা বিনা অস্ত্ৰোপচাৰে হোৱা দেখা গৈছে। চিকিৎসাৰ অভিনবত্বই সেয়েহে সাধাৰণ ৰাইজৰ মনতো পাথৰ জনিত ৰোগৰ প্ৰতি কৌতূহল উদ্ৰেক কৰাতো তেনেই স্বাভাৱিক। সেয়েহে এই প্ৰবন্ধত পাথৰনো কি, ক'ত আৰু কেনেকৈ হয় আৰু ইয়াৰ চিকিৎসা প্ৰণালীবোৰনো কি, তাৰ বিষয়ে যিমান সম্ভৱ সহজ ভাষাত আলোচনা কৰা হৈছে।

**পাথৰনো কি?** বহুতো লোকে প্ৰশ্ন কৰে যে শৰীৰৰ ভিতৰত উৎপন্ন হোৱা পাথৰবোৰ বাহিৰত পোৱা শিল গুটিৰ সতে একে নেকি? উত্তৰত ক'ব লাগিব যে নহয়। মানুহৰ শৰীৰৰ ভিতুৰত উৎপত্তি হোৱা পাথৰবোৰ বিভিন্ন ৰাসায়নিক উপাদানেৰে গঠিত। যেনে–চূৰ্ণশিল(Calcium) গন্ধক (Phosphorus), চৰ্বিজাতীয় পদাৰ্থ (Cholesterol) অক্‌জেলেট (Oxalate) ইত্যাদি। উৎপত্তিস্থলৰ বিভিন্নতা অনুসৰি ইয়াৰ উপাদানবোৰৰো বিভিন্নতা দেখা যায়। তদুপৰি ৰোগৰ বীজাণুও এইবোৰ পাথৰৰ অন্যতম উপাদান হোৱাতো বিশেষভাবে লক্ষ্যণীয়।

**পাথৰৰ উৎপত্তিস্থল–** আমাৰ শৰীৰৰ কেইবাটাও অংগত পাথৰৰ উৎপত্তি হ'ব পাৰে। তাৰ ভিতৰত পিত্তকোষ(Gall bladder) আৰু বৃক্ক, মূত্ৰনলী আৰু মূত্ৰথলীত(Urinary system) আটাইতকৈ বেছি পাথৰ জনিত ৰোগ হোৱা দেখা যায়। ইয়াৰ বাহিৰেও মুখৰ ওচৰৰ লেলাৱতি




চিত্ৰ নং–১ পাথৰ হোৱা অংগসমূহ


গ্ৰন্থী (Salivary Glands) আৰু প্ৰষ্টেট গ্ৰন্থীতো (Prostate gland) মাজে মাজে পাথৰৰ উৎপত্তি হোৱা দেখা যায়। যিহেতু পিছত উল্লেখ কৰা গ্ৰন্থী সমূহত পাথৰজনিত ৰোগ কাছিৎহে হয়। পিত্তকোষ আৰু মূত্ৰাংগৰ পাথৰৰ বিষয়ে তলত চমুকৈ আলোচনা কৰা হ'ল। (১নং চিত্ৰ)

**মূত্ৰাংগৰ পাথৰ (URINARY CALCULUS)** আমাৰ পেটৰ ওপৰ ভাগত পিঠিৰ মাংসপেশীত লাগি থকাকৈ



OKDISCD

দুটা বৃক্ক (KIDNEY) থাকে। এই দুটাই হ'ল প্ৰস্ৰাৱ তৈয়াৰী কৰা যন্ত্ৰ (ORGAN)। বৃক্কৰ এটা অংশই তেজৰ পৰা অলাগতীয়াল উপাদানখিনি ছেকি(Filter) পানীৰ লগত মিহলাই উলিয়াই দিয়ে–ইয়েই হ'ল প্ৰস্ৰাৱ। উৎপাদিত প্ৰস্ৰাৱ কিছুমান সৰু সৰু নলীৰে আহি নিষ্কাষণ থলীত (Pelvis of Kidney) জমা হয় আৰু তাৰ পৰা মূত্ৰনলীৰে (Ureter) গৈ মূত্ৰথলীত (Urinary bladder) জমা হয়। মূত্ৰথলীত দুটা বৃক্কৰ পৰা অহা দুডাল মূত্ৰনলী লগ লাগে আৰু তাৰপৰা বহিঃগমন নলীৰে ((Urethra) প্ৰস্ৰাৱ বাহিৰলৈ ওলাই যায়। (২নং চিত্ৰ)।




চিত্ৰ নং ২

মূত্ৰাংগত পাথৰৰ হোৱা স্থান

পাথৰৰ উৎপত্তি সাধাৰণতে বৃক্কৰ ভিতৰতে হয় আৰু তাৰ পৰা সময়ত ওলাই গৈ মূত্ৰনলী নাইবা মূত্ৰথলীত এঠাইতে উৎপত্তি হৈ লাহে লাহে ডাঙৰ হ'ব পাৰে।

**পাথৰৰ উৎপত্তিৰ কাৰণ–** যদিও বিশেষ এটা কাৰণতে পাথৰ উৎপত্তি হোৱা বুলি কোৱা টান, কিছুমান বিশেষ উপাদানৰ অভাৱ নাইবা অতিক্ৰিয়াৰ লগত পাথৰ উৎপত্তিৰ যোগাযোগ আছে বুলি কোৱা হয়। উদাহৰণ স্বৰূপে–

১। ক' ভিটামিনৰ অভাৱ– এই ভিটামিনৰ অভাৱেও বৃক্কৰ ভিতৰৰ চামনিখনৰ কোষবোৰ ছিঙি পৰে (Desquamation of epithelium) আৰু ছিঙি পৰা কোষবোৰৰ ওপৰতে চামনি পৰি পাথৰৰ উৎপত্তি হোৱা বুলি ধাৰণা কৰা হয়।

২। উষ্ণ জলবায়ুৰ ঠাইবোৰত প্ৰস্ৰাৱত পানীৰ পৰিমাণ কম হোৱা বাবে সাধাৰণতে দ্ৰৱীভূত হৈ থকা চূণশিল (Calcium) গন্ধক (phosphorus) আদি উপাদান সমূহ অদ্ৰৱণীয় হৈ ৰয় আৰু এইবোৰৰ ওপৰতে গেদ জমা হৈ পাথৰৰ সৃষ্টি কৰে।

৩। বৃক্কৰ সংক্ৰমণ (Renal infaction) জীৱাণুৰ দ্বাৰা সংক্ৰমিত বৃক্কত, প্ৰস্ৰাৱত থকা জীৱাণুৰ মৃতদেহবোৰ পিছত গৈ পাথৰৰ উৎপত্তিৰ কাৰণ হৈ পৰে।

৪। মূত্ৰনলীত বাধা (Obstructive Uropathy)– যিকোনো কাৰণতে যদি প্ৰস্ৰাৱৰ বহিঃগমনত বাধা পৰে, তেতিয়া হলে প্ৰস্ৰাৱত গেদ পৰে (খালদোঙৰ বন্ধ পানীত পৰাৰ দৰে)। এই গেদবোৰৰ ওপৰতে পিছত পাথৰৰ উৎপত্তি হয়।

৫। বহুদিন শয্যাগত হৈ থকা ৰোগীবোৰ প্ৰস্ৰাৱ বহিঃগমন প্ৰক্ৰিয়া স্বাভাৱিকতে কম হয় আৰু এনেকুৱা ক্ষেত্ৰতে প্ৰস্ৰাৱত পাথৰৰ আৱিৰ্ভাৱ হ'ব পাৰে।

৬। প্যাৰাথাইৰইদ গ্ৰন্থীৰ অতিক্ৰিয়া (Hyperparathyroidism) –এই বেমাৰত প্ৰস্ৰাৱত চূণশিলৰ নিষ্কাষণ (Excretion) বাঢ়ি যায় আৰু সেয়েহে বহুতো ঠাইত একেলগে পাথৰৰ উৎপত্তি হোৱা দেখা যায়।

ওপৰত উল্লেখ কৰা যেই সেই এটা নাইবা দুটা বা ততোধিক কাৰণ লগ লাগি পাথৰৰ উৎপত্তি হ'ব পাৰে।

**পাথৰৰ প্ৰকাৰ (TYPES OF CALCULI)–**

ৰাসায়নিক উপাদান ভেদে মূত্ৰাংগৰ পাথৰ বেলেগ বেলেগ হ'ব পাৰে। যেনে–

১। অক্জেলেট পাথৰ (OXALATE CALCULI)

২। ফোচ্ফেটিক পাথৰ- (PHOSPHATIC CALCULI)

৩। ইউৰিক এচিদ পাথৰ URIC ACID CALCULI)

৪। চিষ্টিন পাথৰ (CYSTINE CALCULI) ইত্যাদি।

প্ৰকাৰ ভেদে পাথৰবোৰ আকৃতি আৰু প্ৰকৃতিও বেলেগ।

**ৰোগৰ লক্ষণঃ–** মূত্ৰাংগত পাথৰ হোৱা অতিকম সংখ্যক ৰোগীৰহে বাহিৰত কোনো ৰোগৰ লক্ষণ প্ৰকাশ নেপায় (Silent Stone)। ৭৫% ৰোগীৰে পেটৰ বিষ হয়। পিছে পাথৰৰ স্থান ভেদে পেটৰ বিষৰ প্ৰকৃতিও কিছু বেলেগ হয়। যেনে–বৃক্কৰ ভিতৰত পাথৰ হলে পেটৰ ওপৰ ভাগত আৰু পিঠিৰ ফালে ঠিক কামিহাড়ৰ তলৰ অংশত অনবৰতে বিষহৈ থাকিব পাৰে। কিন্তু মূত্ৰনলীত (URETER) পাথৰ সোমালে ৰোগীৰ বিষ খুব জোৰেৰে হয় আৰু এই বিষ পিঠিৰ ফালে আৰম্ভ হৈ প্ৰস্ৰাৱৰ নলীলৈ (URETHRA) বিয়পি পৰে। এই বিষ পিছে আহে আৰু কিছুসময়ৰ পাছত কমি যায় আৰু এনেদৰে কেইবাদিনলৈও চলি থাকিব পাৰে।



প্ৰস্ৰাৱৰ লগত তেজ যোৱাতো পাথৰৰ আন এটি লক্ষণ। পিছে তেজ খুব কম পৰিমাণে যায় আৰু দুই এদিনৰ ভিতৰতে কমি যায়।

**পাথৰ ধৰা পেলোৱাৰ উপায় সমূহঃ–** ৰোগৰ লক্ষণৰ পৰা পাথৰ হোৱা বুলি অনুমান কৰিলেও কিন্তু বহুতো ক্ষেত্ৰত কিছুমান অনুসন্ধানমূলক পৰীক্ষাৰ (INVESTIGATIVE PROCEDURE) আৱশ্যক হয়। যেনে–

১। পেটৰ এক্সৰে–মূত্ৰাংগৰ পাথৰ সমূহ পেটৰ সাধাৰণ এক্সৰে ললেই ধৰা পৰে। পিছে কেতিয়াবা পাথৰ হোৱাৰ লক্ষণ থাকিলেও এক্সৰেত পাথৰ দেখা পোৱা নেযায়। ইয়াৰ কাৰণ দুটা হ'ব পাৰে–(১) ইউৰিক এচিদ পাথৰ এক্স-ৰেত দেখা পোৱা নেযায়, (২) পাথৰৰ আৰম্ভণিতে হোৱা অতি সৰু সৰু টুকুৰাবোৰ (CRYSTALS) মূত্ৰনলীত সোমালে ভয়ানক বিষ হয় যদিও অতি সৰু হোৱা বাবে এইবোৰ এক্স-ৰেত ধৰা নপৰে।

২। ইন্ট্ৰাভেনাচ্ পায়োলোগ্ৰাফী (INTRAVENOUS PYELOGRAPHY) এইটো পৰীক্ষাত আয়োডিন থকা ৰং তেজবাহী শিৰাত সোমোৱাই দি বৃক্কৰ কাৰ্যক্ষমতা (Function) আৰু লগতে প্ৰস্ৰাৱবাহী নলীৰ আকাৰ -প্ৰকাৰ আদি চোৱা হয়। পাথৰৰ আচল অৱস্থান আৰু বিপৰীত বৃক্কৰ কাৰ্যক্ষমতা ইয়াৰ দ্বাৰাই ধৰা পৰে। এই দুয়োটা কথাই চিকিৎসাৰ বাবে অতি প্ৰয়োজনীয়।

৩। মূত্ৰথলীৰ অন্তঃনিৰীক্ষণ (CYSTOSCOPY) ধাতুৰে নিৰ্মিত দীঘলীয়া এবিধ যন্ত্ৰেৰে (CYSTOSCOPE) মূত্ৰথলীৰ ভিতৰখন চাব পাৰি। মূত্ৰথলীত হোৱা পাথৰ আৰু অইন আনুষংগিক বেমাৰ ধৰা পেলোৱাৰ ই এটা উত্তম উপায়।


**চিকিৎসা প্ৰণালীঃ**

মূত্ৰাংগৰ পাথৰ আগতে অস্ত্ৰোপচাৰ কৰি উলিওৱাৰ বাহিৰে অইন উপায় নাছিল। এতিয়া অতি সহজ উপায়েৰে বিনা অস্ত্ৰোপচাৰে পাথৰ উলিওৱাৰ উপায় ওলাইছে। আমি প্ৰণালী সমূহ এটা এটাকৈ আলোচনা কৰিম–

১। অস্ত্ৰোপচাৰ– বৃক্কৰ ভিতৰত হোৱা পাথৰ সাধাৰণতে অস্ত্ৰোপচাৰ কৰি উলিয়াই দিয়া হয়। পিছে অতি সৰু পাথৰ বহুতো ক্ষেত্ৰত মূত্ৰনলীৰে ওলাই যায় আৰু সেইবোৰৰ অস্ত্ৰোপচাৰৰ প্ৰয়োজন নহয়। কিন্তু যিবোৰ পাথৰে বৃক্কৰ নিষ্কাষণ প্ৰণালীত (Excretory System) বাধা প্ৰদান কৰে, সেইবোৰ যিমান সোনকালে পৰা যায় অস্ত্ৰোপচাৰ কৰি উলিয়াই দিব লাগে।

মূত্ৰনলীত (URETER) পাথৰ সোমালে যথেষ্ট পেটৰ বিষ হয় যদিও বেছিভাগতে অস্ত্ৰোপচাৰৰ প্ৰয়োজন নহয়। ১ চেঃমিঃতকৈ সৰু পাথৰ সাধাৰণতে মূত্ৰনলীৰে বাগৰি গৈ মূত্ৰথলীত পৰে আৰু তাৰ পৰা বহিঃগমন নলীৰে (URETRA) বাহিৰলৈ ওলায় যায়। কিন্তু তাতোকৈ ডাঙৰ পাথৰে মূত্ৰনলীত বাধাৰ সৃষ্টি কৰে (obstraction in ureter) আৰু বৃক্কৰ ওপৰতো এই বাধাৰ প্ৰভাৱ পৰে। বহুদিন

চিত্ৰ নং ৩




নেফ্ৰোস্কোপৰ দ্বাৰা পাথৰ বিতাৰণ

বাধাপ্ৰাপ্ত হৈ থকা বৃক্ক অৱশেষত সম্পূৰ্ণ ৰূপে বিকল হৈ পৰা (Renal damage) দেখা যায়। গতিকে এনেকুৱা পাথৰ সোনকালেই অস্ত্ৰোপচাৰ কৰি উলিয়াই দিয়াতো অতি প্ৰয়োজনীয়।

মূত্ৰথলীৰ (Urinary bladder) পাথৰ ডাঙৰ হলে অস্ত্ৰোপচাৰৰ দ্বাৰা উলিয়াই দিব লাগে।


২। যন্ত্ৰৰ দ্বাৰা পাথৰ বিতাৰণ (Instrumental removal of Calculus)– আধুনিক চিকিৎসা বিজ্ঞানৰ ফলশ্ৰুতি হিচাপে এতিয়া কিছুমান পাথৰ স্থান বিশেষে বিশেষ যন্ত্ৰৰ দ্বাৰা বিনা অস্ত্ৰোপচাৰে নাইবা সাধাৰণ অস্ত্ৰোপচাৰৰ দ্বাৰা উলিয়াব পৰা হৈছে। এনেকুৱা এবিধ যন্ত্ৰ হ'ল নেফ্ৰোস্কোপ- (NEPHROSCOPE)। ধাতুৰে তৈয়াৰী দীঘলীয়া এই যন্ত্ৰটো ছালত সৰু ফুটা এটা কৰি বৃক্কৰ পাথৰ থকা অংশলৈ সুমুৱাই দিয়া হয়। তাৰ পাছত সৰু চেপেনাৰে পাথৰটো ভাঙি টুকুৰাবোৰ লাহে লাহে উলিয়াই অনা হয়। আজিকালি পিছে পাথৰ ভাঙিবলৈ আল্ট্ৰাচাউন্ড তৰংগৰ (ULATRASOUND WAVE)- ব্যৱহাৰ কৰা হয়। এই তৰংগৰ ব্যৱহাৰৰ দ্বাৰা পাথৰ ভঙাতো আৰু বেছি সহজ হৈ উঠিছে। (৩নং চিত্ৰ)

মূত্ৰনলীৰ পাথৰ উলিয়াবলৈ ডৰ্মিয়া বাকচ (DORMIA BASKET) নামৰ এবিধ যন্ত্ৰ ব্যৱহাৰ কৰা হয়। এই যন্ত্ৰটো অতি দীঘল তাঁৰৰ নিচিনা, যাৰ ওপৰভাগ খোল খালে মাছধৰা চেপাৰ আকৃতি লয়। এই যন্ত্ৰটো প্ৰস্ৰাৱৰ নলীৰে সুমুৱাই দি মূত্ৰথলীলৈ নিয়া হয় আৰু তাৰ পৰা যিটো মূত্ৰনলীত পাথৰ আছে, সেইটোত সুমুৱাই দিয়া হয়। পাথৰটো পালেই ইয়াৰ ওপৰ ভাগৰ তাঁৰবোৰ মেলি দি তাৰ ভিতৰত পাথৰটো ধৰি লৈ লাহে লাহে উলিয়াই অনা

হয়। পিছে ইয়াৰ দ্বাৰা সৰু পাথৰহে উলিয়াব পাৰি। ডাঙৰ পাথৰ উলিয়াবলৈ ইউৰেটাৰো-ৰেনোস্কোপ (URETERORENOSCOPE) নামৰ যন্ত্ৰ ব্যৱহাৰ কৰা হয়। এই যন্ত্ৰটোও ডৰ্মিয়া বাকচৰ দৰেই সুমুওৱা হয়। কেৱল ইয়াৰ লগত লেজাৰ প্ৰোব (Laser Probe) নাইবা আল্ট্ৰাচাউণ্ড প্ৰোব (Ultrasound Probe) থাকে, যাৰ দ্বাৰা পাথৰটো ভাঙি গুৰি কৰি পেলোৱা হয় আৰু গুৰিবোৰ উলিয়াই দিয়া হয়। পশ্চিমীয়া দেশবোৰত এতিয়া এই পদ্ধতিৰে মূত্ৰনলীৰ পাথৰ উলিওৱাৰ ব্যৱস্থা কৰা হৈছে।

ওপৰত উল্লেখ কৰা যন্ত্ৰ সমূহৰ বহুল প্ৰচলন আমাৰ দেশত এতিয়াও হবলৈ বাকী। এইবোৰৰ প্ৰচলন হলে অস্ত্ৰোপচাৰ বেছি ভাগ ক্ষেত্ৰতে এৰাই চলিব পৰা হ'ব।

৩। **লিথোট্ৰিপ্‌চি (LITHOTRIPSY)** মানুহৰ শৰীৰৰ বাহিৰত যন্ত্ৰৰ দ্বাৰা শব্দতৰংগৰ (SHOCK WAVE) সৃষ্টি কৰি যদি বৃক্কৰ ভিতৰৰ পাথৰৰ প্ৰতি সঠিক ভাৱে নিক্ষেপ কৰিব পৰা হয়, তেতিয়াহলে




**চিত্ৰ নং ৪ শব্দতৰংগ দ্বাৰা পাথৰ ভঙা আৰু বিতাৰণ**

এই শব্দতৰংগই পাথৰ ভাঙি টুকুৰা টুকুৰ কৰি দিয়ে। পিছে পাথৰ পোৱাৰ আগতে এই তৰংগই ছাল, মাংসপেশী আৰু বৃক্কৰ কোমল অংশ ভেদ কৰি যাব লাগে। কিন্তু পাথৰ আৰু এই কোষবোৰৰ ঘনত্বৰ (Density) তাৰতম্যৰ বাবে শব্দতৰংগই এই কোমল কোষবোৰৰ কোনো ক্ষতি নকৰে। এই মূলমন্ত্ৰকে সাৰোগত কৰি শব্দতৰংগৰ সৃষ্টি কৰি পাথৰ ভঙা যন্ত্ৰৰ (EXTRA CORPOREAL SHOCK WAVE LITHOTRIPER) আৱিষ্কাৰ কৰা হয়। ১৯৮১ চনত প্ৰথমবাৰৰ বাবে এই যন্ত্ৰৰ ব্যৱহাৰ কৰা হয় মিউনিক বিশ্ববিদ্যালয়ত। এই যন্ত্ৰৰ দ্বাৰা খুব বেছি 8000 শব্দতৰংগ এবাৰত পাথৰলৈ নিক্ষেপ কৰিব পাৰি। পাথৰ কিন্তু ৰঞ্জনৰশ্মিৰ দ্বাৰা প্ৰথমে কোন ঠাইত আছে তাক ঠিক কৰি লোৱা হয়। পাথৰ গুৰি কৰি ভঙাৰ পিছত ২৪ৰ পৰা ৪৮ ঘন্টাৰ ভিতৰত টুকুৰাবোৰ প্ৰস্ৰাৱৰ লগত বাহিৰ হৈ যায়। কেতিয়াবা অৱশ্যে পাথৰ বাহিৰ হৈ যাবলৈ অলপ বেছি সময়ৰো প্ৰয়োজন হোৱা দেখা যায়। (৪নং চিত্ৰ)

লিথোট্ৰিপচি আধুনিক চিকিৎসা বিজ্ঞানৰ বিস্ময়কৰ আৱিষ্কাৰ। ইয়াৰ আৱিষ্কাৰৰ পিছৰ পৰা ৮৫% ভাগ বৃক্কৰ পাথৰ বিনা অস্ত্ৰোপচাৰে উলিয়াব পৰা হৈছে। কেৱল ৩ চেঃ মিঃতকৈ ডাঙৰ আকাৰৰ পাথৰ উলিয়াবলৈ অসুবিধা। ইয়াৰ বাবে ৰোগীয়ে মাত্ৰ দুদিন বা তিনিদিন হস্পিটালত থাকিলেই হয়। আমাৰ দেশতো কেইবাটাও লিথোট্ৰিপ্‌চি কেন্দ্ৰত এই পদ্ধতিত পাথৰ উলিওৱা হৈ আছে। পিছে অসমত এতিয়াও এই পদ্ধতিৰ চিকিৎসা কেন্দ্ৰ হোৱা নাই। সৰ্ব সাধাৰণ ৰাইজৰ বাবে ই এতিয়াও ব্যয়বহুল পদ্ধতিয়ে হৈ আছে।

৪। **ঔষধৰ প্ৰয়োগ–** মূত্ৰাংগৰ পাথৰ ঔষধৰ দ্বাৰা গলাব পাৰি নেকি? এইটো সাধাৰণ ৰাইজৰ এটা অতি সঘনে সোধা প্ৰশ্ন। বহুতে হোমিওপ্যাথি আৰু আয়ুৰ্বেদিক ঔষধৰ দ্বাৰা পাথৰ গলোৱা বুলি দাবী কৰিলেও, পতিয়ন যাব পৰা কোনো প্ৰমাণ দেখা পোৱা নাই। আধুনিক চিকিৎসা বিজ্ঞানত কিন্তু ঔষধৰ দ্বাৰা পাথৰ গলাব পৰা পদ্ধতি ওলোৱা নাই। পিছে আগতে উনুকিয়াই অহা হৈছে যে ১ চেঃ মিঃতকৈ সৰু পাথৰ মূত্ৰনলীত কোনো প্ৰকাৰ বাধা নেপালে সহজেই ওলাই যাব পাৰে। যদি লগতে যথেষ্ট পৰিমাণে পানী খাই প্ৰস্ৰাৱৰ পৰিমাণ বৃদ্ধি কৰিব পাৰি, তেতিয়াহলে বাৰিষাৰ ঢলত নদীত জমা হোৱা পাথৰ গেদ আদি উটুৱাই নিয়াৰ দৰে, বৃক্ক আৰু মূত্ৰনলীৰ পাথৰো প্ৰস্ৰাৱৰ সোঁতত উটুৱাই উলিয়াই দিব পাৰে। সেয়েহে যথেষ্ট পৰিমাণে পানী খোৱাতো পাথৰৰ ৰোগীৰ মহৌষধ।


**পাথৰৰ পুনৰ উৎপত্তিৰ প্ৰতিৰোধৰ উপায় (PREVENTION OF RECURRENCE OF CALCULUS)**

পাথৰৰ উৎপত্তিত কিছু পৰিমাণে বাধা দিব পাৰি। ইয়াৰ বাবে পাথৰ উলিওৱাৰ পাছত তাৰ ৰাসায়নিক পৰীক্ষা কৰি কোন বিধৰ পাথৰ হৈছিল তাক জনাতো অতি প্ৰয়োজন।

অক্‌জেলেট (Oxalate) পাথৰ হোৱা ৰোগীয়ে গাজৰ মূলা, পালেংশাক, বন্ধাকবি, বিলাহী আদি শাক পাচলি কমকৈ খোৱা উচিত। ইউৰিক এচিদ পাথৰ হোৱা ৰোগীয়ে মাছ-মাংস আদি কমকৈ খোৱা উচিত। আনহাতে সকলো ধৰণৰ পাথৰৰ ৰোগীয়ে যথেষ্ট পৰিমাণে পানী খোৱাতো অভ্যাস কৰা উচিত যাতে সৰু সৰু টুকুৰা পাথৰ হওঁতেই সেইবোৰ প্ৰস্ৰাৱৰ লগত উটুৱাই লৈ যাব পাৰে।



**পিত্তথলীৰ পাথৰ (GALL BLADDER CALCULUS)** (৫নং চিত্ৰ)




চিত্ৰ নং ৫
পিত্তকোষ আৰু পিত্তবাহী নলীত পাথৰ

পিত্তথলী নাইবা পিত্তকোষটো আমাৰ শৰীৰৰ বুকুৰ ঠিক তলতে পেটৰ সোঁফালে থাকে (চিত্ৰ নং ২)। পিত্তকোষটো যকৃতত (Liver) তৈয়াৰী হোৱা খাদ্য হজমকাৰী পিত্তপানী (BILE) জমা ৰখা থলীহে (STORE HOUSE)। ই দেখিবলৈ কণীৰ নিচিনা আৰু ইয়াৰ পৰা ওলাই যোৱা নলীডাল (CYSTIC DUCT) যকৃতৰ পৰা ওলাই অহা মূল পিত্তপানীৰ নলীডালত (COMMO BILE DUCT) লগ লাগিছে। পিছে পিত্তকোষটো সাধাৰণ থলী নহয়; কিয়নো ইয়াৰ পিত্তপানীক ঘনীভূত (CONCENTRATION) কৰিব পৰা গুণ থকা বাবে, ইয়াৰ ভিতৰত সাধাৰণতে ধৰা পৰিমাণতকৈ দহগুণ বেছি পৰিমাণৰ পিত্তপানী ৰাখিব পাৰে। পিত্তপানীৰ (BILE) উপাদানৰ ভিতৰত ৯৭% ভাগেই পানী। বাকী ৩ ভাগৰ ভিতৰত চৰ্বিজাতীয় কোলেষ্টাৰল (CHOLESTEROL) বিলিৰুবিন (BILIRUBIN) আৰু বিলিভাৰ্দিন (BILIVERDIN) নামৰ পিগমেন্ট আৰু টৰোকলিক (TOROCHOLIC) আৰু গ্লাইকোকলিক (GLYCOCHOLIC) নামৰ এচিদ। স্বাভাৱিক অৱস্থাত চৰ্বিজাতীয় খাদ্য পাকস্থলীৰ পৰা আহি ক্ষুদ্ৰান্তৰ প্ৰথম ভাগত (DUODENUM) সোমালেই, পিত্তকোষে সংকুচিত হৈ পিত্তপানীখিনি ক্ষুদ্ৰান্তলৈ থেলি পঠিয়াই আৰু ইয়ে চৰ্বিজাতীয় খাদ্যৰ হজম প্ৰক্ৰিয়াত সহায় কৰে।

এতিয়া প্ৰশ্ন হল, পিত্তকোষত পাথৰৰ উৎপত্তি হয় কেনেকৈ? পাথৰ উৎপত্তিৰ সঠিক কাৰণ জনা নগলেও তলত দিয়া প্ৰক্ৰিয়াৰ দ্বাৰা পাথৰৰ উৎপত্তি হ'ব পাৰে–

১। পিত্তপানীত থকা কোলেষ্টাৰল নামৰ উপাদানটো সাধাৰণতে এচিদৰ দ্বাৰা দ্ৰৱীভূত হৈ থাকে। যদি কোনো কাৰণত কোলেষ্টাৰৰ পৰিমাণ বৃদ্ধি হয়, নাইবা এচিদৰ পৰিমাণ কমি যায়, কোলেষ্টাৰল অদ্ৰৱণীয় হৈ কোলেষ্টাৰল জাতীয় পাথৰৰ উৎপত্তি হয়। কোলেষ্টাৰলৰ পৰিমাণ বৃদ্ধি আৰু এচিদৰ পৰিমাণ কমাৰ এটা বিশেষ কাৰণ হ'ল, গৰ্ভনিৰোধক পিলত থকা ইষ্ট্ৰোজেন (OESTROGEN) নামৰ হৰমোন। সেয়েহে গৰ্ভ নিৰোধক পিল খোৱা তিৰোতা মানুহৰ ক্ষেত্ৰত পিত্তকোষৰ পাথৰ বেছিকৈ হোৱা দেখা যায়।

২। বেমাৰৰ বীজাণু– বেমাৰৰ বীজাণু পিত্তকোষৰ ভিতৰত সোমালে মৃত বীজাণুবোৰৰ ওপৰত চূৰ্ণশিল (CALCIUM) আৰু কোলেষ্টাৰল (Cholesterd) জমা হৈ পাথৰৰ উৎপত্তি হ'ব পাৰে।

৩। যদি কোনো কাৰণত পিত্তকোষৰ পৰা পিত্তপানী ওলাই যোৱাৰ প্ৰক্ৰিয়াটো বাধাপ্ৰাপ্ত হয় নাইবা এই প্ৰক্ৰিয়াটো লাহে লাহে হয়, তেতিয়া হলে পিত্তপানী বেছি সময় পিত্তকোষত থাকি যায়। তেতিয়াই ইয়াৰ পানীভাগ পিত্তকোষৰ গায়ে শুহি লয় আৰু ফলস্বৰূপে গোটা ৰাসায়নিক পদাৰ্থবোৰ অদ্ৰৱণীয় হৈ গেদৰ সৃষ্টি কৰে আৰু এইবোৰে পাছত পাথৰৰ সৃষ্টি কৰে। গৰ্ভধাৰণ কৰা তিৰোতা মানুহৰ তেজত ইষ্ট্ৰোজেন নামৰ হৰমোনৰ পৰিমাণ বৃদ্ধি পায় আৰু এই হৰমোনে পিত্তকোষৰ সংকোচন প্ৰক্ৰিয়া (Contraction) কমাই দিয়ে। ইয়াৰ ফলত পিত্তপানী বেছি সময় পিত্তকোষত থাকি যায়। ঘনাই গৰ্ভধাৰণ কৰা তিৰোতা মানুহৰ সেয়েহে পিত্তকোষৰ পাথৰ বেছিকৈ হোৱা দেখা যায়।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে ইষ্ট্ৰোজেন নামৰ হৰমোনৰ প্ৰাদুৰ্ভাৱৰ কাৰণে তিৰোতা মানুহে পুৰুষতকৈ বেছিকৈ পিত্তকোষৰ পাথৰ জনিত ৰোগত ভোগে। লেখকে কৰা সমীক্ষা অনুসৰি এজন পুৰুষৰ বিপৰীতে ৯ গৰাকী তিৰোতাই এই ৰোগত ভোগে। শকত, বহুগৰ্ভধাৰিণী, পঞ্চাশৰ দশকৰ তিৰোতা মানুহে বেছিকৈ এই ৰোগত ভোগা বুলি কোৱা হয়। পিছে এতিয়া দেখা গৈছে যে ক্ষীণ মানুহ, আৰু ল'ৰা-ছোৱালীও এই ৰোগৰ পৰা মুক্ত নহয়। লেখকে নিজে সৰ্বনিম্ন ৪ বছৰ বয়সীয়া ল'ৰাৰো পিত্তকোষৰ পাথৰ অস্ত্ৰোপচাৰ কৰি উলিয়াইছে। গতিকে এতিয়া আৰু কোনো বয়স নাইবা শৰীৰৰ গঠন এই ৰোগৰ লগত সম্বন্ধ থকা বুলি কব পৰা নেযায়।

**পাথৰ হলে কেনেকৈ গম পাব?**

পিত্তকোষত পাথৰ হলে মানুহ ব্যক্তিৰেকে বেলেগ বেলেগ ধৰণৰ ৰোগৰ লক্ষণ প্ৰকাশ পায়।

১। পেটৰ বিষ, বমি, জ্বৰ আদিঃ সাধাৰণতে বেছিভাগ ৰোগীৰে ওপৰ পেটত বিষ হয় আৰু তাৰ পৰা পিঠিৰ মাজভাগলৈ বিয়পিব পাৰে। পেটৰ বিষত ৰোগীয়ে চট্‌ফটাই থাকে। লগতে বমিও হব পাৰে। কেতিয়াবা আকৌ লগতে জ্বৰো উঠে।

২। কোনো কোনো ৰোগীৰ আকৌ পেটটো খোৱাৰ পাছত ওফন্দা যেন অনুভৱ হয়। পেটৰ বিষ একেবাৰেই নহয়।

OKDISCD

৩। কিছুমান ৰোগীৰ আকৌ কোনো অসুবিধাই নহয়। এওঁলোকৰ পিত্তকোষৰ পাথৰ হোৱা কথাটো অইন বেমাৰৰ বাবে পেটৰ এক্সৰে লোৱাতহে ধৰা পৰে। এনেবোৰ পাথৰক 'নীৰৱ-পাথৰ' (SILENT-STONE) বুলি কোৱা হয়।

ওপৰত উল্লেখ কৰা লক্ষণসমূহৰ বাবে ৰোগীয়ে ডাক্তৰৰ ওচৰ চাপিলে বহুতো ৰোগ নিৰীক্ষকৰ উপায়েৰে (INVESTIGATION) পাথৰ ধৰা পেলোৱা হয়। এই উপায়বোৰৰ দুই এটা উল্লেখ কৰা হ'ল।

১। এক্সৰে– পিত্তকোষৰ পাথৰ সাধাৰণ এক্সৰেত ধৰা নপৰে। কেবল ১০% পাথৰহে সাধাৰণ এক্সৰেত দেখা যায়। বাকী ৯০% ভাগৰ ক্ষেত্ৰতে পৰোক্ষ উপায়েৰে পাথৰ ধৰা পেলাব লগীয়া হয়। এনে এটা উপায় হ'ল এক্সৰে দেখা পোৱা (Ractio-opaque) টেবলেট খুৱাই পিত্তকোষটো দেখা পোৱাৰ ব্যৱস্থা কৰা যাক কয়– ORALHOLECYSTOGRAPHY

২। আল্ট্ৰাচোনোগ্ৰাফী (ULTRA-SONOGRAPHY)– যন্ত্ৰৰ দ্বাৰা শব্দ তৰংগৰ সৃষ্টি কৰি পেটৰ ওপৰত লগাই দিলে, ই গোটা আৰু জুলীয়া পদাৰ্থভেদে বেলেগ বেলেগ তৰংগৰ সৃষ্টি কৰে। এই তৰংগসমূহ গ্ৰাফ কাগজত অঁকা যায় আৰু আমি তাকে চাই পিত্তপানীৰ মাজত থকা পিত্তকোষৰ পাথৰ ধৰিব পাৰো।

**পাথৰজনিত উপসৰ্গসমূহ COMPLICATIONS OF CALCULUS DISEASE)–** পিত্তকোষৰ পাথৰ সোনকালে উলিয়াই নেপেলালে তলত দিয়া উপসৰ্গ সমূহে দেখা দিব পাৰে–

১। জণ্ডিচৰোগ (Jaundice)ঃ পিত্তকোষৰ পাথৰ যদি ওলাই গৈ মূল পিত্তপানী বাহী নলীত Common Bile Duct) সোমাই আৰু নলী বন্ধ কৰি দিয়ে, তেতিয়া পিত্তপানী খাদ্যনলীত সোমাব নোৱাৰে আৰু ইয়াত থকা বিলিৰুবিন (Bilirubin) নামৰ পিগমেন্ট (pigment) গৈ তেজত সোমায়। তেতিয়াই এই পিগমেন্টে প্ৰস্ৰাৱ, চকু, গা আদি হালধীয়া কৰি জণ্ডিচ ৰোগৰ উৎপত্তি কৰে। বেছি দিন ধৰি পিত্তপানীবাহী নলী এনেদৰে বন্ধ হৈ থাকিলে, যকৃতৰ (Liver) ওপৰত হেঁচা পৰে আৰু অৱশেষত যকৃত সম্পূৰ্ণৰূপে নষ্ট হৈ যাব পাৰে (Liver Failure).

২। পিত্তকোষৰ কেন্সাৰ (Gallbladder Carcinoma)– পিত্তকোষৰ পাথৰ বহুদিন থাকিলে বহুতো ক্ষেত্ৰত পিত্তকোষত কেন্সাৰ হোৱা দেখা যায়। তথাকথিত 'নীৰৱ পাথৰ'ৰ (Silent Stone) সেইবাবে কোনো কষ্ট নেথাকিলেও পিত্তকোষৰ পাথৰ অস্ত্ৰোপচাৰ কৰি উলিয়াই পেলাব লাগে।

**চিকিৎসা প্ৰণালী (Treatement).**

পিত্তকোষৰ পাথৰৰ চিকিৎসাত অস্ত্ৰোপচাৰেই একমাত্ৰ ফলপ্ৰসূ চিকিৎসা প্ৰণালী। অস্ত্ৰোপচাৰৰ দ্বাৰা পাথৰ উলিওৱাৰ লগতে পিত্তকোষটোও উলিয়াই দিয়া হয়, যাতে ভৱিষ্যতলৈ পাথৰ হোৱাৰ থল নাথাকে। মোৰ পিত্তবাহী নলীত পাথৰ থাকিলে তাকো উলিয়াই দিয়া হয়। পিত্তকোষটো কাটি পেলাই দিলেই হজম প্ৰণালীত একো অসুবিধা নহয়।

পিছে এতিয়া খুব সঘনে সোধা প্ৰশ্নটো হ'ল ঔষধৰ দ্বাৰা পাথৰ গলাই দিব নোৱাৰিনে? ইয়াৰ উত্তৰ একে আষাৰেই দিয়া টান। দুই এটা নতুন ঔষধ ওলাইছে যাৰ দ্বাৰা কেৱল শুদ্ধ কোলেষ্ট্ৰৰল পাথৰহে (Pure Cholesterol Stone) গলাব পাৰি। এনেকুৱা সঘনে ব্যৱহৃত ঔষধ দুবিধ হ'ল– চিনো–ডি অক্সিক'লিক এচিদ (CHENO DEOXY CHOLIC ACID) ইউৰো ডিঅক্সি ক'লিক এচিদ Deoxy Cholic Acid)। পিছে এইবোৰ ঔষধে কাম কৰিবলৈ হ'লে–

(ক) পিত্তকোষটো সম্পূৰ্ণ কাৰ্যক্ষম (Functioning) থাকিব লাগিব।

(খ) পাথৰ ২চেঃ মিঃতকৈ ডাঙৰ হ'ব নেলাগিব।

(গ) পিত্তকোষটো পাথৰেৰে পৰিপূৰ্ণ (Packed) হ'ব নেলাগিব।

কেৱল ১০% –১৫% ভাগ পাথৰ থকা বেমাৰীয়েহে এই সকলোবোৰ-প্ৰয়োজনীয়তা পূৰাব পাৰিব। তাৰ উপৰি এই ঔষধ কমেও ২–৩ বছৰলৈ খাই থাকিব লাগিব। গতিকে চিকিৎসাৰ খৰচো সেই অনুপাতে অস্ত্ৰোপচাৰৰ তুলনাত বহুতো বেছি। ওপৰৰ আলোচনাৰ পৰা এই কথাটো প্ৰতীয়মান হয় যে বহুতো কম সংখ্যক ৰোগীয়েহে ঔষধ প্ৰয়োগৰ দ্বাৰা উপকৃত হ'ব। তদুপৰি ঔষধৰ পাৰ্শ্ব ক্ৰিয়াও (Side Effect) কম নহয়। সেয়েহে ঔষধৰ পিত্তকোষৰ পাথৰৰ চিকিৎসা প্ৰায় কৰা নহয় বুলি কলেও অত্যুক্তি নহব।

লিথোট্ৰিপ্চি (Lithotripsy) বৃক্কৰ পাথৰৰ চিকিৎসা লিথো ট্ৰিপ্চিৰ দ্বাৰা সফলতাৰে কৰাৰ পাছত পিত্তকোষৰ পাথৰো এই পদ্ধতিৰে কৰিব পাৰি নেকি তাৰ চেষ্টা কৰা হ'ল। পিছে বৃক্কৰ পৰা যিহেতু প্ৰস্ৰাৱ ওলাই যোৱা মূত্ৰনলীডাল প্ৰায়েই খোলা থাকে, পাথৰৰ ভঙা টুকুৰাবোৰে সহজে ওলাই যাব পাৰে। কিন্তু একে ধৰণে পিত্তকোষৰ পাথৰ শব্দতৰংগৰ দ্বাৰা ভাঙিব পাৰিলেও সকলো ক্ষেত্ৰতে পাথৰৰ টুকুৰাবোৰ উলিয়াই দিয়াটো সম্ভৱ নহয়। কাৰণ বহুতো ক্ষেত্ৰত পিত্তকোষৰ বহিঃনলীদাল (Cystic duct) বন্ধ হৈ থাকে; নাইবা পিত্তকোষটো বীজাণুৰ দ্বাৰা সংক্ৰমিত হৈ বিকল (Non Functioning) হৈ থাকে। সেয়েহে শৰীৰৰ বাহিৰৰ পৰা নিক্ষেপিত শব্দতৰংগই (Extra Corporeal Shock Wave Lithotripsy) পাথৰ ভাঙি দিলেও বিকল পিত্তকোষ নাইবা বন্ধ হৈ থকা বহিঃনলীৰে পাথৰ উলিয়াই দিব নোৱাৰে। কেৱল কম পাথৰ থকা সম্পূৰ্ণ কাৰ্যক্ষম পিত্তকোষতহে লিথোট্ৰিপচিৰ দ্বাৰা পাথৰ উলিওৱা সম্ভৱ। পিছে এই পদ্ধতিৰে পাথৰ উলিয়াবলৈ কেইবাদিনৰ পৰা কেইবা মাহো লাগিব পাৰে। তদুপৰি যিহেতু পাথৰ হোৱা পিত্তকোষটো কম বেছি পৰিমাণে বীজাণুৰ দ্বাৰা সংক্ৰমিত হৈ থাকি গ'ল; ইয়াত সহজে পুনৰ পাথৰৰ উৎপত্তি হ'ব পাৰে। সেইবাবে বৃক্কৰ পাথৰৰ বিপৰীতে পিত্তকোষৰ পাথৰৰ চিকিৎসা ক্ষেত্ৰত লিথোট্ৰিপ্চিৰ ব্যৱহাৰ সীমিত হৈ আছে।

ওপৰৰ আলোচনাৰ পৰা এইটো কথা বুজা যায় যে পিত্তকোষৰ চিকিৎসাৰ ক্ষেত্ৰত অস্ত্ৰোপচাৰেই এতিয়াও ফলপ্ৰসূ আৰু সহজ লভ্য চিকিৎসা প্ৰণালী। অস্ত্ৰোপচাৰৰ দ্বাৰাই পাথৰৰ লগতে জমা হোৱা পিত্তকোষটোও কাটি পেলোৱাত পুনৰ পাথৰ হোৱাৰ থল নেথাকে। পিছে এই অস্ত্ৰোপচাৰ সাধাৰণতে হঠাতে আৰম্ভ হোৱা ৰোগত (Acute Cholecystitis) (এনে ৰোগীৰ হঠাতে পেটৰ বিষ, বমি আদি লক্ষণ দেখা দিয়ে) কৰা নহয়। এনেকুৱা অৱস্থাত ঔষধৰ দ্বাৰা ৰোগটো কমাই দি পিছত বিভিন্ন পৰীক্ষাৰ দ্বাৰা পাথৰ থকা কথাটো প্ৰমাণিত হলেহে অস্ত্ৰোপচাৰ কৰা হয়। মাজৰ সময়ছোৱাত ৰোগীয়ে চৰ্বিজাতীয় খাদ্য যেনে মাখন, ঘি, ডালডা, কণী, গাখীৰ আদি খোৱাতো অনুচিত। সূ





# স্বৰ্গ-মৰ্ত্য ক'তো নেথাকো

গৰিমা হাজৰিকা

মৃত্যুৰ সময়ত মানুহৰ কেনেকুৱা লাগে এতিয়াহে গম পাইছো। উশাহটো লাহে লাহে লব নোৱৰা হৈ আহিছো। গাটো দেখোন একেবাৰে পাতল তুলাৰ দৰে হৈ গৈছে। হাত ভৰিবোৰ আছে নে নাই একো ধৰিবই পৰা নাই। এনেকৈয়ে মানুহ মৰে নেকি? ময়ো মৰিলো হ'ব পায়। হয় ঠিকেই, মৰিলো। কাৰণ ঘৰৰ মানুহবোৰে গাত পৰি পৰি কান্দিছে, মইচোন একো ভৰেই পোৱা নাই আৰু কন্দা শুনাও নাই। অ'! সেইয়া দেখোন 'গুণপেহী' আৰু 'দত্তনি'– তেওঁলোকেও দেখোন ইমান কান্দিছে–কিয় বা? তেওঁলোকেচোন মোক দেখিবই নোৱাৰে– গোটেই চুবুৰিতে মোৰ বদ্‌নামেই গাই ফুৰে। অ', বুজিছো মৰাৰ পাছত সকলো মানুহেই ভাল হৈ যায়। গতিকে গুণপেহী আৰু দত্তনিয়েও কান্দিছে। মোৰ বদ্‌নাম কমনো গালে নে তেওঁলোকে। মই হেনো শাহু, শহুৰক মুঠেই নেচাওঁ– টলৌ টলৌ কৈ ঘূৰি ফুৰো। গৃহস্থ ল'ৰা-ছোৱালীয়ে কি খাইছে-নেখাইছে মোৰ হেনো কোনো খবৰেই নাই ইত্যাদি ইত্যাদি। মোৰ যদি ঘৰ খনৰ প্ৰতি কোনো খেয়ালেই নাই– তেন্তে ঘৰত বনকৰা ল'ৰা এটাও নোহোৱাকৈ ল'ৰা-ছোৱালী, গৃহস্থ, স্কুল অফিচলৈ খাই বই যাব পাৰে কেনেকৈ? একাণ্ডিগ শহুৰক মালিচ কৰা, গা–ধুওৱা, খুৱাই দিয়া সেইবোৰতো আছেই। শাহুৰ ব্লাড প্ৰেচাৰ বাঢ়িলে বা কমিলে– লাগে হুলস্থূল– তাতে আকৌ বাতৰ বিষ। ডাক্তৰক মতাৰ পৰা দৰব কিনি খুওৱালৈকে। দেওৰটো আজি এমাহে স্কুটাৰ এক্সিডেন্টত হাড় ভাঙি বিছনাত পৰি আছে। তেওঁকো চোৱা চিতা কোনে কৰে বুলি ভাবিছে। মোৰ বাহিৰে এইখন ঘৰত কাম কৰা মানুহ কোনো নাই। গৃহস্থ হ'ল এনে এজন মতা মানুহ যি জনে ঘৰৰ খবৰ ৰাখিব লাগে বুলি নেভাবেই। মাহেকৰ মূৰত পইছা কেইটা আনি দিয়েই ডাঙৰ কাম কৰা বুলি ভাবে। কেতিয়াবা অৱশ্যে কাম দুই এপদ নকৰা নহয়– তাকো আকৌ নিজৰ মন যাব লাগিব। এই মন যোৱাটো আকৌ তিনি চাৰি মাহ মানৰ মূৰতহে উক্ দিয়ে। ল'ৰা-ছোৱালী কেইটাৰ পঢ়াখিনিও মন নগলে নেচায়। আৰামেৰে বহি কিতাপ পঢ়ি, বন্ধু বান্ধৱৰ লগত সময় কটাই দিব পাৰিলেই বৰ আনন্দ। কোনেনো ভাল নেপায় লোকে কৰি দিয়া চাহ আৰু বঢ়া ভাত খাবলৈ? কিন্তু গৃহিনীৰ মন যোৱা নোযোৱাৰ ওপৰততো নহ'ব। লাগিলে তুমি অফিচাৰেই হোৱা, মাষ্টৰনীয়েই হোৱা, কেৰাণীয়েই হোৱা বা মোৰ দৰে টলৌ টলৌকৈ ঘূৰি ফুৰা ইঞ্চুৰেন্সত কাম কৰা মহিলাই হোৱা বা অকল ঘৰৰ গৃহিনীয়েই হোৱা– হেতা খন্তি লবই লাগিব। সেয়া হ'ল আমাৰ পৰম্পৰা। ভাগৰ তোমাৰ নাই বুলি ধৰি, ঘৰৰ সকলো কাম চাবই লাগিব। অফিচৰ পৰা আহি নিজেই চাহ কাপ কৰি খাবও লাগিব আৰু ঘৰৰ সকলোকে খুৱাবও লাগিব। তুমি আহিবা বুলি ঘৰত কোনেও ৰৈ নাথাকে। গৃহস্থই হাঁচিটো মাৰিলেও আলপৈচান ধৰাটো গৃহিনীৰ কৰ্তব্যৰ ভিতৰত। কিন্তু তুমি যদি এশ এক জ্বৰলৈয়ো ভাত ৰান্ধা কাৰো খবৰ নাই। যেতিয়ালৈকে বিছনাত লেবেজান হৈ নপৰা– কোনেও তোমাৰ গা বেয়া লগাক গুৰুত্ব নিদিয়ে। অকলটো ঘৰুৱা বা অফিচৰ কাম কাজ লৈ আমিবোৰ ক্ষান্ত থাকিলে নচলিব। সামাজিক নিয়ম একা? সেইবোৰো লগে লগে পালিব লাগিব, যাবও লাগিব। বিয়া, শ্ৰাদ্ধ, অন্নপ্ৰাসন্ন জন্মদিন, মৰা ঘৰত খবৰ লোৱা, জন্ম হোৱাৰ খবৰ লোৱা, ওচৰ চুবুৰীয়াৰ খবৰ মেল মিটিং আৰু যে ক'ত কি? গৃহস্থবোৰেতো মন নগলে এনেবোৰ নিয়ম নমনাকৈ চলি যাব পাৰে। কিন্তু গৃহিনীৰ বেলিকা সেইটো নহ'ব। সকলো ফালে তাল মাৰোতে মাৰোতে নিজৰ শৰীৰ মন লৈ ভাবিবলৈ সময় ক'ত? দেউতা ঢুকুৱাৰ পাছৰ পৰা মাৰ ঘৰখনো চাবলগীয়া হৈছে। দাদা থাকে আমেৰিকাত। দেউতা ঢুকুৱাৰ খবৰ পাই আহিছিল, দুসপ্তাহৰ কাৰণে। শ্ৰাদ্ধৰ পাছত গ'লগৈ। মোৰ বিপদে কুলাই পাচিয়ে নধৰা হৈছে। ননদ জনীক হেনো গিৰিয়েকে এৰিব। মোৰ লগতে থাকিবহি বুলি লেখিছে। মোৰ দুজনী ভনীক বিয়া দিবলৈকো আছে। মাৰ চকুৰ অপাৰেচন কৰাব লাগে। ইমানবোৰ কামৰ মাজত সোমাই পৰিছো যে, মই নিজেনো কি পাহৰিয়েই গৈছো। অনাৰ্চ লৈ বি এ পাছ কৰিছিলো, ডিবেট কৰিছিলো, ভাল গানো গাইছিলো। সেইবোৰ কথা পাহৰিলো। ভালেই হ'ল মই মৰিলো। এতিয়া স্বৰ্গ পাই ঈশ্বৰৰ ওচৰত ভজন গাই গাই আনন্দেৰে থাকিম। ঘৰৰ সোপাকে কাম এতিয়া কোনে কৰে কৰক। বৰ আৰাম লাগিছে দেই, কোমল কোমল মেঘৰ মাজে মাজে খোজকাঢ়ি যাবলৈ। ইচ্ ইচ্ এতিয়াহে মই নিজকে মন কৰিছো ভৰিৰ গোৰোহা ফাটি মুখ মেলি আছে। হাতৰ আঙুলিবোৰ চাবই নোৱাৰি আলু কটা দাগ। ডিঙিৰ হাড়বোৰ কেনেকৈ জেং জেং কৈ ওলাইছে। চুলি পকি শেষ। ভালেই হ'ল মৰিলো। এতিয়া স্বৰ্গৰ দেৱী, অপেশ্বৰীৰ দৰে ধুনীয়া হৈ আৰামত দিন কটাব পাৰিম– ঘৰুৱা চিন্তা নাই, জঞ্জালো নাই। সেয়া নহয়– হিন্দী চিনেমাত দেখাৰ দৰে মেঘৰ মাজে মাজে, কাম বন নোহোৱা মানুহৰ দৰে সাজি কাছি সিংহাসনত বহি আছে –ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ। এইদৰে কিছু সময় মেঘৰ মাজে মাজে সকলো চাই চিতি মোৰ চকুৰ পানী ওলাবলৈ ধৰিলে। তাকে দেখি বিষ্ণুৱে সুধিলে– "কি হ'ল তোমাৰ? স্বৰ্গলৈ আহি তোমাৰ চকুপানী ! মৰ্ত্যৰ মানুহে এই স্বৰ্গলৈকে আহিবলৈ কিমান দান-দক্ষিণা, নাম যজ্ঞ, কষ্ট কৰি মন্দিৰ মছজিদ দৰ্শন কৰে আৰু তুমি স্বৰ্গ পাই কান্দিছা! কিয়।" "প্ৰভু ঈশ্বৰ, দায়- দোষ নধৰে যদি কথা এটা কওঁ। ইফালে সিফালে স্বৰ্গলোক চাই ফুৰোতে দেৱী পাৰ্বতীক অকলে অকলে সুন্দৰ অট্টালিকা এটাত বহি থকা দেখিলো। তেওঁৰ কাষত ফল মূলৰ থাল এখন। এনেকৈ অকলে অকলে কিয় বহি আছে বুলি সোধোতে হাঁহি এটা মাৰি ক'লে, তেওঁ হেনো স্বামী মহাদেৱৰ কাৰণে আহাৰ লৈ অপেক্ষা কৰি আছে। মই বাটত আহোতে দেখিলো মহাদেৱ ধ্যানত মগ্ন। কেতিয়া বা ধ্যান ভাঙে

আৰু কেতিয়া বা গৈ দেৱী পাৰ্বতীক আৰ্জৰি কৰি দিয়েগৈ। মৰ্ত্যতো আমি বেছি ভাগ গৃহিনীয়ে গৃহস্থ আৰু ল'ৰাৰ কাৰণে ৰাতি এপৰলৈ ৰৈ থাকিব লগীয়া হয়– কিন্তু ধৈৰ্যৰ সীমা পাৰ হলে কাজিয়া কৰিব পাৰি বা তিনি চাৰিদিন নমতাকৈ থাকিব পাৰি। কিন্তু সৰগত দেখিছো সেইটো নহ'ব– সকলোৰে মুখত অনবৰত হাঁহি থাকিবই লাগিব। ইয়াত এটা কথা ভাল আপোনালোকে সকলোৱে ফলমূল খায়। আমাৰ মৰ্ত্যত আকৌ ৰন্ধা বস্তু খায়। গৃহস্থ ৰাতি দেৰিকৈ আহিলে সেইবোৰ আকৌ গৰম কৰি দিব লাগে, সেইটো জানো কম লেঠা। আৰু এতিয়া ভগৱান, আপুনি অকণমান মন কৰকচোন– আপোনাৰ স্ত্ৰী লক্ষ্মী দেৱীয়ে অথনিৰে পৰা আপোনাৰ চৰণ যুগল পিটিকি আছে। আপুনিটো তেওঁক "আৰু নেলাগে হ'ব" বুলি কোৱা নাই। মৰ্ত্যত কিন্তু আমাক এইদৰে ভৰি পিটিকাব নোৱাৰে। অৱশ্যে বেমাৰ আজাৰ হ'লে বেলেগ কথা। আমি স্বইচ্ছাৰে ভৰি হাত মোহাৰি দৰব পাতি খুৱাই দিওঁ। কম্পালচৰী কিন্তু নহয়। মই ভাবিছিলো স্বৰ্গত দেৱী সকলৰ বৰ আৰাম আৰু সেই কাৰণে স্বৰ্গলৈ আহি থাকোতে সেই কথা ভাবি মনটো বৰ ভাল লাগিছিল– মৰ্ত্যৰ সংসাৰৰ নানান লেঠাৰ পৰা মুক্তি পালো বুলি। এতিয়া দেখিছো দেৱী সকলৰ যদি এই অৱস্থা, মোৰ নিচিনা সাধাৰণ নাৰীৰ বাৰু কি অৱস্থা হ'ব। সেয়েহে কান্দিছো।" "ঠিক আছে বাৰু, তুমি যদি স্বৰ্গত থাকিবলৈ বিচৰা নাই তোমাক অতি সোনকালে মৰ্ত্যত আকৌ জন্ম দিয়াম"। "প্ৰভু ঈশ্বৰ, মোক যদি আকৌ মৰ্ত্যতেই জন্ম দিয়ে, মোৰ এটা অনুৰোধ আছে" "কি অনুৰোধ কোৱা"। "মোক যেন আকৌ নাৰী হিচাপে জন্ম নিদিয়ে"। "তথাস্তু"! তুমি বনৰ প্ৰতাপী জন্তু সিংহ হৈ জন্ম লবা"। "প্ৰভু ঈশ্বৰ, প্ৰভু ঈশ্বৰ কি সিংহ জানিলে ভাল আছিল। মতা নে মাইকী"? "মাইকী সিংহ আকৌ– কাৰণ তোমাৰ অকাল মৃত্যু হৈছে। মাইকী হৈ আৰু কিছুদিন থাকিব লাগিব"। "সৰ্বনাশ প্ৰভু আকৌ একে কামকে কৰিব লাগিব। দৌৰি দৌৰি চিকাৰ কৰি আনি পোহপাল দিব লাগিব। ভাবিয়েই ভয়ত পেটতে হাত ভৰি লুকাইছে। প্ৰভু, মই জন্ম ল'ব নিবিচাৰো, মই ভূত হৈ থাকিম"। "নাই নাই মৰিলে জন্ম লবই লাগিব"। "ঠিক আছে বাৰু, জন্ম যদি লবই লাগে আমাৰ দেৱতাৰ দেশতেই জন্ম দিয়ক"। "দেৱতাৰ দেশ? দেৱতাৰ দেশ আকৌ বেলেগ ক'ত আছে? এই স্বৰ্গলোকেই হ'ল দেৱী দেৱতাৰ দেশ"। নহয় প্ৰভু আমাৰ দেৱতা বেলেগ। সাত সাগৰৰ সিপাৰৰ চাহাব মেমৰ দেশ। তাত মতা মাইকী সকলোৱে সমানে সমানে কাম কৰে, সমানে সমানে সংসাৰৰ সকলো ক্ষেত্ৰতে দায়িত্ব পালন কৰে। তেনে দেশত জন্ম পালে আমাৰ নাৰী সকলৰ কষ্ট অলপ লাঘৱ হয়। "তথাস্তু"।

"উস্" এতিয়াহে মনটো বৰ ভাল লাগিছে। হওক তেও, এতিয়া আৰু সকলো কথাতে মই ঢপলিয়াই ফুৰিব নেলাগে। গৃহস্থ,ল'ৰা ছোৱালী সকলোৱে মিলি সমানে কাম কৰিব লাগিব। ভাবিয়েই ভাল লাগিছে। এতিয়া অন্ততঃ নিজৰ কাৰণে কিছু সময় উলিয়াব পাৰিম– আহ্ কি আৰাম। প্ৰভু তোমাক কি বুলি ধন্যবাদ দিওঁ"।

"হেৰা নুঠা কিয় হে? চাৰিটা বাজিবৰ হ'ল দেওবাৰ হ'ল বুলি ইমান কৈ শুব লাগেনে?" হঠাৎ সাৰ পাই ধৰিব পৰা নাছিলো– মই ক'ত স্বৰ্গত নে মৰ্ত্যত। কাষতে কাগজ পঢ়ি থকা গৃহস্থলৈ চকু পৰাত উঠি বহিলো। লাহে লাহে পাকঘৰ পাই গেছত চাহৰ কেট্‌লীটো উঠাই সোতাটো হাতত ল'লো। ■


## বহাগতে পাতি যাওঁ বিয়া

মাঘৰ ভোগালী বিহুটি পাৰহৈ যোৱাৰ লগে লগে বহাগৰ বিহুটিলৈ আমাৰ মনত পৰে। মাঘ, ফাগুন, চ'ত আৰু বহাগ এই চাৰি মাহেই অসম দেশত থকা আটাইকেইটা খিলঞ্জীয়া জনগোষ্ঠীৰ উৎসৱ, সবাহ, ঘূৰাফুৰা ভালকৈ খাৱন-পিন্ধন, প্ৰেম-প্ৰীতি আৰু বিয়া-বাৰুত সোমোৱা সময়। শীত আৰু বসন্তই অসমৰ আকাশ বতাহ আৰু সমাজত আনন্দ উলাহ আৰু প্ৰেম-মাদকতা তথা সুৱাসেৰে আমোল-মোলাই তোলে। যেতিয়া বহুতেই বিয়াৰ বাবে আনন্দত নাচি-বাগি ফুৰে তেতিয়াই আকৌ বহুতো ডেকা বা গাভৰুৱে কিহবা অজান ভয় আশংকাৰ আন্ধাৰত বাট বিচাৰি নেপাই খপজপাই ফুৰে আৰু বিয়াত সোনকালে সোমাবলৈ অমান্তি হয়। কিয় এনে হয় সেয়া বহুত কথা! মনত ৰাখিব এনে কোনো সমস্যা বা ৰোগ নাই যাৰ বাবে বিবাহৰ কোনোবা অযোগ্য হ'ব পাৰে! হেজাৰ হেজাৰ জনৰ যৌন সমস্যা আৰু ৰোগ সমূহ দূৰ কৰি আমি হেজাৰ জনলৈ আনি দিছো নৱ প্ৰেৰণা! আমি সকলো যৌন সমস্যা তথা ৰোগৰ ১00% স্থায়ী নিৰাময়ৰ গহীন অংগীকাৰ আগবঢ়াওঁ।

**ডাঃ এ, নেইছাৰ এম, ডি**
উত্তৰ ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

**জেউতি ছেক্স ক্লিনিকছ**
কুমাৰপাৰা, গুৱাহাটী-৭৮১০০৯

OKDISCD